
# সাম্প্ৰতিক সাময়িকী




জানৱাৰী ১৯৭৯

# সাম্প্ৰতিক সামমিকী

সাহিত্য সংস্কৃতি বিষয়ক মাহেকীয়া আলোচনী

## সূচীপত্ৰ


সম্পাদকীয় ॥

শতবাৰ্ষিকীৰ শ্ৰদ্ধাঞ্জলি ॥ কমৰে'ড স্তালিন ॥ ৩

প্ৰবন্ধ ॥

লেনিনৰ দৃষ্টিত টলষ্টয় ॥ শিবনাথ বৰ্মন ॥ ৯

কেন্দ্ৰ-ৰাজ্য সম্পৰ্ক, সাম্ৰাজ্যবাদ, জাতীয়তাবাদ আৰু শ্ৰেণীসংগ্ৰাম ॥ অতুল গোস্বামী ॥ ১৭

ভাৰতবৰ্ষ আৰু নাগা জনসাধাৰণ ॥ নেভিল মেক্সৱেল ॥ ২৯

ব্যক্তিসত্তাৰ বিলুপ্তি ॥ মেক্সিম গৰ্কী ॥ ৪৯

স্তালিন আৰু জাতিসত্তাৰ স্বনিয়ন্ত্ৰণ ॥ প্ৰাঞ্জল কাকতি ॥ ৬০

মাও ছে-তুঙৰ শিকনি সম্পৰ্কে চৌ এন লাই ॥ অনুবাদ : শোভা খনিকৰ ॥ ৮৩

গল্প ॥

দেওনাত এজন প্ৰতিভূ ॥ দেবব্ৰত দাস ॥ ৩৪

প্ৰশ্নোত্তৰ কলম ॥ ডঃ হীৰেন গোহাঁই ॥ ৪১

প্ৰসংগক্ৰমে ॥

অকল ভোজপুৰতে নহয় ॥ ১৩

আন্তৰ্জাতিক ৰাজনীতি ॥

দুই বৃহৎশক্তিৰ ৰণভূমি আফ্ৰিকা ॥ ভাৰ্গব গোস্বামী ॥ ৫৩

মতামত ॥

জাতীয়তাবাদ— কাৰ স্বাৰ্থত ? ॥ অনুজ গোস্বামী, তপন শৰ্মা, জীৱন বৰা ॥ ৬৫

বহল দৃষ্টিৰ সাংবাদিকতা ॥ জ্ঞান পূজাৰী ॥ ৭১

"পাগ ঘৰত কোন ?" "মই কল খোৱা নাই ?" ॥ উদয়াদিত্য ভৰালী ॥ ৭৩

কলখোৰা চোৰ বনাম জবৰ্ জং বীৰ ॥ ডঃ হীৰেন গোহাঁই ॥ ৭৮

অন্য এক ঐতিহ্য ॥ কুশল চমুৱা ॥ ৮১

তৰুণ শইকীয়াৰ 'কুকুৰ' মৌলিক ৰচনা নে ? ॥ অতুল তামুলী ॥ ৮২

নাটক আৰু অভিনয় প্ৰসংগ ॥

ব্ৰেখ্‌টৰ এপিক থিয়েটাৰ ॥ চেতনা গোষ্ঠী ॥ ৮৬



প্ৰচ্ছদপদ ॥ বেণু মিশ্ৰ

সম্পাদক : নিত্য বৰা ॥ সহযোগী : জ্ঞান পূজাৰী


OKDISCD

॥ নৱ-বৰ্ষৰ শুভেচ্ছাৰে ॥

সাহিত্য আৰু চেতনা (প্ৰবন্ধ) ডঃ হীৰেণ গোহাঁই ১৫.০০
বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি (জীৱনী) তিলক দাস— ১২.০০
অশান্ত প্ৰহৰ (উপন্যাস) কাঞ্চন বৰুৱা ১০.০০
বৰদোৱা-গুৰুচৰিত (প্ৰবন্ধ) ডঃ মহেশ্বৰ নেওগ ১২.০০
ৰণ্ডুকাবেহাৰ (উপন্যাস) মেদিনী চৌধুৰী ১০.০০
হস্তৰেখা আৰু জ্যোতিষ-বিজ্ঞান (বিজ্ঞানসন্মত) ভুবন নাথ ২০.০০
অসীমত যাৰ হেৰাল সীমা (উপন্যাস) কাঞ্চন বৰুৱা ১৫.০০
মন আৰু মন (সাহিত্য আলোচনা) ৰাম গোস্বামী ৮.০০
হিমানী হিল্লোল (উপন্যাস) কুমাৰ কিশোৰ ৮.০০
জতুগৃহ (উপন্যাস) ৰুনু বৰুৱা ৮.০০
মেডিকেল কলেজ (উপন্যাস) প্ৰণব কুমাৰ শৰ্মা ৮.০০
গধূলি লগ্ন (উপন্যাস) ঘন হাজৰিকা ৮.০০
উপমা কালিদাসস্য (প্ৰবন্ধ) মুকুন্দমাধৱ শৰ্মা ৭.০০
সাহিত্য সংস্কৃতিৰ প্ৰবাহ (প্ৰবন্ধ) যজ্ঞেশ্বৰ শৰ্মা ৭.০০
অঘৰী আত্মাৰ কাহিনী (উপন্যাস) চৈয়দ আব্দুল মালিক ৬.৫০
মঞ্চকলা (মঞ্চ আৰু অভিনয় সম্পৰ্কে) কুমাৰ কিশোৰ ৬.০০
সৃজন আৰু মনন (প্ৰবন্ধ) ইমদাদ উল্লাহ ৬.০০
বহাগতে পাতি যাওঁ বিয়া (ৰম্য ৰচনা) ভদ্ৰ বৰা ৬.০০
মণি-কাঞ্চন (উপন্যাস) সন্তোষ কুমাৰ শৰ্মা ৬.০০
মাটিৰ মানুহ (উপন্যাস) দেবী দাস নেওগ ৬.০০
ৰাজপথৰ নায়ক (উপন্যাস) কামাখ্য সভাপণ্ডিত ৬.০০
শিশুৰ প্ৰতিপালন (বিজ্ঞানসন্মত) চন্দ্ৰপ্ৰভা দেৱী ৬.০০

লগতে

বিবাহ আৰু জীৱন ৫.০০॥ ৰোমন্থন ৫.০০॥ অভিনেত্ৰী ৫.০০॥ বলম—৫.০০॥ অঙ্কুৰ—৫.০০॥ সম্পূৰ্ণ ডাকৰ বচন—৫.০০॥ ছিণ্ডিয়ো কৰ্ম্ম বন্ধন—৫.০০॥ উ খুন জংঙা—৫.০০॥ মুছাফিৰখানা—৫.০০॥ শিল জুৰিৰ সাকোঁ—৫.০০॥ অচিন নায়ক—৪.০০॥ গ্ৰহণান্ত—৪.০০ প্ৰিয়ঙ্গু—৪.০০॥ উত্তাপ—৪.০০॥ দেবী ইন্দ্ৰানী—৪.০০॥ জৰাসন্ধৰ নৃত্য—৪.০০॥ শেষ ক'ত?—৩.৫০॥ ৰঙা জিয়া—৩.০০॥ মণ্টু সংবাদ—৩.০০॥ কুঁৱলী—৩.০০॥ সোণালী চুলি—৩.০০॥ ফুলি থকা সূৰ্য্যমুখী ফুলটোৰ ফালে—২.৫০॥ ৰামধেনু কাৰ ধেনু?—২.০০॥ পলৰীয়া প্ৰতিধ্বনি—৪.০০ ইত্যাদি।

গুৱাহাটী বুক ষ্টল
শিলপুখুৰী, গুৱাহাটী—৭৮১০০৩


# সম্পাদকীয়/

শতবাৰ্ষিকীৰ শ্ৰদ্ধাঞ্জলি

## কমৰেড ষ্টালিন

"মাৰ্ক্সবাদী-লেনিনবাদী তত্ত্বত সৰ্বপ্ৰসাৰী যুগান্তকাৰী বিকাশ ঘটাইছিল কমৰেড ষ্টালিনে। কমৰেড ষ্টালিনে মাৰ্ক্সবাদক এক নতুন পৰ্যায়লৈ উন্নীত কৰিছিল। পুঁজিবাদৰ অসম বিকাশ আৰু এখন দেশত সমাজতন্ত্ৰৰ বিজয় সম্ভৱ বুলি লেনিনৰ যি তত্ত্ব, স্বকীয় সৃষ্টিৰ সহায়েৰে অধিক বিকশিত কৰিলে কমৰেড ষ্টালিনে। পুঁজিবাদী ব্যৱস্থাৰ সাধাৰণ সংকটৰ তত্ত্ব কমৰেড ষ্টালিনৰ স্বকীয় সৃষ্টিৰ অবদান। চোভিয়েট ইউনিয়নত কমিউনিজম গঠনৰ তত্ত্ব, আধুনিক যুগৰ পুঁজিবাদ আৰু সমাজতন্ত্ৰৰ মূল অৰ্থনৈতিক নিয়মাৱলী সম্পৰ্কে তত্ত্ব কম ষ্টালিনৰ স্বকীয় সৃষ্টিৰ অবদান। পাৰ্টি গঢ়া সম্পৰ্কে লেনিনৰ তত্ত্বক স্বকীয় সৃষ্টিৰ সহায়ত আৰু বিকশিত কৰিছে কম. ষ্টালিনে। কম. ষ্টালিনৰ স্বকীয় সৃষ্টিৰে সমৃদ্ধ এই তত্ত্বসমূহে সমগ্ৰ বিশ্বৰ শ্ৰমিকশ্ৰেণীক আৰু ঐক্যবদ্ধ কৰিছে, সমগ্ৰ বিশ্বৰ নিপীড়িত শ্ৰেণীসমূহ, জনগণক আৰু ঐক্যবদ্ধ কৰিছে আৰু এইদৰেই বিশ্বৰ শ্ৰমিকশ্ৰেণী আৰু সমস্ত নিপীড়িত মানুহৰ মুক্তি আৰু সুখী জীৱনৰ বাবে—সংগ্ৰামৰ পৰিধি, আৰু সেই সংগ্ৰামৰ বিজয়ৰ পৰিধিৰ অভূতপূৰ্ব প্ৰসাৰ ঘটাইছে।"

মাও ছে-তুং
প্ৰাভদা, ১০ মাৰ্চ, ১৯৫৩

"ষ্টালিনৰ গুণাৱলী আৰু ভুলবিলাক হৈছে ঐতিহাসিক আৰু বাস্তৱ ঘটনা। এই দুয়োটাৰে তুলনা কৰিলে ওলাই পৰিব যে গুণাৱলীয়ে তেওঁৰ ত্ৰুটিসমূহক তল পেলাই দিছে। ...... কাজেই, ষ্টালিনৰ ভুল-বিলাক অনুধাৱন, সমালোচনা আৰু সংশোধন কৰাৰ লগে লগে তেওঁৰ জীৱনৰ প্ৰথম দিশটো অৱশ্যেই ৰক্ষা কৰিব লাগিব—আৰু এইটো কৰিব লাগিব যি মাৰ্ক্সবাদ-লেনিনবাদক তেওঁ সুৰক্ষিত আৰু বিকশিত কৰিছিল, তাৰ সংৰক্ষণৰ স্বাৰ্থতে।"

—ষ্টালিন

OKDISCD

জীয়াই থকা হলে এই বছৰৰ অহা ২১ ডিছেম্বৰ তাৰিখে কম. জে. ভি. স্তালিনৰ এশ বছৰ পূৰ্ণ হ'লহেঁতেন। ২৫ বছৰ আগতে মহান অক্টোবৰ বিপ্লবৰ স্থপতি কমঃ লেনিনৰ সুযোগ্য শিষ্য স্তালিনৰ মৃত্যুৰ লগে লগেই পৃথিবীৰ প্ৰথম সমাজতান্ত্ৰিক দেশ ৰাছিয়াৰ সংশো- ধনবাদী নেতৃত্বই ইতিহাসৰ পাতৰ পৰা তেওঁৰ নাম চিৰকালৰ বাবে বিস্মৃত কৰাৰ যি ষড়যন্ত্ৰ কৰিছিল, কমিউনিষ্ট বিশ্বৰ মহান নেতা মাও ছে-তুঙৰ নেতৃত্বত বিশ্বৰ মেহনতী জনগণে সেই ষড়যন্ত্ৰ ব্যৰ্থ কৰিলে।

কম. স্তালিনৰ মৃত্যু হয় ১৯৫৩ চনত। তাৰ তিনি বছৰৰ পিছত ছোভিয়েট কমিউনিষ্ট পাৰ্টিৰ ২০ নং কংগ্ৰেছত ক্ৰুছেভ আৰু অন্যান্য ৰুছ নেতাসকলে তেওঁৰ ওপৰত প্ৰথম মুকলি আক্ৰমণ চলাই আৰু ২২ নং কংগ্ৰেছত এই আক্ৰমণে নগ্ন ৰূপ লয়। সংৰক্ষিত অৱস্থাত থকা স্তালিনৰ মৃতদেহ উলিয়াই আনি পুৰি পেলোৱা হয়। ছোভিয়েটৰ 'নব্য জাৰ'হঁতে ৰুছ জনগণ আৰু বিশ্বৰ মেহনতী মানুহৰ স্মৃতিৰ পৰা স্তালিনৰ ভাবমূৰ্তি মচি পেলাবলৈ আপ্ৰাণ চেষ্টাত লিপ্ত হয়। কিন্তু যোৱা ২৫ বছৰৰ ইতিহাসে দেখুৱাইছে প্ৰয়োগৰ ক্ষেত্ৰত বহুতো ভুল-ভ্ৰান্তি থকা সত্বেও স্তালিনেই আছিল মাৰ্ক্সবাদ-লেনিনবাদৰ প্ৰকৃত উত্তৰসূৰী - সংশোধনবাদ হ'ল ইয়াৰ অন্যতম প্ৰধান শত্ৰু। সেয়ে বিশ্বৰ মেহনতী মানুহৰ মনত স্তালিনৰ নাম আজিও অম্লান— সংশোধনবাদৰ হোতা ক্ৰুছেভকে আদি কৰি ছোভিয়েটৰ নব্যজাৰহঁত হ'ল ইতিহাসৰ ঘৃণনীয় আৰু বিশ্বাসঘাতক চৰিত্ৰ।

পৃথিৱীৰ প্ৰথম সমাজতান্ত্ৰিক দেশখনৰ জন্মৰ কিছুদিন পিছতেই লেনিনৰ মৃত্যু হ'ল। এই শিশু ৰাষ্ট্ৰৰ কাণ্ডাৰী কৰি থৈ গ'ল স্তালিনক। বিশ্ব ইতিহাসৰ সৰাতোকৈ গুৰুত্বপূৰ্ণ সময়ছোৱাতে স্তালিনৰ ওপৰত এই গুৰুত্বভাৰ পৰিছিল। ফেছীবাদ আৰু সাম্ৰাজ্যবাদৰ বাঘ নখে মানৱ সভ্যতাৰ টেটু চেপি ধৰিছিল। কিন্তু ফেছীবাদ বিৰোধী মহান সংগ্ৰামত লিপ্ত হৈ স্তালিনে অকল ৰুছ জনগণৰে নহয় সমগ্ৰ বিশ্বৰ মেহনতী মানুহৰ মুক্তিৰ সোপান ৰচনা কৰিলে। তেওঁ যে অকল বহিঃশত্ৰুৰ বিৰুদ্ধেই- মৰণপণ সংগ্ৰামত লিপ্ত হ'ব লগা হৈছিল তেনে নহয়— আনফালে তেওঁ মাৰ্ক্সবাদ-লেনিনবাদৰ শত্ৰু, নানা তৰহৰ সুবিধাবাদৰ বিৰুদ্ধে সংগ্ৰামত লিপ্ত হৈ ট্ৰটস্কীবাদী, বুখাৰিণবাদী আৰু অন্যান্য বুৰ্জোৱা দালালহঁতকো নিৰ্মূল কৰি শিশু সমাজতান্ত্ৰিক দেশখনক



ৰক্ষা আৰু সংহত কৰিব লগা হৈছিল।

'ছোভিয়েট ইউনিয়নৰ সমাজতান্ত্ৰিক শিল্পায়ন আৰু যৌথ কৃষি কৰ্ম ( Collective Farming ) ৰ নৌতিক গুৰুত্ব দি তেওঁ ছোভিয়েট জনগণ আৰু ছোভিয়েট পাৰ্টিক পৰিচালিত কৰিছিল আৰু সমাজতান্ত্ৰিক গঠন কাৰ্য আৰু সমাজতান্ত্ৰিক উত্তৰণৰ ক্ষেত্ৰত অভূতপূৰ্ব সাফল্য অৰ্জন কৰিছিল।' ( স্তালিন সম্পৰ্কে প্ৰস্তাৱঃ চি. পি. চি. ১৯৬৩ )

সামগ্ৰিকভাবে সৰ্বহাৰাৰ আন্তৰ্জাতিকতাবাদৰ ভিত্তিত তেওঁ যি বৈদেশিক নীতি অনুধাবন কৰিছিল সেই নীতিয়ে সদ্য মুক্তিপ্ৰাপ্ত চীনকে আদি কৰি বিভিন্ন দেশৰ বিপ্লবী জনগণৰ আৰু বিপ্লবী পাৰ্টিৰ মাজত অভূতপূৰ্ব প্ৰেৰণাৰ সঞ্চাৰ কৰিছিল।

স্তালিনৰ গুণ আৰু ত্ৰুটিসমূহ ঐতিহাসিক আৰু বস্তুগতভাৱে সত্য। সেয়ে ঐতিহাসিক বস্তুবাদৰ ৰীতিৰে এইবোৰৰ বস্তুগত আৰু বৈজ্ঞানিক বিশ্লেষণৰ প্ৰয়োজন আছে। স্তালিনে যিখিনি ভুল কৰিছিল সেই বিলাকৰ আদৰ্শগত, সামাজিক আৰু ঐতিহাসিক ভিত্তি আছে। বিপ্লবৰ স্বাৰ্থৰ খাতিৰতে প্ৰতিজন বিপ্লবী কৰ্মীয়ে ইয়াৰ সমালোচনা কৰা উচিত। নহলে সংশোধনবাদ আৰু নব্যসংশোধনবাদে ছোভিয়েটৰ দৰে বিশ্বৰ প্ৰতিখন দেশতে বিপ্লব ত্বৰান্বিত কৰাত বাধাৰ সৃষ্টি কৰিব। ১৯৩১ চন মানৰ পৰাই স্তালিনৰ মনত এক প্ৰৱণতাৰ সৃষ্টি হৈছিল যে ৰাছিয়াত সমাজতন্ত্ৰৰ যি দৃঢ় ভিত্তি গঢ়ি উঠিছে ই আৰু কাহানিও ধ্বংস নহব; যদি কিবা বিপদ আহে তেনেহলে সাম্ৰাজ্যবাদী দেশবিলাকৰ পৰাহে সৃষ্টি হ'ব পাৰে—দেশৰ ভিতৰত মাৰ্ক্সবাদ-লেনিনবাদৰ সকলো শত্ৰু শেষ হৈছে। কিন্তু স্তালিনে নাজানিছিল যে তেওঁৰ অজ্ঞাতেই ৰাছিয়াত এক নতুন বুৰ্জোৱাশ্ৰেণীৰ প্ৰবক্তা; আৰু পাৰ্টি আৰু প্ৰশাসনৰ মাজত সংশোধনবাদী চক্ৰই গা-কৰি উঠিছিল। সমগ্ৰ পৃথিবী পুঁজিবাদৰ কবলৰ পৰা মুক্ত হোৱাৰ আগতে কোনো দেশতেই সমাজতন্ত্ৰৰ বিজয় কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে—লেনিনবাদৰ এই মূল সূত্ৰটো উজ্জ্বলভাৱে তুলি ধৰিলেও বাস্তৱত স্তালিনে এই সূত্ৰ শোচনীয়ভাৱে পাহৰি গ'ল। বিপ্লৱোত্তৰ ৰাছিয়াত নব্যবুৰ্জোৱা আৰু সংশোধনবাদৰ বিৰুদ্ধে যি প্ৰবল সমাজতান্ত্ৰিক গণজাগৰণ আৰু সাংস্কৃতিক বিপ্লবৰ প্ৰয়োজন আছিল তাক স্তালিনে অনুভব নকৰিলে।

এই সমূহ ভুলৰ ফলস্বৰূপেই স্তালিনৰ জীৱিত কালতে গোপনে



OKDISCD

গঢ় লৈ উঠা সংশোধনবাদী চক্রই তেওঁৰ মৃত্যুৰ প্ৰায় লগে লগেই মাৰ্ক্সবাদ-লেনিনবাদৰ নামত পৃথিবীৰ প্ৰথম সমাজতান্ত্ৰিক দেশ ৰাছিয়াক আকৌ এবাৰ ধনতান্ত্ৰিকতাৰ কবললৈ থেলি দিয়াৰ প্ৰয়াস কৰিছে।

শতবাৰ্ষিকী বছৰৰ প্ৰতিটো সংখ্যাতে মাৰ্ক্সবাদ-লেনিনবাদৰ মহান প্ৰবক্তা স্তালিনৰ নিজৰ আৰু তেওঁৰ ওপৰত লেখা এলানি প্ৰবন্ধ প্ৰকাশ কৰা হ'ব। এই লেখাসমূহৰ মাজেদি স্তালিনৰ জীৱনৰ বিভিন্ন দিশৰ বিস্তৃত অধ্যয়ন আৰু সমালোচনা আগবঢ়াবলৈ যত্ন কৰা হ'ব। এই বিষয়ত আমি সকলোৰে সহযোগিতা বিছাৰিছোঁ। + +

## কমৰেড জে ভি স্তালিনৰ জীৱনৰ ঘটনাপঞ্জী

১৮৭৯, ২১ ডিচেম্বৰ : তিফলিচ প্ৰদেশৰ গোৰিত এক মূচী পৰিয়ালত স্তালিনে জন্ম গ্ৰহণ কৰে।

১৮৯৪-৯৮ : ছাত্ৰাবস্থাতেই স্তালিনে বৈপ্লবিক আন্দোলনত অংশ গ্ৰহণ কৰে। এই সময়তে তেওঁ মাৰ্ক্স, এংগেলছ, লেনিন আৰু প্লেখানভৰ লেখনি পঢ়িবলৈ আৰম্ভ কৰে।

১৮৯৮ : তেওঁ ৰুছ ছচিয়েল ডেম'ক্ৰেটিক লেবাৰ পাৰ্টিৰ তিফলিচ শাখাত যোগদান কৰে সেই চহৰৰ ৰেল শ্ৰমিকসকলৰ মাজত প্ৰচাৰ কাৰ্য আৰম্ভ কৰে।

১৮৯৯ : মাৰ্ক্সবাদী তত্ত্ব প্ৰচাৰৰ কাৰণে তেওঁ উচ্চ বিদ্যালয়ৰ পৰা বহিস্কৃত হৈ আত্মগোপন কৰে।

১৯০১ : বাকুৰ পৰা জৰ্জিয়ান ছচিয়েল ডেম'ক্ৰেটিক বে-আইনী পত্ৰিকা বৰ্দজোলা প্ৰকাশিত হয়। এই পত্ৰিকাৰ অন্যতম সংগঠক আৰু লেখক আছিল কমৰেড স্তালিন। এই বছৰৰ শেষৰ পিনে তিফলিচ কমিটিয়ে তেওঁক বাটুমলৈ পঠায়। তাত তেওঁ শ্ৰমিকসকলৰ মাজত বিপ্লৱী কামৰ নেতৃত্ব দিয়ে। চহৰৰ ছচিয়েল ডেম'ক্ৰেটিক সংগঠনত অংশ গ্ৰহণ কৰে আৰু ১৯০২ চনৰ মাৰ্চ মাহত শ্ৰমিকৰ যি ৰাজনৈতিক সমদল হয়, স্তালিন আছিল তাৰ অন্যতম সংগঠক।

১৯০২ : কমৰে'ড স্তালিন গ্ৰেপ্তাৰ হয়। ৰুছিয়াৰ ছচিয়েল ডেম'ক্ৰেটিক লেবাৰ পাৰ্টিৰ কংগ্ৰেছত বলছেভিক আৰু মেনছেভিক সকলৰ মাজত যি মত পাৰ্থক্য ঘটে সেই বিষয়ে তেওঁ জেলতে গম পায়। তেওঁ বলছেভিকসকলৰ পক্ষ অবলম্বন কৰে।

১৯০৩ : ইৰকুটস্ক প্ৰদেশৰ বালাগানস্ক জিলাৰ নাভাইয়াওডা গাৱঁলৈ স্তালিনক নিৰ্বাসিত কৰা হয়।

১৯০৪ : জানুৱাৰীত তেওঁ তাৰ পৰা পলাই আহে আৰু 'প্ৰলেতাৰিয়েতৰ



বৰ্দজোলা' পত্ৰিকাৰ সম্পাদনাৰ কাম আৰু পাৰ্টিৰ তৃতীয় কংগ্ৰেছ মতাৰ কাৰণে বলছেভিকসকলৰ সংগ্ৰামত অংশ গ্ৰহণ কৰে।

১৯০৫-১৯০৭ : ট্ৰান্সককেছীয় পাৰ্টিৰ অন্যতম কৰ্ণধাৰ হিচাবে স্তালিনে আদৰ্শগত আৰু সাংগঠনিক কৰ্তব্য সমাধান কৰে। এই সময়তে বলছেভিক পত্ৰিকাত আৰু পুস্তিকাৰূপে প্ৰকাশিত প্ৰবন্ধাৱলীতে তেওঁ মেনছেভিক আৰু নৈৰাজ্যবাদীসকলৰ সুবিধাবাদী নীতিৰ বিৰুদ্ধে শ্ৰমিকশ্ৰেণীৰ নেতৃত্ব আৰু সশস্ত্ৰ বিপ্লৱ সম্বন্ধে লেনিনৰ ভাবধাৰাৰ সপক্ষে সংগ্ৰাম চলায়। এই সময়তে পাৰ্টিৰ চতুৰ্থ কংগ্ৰেছ (ষ্টকহলম) আৰু পঞ্চম কংগ্ৰেছত (লণ্ডন) তেওঁ অংশগ্ৰহণ কৰে।

১৯০৮ : গ্ৰেপ্তাৰ হৈ বলভিচেগদস্কলৈ স্তালিন নিৰ্বাসত হয়।

১৯০৯ : তাৰ পৰা পলাই তেওঁ বাকুলৈ আহে আৰু পাৰ্টিৰ কামত লাগে।

১৯১০ : ফেব্ৰুৱাৰী মাহত পাৰ্টিৰ কেন্দ্ৰীয় পত্ৰিকা ছচিয়েল ডেম'ক্ৰেটৰ ক্ৰোড়-পত্ৰত ককেছিয়াৰ চিঠি ছপোৱা হয়। তাত তেওঁ 'অবলোপকাৰী আৰু আপোচকামী সকলৰ' বিৰুদ্ধে সংগ্ৰামত লেনিনবাদী নীতি সমৰ্থন কৰে। সেই বছৰৰে মাৰ্চত তেওঁ দুনাই গ্ৰেপ্তাৰ হৈ চলভিচেদগস্কলৈ নিৰ্বাসিত হয়।

১৯১২ : তাৰপৰা পলাই তেওঁ দুনাই পাৰ্টিৰ কামত যোগ দিয়ে। প্ৰাভদাৰ প্ৰথম সংখ্যা প্ৰকাশৰ প্ৰস্তুতিত অংশগ্ৰহণ কৰে। এপ্ৰিলত তেওঁ আকৌ গ্ৰেপ্তাৰ হৈ নাৰিমতলৈ নিৰ্বাসিত হয়। কিন্তু চেপ্টেম্বৰত তাৰ পৰাও পলাই পিটাৰ্ছবাৰ্গলৈ গৈ পাৰ্টিৰ কাম কৰিবলৈ ধৰে। এই বছৰতে তেওঁ পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ সদস্য হয়।

১৯১২-১৯১৩ : জাতি সমস্যাৰ ক্ষেত্ৰত বলছেভিক পাৰ্টিৰ তত্ত্ব আৰু কৰ্মসূচীৰ ওপৰত ভিত্তি কৰি তেওঁ ১৯১২ ৰ শেষভাগত আৰু ১৯১৩ ৰ আগভাগত 'মাৰ্ক্সবাদ আৰু জাতিসমস্যা' লিখে। এই সুপৰিচিত কিতাপখন লেনিনৰ দ্বাৰা বিশেষভাবে প্ৰশংসিত হয়।

১৯১৩ : দুনাই গ্ৰেপ্তাৰ হৈ তেওঁ তুৰোখানস্ক অঞ্চললৈ নিৰ্বাসিত হয়।

১৯১৭ : ১২ মাৰ্চত বুৰ্জোৱা গণতান্ত্ৰিক বিপ্লৱৰ পিছত পেট্ৰোগ্ৰাডলৈ প্ৰত্যাবৰ্তন কৰে। তেতিয়া তেওঁ কেন্দ্ৰীয় কমিটিৰ পৰিচালনা বুৰ'ৰ সভ্য আৰু লগে লগে 'প্ৰাভদাৰ' সম্পাদক হয়। নবেম্বৰ বিপ্লৱ সংগঠিত কৰাৰ ক্ষেত্ৰত লেনিনৰ নেতৃত্বত তেওঁ বিশেষ ভূমিকা পালন কৰে।

## ১৯১৭ৰ নবেম্বৰ বিপ্লৱৰ পিছত

সশস্ত্ৰ বৈদেশিক হস্তক্ষেপ আৰু গৃহযুদ্ধৰ বছৰবোৰত স্তালিন আছিল বিপ্লৱী সমৰ পৰিষদৰ সভ্য আৰু বিভিন্ন ৰণক্ষেত্ৰত পাৰ্টিৰ কেন্দ্ৰীয় কমিটি আৰু ছোভিয়েত চৰকাৰৰ পক্ষৰ পৰা তেওঁ গুৰুত্বপূৰ্ণ কৰ্তব্য সমাধা কৰে।

বৈদেশিক হস্তক্ষেপকাৰীসকলৰ দমন আৰু গৃহযুদ্ধ শেষ হোৱাৰ পিছত শান্তিপূৰ্ণ অৰ্থনীতি গঢ়ি তোলাৰ পৰ্যায়লৈ উত্তৰণৰ সময়ত পাৰ্টিৰ বিৰোধী গ্ৰুপবোৰে লেনিন নিৰ্দেশিত কৰ্মপন্থাৰ বিৰুদ্ধে সংগ্ৰাম আৰম্ভ কৰাত স্তালিনে লেনিনৰ



OKDISCD

কৰ্মপন্থা সমৰ্থন কৰে আৰু বিৰুদ্ধবাদী গ্ৰুপ আৰু উপদলবোৰৰ বিৰুদ্ধে সংগ্ৰাম চলাই যায়।

১৯২২ঃ ষ্টালিন পাৰ্টিৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হয়।

লেনিনৰ মৃত্যুৰ পিছত কেন্দ্ৰীয় কমিটিৰ পৰিচালনাত কমিউনিষ্ট পাৰ্টিয়ে লেনিনৰ আদৰ্শৰ বাস্তৱ ৰূপ দিয়া আৰু সমাজতন্ত্ৰ নিৰ্মাণৰ কাৰণে জনসাধাৰণক দৃঢ়তা আৰু নিশ্চয়তাৰে নেতৃত্ব দিয়ে। সেই সময়ত পাৰ্টি পৰিচালনা কৰিছিল ষ্টালিনে।

১৯২৪ঃ ষ্টালিন ৰচিত 'লেনিনবাদৰ ভিত্তি' প্ৰকাশিত হয়।

১৯২৬ঃ প্ৰকাশ হয় তেখেতৰ ৰচনা 'লেনিনবাদৰ সমস্যা'।

১৯২৫-১৯৩৯ঃ পাৰ্টিৰ চতুৰ্দশ কংগ্ৰেছ (১৯২৫), পঞ্চদশ কংগ্ৰেছ (১৯২৬), ষোড়শ কংগ্ৰেছ (১৯৩০), সপ্তদশ কংগ্ৰেছ (১৯৩৩), আৰু অষ্টাদশ কংগ্ৰেছ (১৯৩৯), অনুষ্ঠিত হয়। এই আটাইবোৰ কংগ্ৰেছতে ষ্টালিন আছিল কেন্দ্ৰ-পুৰুষ।

১৯৩৮ঃ ষ্টালিনৰ ৰচিত 'দ্বন্দ্বমূলক আৰু ঐতিহাসিক বস্তুবাদ' প্ৰকাশিত হয়।

১৯৪১-১৯৪৫ঃ ৬ মে'ত ষ্টালিন ছোভিয়েত ইউনিয়নৰ মন্ত্ৰীপৰিষদৰ সভাপতি মনোনীত হয়। মহান দেশপ্ৰেমিক যুদ্ধৰ আৰম্ভণিতে তেওঁ প্ৰতিৰক্ষা বিষয়ত ৰাষ্ট্ৰ কমিটিৰ সভাপতি, প্ৰতিৰক্ষা দপ্তৰৰ মন্ত্ৰী আৰু ছোভিয়েত ইউনিয়নৰ সশস্ত্ৰ বাহিনীৰ সৰ্বাধিনায়ক নিযুক্ত হয়। যুদ্ধৰ সাফল্যজনক পৰিসমাপ্তিলৈকে তেওঁ এই পদত অধিষ্ঠিত আছিল। কমিউনিষ্ট পাৰ্টি আৰু ষ্টালিন যাৰ শীৰ্ষত আছিল পাৰ্টিৰ সেই কেন্দ্ৰীয় কমিটিৰ দ্বাৰা পৰিচালিত হৈ ছোভিয়েত জনসাধাৰণে হিটলাৰৰ দস্যু বাহিনীৰ বিৰুদ্ধে বিৰাট বিজয় অৰ্জন কৰে।

১৯৫০ঃ ষ্টালিনৰ 'মাৰ্ক্সবাদ আৰু ভাষাতত্ত্বৰ সমস্যা' প্ৰকাশিত হয়।

১৯৫২ঃ তেওঁৰ 'ছোভিয়েত ইউনিয়নত সমাজতন্ত্ৰৰ অৰ্থনৈতিক সমস্যাৱলী' প্ৰকাশিত হয়। এই বছৰতে পাৰ্টিৰ উনবিংশ কংগ্ৰেছ অনুষ্ঠিত হয়। কংগ্ৰেছৰ সমাপ্তি ভাষণত তেওঁ গণতন্ত্ৰৰ পতাকা উৰ্ধত তুলি ধৰাৰ আহ্বান জনায়।

১৯৫৩, ৫ মাৰ্চত কমৰেড ষ্টালিনৰ জীৱনাবসান ঘটে। + +

## এটি বিশেষ ঘোষণা

অত্যাধিক ডাক-মাছুল বৃদ্ধিৰ কাৰণে ১০ কপি আলোচনীৰ ডাক-খৰছ ব্যয়-বহুল হোৱা বাবে অহা ফেব্ৰুৱাৰী '৭৯ সংখ্যাৰ পৰা 'সাম্প্ৰতিক সাময়িকী'ৰ ১০ কপিৰ অৰ্ডাৰ থকা সকলো এজেন্সি বন্ধ কৰি দিবলৈ বাধ্য হৈছোঁ। এজেন্সি বন্ধ হোৱাৰ লগে লগে এজেণ্টসকলৰ আমানত ধন ঘূৰাই দিয়া হ'ব। আমাৰ এই অনিচ্ছাকৃত সিদ্ধান্তৰ বাবে সহৃদয় এজেণ্ট আৰু পাঠকসকলৰ ওচৰত ক্ষমা মাগিছোঁ।

চাৰ্কুলেচন মেনেজাৰ
সাম্প্ৰতিক সাময়িকী ।। লেম্ব ৰ'ড ।। লতাশিল ।।
গুৱাহাটী-৭৮১০০১





# লেনিনৰ দৃষ্টিত টলষ্টয়

শিৱনাথ বৰ্মণ

*What a rock, eh ? What a giant of humanity !*
Lenin

আমাৰ তথাকথিত প্ৰগতিবাদীয়ে শুনি হয়তো তভক খাব যে মতাদৰ্শৰ মিল নথকা সত্ত্বেও লেনিনে টলষ্টয়ক ভাল পাইছিল, ইউৰোপৰ অন্যতম শ্ৰেষ্ঠ কথাশিল্পী হিচাপে তেওঁক শ্ৰদ্ধা কৰিছিল; অকল সেয়ে নহয়, ১৯০৮-১০— এই কালছোৱাৰ ভিতৰত তেওঁ টলষ্টয়ৰ ওপৰত সৰু বৰ ছটা প্ৰবন্ধও লিখিছিল। প্ৰবন্ধকেইটা হ'ল— 'ৰুছ বিপ্লৱৰ দাপোণ টলষ্টয়' (১৯০৮), 'এল. এন. টলষ্টয়' (১৯১০), 'এল. এন. টলষ্টয় আৰু আধুনিক শ্ৰমিক আন্দোলন' (১৯১০), 'টলষ্টয় আৰু সৰ্বহাৰাৰ সংগ্ৰাম' (১৯১০), 'সংৰক্ষণৰ বীৰবৃন্দ' (১৯১০) আৰু 'লিও টলষ্টয় আৰু তেওঁৰ যুগ' (১৯১১)। প্ৰবন্ধসমূহত পঢ়াশলীয়া পণ্ডিতালিৰ গোন্ধ নাই, সৰহভাগেই ঢৌত খৰ মাৰি লিখা। (পঢ়াশলীয়া বিদ্যাৰ ফুলজাৰিৰে পঢ়ুৱৈক চমক লগোৱা অথচ অন্তঃসাৰশূণ্য শ্লথ গতিৰ লেখা লেনিনৰ দৰে কৰ্মব্যস্ত প্ৰতিভাৰ নেতাৰ ওচৰত পাবলৈ আশা কৰাও অৱশ্যে ভুল।) আহিব ধৰা ৰুছ বিপ্লৱক ত্বৰান্বিত কৰিবৰ নিমিত্তেই টলষ্টয়ৰ দৰে ৰুছিয়াৰ জন-মানসৰ গভীৰত স্থান পোৱা শিল্পী এগৰাকীৰ কাৰ্যাৱলী সমাজ-বৈজ্ঞানিকভাৱে বিশ্লেষণ কৰাৰ প্ৰয়োজন আছে বুলি লেনিনে ভাবিছিল। সেয়ে প্ৰয়োজনীয়তাৰ তাগিদত পৰিহে, কবলৈ গলে, উক্ত প্ৰবন্ধসমূহ তেওঁ ৰচনা কৰিছিল।

লেনিনে মন কৰিছিল যে তেওঁৰ দেশৰে এটা মহলে টলষ্টয়ক 'যুগৰ ঋষি' বুলি প্ৰচাৰ কৰি তাৰ পৰা ৰাজনৈতিক মুনাফা আদায় কৰিব বিচাৰিছে; পক্ষান্তৰত, 'প্ৰতিক্ৰিয়াশীল', 'প্ৰগতিৰ শত্ৰু' বুলি তেওঁক ভৎ'সনা কৰাও হৈছে। টলষ্টয় সম্পৰ্কে এক সঠিক, মোহমুক্ত বিচাৰৰ অভাৱ তেওঁ দৰকৈ অনুভৱ কৰিছিল আৰু সেই অভাৱ পূৰাবৰ বাবেই তেওঁ হাতত তুলি লৈছিল তেওঁৰ জোৰাল কলম। বহু পৰিমাণে প্ৰয়োজনভিত্তিক হলেও উক্ত প্ৰবন্ধসমূহ লেনিনৰ বস্তুনিষ্ঠ, সুতীব্ৰ মনৰ উজ্জ্বল স্বাক্ষৰ।

লেনিনে তেওঁৰ প্ৰবন্ধসমূহত টলষ্টয়ক তেওঁৰ যুগৰ দাপোণ হিচাপে ব্যাখ্যা কৰিছে। ১৮৬১ চনৰ ৰুছিয়াত আইন সংগতভাৱে ভূমিদাস প্ৰথাৰ অন্ত পৰে আৰু আধুনিক 'সংস্কাৰ' যুগৰ সূচনা হয়; তাৰে প্ৰায় চাৰি দশকৰ পিছত ১৯০৫ চনত দেশজোৰা বিপ্লৱৰ প্ৰথম পৰ্যায়টো সংঘটিত হয়। এই কালছোৱা আছিল



OKDISCD

ৰুছিয়াৰ দ্ৰুত পৰিবৰ্তনৰ কাল। আৰ্থ–সামাজিক ব্যৱস্থাৰ সলনিৰ লগে লগে ৰুছ
সমাজৰ অন্যান্য দিশবিলাকতো সঘন পৰিবৰ্তন এই কালছোৱাত পাৰিলক্ষিত
হৈছিল। ১৮৬০ চনৰ আগতেই টলষ্টয়ে তেওঁৰ লেখক জীৱন আৰম্ভ কৰিছিল
আৰু ১৯০৫ চনৰ পিচলৈকে তেওঁ লিখি আছিল যদিও টলষ্টয়ৰ লেখনিত ৰুছিয়াৰ
জীৱনৰ ১৮৬১-১৯০৪ কালছোৱাৰহে সাৰ্থক ছবি ফুটি উঠিছে বুলি
বুলি লেনিনে কৈছিল। 'আন্না কাৰেনিনা'ৰ লেভিনৰ চৰিত্ৰ, লেনিনৰ মতে ৰুছিয়াৰ
এই ক্ৰান্তিকালৰ সাৰ্থক প্ৰতিনিধি। "ৰুছিয়াত এতিয়া সমস্ত ওলট-পালট হৈ
গৈছে, সকলোৱেই ন-কৈ ৰূপ লবলৈ আৰম্ভ কৰিছে,"—লেভিনে কৈছিল। লেভিনৰ
দৰে টলষ্টয়েও ভূমিদাস প্ৰথাৰ অবলুপ্তি দেখা পাইছিল; নতুনকৈ গঢ় লব খোজা
সমাজখনো তেওঁৰ চকুত পৰিছিল। কিন্তু লেনিনৰ মতে সমাজৰ ন-ন বা-মাৰলিবোৰে
তেওঁৰ চৰিত্ৰ লেভিনৰ লেখিয়াকৈ টলষ্টয়কো দিশহাৰা কৰি পেলাইছিল। সেয়ে
তেওঁৰ মন হৈ পৰিছিল অজস্ৰ পৰস্পৰবিৰোধী খেলিমেলি চিন্তাৰে ভাৰাক্ৰান্ত।
"টলষ্টয়ৰ মাজত থকা দ্বন্দ্ব চমক খাবলগীয়া ধৰণৰ। এফালে তেওঁ আছিল এজন
মহান কলাকাৰ, যি তেওঁৰ ৰুছ দেশখনৰ অতুলনীয় চিত্ৰ আঁকি বিশ্ব-সাহিত্যলৈ
প্ৰথম শ্ৰেণীৰ অৰিহণা যোগাইছিল, আনহাতে তেওঁৰ মাজত আমি পাওঁ যীশুক
লৈ মত্ত হৈ থকা এজন জমিদাৰ। এফালে তেওঁ সামাজিক ভণ্ডামি আৰু ভ্ৰান্তিৰ
বিৰুদ্ধে সৰৱে আৰু সৰ্বান্তঃকৰণে প্ৰতিবাদ কৰিছিল, আনফালে তেওঁ নিজেই
আছিল হিষ্টিৰীয়াগ্ৰস্ত এজন আত্ম-প্ৰতাৰক, ঘৰিয়ালৰ চকুলো টোকা এজন ৰুছ
বুদ্ধিজীৱী, যি ৰাজহুৱাভাবে বুকুত চপৰিয়াই অনুতাপ কৰে, 'চোৱা মই এজন
বেয়া, ধূৰ্ত মানুহ; কিন্তু নৈতিক আত্মশুদ্ধিৰ বাবে মই চেষ্টা কৰি আছোঁ। মই
আজি কালি মাংস নাখাওঁ, মোৰ খাদ্য আজিকালি কাজি চাউলৰ পিঠাহে।'
তেওঁ আছিল একাশে পুঁজিবাদী শোষণৰ ন্যায় বিচাৰৰ প্ৰহনন কৰা চৰকাৰৰ
এজন কঠোৰ সমালোচক, দাৰিদ্ৰ্য আৰু অবক্ষয়ক ঢাকি ৰখা সভ্যতাৰ মুখা তেওঁ
খুলি দিছিল; আনফালে তেওঁ আছিল খৃষ্টান বিনয়তাৰ শিক্ষা বিলোৱা এজন
বাতিকগ্ৰস্ত, যি কৈ ফুৰিছিল; 'অন্যায়ক সংঘৰ্ষেৰে বাধা নিদিবা।' তেওঁ এফালে
আছিল গহীন মনৰ এজন বাস্তববাদী, আন ফালে আছিল গীৰ্জা সংস্কাৰৰ বাবে হৈ-হাল্লা
কৰা এজন কল্পলোক বিলাসী।" ('ৰুছ বিপ্লৱৰ দাপোণ টলষ্টয়,' মুকলি অনুবাদ)
টলষ্টয়ৰ মাজত থকা এই উৎকট দ্বন্দ্বসমূহৰ বাবে লেনিনে টলষ্টয়ক পোণ-
পটীয়াকৈ অৱশ্যে দায়ী কৰা নাছিল, কাৰণ মাৰ্ক্স অধ্যয়নে তেওঁক শিকাইছিল যে
টলষ্টয়ৰ চিন্তাৰ দ্বন্দ্ব আকস্মিক বা উদ্দেশ্য-প্ৰণোদিত নহয়, সিবোৰ তেওঁ বাস কৰা
যুগটোৰ প্ৰতিক্ষেপণ মাত্ৰ। টলষ্টয়ৰ মৃত্যু উপলক্ষে লিখা 'এল, এন. টলষ্টয়' বোলা
প্ৰবন্ধটোত তেওঁ কৈছিল, "টলষ্টয়ৰ মতামতসমূহৰ মাজত থকা দ্বন্দ্ব কেৱল ব্যক্তিগত
মতামতৰ দ্বন্দ্ব নহয়, সি হ'ল আচলতে উত্তৰ সংস্কাৰ, কিন্তু প্ৰাক-বৈপ্লৱিক যুগৰ ৰুছ
সমাজৰ বিভিন্ন শ্ৰেণী আৰু স্তৰৰ মনস্তত্ত্বক নিৰ্ণয় কৰা এক জটিল, পৰস্পৰবিৰোধী
সামাজিক অৱস্থাৰ আৰু ঐতিহাসিক পৰম্পৰাৰ প্ৰতিফলন।" (মুকলি অনুবাদ)
লেনিনৰ মতে টলষ্টয়ে তেওঁৰ শক্তিশালী তথা পৰস্পৰ বিৰোধী লেখনিৰ



ক্ৰৰিয়তে (সাহিত্যিক টলষ্টয়ক লেনিনে ভাবুক টলষ্টয়ৰ পৰা পৃথক কৰি চোৱা
নাছিল) প্ৰকাশ কৰিছিল তেওঁৰ যুগৰ সমাজৰ অগণন কৃষকৰ মাজত আশা-
নিৰাশাৰ দ্বন্দ্ব—বাস্তৱৰ দ্বন্দ্ব। ১৮৬১ চনৰ সংস্কাৰৰ পৰিণাম স্বৰূপে উদ্ভৱ হোৱা
সামাজিক শোষণ আৰু বিশৃংখলাৰ ন-ৰূপ তেওঁ দেখা পাইছিল; কিন্তু জমিদাৰী অত্যা-
চাৰৰ পৰা, জাৰৰ পুলিচী শাসনৰ পৰা জনগণক কিদৰে মুক্ত কৰিব পাৰি সেই
সম্পৰ্কে কোনো স্পষ্ট ধাৰণা টলষ্টয়ৰ নাছিল। সাহিত্যৰ যোগেদি তেওঁ ব্যক্ত
কৰিছিল প্ৰচলিত সমাজ-বিন্যাসৰ প্ৰতি ৰুছ জনগণৰ অবদমিত ঘৃণা আৰু তাৰ পৰা
মুক্তিৰ এক অস্বচ্ছ সপোন; লগতে তেওঁৰ ৰচনাত বিম্বিত হৈছিল তেওঁৰ যুগৰ ৰুছ
জনগণৰ বৈপ্লৱিক শিথিলতা আৰু ৰাজনৈতিক অনভিজ্ঞতাও।

লেনিনে টলষ্টয়ক ১৮৬১-১৯০৪ চনৰ ৰুছ সমাজৰ এজন নিখুঁত চিত্ৰকৰ
বুলি বৰ্ণনা কৰিছিল। এই যুগটোৰ শক্তি আৰু দুৰ্বলতা, ক্ষমতা আৰু সীমাবদ্ধতা,
তেওঁৰ মতে, টলষ্টয়তকৈ ভালদৰে বুজিব বা আঁকিব পৰা দ্বিতীয় এজন ব্যক্তি
ৰুছিয়াত নাছিল। ব্যক্তিগত সম্পত্তিৰ বিৰুদ্ধে টলষ্টয়ে যি ধ্বনি তুলিছিল, লেনিনৰ
মতে সি আছিল মাটিৰ ব্যক্তিগত মালিকানাই কেনে অত্যাচাৰৰ সৃষ্টি কৰে
তাক হাড়ে হাড়ে উপলব্ধি কৰা তেওঁৰ যুগৰ কৃষকৰে উদাত্ত ধ্বনি। আধুনিক
ধনতান্ত্ৰিক সভ্যতাৰ বিৰুদ্ধে টলষ্টয়ৰ যি তীব্ৰ জেহাদ, সি বহন কৰিছিল গাঁৱৰ
কৌটিকলীয়া সামাজিক বান্ধোন ভাঙি পেলাব খোজা, দাৰিদ্ৰ্য, দুৰ্ভিক্ষ আৰু
গণিকাবৃত্তিৰ লগত কঢ়িয়াই ফুৰা 'পুঁজি' নামৰ সেই নতুন চহৰীয়া শত্ৰুৰ প্ৰতি
ৰুছ কৃষকৰ অজান ভয়। টলষ্টয়ৰ লেখনিত অনুৰণিত হৈছিল প্ৰাচীন সামন্তবাদ
আৰু আধুনিক পুঁজিবাদ দুয়োটাৰে বিৰুদ্ধে মাত মাতিব খোজা, অথচ সচেতন
ৰাজনৈতিক জীৱনৰ পৰা নিজকে সযতনে আঁতৰাই ৰখা ৰুছ কৃষকৰ কণ্ঠস্বৰ।

টলষ্টয়ে তেওঁৰ পৰৱৰ্তী জীৱনত প্ৰচাৰ কৰা 'টলষ্টয়বাদ'ক লেনিনে প্ৰাচ্য
ধাৰণা বুলি অভিহিত কৰিছিল আৰু ইয়াত নিহিত বৈৰাগ্য, তিতিক্ষা, জীৱনৰ
অশুভ শক্তিৰ ওচৰত অকাতৰ আত্ম-সমৰ্পণ আদিক তেওঁ ব্যংগ কৰিছিল।
লগতে অৱশ্যে তেওঁ ইয়াকো কৈছিল যে টলষ্টয়বাদ গভীৰ অৰ্থত প্ৰতিক্ৰিয়াশীল
হলেও গ্ৰহণযোগ্য কেতবোৰ চিন্তাৰ বীজো ইয়াত লুকাই নথকা নহয়।

লেনিনে টলষ্টক 'মানবতাৰ মহান সাগৰ' আখ্যা দিছিল। তেওঁ কৈছিল
যে টলষ্টয়ৰ বহুতো চিন্তাই ত্ৰুটিপূৰ্ণ সঁচা, কিন্তু তাৰ বাবে পোণপটীয়াকৈ তেওঁক
দায়ী কৰাটো অবৈজ্ঞানিক মনৰহে পৰিচায়ক। আচলতে ইমান সততাৰে, ইমান
আবেগ আৰু নিষ্ঠাৰে তেওঁ তেওঁৰ যুগৰ ৰুছ কৃষকৰ ধ্যান-ধাৰণাৰ ছবি আঁকিছিল
যে তেওঁলোকৰ সাৰল্যবো (naivete) বহুখিনি তেওঁৰ ৰচনাত আপোনা-আপুনি
সোমাই পৰিবলৈ বাধ্য হৈছিল। (কথা প্ৰসংগত লেনিনে গৰ্কীক এবাৰ কৈছিল
যে টলষ্টয়ৰ আগলৈকে সাহিত্যত প্ৰকৃত খেতিয়ক নাছিল।)

টলষ্টয় সম্পৰ্কে লেনিনৰ আলোচনা বিতং নহয়; কিন্তু বাহুল্যবৰ্জিত তেওঁৰ
প্ৰবন্ধকেইটাই সাহিত্য-সমালোচনাৰ সমাজবৈজ্ঞানিক ধাৰাটোৰ বাট কাটিলে বুলি
ক'লে নিশ্চয় অতিৰঞ্জন কৰা নহ'ব। + +



OKDISCD

নৱ-বৰ্ষৰ শুভেচ্ছাৰে

| | | | |
|---|---|---|---|
| একাবেঁকা বৃত্ত ।। | চৈয়দ আব্দুল মালিক | (উপন্যাস) | ৬·০০ |
| সূৰুযমুখীৰ স্বপ্ন ।। | ” | ” | ১২·০০ |
| ন হন্যতে ।। | মৈত্ৰেয়ী দেৱী | ” | ১৫·০০ |
| (অসমীয়া অনুবাদ) | অনুবাদঃ মনু সেন | | |
| নৰেশ,মালতী আৰু ।। | যোগেশ দাস | ” | ৬·০০ |
| যুদ্ধ-পৰ্বৰ আখৰা আৰু | | | |
| পিতৃ বিয়োগ ।। | অৰুণ গোস্বামী | ” | ৫·০০ |
| স্বৰাগমণি ।। | প্ৰফুল্ল বৰা | ” | ৪·৫০ |
| মিঠা জেংৰাই ।। | উপেন কাকতি | ” | ৫·০০ |
| ৰাজধানী এক্সপ্ৰেছ ।। | অমিতাভ শইকীয়া | (ডিটেকটিভ) | ৪·০০ |
| বীভৎস বেদনা ।। | চৈয়দ আব্দুল মালিক | (গল্প সংকলন) | ৬·০০ |
| অন্ধকূপ | ” | | ৬·০০ |
| ৰহস্যজ্ঞ ।। | সত্যেন বৰকটকী | (ৰম্য গল্প সংকলন) | ৮·০০ |
| পথ হেৰোৱাৰ পথ ।। | নিত্যানন্দ তাম্বূলী | (গল্প সংকলন) | ৪·৫০ |
| সোঁত সলনি হৈছে ।। | প্ৰফুল্ল বৰা | ” | ৪·৫০ |
| জীৱন স্মৰণ ।। | নন্দ তালুকদাৰ | (জীৱন চৰিত) | ৫·৫০ |
| অচিনাকি চীন ।। | মৈত্ৰেয়ী দেৱী | (ভ্ৰমণ কাহিনী) | ২·০০ |
| | অনুবাদঃ মনু সেন | | |

আমাৰ বঙলা কিতাপ

| | | | |
|---|---|---|---|
| শৃংখল ।। | ভবেন্দ্ৰনাথ শইকীয়া | (গল্প সংকলন) | ৯·০০ |
| | অনুবাদঃ মনু সেন | | |

ভৱানী পাবলিচিং কনছাৰ্ণ

১/এইচ, ৰাধানাথ মল্লিক লেন ✻ কলিকতা ৭০০ ০১২


# প্ৰসংগ ক্ৰমে

## কেৱল বিহাৰৰ ভোজপুৰতেই নহয়…

কেৱল বিহাৰৰ ভোজপুৰ অঞ্চলতেহে যে সামন্তবাদী শসন আৰু শোষণৰ দৃষ্টান্ত আছে এনে নহয়, ভাৰতৰ চুকেকোণে সামন্তবাদৰ প্ৰভাৱ বাৰুকৈয়ে আছে। কোনো কোনো ঠাইত যদি ইয়াৰ প্ৰভাৱ অতি ক্ষীণ বা ইয়াৰ অৱশিষ্টহে যদি ৰৈছেগৈ, আন কিছুমান ঠাইত আকৌ শাসন মানেই সামন্তবাদী শাসন। বিশেষকৈ ভাৰতৰ বিশাল গাঁও অঞ্চলত ইয়াৰ প্ৰভাৱ স্পষ্টভাৱে দেখা যায়। ইতিপূৰ্বে বৰ্ণনা কৰা ভোজপুৰৰ ঘটনাবলীয়ে এফালে যেনেকৈ সামন্ত প্ৰভুইঁতৰ দোৰ্দণ্ড প্ৰতাপ আৰু সিহঁতৰ অত্যাচাৰৰ কথা মনলৈ আনে, আনহাতে নিপীড়িত জনগণৰ জাগৰণ আৰু সচেতন সাহসী প্ৰতিৰোধৰ দৃষ্টান্তও মন কৰিবলগীয়া। ভাৰতৰ আন আন ঠাইতো যে এনে ঘটনা নঘটাকৈ থকা নাই তাৰে উদাহৰণ স্বৰূপে আমি অন্ধ্ৰ প্ৰদেশত ঘটি থকা দুটামান ঘটনাৰ কথা দাঙি ধৰিছো।

অন্ধ্ৰৰ কৰিমনগৰ জিলাৰ চিৰকিল্লা তালুকৰ অন্তৰ্গত চিকছু গাঁৱৰ ভেৰা ৰখীয়াবোৰে অতীজৰে পৰাই জমিদাৰৰ মাটিত ভেৰাবোৰ ৰাতি বান্ধি থোৱাৰ নিয়ম আছিল যাতে ভেৰাৰ শৌচ-প্ৰস্ৰাৱৰ ফলত জমিদাৰৰ মাটি সাৰুৱা হয়। (প্ৰসংগক্ৰমে, এই ঘটনাই ১৯৪৯ চনৰ আগৰ চীনদেশত প্ৰচলিত একে ধৰণৰ এটা নিয়মৰ কথাকেই সোঁৱৰাই দিয়ে; তাত আনকি ভূস্বামীৰ খেতিৰ পথাৰত খেতিয়ক ৰাইজৰ পৰিয়ালবোৰেও শৌচ-প্ৰস্ৰাৱ কৰাৰ নিয়ম আছিল!) ,ইতিমধ্যে সচেতন হৈ উঠা খেতিয়কে এনে নীতি পৰিহাৰ কৰিবলৈ মন মেলিলে। ফলত ভেৰাৰখীয়াবোৰৰ ওপৰত জমিদাৰে দুহাজাৰ টকাৰ জৰিমনা দাবী কৰিলে। ইয়াৰ প্ৰতিবাদত চাৰিশ খেতিয়ক আৰু ভেৰাৰখীয়াই শোভাযাত্ৰা কৰাত জমিদাৰে অন্যায় জৰিমনা প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হ'ল।

চাক্কাপাল্লি গাঁৱৰ ধনী জমিদাৰ ভগৱন্ত ৰাৱেই সেই গাঁৱৰ হৰ্তাকৰ্তা বিধাতা। যোৱা দহবছৰ ধৰি বিভিন্ন মহল বা বজাৰৰ ডাক তেওঁ একচেটিয়া ভাবে লৈ আছে আৰু তেওঁ ঠিক কৰা মানুহকহে ঠিকা ঠুকলি আদিও দিয়ায়। এইদৰেও তেওঁ বহুত টকা আদায় কৰে। ভিন্ ভিন্ সময়ত খেতিয়ক ৰাইজৰ পৰা অনাহকতে জৰিমনা আদায় কৰি সেইবোৰো আত্মসাৎ কৰে। প্ৰায়ে শাস্তি হিচাপে বহুত খেতিয়কক পাৰিশ্ৰমিক নিদিয়াকৈ কামত খটুৱায়।

জমিদাৰবিলাকে বহুত সময়ত সাধাৰণ লোকৰ ঘৰুৱা জীৱনতো প্ৰত্যক্ষভাৱে



OKDISCD

হস্তক্ষেপ কৰাৰ দৃষ্টান্তও নোহোৱা হয়। গুদানাপাল্লি গাঁৱত ঘটা এটা ঘটনাৰ পৰা সামন্তবাদৰ এনে চৰম প্ৰভাৱৰ কথা গম পাব পাৰি। এজন ধোবাই তেওঁৰ পৰিবাৰৰ লগত হোৱা মনোমালিন্যৰ ফলত পৰিবাৰৰ পৰা আঁতৰি থাকে। এবাৰ জমিদাৰৰ গাঁৱলৈ কিবা কামত ধোবাজন যোৱা বুলি গম পাই মানুহ লগাই জমিদাৰে তেওঁক ধৰি নিয়ায় আৰু ঘৈণীয়েকৰ লগত বাস কৰিবলৈ আদেশ দিয়ে। এই প্ৰক্ৰিয়াতে জমিদাৰে তেওঁক খুব মাৰধৰ কৰে আৰু হাতভৰি বান্ধি জান এটাৰ কাষত পেলাই থয়। এনে উৎপীড়নত গাঁৱৰ মানুহবিলাক জ্বলিপকি উঠিল আৰু ওচৰপাঞ্জৰৰ গাঁওবাসীৰ লগ লাগি জমিদাৰক এশিকনি দিয়াৰ উদ্দেশ্যে তেওঁক ধৰি বান্ধি গাঁৱৰ ৰাস্তাইদি খোজ কঢ়াই প্ৰদৰ্শন কৰালে। অথচ দেখা গ'ল যে ধোবাক মাৰধৰ কৰাৰ বাবে পুলিছে জমিদাৰৰ বিৰুদ্ধে যে একো গোচৰ নকৰিলেই, বৰঞ্চ ধোবাজনৰ ককায়েকৰ বিৰুদ্ধেহে গোচৰ তুলিলে।

যি অনুষ্ঠানে খেতিয়ক ৰাইজক অত্যাচাৰৰ প্ৰতিৰোধ কৰিবলৈ হাতেকামে উদগনি দিছে কৰিমনগৰ জিলাৰ বিভিন্ন অঞ্চলত এই 'ৰাইথু কুলি সংঘম'ৰ জন-প্ৰিয়তা দিনকদিনে বাঢ়িছে। মন কৰিবলগীয়া কথা এয়ে যে এই অনুষ্ঠানৰ জন্মও হয় পুলিছৰ এনেকুৱা এটা অন্যায় কাৰ্যৰ প্ৰতিবাদ স্বৰূপেই। যোৱা বছৰ ছেপ্তেম্বৰ মাহত অন্ধ্ৰৰ ৰাজ্যপালে বামুলাবড়া মন্দিৰলৈ যোৱাৰ উপলক্ষে প্ৰায় পাচিশখন গাঁৱৰ ৰাইজে তেওঁক লগ ধৰি ভূমিসমস্যাৰ সম্পৰ্কে গাঁৱৰ ৰাইজৰ দুখদুৰ্দশাৰ বিষয়ে জনোৱাৰ উদ্দেশ্যে এখন স্মাৰক পত্ৰ দিবলৈ যায়। উপস্থিত থকা চৰকাৰী বিষয়াসকলে তেনে স্মাৰকপত্ৰ দিবলৈ বাধা দিয়াত ৰাইজে বিষয়া সকলৰ বিৰুদ্ধে ধ্বনি তোলে, আৰু লগে লগে পুলিছৰ লাঠি ছাৰ্জ আৰম্ভ হ'ল। মন্দিৰলৈ যোৱা ৰাজ্যপালে পুলিছৰ কামৰ বাবে ৰাইজৰ ওচৰত ক্ষমাপ্ৰাৰ্থনা কৰি গুছি গ'ল। কিন্তু তাৰ পাছত দেখা গল ৬৯ জনলোকৰ বিৰুদ্ধে পুলিছে মোকৰ্দমা আৰম্ভ কৰিছে। তেতিয়াই কৃষকসকলে নিজৰ ন্যায্য দাবীসমূহ পূৰাবলৈ সংগ্ৰাম কৰিবলৈ সিদ্ধান্ত লৈ 'ৰাইথু কুলি সংঘম' গঠন কৰে।

কিন্তু দেখা গল সংঘমৰ প্ৰতিপত্তি দুখীয়া কৃষক আৰু শ্ৰমিকৰ মাজত যিমানেই বাঢ়িবলৈ ধৰিলে, বিভিন্ন ঠাইত সংঘমৰ নতুন শাখা খোলাৰ কামতো সিমানেই প্ৰচণ্ড বাধা আহিবলৈ ধৰিলে। অন্ধ্ৰ প্ৰদেশৰ জমিদাৰ আৰু পুলিছৰ পৰা চৰকাৰে এনে ক্ৰিয়াকলাপক উগ্ৰপন্থী নক্সালাইটৰ কাম বুলি চিঞৰ-বাখৰ লগাবলৈ আৰম্ভ কৰিলে আৰু লগে সংঘমৰ কাম যাতে বিভিন্ন অঞ্চলত বিয়পিব নোৱাৰে তাৰ বাবে কঠোৰ দমন, নিপীড়ন আৰম্ভ কৰি দিলে। পুলিছী নিৰ্যাতনৰ কোব আটাইতকৈ বেছিকৈ পৰিল চিৰকিল্লা তালুকত।

কৰিমনগৰ শাখাৰ গণতান্ত্ৰিক অধিকাৰ সংৰক্ষণ সংঘৰ তৰফৰ পৰা চিৰ-কিল্লাত হোৱা পুলিছী নিৰ্যাতনৰ অনুসন্ধানৰ বাবে কমিটি এখন গঠন কৰা হয়। কমিটিৰ প্ৰতিবেদনৰ পৰা পুলিছ–জমিদাৰৰ যুটীয়া প্ৰচেষ্টাই কিদৰে জনসাধাৰণৰ দৈনন্দিন জীৱন অতিষ্ঠ কৰি তুলিছে সেই বিষয়ে উমান পোৱা যায়। কমিটিৰ আগত সাক্ষ্যদান কৰি খেতিয়ক ৰাইজে আগতে উনুকিওৱা চাক্কাপালি গাঁৱৰ



জমিদাৰ ভগৱন্ত ৰাওৰ কথা এইদৰে কয় যে তেওঁৰ অত্যাচাৰৰ প্ৰতিৰোধ কৰি দুখীয়া খেতিয়কৰ স্বাৰ্থ অক্ষুণ্ণ ৰাখিবলৈ 'ৰাইথু কুলি সংঘম' গঠন কৰাৰ বাতৰি পাই সংঘমৰ কৰ্মকৰ্তা এজনক মাতি নি ৰাওৱে ভয় দেখুৱায় আৰু সংঘম স্থাপনৰ পৰা বিৰত থাকিবলৈ আদেশ দিয়ে। আনকি সংঘম স্থাপনৰ বিৰোধিতা কৰি তেওঁ দুশমান মানুহৰ হতুৱাই বামুলাবাড়া নগৰত এটা শোভাযাত্ৰাও উলিয়ায়। এই শোভাযাত্ৰাকাৰীয়েই চালাপতি ৰাও নামৰ কৃষক কৰ্মী এজনক মাৰপিট কৰে। চালাপতি ৰাওৰ আক্ৰমণকাৰীৰ বিৰুদ্ধে পুলিছে একো কৰা নাই যদিও 'ৰাইথু কুলি সংঘম'ৰ ভালেমান খেতিয়ক আৰু শ্ৰমিক কৰ্মীৰ বিৰুদ্ধে মিছা গোচৰ তৰিছে। চালাপতি ৰাওক মাৰধৰ কৰাৰ পাছত জমিদাৰৰ ঘৰত এটা পুলিছী কেম্প বহুওৱা হৈছে আৰু তেতিয়াৰ পৰা 'গৰু চুৰি' 'অনুপ্ৰবেশ কৰা; 'খেৰ-কাঠ চুৰি' ইত্যাদি ভালেমান সৰুসুৰা অপৰাধত গাঁৱৰ বহুত মানুহৰ বিৰুদ্ধে গোছৰ তৰি পুলিছ আৰু জমিদাৰৰ জোটে অযথা জুলুম আৰু সন্ত্ৰাসৰ সৃষ্টি কৰিছে।

পতুৰুপাকা গাঁৱৰ মানুহৰ পৰা জনা গৈছে যে 'ৰাইথু কুলি সংঘম'ৰ শাখা খোলাৰ এসপ্তাহৰ পাছত ১২ জন চিপাহীৰে সৈতে এজন ছাব ইন্সপেক্টৰে তেওঁলোকৰ অফিছ খানাতালাছ কৰে আৰু গাঁৱৰ ৬০ জনমান লোকক চিৰকিল্লাৰ পুলিছ থানালৈ নি কৰ্মকৰ্তা আৰু অন্যান্য সভ্যসকলৰ নাম ধাম টুকি লয়। দেখ-দেখকৈ এই সকলোবিলাক জোৰজুলুমে গাঁৱলীয়া ৰাইজৰ অতি সাধাৰণ গণতান্ত্ৰিক অধিকাৰকো খৰ্ব কৰি ত্ৰাসৰ সৃষ্টি কৰিছে। বিচাৰিলে এনে দৃষ্টান্ত ভাৰতৰ আন আন ৰাজ্যতো নিশ্চয় ওলাব। এনেবোৰ উদাহৰণে যিদৰে আমাক উদঙাই দেখুৱায় গাঁও অঞ্চলত চলি থকা সামন্ত শোষণ আৰু শাসনৰ স্বৰূপ, একেদৰেই দেখুৱায় চেতনালব্ধ জনগণৰ প্ৰতিৰোধৰ সংগ্ৰামী আৰু অবিচল ৰূপ। পাৰ্থক্য এয়ে, হয়তো ক'ৰবাত এনে সংগ্ৰাম আগবাঢ়িছে সশস্ত্ৰ শ্ৰেণীসংগ্ৰামত বিশ্বাসী ৰাজনৈতিক পাৰ্টিৰ সচেতন নেতৃত্বত, আন ঠাইত এনে সংগ্ৰামৰ দায়িত্ব হয়তো কোনো পাৰ্টিয়ে বহন কৰা নাই। কিন্তু গুৰুত্বপূৰ্ণ কথাটো হ'ল যে সকলো ঠাইতে সংগ্ৰামত লিপ্ত হৈছে নিপীড়িত, কিন্তু সচেতন ৰাইজ নিজে। যুগ যুগ ধৰি পদদলিত হৈ থকা কৃষক ৰাইজে এবাৰ যেতিয়া সাৰ পাই নিৰ্যাতনৰ ওৰ পেলাব খুজিছে, জমিদাৰৰ সামন্তবাদৰ কথাই নাই, সামন্তবাদৰ ওপৰত ভেজা দি থকা দেশীয় চৰকাৰৰো সাধ্য নহ'ব দেশব্যাপী হোৱা এই জনজোৱাৰ ৰোধ কৰাৰ। —×—

## ৩৯৩ জন নক্সালাইটৰ জেলৰ ভিতৰত মৃত্যু

নতুন দিল্লী, নৱেম্বৰ ৩০ : ১৯৭৮ চনত ৩০ অক্টোবৰৰ ভিতৰত দেশৰ বিভিন্ন ৰাজ্যত জেলৰ ভিতৰত ৩৯৩ জন নক্সালাইটৰ মৃত্যু হয়।

দেশৰ বিভিন্ন ৰাজ্যত নক্সালাইট বন্দীৰ সংখ্যা হ'ল : অন্ধ্ৰত ৭৮ জন, অসমত ৩ জন, বিহাৰত ৯৮ জন, কেৰেলাত ৫৬ জন, উৰিষ্যাত ৫ জন, পাঞ্জাবত ৩ জন, ৰাজ-স্থানত ২ জন, তামিল নাডুত ৪৭ জন, ত্ৰিপুৰাত ৪ জন, উত্তৰ প্ৰদেশত ১৯ জন আৰু পশ্চিমবংগত ৭৮ জন। ( Indian Express 1.12.78 )

## আমাৰ নৱ-বৰ্ষৰ অৰ্ঘ্য

| | |
|---|---|
| অভিশপ্ত চম্বল ।। খগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা | ১০•০০ |
| বিলকিচ বেগম ।। খগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা | ১০•০০ |
| অনন্য প্ৰান্তৰ ।। মেদিনী চৌধুৰী | ১৫•০০ |
| জন্ম (নাটক) ।। মহেন্দ্ৰনাথ বৰঠাকুৰ | ৩•০০ |
| আনন্দৰাম ঢেকীয়াল ফুকন ।। নন্দ তালুকদাৰ | ৯৫•০০ |
| ৰত্নকান্ত বৰকাকতিৰ গদ্য সম্ভাৰ ।। যোগেন্দ্ৰনাৰায়ণ ভূঞা | ৩০•০০ |
| জীৱনৰ বাটত (উপন্যাস) ।। বীণা বৰুৱা | ১২•০০ |
| ৰাসনাৰ অতীত (অনুবাদ) ।। প্ৰণীতা দেৱী | ৩০•০০ |
| জ্ঞানানন্দ শৰ্মা পাঠকৰ সাহিত্য আলোচনা | ১৫•০০ |
| পুৰণি অসম বুৰঞ্জী ।। পণ্ডিত হেমচন্দ্ৰ গোস্বামী | ১৫•০০ |
| অসমীয়া কথা সাহিত্য(পুৰণি ভাগ) ।। বিৰিঞ্চিকুমাৰ বৰুৱা | ৪•০০ |
| বিচিত্ৰনাৰায়ণ দত্তবৰুৱাৰ স্মৃতি গ্ৰন্থ ।। | ১০•০০ |
| কবিতাৰ ৰ'দ । হীৰেণ ভট্টাচাৰ্য | ৩•০০ |
| প্ৰেমৰ গান ।। হীৰেণ ভট্টাচাৰ্য | ৩•০০ |
| এৰি অহা দিনবোৰ ।। নলিনী বালা দেৱী | ১৮•০০ |
| Threads woven : Ideals, Principles and Administration : B. P. Singh | 30.00 |
| Anglo-Assamese Relations, (Ph.D.Thesis, University of London) S.K.Bhuyan | 50•00 |
| The Pronouncing Anglo-Assamese Dictionary : B. N. Bhattacharjee | 26.00 |
| Milton : Tradition and Paradise Lost : A Heretical View : [Ph. D. Thesis, Cambridge University] Dr. Hiren Gohain | 65•00 |
| Human Sacrifice and Head Hunting in North Eastern India : B, Gohain | 30•00 |
| Assamese its Formation : and Development : Dr. B, K. Kakati | 30•00 |

**লয়াৰ্চ বুক ষ্টল, পাণবজাৰ, গুৱাহাটী-৭৮১০০১**

ফোন : ২৩৭৯৯


প্ৰবন্ধ

# কেন্দ্ৰ-ৰাজ্য সম্পৰ্ক, সাম্ৰাজ্যবাদ, জাতীয়তাবাদ আৰু শ্ৰেণীসংগ্ৰাম

অতুল গোস্বামী

(১)

আমাৰ দৰে এখন বিশাল দেশত কেন্দ্ৰ আৰু ৰাজ্যক প্ৰতিপক্ষ হিচাপে ধৰিলৈ, ৰাজনীতিৰ ডাবা খেলত ই পক্ষৰ চালৰ বিপৰীতে সিপক্ষৰ চাল চাই, ৰাজনৈতিক পুৰুষসকলৰ অবস্থানৰ ইফাল-সিফাল বা সলনা-সলনি দেখি, ভেবা লাগিহে থাকিব পাৰি; কিন্তু ইয়াৰ দ্বাৰা কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ স্বৰূপ ধাৰণা কৰিব নোৱাৰি। নিসন্দেহে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত দ্বন্দ্ব আছে আৰু ই কেতিয়াবা সংকটৰ ৰূপো লয়। কিন্তু উপৰুৱা ক্ৰিয়া-কাণ্ডবোৰৰ আঁৰত থকা ৰাষ্ট্ৰশক্তিৰ বিন্যাস দেখিলেহে বাস্তৱ অবস্থা বুজি তাক ৰূপান্তৰ কৰা যাব পাৰে। ইয়াকে মনত ৰাখি প্ৰশ্ন কৰা যাওক, কেন্দ্ৰ-ৰাজ্যৰ সম্পৰ্কৰ প্ৰশ্নটো কোনে তোলে? উত্তৰ—সুবিধা অনুসৰি দুয়ো পক্ষই তুলিব পাৰে। কেন্দ্ৰ যদি শক্তিশালী হয় আৰু ৰাজ্যসমূহৰ মাজত শক্তি-সমৃদ্ধিৰ বিষমতা থাকে তেনেহ'লে ৰাজ্যখনেপ্ৰতি প্ৰশ্নটো ভিন্ন দৃষ্টিৰে চোৱা হয়। দুৰ্বল, দুখীয়া ৰাজ্যৰ ৰাইজে শোষণৰ বিৰুদ্ধে মূৰ তুলি ঠিয় দিলে, ৰাজ্য চৰকাৰে দমন আৰু 'উন্নয়ন'ৰ উদ্দেশ্যে কেন্দ্ৰলৈ চায়। (কোৱা বাহুল্য, এই 'উন্নয়ন' শ্ৰেণী বিশেষৰ।) ৰাজ্যিক বুৰ্জোৱাৰ দুৰ্বলতা হেতু (ৰাষ্ট্ৰীয় শক্তিৰ) কেন্দ্ৰৰ লগত ৰাজ্য চৰকাৰৰ সম্পৰ্ক হয় পৰমুখাপেক্ষিতাৰ। সুযোগ বুজি কেন্দ্ৰই এনে ৰাজ্যৰ ওপৰত হেঁচা দিয়ে। কিন্তু একে সময়তে ৰাইজৰ একাংশক হাতত ৰাখিবলৈ 'উন্নয়নৰ' কামো চলাই থাকে। দমন আৰু 'উন্নয়ন'ৰ এই পৰিকল্পনাই ৰাজ্যৰ ব্যাপক জনসাধাৰণৰ বিৰুদ্ধে শোষণৰ পৰিকল্পনা। ইয়াৰ কৃতকাৰ্যতাই ৰাইজক যিমানে বিক্ষুব্ধ কৰে, চৰকাৰে সিমানে কেন্দ্ৰলৈ মুখ মেলিব লগা হয়। কাৰণ, চৰকাৰ আৰু ৰাইজৰ মাজত চলা ক্ৰিয়া-প্ৰতিক্ৰিয়াই চৰকাৰক দুৰ্বল কৰে। তেতিয়া দমনো সেই অনুপাতে বাঢ়ে আৰু কেন্দ্ৰক দমনৰ সহযোগী ৰূপে স্পষ্টকৈ দেখা যায়।



OKDISCD

অৱশেষত, শোষণৰ এটা পৰ্যায়ত, ৰাইজ অতীষ্ঠ হৈ উঠিলে, ৰাজ্য চৰকাৰ সম্পূৰ্ণৰূপে কেন্দ্ৰৰ শৰণাপন্ন হয়। এনে সময়ত চৰকাৰে ৰাজ্যৰ ভিতৰৰ পূৰণি সহযোগীৰ কথাও পাহৰি যায়। এই ৰাজ্য চৰকাৰ পুৰাপুৰি কেন্দ্ৰৰ অধীন হয় আৰু কেন্দ্ৰ-ৰাজ্যৰ সম্পৰ্কৰ প্ৰশ্নই ইয়াত প্ৰায় অবান্তৰ হৈ পৰে। কাৰণ, ৰাজ্য নিশকতীয়া। ৰাইজৰ বিদ্ৰোহৰ সমুখত, দুৰ্বল ৰাজ্যিক বুৰ্জোৱাৰ চৰকাৰৰ আৰু কি গতি আছে? প্ৰায় এনে অৱস্থাই অসমৰ ৰাজ্য চৰকাৰৰ ক্ষেত্ৰত বহুদিন ধৰি চলি থকা দেখা গৈছে। অৱশ্যে সকলো ৰাজ্যৰ অৱস্থা একে নহয়; অলপ হেৰফেৰ আছেই। থলুৱা বুৰ্জোৱাৰ শক্তি-সমৃদ্ধিৰ তাৰতম্যৰ বাবেই, বুৰ্জোৱা ৰাষ্ট্ৰৰ অন্তৰ্গত থকা ৰাজ্যবোৰত, কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ প্ৰশ্নই ভিন্ ভিন্ উত্তৰ বিচাৰি পোৱাটো স্বাভাৱিক। শ্ৰেণীবিশেষৰ উন্নয়ন আৰু ৰাইজৰ শোষণ দুয়োটাই বুৰ্জোৱা এক-নায়কত্বত শাসনৰ লক্ষ্য। কেন্দ্ৰৰ ঘাই লক্ষ্য হৈ পৰে দমন, ৰাজ্যৰ ক্ষেত্ৰত লক্ষ্য হয় দমন আৰু 'উন্নয়ন'ৰ দাবী ৰক্ষা কৰা। কেতিয়াবা কেৱল দমন আৰু কেতিয়াবা আংশিক 'উন্নয়ন'—এনেদৰেই ৰাজ্য চলে।

সমৃদ্ধিশালী ৰাজ্যিক বুৰ্জোৱাইহে তুলনামূলকভাৱে শক্তিশালী ৰাজ্য চৰকাৰ গঢ়ি লয়। এনে চৰকাৰে কেন্দ্ৰৰ লগত ৰক্ষা কৰা সম্পৰ্ক, সাধাৰণতে, ৰাজ্যৰ বুৰ্জোৱাৰ পক্ষে তুলনামূলকভাৱে সুবিধাজনক। ৰাজ্যৰ বিশেষ অৱস্থানৰ বাবেই এই সম্পৰ্কত কেন্দ্ৰয়ো গুৰুত্ব দিয়ে। পৰাক্ৰমী বুৰ্জোৱাই ইয়াত সমানে শোষণ আৰু 'উন্নয়ন' চলায়। বাহিৰলৈকো অক্টোপাছৰ দৰে হাতোৰা মেলে। ৰাজ্যৰ ৰাইজে বিদ্ৰোহ কৰিলে কেন্দ্ৰয়ো উপযাচি সাহায্য দিয়ে। এনে ৰাজ্য-চৰকাৰ সম্পূৰ্ণ পৰমুখাপেক্ষী নহয়। বৰং, কেন্দ্ৰই সকলো সময়তে পৰাক্ৰমী ৰাজ্যচৰকাৰক সন্তুষ্ট ৰাখিব খোজে। এনে সম্পৰ্ক দৃঢ়তৰ কৰি তোলাৰ সমান সহজ কাম নাই। কাৰণ, এনে ৰাজ্যৰ প্ৰতিনিধিয়েই কেন্দ্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা লয় আৰু কেন্দ্ৰ-ৰাজ্যৰ সম্পৰ্ক দৃঢ়তৰ কৰে। এনেদৰে চলি থাকিলে সেই ৰাজ্যৰ চৰকাৰে কেন্দ্ৰ—ৰাজ্য সম্পৰ্কৰ প্ৰশ্ন নোতোলে। তাত ৰাইজে বিদ্ৰোহ কৰিলেও দমনৰ দায়িত্ব প্ৰায় কেন্দ্ৰৰেই হৈ পৰে। ইয়েই স্বতঃসিদ্ধ। এই পৰিস্থিতিত দুৰ্বল ৰাজ্যৰ থলুৱা বুৰ্জোৱাই বৈষম্যৰ কথাটো সহজে গ্ৰহণ কৰিব নোৱাৰে। কিন্তু সেয়ে হলেও ৰাষ্ট্ৰৰ বুৰ্জোৱা শ্ৰেণীৰ জোঁটৰ ভিতৰতে হোৱা অৰিয়া-অৰি কেন্দ্ৰৰ মধ্যস্থতাতে সদায় শেষ কৰা যায়। এইদৰেই বুৰ্জোৱা শক্তিৰ সুবিন্যাস ৰক্ষা কৰা হয়।

দেশৰ সামগ্ৰিক অৱস্থা যেতিয়া দাৰিদ্ৰ্যৰ খুন্দাত হাল্‌কা, ৰাইজ অতিশয় বিক্ষুব্ধ আৰু দমনৰ প্ৰস্তুতিও ব্যাপক আৰু অপৰিহাৰ্য, তেতিয়াই বুৰ্জোৱা জোঁটৰ মাজত খোৱা-কামোৰা বাঢ়ে। তেওঁলোকেই তেতিয়া নিজ নিজ স্বাৰ্থত কেন্দ্ৰ—ৰাজ্য সম্পৰ্কৰ প্ৰশ্ন তোলে। যি ৰাজ্যত দমন যিমান সফল সেই ৰাজ্যৰ লগত কেন্দ্ৰৰ সম্পৰ্ক সিমানে চিধা। গতিকে লাভজনকো। আনহাতে বিফলতাই ৰাজ্যক কেন্দ্ৰৰ ওচৰত ভিখাৰী কৰে। অৱশ্যে কেন্দ্ৰই সকলো সময়তে সকলো ৰাজ্যৰ বুৰ্জোৱা শ্ৰেণীক সহযোগী হিচাপে ৰাখিব খোজে। সেই কাৰণেই কেতিয়াবা কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ প্ৰশ্নটো পৰোক্ষভাৱে কেন্দ্ৰত উঠিব পাৰে। কিন্তু কেন্দ্ৰৰ পথ নিৰংকুশ



নহয়। বুৰ্জোৱা শ্ৰেণীৰ যি অংশই কেন্দ্ৰত অধিক পৰাক্ৰমী হৈ থাকে (যেনে, বৰ্তমানৰ মুৎসুদ্দি বুৰ্জোৱা), সেই অংশৰ পৰা আৰু সেই অংশৰ খিতাপী ৰাজ্য চৰকাৰৰ পৰাই সদায় বিৰোধ আহে। কাৰণ, এওঁলোকে ইতিমধ্যে পাই থকা বিশেষ সুবিধাৰ পৰা বঞ্চিত হ'ব নোখোজে। আজি দেশত শাসক গোষ্ঠীৰ মাজত ইয়াকে লৈ তীব্ৰ বিৰোধ হৈছে। এতিয়া এওঁলোকে কেন্দ্ৰৰ পৰা কেন্দ্ৰ-ৰাজ্য সম্পৰ্ক উঠাৰ দৰে বিৰল পৰিস্থিতি উদ্ভৱ হোৱাটো নিবিচাৰে। এনে প্ৰশ্ন ফু মাৰি উৰোৱাৰ কৌশলহে ল'ব। কাৰণ, ৰাজ্যসমূহৰ মাজত ভাৰসাম্যৰ প্ৰশ্নটো অবান্তৰ বুলি শাসকগোষ্ঠীয়ে নজনা নহয়। গুৰিতে থকা আঞ্চলিক অৰ্থনৈতিক বৈষম্য গুচাবৰ কাৰণে লাগে সমাজ-ব্যৱস্থাৰ সামগ্ৰিক ৰূপান্তৰ। তাৰ অবিহনে ভাৰসাম্য অসম্ভৱ। গতিকে, এই প্ৰশ্ন তোলাৰ দৰে ভুল কেন্দ্ৰই কৰিব পাৰে জানো? নোৱাৰে। তাতকৈ, অৰ্থনীতিত ফেদাৰেল নীতিৰ ধ্বনি তুলি, ৰাজনীতিৰে তাক খণ্ডন কৰি, বিচ্যুতি-প্ৰবাহত উটি-ভাঁহিয়েই ফুৰিব। এই পৰিস্থিতি আজি জনগণৰ স্বাৰ্থৰে সপক্ষে। ইয়াত সন্দেহ নাই।

দেশৰ বিক্ষুব্ধ জনসাধাৰণে কিন্তু আন্দোলনৰ মাজেদি নোতোলা প্ৰশ্নটোও তুলিবলৈ বাধ্য কৰিব পাৰে। কৰিলেই এই প্ৰশ্নই ভয়ংকৰ ৰূপ ল'ব। সচেতন ৰাজনৈতিক কৰ্মধাৰাত লিপ্ত হৈ ৰাইজে যি গণ আন্দোলন সূচনা কৰে সি সংগ্ৰামী তীব্ৰতা লাভ কৰিলেই কথা বিষম। অৱশ্যে ইয়াৰ বাবে জনগণৰ চেতনাই এটা বিশেষ পৰ্যায় পাব লাগে। কেৱল ভোক আৰু খং হ'লেই নহয়; খঙে শত্ৰুও দেখিব লাগিব। এইদৰে দেখাৰ প্ৰয়াসেই বৈপ্লৱিক জাগৰণ সম্ভৱ কৰে। যেতিয়াই বুৰ্জোৱা শাসন-ব্যৱস্থাৰ অংগ ৰাজ্য-চৰকাৰকো শত্ৰু বুলি জনসাধাৰণে চিনাক্ত কৰে তেতিয়াই তাৰ ওপৰত আক্ৰমণ চলায়। এয়াই সচেতনতাৰ চিন। এই আক্ৰমণৰ সমুখত ৰাজ্য-চৰকাৰ বিমূঢ় হ'বলৈ বাধ্য। তেতিয়া ৰাজ্য চৰকাৰে কেন্দ্ৰীয় সহায়-সহযোগিতাৰো সীমা দেখে আৰু ৰাইজৰ শক্তিৰ অসীম প্ৰাবল্যৰ উমান পায়। মাত্ৰ এঠাইত এনে আন্দোলন হ'লে কেন্দ্ৰই তাক সমূহ বুৰ্জোৱাৰ স্বাৰ্থত সমূলে নিৰ্মূল কৰিবলৈ ওলাই আহিবই।

আজি দেশৰ ৰাইজে ঠায়ে ঠায়ে যিদৰে প্ৰতিযোদ্ধা বিচাৰি ওলাইছে, তাতেই দেখোন বুৰ্জোৱা জোঁট ভাঙো ভাঙো! বুৰ্জোৱা দলবোৰৰ মাজত আজি কি অস্থিৰতা!

এনে অৱস্থাত যি অঞ্চলৰ জনসাধাৰণে ৰাজ্য চৰকাৰৰ ওপৰত পূৰ্ণহতীয়া কোব দিছে তাতেই কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ প্ৰশ্নই সৰ্বাধিক গুৰুত্ব লাভ কৰা নাইনে? ইয়াৰ পৰা এই কথাই স্পষ্ট যে জনসাধাৰণে নিজৰ নেতৃত্বত চৰকাৰ পাতিবলৈ যিমানেই উদ্যত হয়, বুৰ্জোৱা দলবোৰে সিমানে এই প্ৰশ্নটো তোলে।

সংগ্ৰামৰ এটা পৰ্যায়ত ৰাজ্য চৰকাৰে পৃষ্ঠভংগ দিবলৈ বাধ্য। কাৰণ, কেন্দ্ৰৰ পৰা সাহায্য অহাও অসম্ভৱ হৈ পৰে। তেতিয়া ৰাজ্যত জনসাধাৰণে স্বকীয়া চৰকাৰ গঠন কৰি স্বকীয়া ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিব খুজিলেও বাধা নাই। ৰাজ্যিক জনসাধাৰণে পূৰ্বৰ ৰাজ্যৰ পৰা বিচ্ছিন্নতাও কামনা কৰিব পাৰে। ভাৰতৰ দৰে বহুজাতিক দেশত এইটো সম্ভৱ। দেশ জুৰি চলা গণ-সংগ্ৰামে ৰাজ্যবোৰ দুৰ্বল

কৰিলে কেন্দ্ৰ কেনেকৈ সবল হৈ থাকিব ? নাথাকে। তেতিয়া বুৰ্জোৱা একনায়কত্বৰ শক্তিৰ কেন্দ্ৰই ভাগি পৰিব।

এতিয়া কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ প্ৰশ্নটোৰ তাৎপৰ্য স্পষ্ট। এইটো আজি ভাৰতীয় জনসাধাৰণৰ বৈপ্লবিক চেতনাৰ বিৰুদ্ধে তোলা প্ৰশ্ন। এয়া বুৰ্জোৱাৰ আত্মৰক্ষাৰে প্ৰস্তুতি। এই প্ৰশ্নৰ উত্তৰ নিৰ্ণয় কৰিব জনসাধাৰণৰ সংগ্ৰামী ঐক্যই। এনে ঐক্যই সামগ্ৰিক স্বাৰ্থৰ হকে বুৰ্জোৱা ৰাষ্ট্ৰৰ পৰা বিচ্ছিন্ন হোৱাটোও সমৰ্থন কৰিব পাৰে। কাৰণ, এই বিচ্ছিন্নতা জনসাধাৰণৰ পৰা নহয়, বুৰ্জোৱা ৰাষ্ট্ৰৰ পৰাহে। আজি ৰাষ্ট্ৰই বান্ধি লোৱা ৰাজনৈতিক সীমা অতিক্ৰম কৰি, সীমাৰ ইপাৰে-সিপাৰে আন্তৰ্জাতিক জনগণৰ যি ঐক্য আছে, সি এই বিচ্ছিনতাকো প্ৰকৃতাৰ্থত ঐক্য বুলিহে ক'ব। এইখিনিতে বুৰ্জোৱাৰ নেতৃত্বত, আৰু সৰ্বহাৰাৰ নেতৃত্বত হোৱা "বিচ্ছিন্নতাবাদী" আন্দোলনৰ পাৰ্থক্য। সৰ্বহাৰাৰ নেতৃত্বত, শ্ৰেণীসংগ্ৰামৰ মাজেদি, কেন্দ্ৰ-ৰাজ্যৰ জোঁট ভাঙি, বিচ্ছিন্ন ৰাষ্ট্ৰ স্থাপনৰ যি স্বপ্ন সি ভিত্তিহীন নহয়। ই সৰ্বহাৰাৰ ক্ষমতালাভৰ প্ৰথম খোজ। মনত ৰাখিবলগীয়া কথা এই যে এই বাটেদি বিচ্ছিন্নতা ঘটিলেও সৰ্বহাৰাৰ এনে এটা মতবাদ নাই যাৰ নাম "বিচ্ছিন্নতাবাদ" !

ৰাষ্ট্ৰক্ষমতা অধিকাৰ কৰি, বুৰ্জোৱা একনায়কত্বৰ ঠাইত সৰ্বহাৰা একনায়কত্ব প্ৰতিষ্ঠা কৰিলেহে সমাজবাদৰ পথেদি সাম্যবাদলৈ উত্তৰণ লাভ কৰা সম্ভৱ বুলি আমি জানো। তেনেহ'লে আমি আজি কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ প্ৰশ্নটো কিদৰে ল'ম ? ই জনসাধাৰণৰ সংগ্ৰামী চেতনাৰ স্বীকৃতি নহয় নে ? ইয়াৰ আঁৰত থকা সম্ভাবনাৰ ইংগিত স্বপ্নাতুৰ কৰ্মীয়ে দেখা নাইনে ? দেখিছে। সেয়ে আজি ঠায়ে ঠায়ে ইমান তেজ উথলিছে। এইটো আশাৰ কথা। কিন্তু ক্ষমতাদখলৰ সংগ্ৰামক জোৰেৰে ৰাজ্যিক সীমাৰ ভিতৰতে ৰাখিব খোজা ভুল। ই ক্ষতিকাৰক। আমাৰ ৰাজ্যিক সীমাবোৰ কৃত্ৰিম। এইবোৰে কৃত্ৰিমভাৱে জনসাধাৰণক ফাল-ফালকৈ ৰাখিছে বা কৃত্ৰিমভাৱেই বিভিন্ন জনগোষ্ঠীকে একেলগ কৰিছে। এনে ক্ষেত্ৰত সংগ্ৰামীয়ে সীমাৰ ইপাৰে সিপাৰেও সংগ্ৰামৰ এলেকা ঠিক কৰিব লগা হয়। কিন্তু আমাৰ ক্ষেত্ৰত, জনগোষ্ঠীৰ ভাষাগত, ধৰ্মগত, জাতিগত আদি ভিন্নতা সত্বেও, কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ ঘাই ধৰিয়েই আন্দোলন আৰম্ভ কৰাৰ সুবিধা নাইনে ? ইয়াৰ জাতীয় যুদ্ধৰথন (কেন্দ্ৰৰ অধীনস্থ হৈ, বুৰ্জোৱাৰ বহুতীয়াৰূপে থকা) ৰাজ্যিক চৰকাৰৰ বিৰুদ্ধেই হ'ব নোৱাৰেনে ? পাৰে। ইয়াতে ৰাইজে বিক্ৰম দেখুৱালে শ্ৰেণীসংগ্ৰামৰ মাৰফৎ জাতীয় সংগ্ৰাম আগবাঢ়িব। জাতিৰ নৃতাত্বিক, ভাষিক, ধৰ্মীয় উপাদানক এই সংগ্ৰামেই মথিব আৰু এক সুন্দৰ ৰূপত গঢ়ি তুলিব। সেয়ে আজি অসমীয়া জাতীয়তাৰ প্ৰসংগত, কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ প্ৰশ্নটোৱে বৈপ্লবিক তাৎপৰ্য লাভ কৰিছে। (এই প্ৰবন্ধৰ তৃতীয় অনুচ্ছেদত ইয়াৰ আলোচনা ডাঙি ধৰিম।)

আন্তৰ্জাতিক সম্পৰ্কৰ পৰিপ্ৰেক্ষিতত, দেশৰ চৰকাৰক মুৎসুদ্দি পুঁজিৰ নিয়ন্ত্ৰনাধীন ৰূপে দেখাৰ পিছতো, কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ প্ৰশ্নই তাৎপৰ্য হেৰুৱাই নোপেলায়। নক'লেও হ'ব যে ওপৰত এই সম্পৰ্কৰ যিখন সৰল ছবি আঁকা হ'ল তাক অনেক



গুণে জটিল কৰি তুলিছে আন্তৰ্জাতিক সম্পৰ্কই। দেশত সাম্ৰাজ্যবাদী শোষণ নিয়ন্ত্ৰণ যিমানে বাঢ়িছে, শ্ৰেণীসংগ্ৰামৰ কঠোৰতাও সেই অনুপাতে বাঢ়িছে। কিন্তু সেয়ে হ'লেও, কেন্দ্ৰৰাজ্য সম্পৰ্কৰ উক্ত ধাৰণাটো আৰু তাৰ পৰিপ্ৰেক্ষিতত চলাব লগা সংগ্ৰামৰ গতি-পথৰ ধাৰণাটো শুদ্ধ। সংগ্ৰামৰ কৌশল নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত ঠায়ে ঠায়ে সাম্ৰাজ্যবাদী ষড়যন্ত্ৰই বহুধৰণে বহুত বাধা-বিঘিনি সৃষ্টি কৰিব। কিন্তু, সংগ্ৰামৰ গতিপথ এয়ে। এই পথ নিৰ্দ্ধাৰিত হৈ আছে।

(২)

দেশত সৰ্বগ্ৰাসী সংকট চলিছে। ইয়াৰ মূল কাৰণবোৰ কিমান দিন থাকিব তাক নিৰ্ণয় কৰিব জনগণৰ সম্মিলিত শক্তিয়ে। বুৰ্জোৱাৰ স্বাৰ্থত চলোৱা চৰকাৰৰ শ্ৰেণীনীতিয়েই এই কাৰণ। চৰকাৰৰ শ্ৰেণীনীতিয়ে পুঁজিপতিক ৰক্ষনাবেক্ষণ দিছে আৰু ৰাইজক শোষণৰ মাজেদি জুৰুলা কৰিছে। ৰাইজৰ ক্ৰয়-ক্ষমতা নাই, কিন্তু পুঁজিপতিক বজাৰ লাগে। এওঁলোকে বিদেশৰ পৰা আমদানি কৰে আৰু আমদানিৰ মূৰে ৰপ্তানি কৰে। আন্তৰ্জাতিক শোষণৰ প্ৰক্ৰিয়াত এওঁলোক যিমানে অংশীদাৰ হৈ সোমাইছে সিমানে বিদেশী পুঁজিৰ ওপৰত ভাৰতীয় পুঁজিৰ নিৰ্ভৰতা বাঢ়িছে। অথচ, কৃষিৰ উন্নতি হোৱা নাই, ভূমি-সংস্কাৰ হোৱা নাই, জমিদাৰ আছেই, নথকা ঠাইত কেৱল তদাৰকী কৰি মজুৰ লগোৱা মাটিগিৰিৰ চামটো আছে। আধি-চুকানি উঠি গ'লেও এইবোৰ থাকিব। দেশৰ সামগ্ৰিক অৰ্থনীতিত কৃষি আৰু উদ্যোগৰ মাজত থাকিব লগা সম্পৰ্ক নাই। ইয়াৰ কাৰণো একেই—বুৰ্জোৱাৰ স্বাৰ্থত গঢ়া শ্ৰেণীনীতি। সাম্ৰাজ্যবাদৰ নিয়ন্ত্ৰণত চলা শোষণভিত্তিক অৰ্থনীতিৰ দ্বৈত স্বৰূপ অনিবাৰ্য বুলি ইয়াক সংৰক্ষণ কৰিলে নচলিব। ই গণস্বাৰ্থ বিৰোধী।

দেশত ভয়ংকৰ শোষণ চলিছে। শোষণৰ স্বাৰ্থত দমনো চলিছে। তদুপৰি, চৰকাৰে বিক্ষোভৰ বিপক্ষে খুচুৰা প্ৰতিষেধক লৈছে। নানা মিছা কাৰণ দেখুৱায়ো আৰ্থিক দুৰৱস্থাৰ আচল কাৰণ ঢাকিব পৰা নাই। প্ৰচাৰ-যন্ত্ৰৰ সহায়েৰে মানুহক ভুলাই কানিয়া কৰি ৰাখিব পৰা নাই। শিক্ষানুষ্ঠানৰ শ্ৰেণী-কোঠাত বা ৰাজহুৱা সভাত মানবতা, বিশ্বশান্তি আদিৰ কথা কৈয়ো কাকো ফুচুলাব নোৱাৰি। আন্তৰ্জাতিকতাৰ গুণগান দি বিদেশী বন্ধুলৈ বাট মোকোলাব পাৰিলেও বিপদৰ কথা চৰকাৰে জানে। সাম্প্ৰদায়িকতা, প্ৰাদেশিকতা আদিৰে সংকীৰ্ণ জাতীয়তাবাদ খুচৰিলেও কাম নিদিয়া হৈ আহিছে। ৰাইজক ভেদ-ভেদকৈ ৰখাৰ কৌশলবোৰ আজি প্ৰায় অচল হ'ল। তথাপি, আমূল পৰিবৰ্তনৰ নামত, সৰ্বহাৰাৰ নামত, শ্ৰমিক-কৃষকৰ উন্নয়নৰ নামত, বিপ্লৱৰ নামত তথাকথিত "কল্যাণকামী" চৰকাৰৰ তথাকথিত "প্ৰগতিশীল" সহযোগী আছে। এওঁলোকৰ কথাত বিভ্ৰান্ত নহৈ, সংকটৰ স্বৰূপ বুজি সংগ্ৰাম চলাই থকা সকলেহে মুক্তিৰ বাট দেখিছে।

আমি জানো যে ১৯৪৭ চনতে 'স্বাধীনতা'ৰ নামত বিদেশী পুঁজিৰ লগত আমাৰ দেশৰ এচাম ধনীয়ে আপোচ কৰিলে। এওঁলোক শকত হ'ল। বিদেশীৰ লগত সমতাহীন বাণিজ্য কৰি এওঁলোকে ৰাইজক সুহিছে আৰু নিজলৈ দালান সাজিছে। দেশৰ দানহৰ মাজতে লুণ্ঠন সীমাবদ্ধ থকা নাই। বিদেশী শোষণৰ মাত্ৰা



OKDISCD

দিনে দিনে চৰি গৈছে। ফলত, বিদেশী পুঁজি আৰু একচেতীয়া লগ্নীপুঁজিৰ মুনাফা লাভৰ বলি হৈছে কৃষক আৰু শ্ৰমিক। বৃহৎ পুঁজিৰ স্বাৰ্থত থকা কেন্দ্ৰীয় চৰকাৰৰ সহযোগী হৈ, অধীনতাৰ সম্পৰ্কেৰে বান্ধ খাই আছে ৰাজ্যৰ চৰকাৰবোৰ। চৰকাৰৰ শোষণ-নীতিত ভূগিছে কৃষক আৰু শ্ৰমিকে। জমিদাৰী শোষণৰ বলি হৈছে কৃষক। ৰাষ্ট্ৰীয় কৰ-কাটলৰ হেঁচাত জুৰুলা দেশৰ সমগ্ৰ দৰিদ্ৰ ৰাইজ।

সাম্ৰাজ্যবাদৰ লগত ক্ৰমে ঘনিষ্ঠ বন্ধনত আবদ্ধ হৈ, মুৎসুদ্দি হৈ আছে আমাৰ ৰাজ্য চৰকাৰ। পুঁজিবাদৰ পচনৰ যুগত ভাৰতত পুঁজিৰ সোধ সাজিবলৈ এওঁলোক এগোট। বাহিৰৰ পৰা সাহায্য বিচাৰি, কেন্দ্ৰৰ পৰা সাহায্য বিচাৰি, দৰ কচাকচি কৰে অসমৰ চৰকাৰে।

কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ আজি বুৰ্জোৱা কূটনীতিৰ খেলত মত্ত। একেটা খেলতে মত্ত হৈ আছে ছোভিয়েট ৰাছিয়া। ৰাছিয়াৰ পৰা পোৱা সীমিত সাহাযৰ উপৰিও, দেখাত ছোভিয়েট-বিৰোধী যেন লগা পক্ষৰ পৰাও সাহায্য বিচাৰিছে। এইদৰে দুটা সাম্ৰাজ্যবাদী শক্তিৰ মাজত অহা-যোৱা কৰি এওঁলোকে দেশখন বেচিছে। সাম্ৰাজ্যবাদী শোষণৰ মাত্ৰা চৰি গৈছে। কিন্তু প্ৰকৃত সমাজবাদী দেশৰ লগত সম্পৰ্ক উন্নত কৰিবলৈ এওঁলোকৰ আগ্ৰহ নাই। ইয়ো স্পষ্ট। আজি গোটেই পৃথিৱী জুৰি সাম্ৰাজ্যবাদ আৰু সামাজিক সাম্ৰাজ্যবাদৰ প্ৰবল হেঁচা চলিছে। পুঁজিৰ দৰ উচ্চতম বিকাশ সাম্ৰাজ্যবাদ। ইয়াৰ পৰিণতি সম্পৰ্কে লেনিনে আমাক শুদ্ধ সিদ্ধান্ত দি থৈ গৈছে। তেওঁৰ বিশ্লেষণ, তাত দেখা দৃষ্টিভংগী আৰু তাৰ মূলত থকা মতাদৰ্শই সাম্ৰাজ্যবাদৰ ক্ষয়িষ্ণু স্বৰূপটো আমাৰ আগত পোহৰাই দেখুৱাইছে। সাম্ৰাজ্যবাদৰ সৰ্বব্যাপী হেঁচাৰ কথাটো আমাৰ মনে সজা জিনিচ নহয়। এই হেঁচা বাস্তবিকতে আছে। ইয়াৰ তলত বিভিন্ন শক্তিৰ দ্বন্দ্বও আছে। সাম্ৰাজ্যবাদৰ আগৰ যুগত পুঁজিবাদ আৰু সামন্তবাদৰ যি চেহেৰা আছিল সেই চেহেৰা আজি নাই। বৰং, ওপৰৰ পৰা অহা হেঁচাৰ কোবত ইহঁতৰ গতি-প্ৰকৃতি সলনি হৈছে। তথাপি, বেলেগ ধৰণে হ'লেও প্ৰাচীন উপাদানবোৰ অতি সক্ৰিয়। সাম্ৰাজ্যবাদৰ বিৰুদ্ধে জাগি উঠা শক্তিয়ে আজি এই উপাদানবোৰলৈকো চোকা নজৰ দিছে। সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুঁজোতে, এইবোৰ উপাদানৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া লক্ষ্য কৰিলেই আধা-সামন্তবাদী ৰাষ্ট্ৰ ভাৰতৰ বুৰ্জোৱা শ্ৰেণীক সাম্ৰাজ্যবাদে কিদৰে ব্যৱহাৰ কৰিছে সিও স্পষ্ট হৈ পৰে। বিপ্লৱী কৰ্মীসকলক এই মুহূৰ্ততে কৰিব লগা কামৰ আঁচনি গঢ়োতে ই সহায় কৰিব। এই আঁচনি বুৰ্জোৱা শোষণৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে।

এতিয়া মুৎসুদ্দি পুঁজিৰ কথাটো ভাৰতীয় বুৰ্জোৱাৰ সামগ্ৰিকতাৰ প্ৰসংগত চোৱা দৰ্কাৰ। আজি বুৰ্জোৱা শ্ৰেণীৰ মাজত দেখা তীব্ৰ অন্তৰ্বিৰোধৰ এটা দিশ হ'ল মুৎসুদ্দি পুঁজিৰ শক্তি আৰু সামন্তবাদী শক্তিৰ মাজৰ বিৰোধ। বিদেশী পুঁজি আৰু একচেতীয়া লগ্নীপুঁজিৰ সংযুক্ত শক্তিৰ সমুখত জমিদাৰ শ্ৰেণী তিষ্ঠিব পৰা নাই। এওঁলোক দুৰ্বল। এই অন্তৰ্বিৰোধৰ মাজত সামন্তবাদৰ প্ৰতিনিধিয়ে মুৎসুদ্দি পুঁজিৰ লগত আপোচ কৰিব খুজিছে, নাইবা উকৰি আহি কৃষকৰ ফাললৈ চাইছে— "কিষাণ ৰেলী"! আগতে বুৰ্জোৱা দলবোৰৰ যি অস্থিৰতাৰ কথা উল্লেখ কৰা



হৈছিল তাৰ এটা মুখ্য উপাদান এইটো। আজি বুৰ্জোৱা শ্ৰেণীৰ মাজত দলাদলি হৈ যি দুৰ্বলতা দেখ্ দেখ্‌কৈ ওলাই পৰিছে তাৰ বিপৰীতে আছে কৃষক-শ্ৰমিকৰ ঐক্যবদ্ধ শক্তিৰ সীমাহীন সম্ভাৱনা! আজি এইটোৱেই ভাৰতৰ বৈপ্লৱিক সংগ্ৰামৰ কাৰণে উপযুক্ত ক্ষণ। স্থানে স্থানে সেয়ে আজি অভূতপূৰ্ব আলোড়ন উঠিছে। কিন্তু এতিয়াও বুৰ্জোৱাৰ বিভিন্ন অংশৰ গাদী দখলৰ যুঁজত পৰোক্ষে হস্তক্ষেপ কৰি সাম্ৰাজ্যবাদী শক্তিয়ে জনসাধাৰণৰ বিৰুদ্ধে ৰাজনৈতিক কৌশল খটুৱাই আছে। জনগণৰ বৈপ্লৱিক সংগ্ৰামেহে সাম্ৰাজ্যবাদী শক্তিক এই ক্ৰীয়াভূমিৰ পৰা খেদাই পঠাব পাৰিব। বুৰ্জোৱা শ্ৰেণীয়ে সাম্ৰাজ্যবাদী শক্তিৰ কাৰণে খুলি দিয়া বাট ভেটিবলৈকে কৃষক—শ্ৰমিক আজি উদ্যত হৈ উঠিছে। এই সংগ্ৰাম মূলতঃ সাম্ৰাজ্যবাদ-বিৰোধী সংগ্ৰাম।

(৩)

সমূহ ৰাইজৰ সুখ-সমৃদ্ধিৰ কাৰণে অৰ্থনৈতিক ৰূপান্তৰৰ লগতে সাংস্কৃতিক ৰূপান্তৰৰ মাৰফৎ শ্ৰেণী-সংগ্ৰাম চলে। ৰাইজৰ সপক্ষে চলোৱা অৰ্থনীতিৰ ভেটিত সৃষ্টিশীল মানুহৰ উৎপাদনমুখী ঐক্য স্থাপনেই আজি জাতীয় সংগ্ৰামৰো লক্ষ্য। এই সংগ্ৰাম চলে ধৰ্মীয়, ভাষিক, গোষ্ঠীগত আদি ভিন, ভিন সাম্প্ৰদায়িক অবিশ্বাস-অসূয়াৰ বিৰুদ্ধেও। যিটো অৰ্থনীতি আজি দেশত চলি আছে তাৰ বিৰুদ্ধে, সংগ্ৰাম লাগিবই। ই জাতীয় অৰ্থনীতি নহয়, শ্ৰেণী—অৰ্থনীতিহে। ই চলিছে ৰাইজৰ বিপক্ষে আৰু বুৰ্জোৱা তথা তাৰ সহযোগীৰ সপক্ষে। দেশৰ সংস্কৃতিও গঢ়ি উঠি বিকশিত (?) হৈছে এইটো শ্ৰেণীৰ স্বাৰ্থত। অৰ্থনীতি আৰু সংস্কৃতি অভিন্ন। অৰ্থনৈতিক ৰূপান্তৰৰ সংগ্ৰামে সমাজৰ গাঁথনি সলালেহে চেপাত চেপেটা লগা ৰাইজৰ সৃষ্টিমুখী শক্তিৰ বিকাশ হ'ব। সাংস্কৃতিক সমৃদ্ধিৰ বিপুল সম্ভাৱনায়ো বাস্তৱ ৰূপ ল'ব তেতিয়া। আজি বুৰ্জোৱা আৰু তাৰ সহযোগীসকলে শ্ৰেণীস্বাৰ্থ ৰক্ষাৰ সংগ্ৰামকে জাতীয় সংগ্ৰাম নাম দিছে। এনে আন্দোলনত ৰাইজ নাই। এই দুৰ্বল, সংকীৰ্ণ, জাতীয়তাবাদী দুষ্টবোৰৰ কথাত ৰাইজ বিভ্ৰান্তও নহয়। ৰাইজে শ্ৰেণীশত্ৰুৰ গাৰ গোন্ধো চিনি পায়।

প্ৰকৃত জাতীয় সংগ্ৰামে সংকীৰ্ণতাৰ বিৰোধিতা কৰে। ৰাইজৰ ৰূপান্তৰমুখী সংগ্ৰামেই অৰ্থনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত যুজোঁতে, ধৰ্মীয়, ভাষিক, গোষ্ঠীগত বিভেদৰ ঠাইত সংগ্ৰামীৰ ঐক্য প্ৰতিষ্ঠা কৰে। এনে সংগ্ৰামেই শ্ৰেণী-সংগ্ৰাম।

সাম্ৰাজ্যবাদ-সামন্তবাদৰ শক্তিসমূহে নিৰ্ণয় কৰা নীতিয়ে ভাৰতত শোষণ আৰু আঞ্চলিক বৈষম্য বৃদ্ধি কৰিছে। ইয়াৰ বিৰুদ্ধেই শ্ৰেণী-সংগ্ৰাম লাগে। এই সংগ্ৰামে অঞ্চলে অঞ্চলে জাতীয় সংগ্ৰামৰ ৰূপ ল'বলৈ বাধ্য। কাৰণ, আঞ্চলিক বৈষম্য আছেই। জাতীয় সংগ্ৰাম আজি শ্ৰেণী-সংগ্ৰামৰে আন এটা নাম। আজি আমাৰ আগত থকা জাতীয় প্ৰশ্নটো কি? বুৰ্জোৱা একনায়কত্বৰ ঠাইত সৰ্বহাৰা একনায়কত্ব প্ৰতিষ্ঠা কৰাই নহয় জানো? সৰ্বহাৰা একনায়কত্ব প্ৰতিষ্ঠা হ'লে, সমাজবাদৰ বাটেদি সাম্যবাদলৈ যোৱাৰ বাট মুকলি হ'ব। এই বাটেদি যাওঁতে, সংগ্ৰামৰ স্তৰে স্তৰে, নতুন নতুন প্ৰশ্ন ওলাব। এই সকলোবোৰেই জাতীয় প্ৰশ্ন। আজি প্ৰকৃত জাতীয়তা-



OKDISCD

বাদীয়ে তোলা সকলো প্ৰশ্নই শ্ৰেণী-সংগ্ৰামৰ প্ৰশ্ন। এইবোৰৰ উত্তৰ বিচাৰি,
যুজোঁতে; সমূহ ৰাইজে জাতিৰ আত্ম-পৰিচয় লাভ কৰে। প্ৰত্যেক জাতিৰ বাবে
আত্ম-পৰিচয় লাভৰ একেটাই বাট। সংগ্ৰামৰ ফিৰিঙতি দেখি জাতয়ে জাতিক
চিনি পায়। সমাজবাদী জাতিয়ে সমাজবাদী জাতিক চিনি পায়। এই বাটেদিয়েই
আন্তৰ্জাতিক সৰ্বহাৰাৰ সংগ্ৰামী ঐক্য আহে। এই পথেই আচল পথ।
এনে সংগ্ৰামৰ কাৰণে লাগে কৃষক-শ্ৰমিকৰ সংগঠন। এনে সংগঠনেহে চকাৰটো
ভাঙিবলৈ যুদ্ধ কৰিব পাৰে। ঠায়ে ঠায়ে হোৱা খণ্ড যুদ্ধই ৰাষ্ট্ৰৰ ভেঁটি লৰোৱা
দেখিলে, বিদেশৰ পৰা পোৱা সাহায্যও কমি কমি শেষত বন্ধ হৈ যাব। আৰম্ভণিতে,
বিদেশী বন্ধুৱেও প্ৰচুৰ অস্ত্ৰ-সাহায্য দিয়াটো সুনিশ্চিত, কিন্তু বিপ্লবৰ জোঁৱাৰ
উঠিলে তাকো নিদিব। গতিকে, শোষণৰ ভেটিত গঢ়া বুৰ্জোৱা চৰকাৰৰ লগত
আন্তৰ্জাতিক সম্পৰ্ক চিঙাৰ একমাত্ৰ উপায় হ'ল ইয়াৰ গুৰিতে আঘাত হনা।
আজি ক্ষমতা-দখলৰ কাৰণে সংগ্ৰাম কৰাৰ সময়। এই সময়ত ৰাজনৈতিক
সীমাৰ বাহিৰে-ভিতৰে সঞ্চালিত হোৱা জাতীয় চেতনা শ্ৰেণীচেতনালৈ ৰূপান্তৰিত
হ'ব শ্ৰেণীসংগ্ৰামৰ মাজেদি।
অথচ অসমত আজি যি জাতীয়তাবাদী আলোড়ন উঠিছে সি সংকীৰ্ণ জাতীয়তা-
বাদ আৰু সাম্প্ৰদায়িকতাবাদেৰে দুষিত। আজি আমাৰ জাতীয় সংগ্ৰাম সৰ্বভাৰতীয়
শ্ৰেণী—সংগ্ৰামৰ অংগ নহ'লে নহ'ব। এনে সংগ্ৰামৰ আগৰণুৱাদলে ক্ষুদ্ৰ জাতি আৰু
গোষ্ঠীৰ স্বাৰ্থৰক্ষা কৰে। ইয়াৰ ফলত শক্তিও বাঢ়ে। ভাষিক, নৃতাত্ত্বিক, ধৰ্মীয়
আদি ভিন্ ভিন্ সম্প্ৰদায়ৰ মিলন এই সংগ্ৰাম-ক্ষেত্ৰতহে সম্ভৱ।
অসমীয়া মানুহৰ জাতীয়তাবোধে উগ্ৰমূৰ্তি ধৰাৰ কাৰণ আছে। তাক
নেদেখিলে ভুল কৰাৰ ভয় আছে। জাতীয় স্বাৰ্থৰ কাৰণে চিন্তা কৰা, ভিন্নভাবে
চিন্তা কৰা; মানুহৰ মনত জুমুৰি দিয়া প্ৰশ্নবোৰৰ গুৰি বিচাৰি উলিওৱাৰ দায়িত্ব
কোনে ল'ব? জন্মগত সূত্ৰে লাভ কৰা বুৰ্জোৱা চিন্তাধাৰা সলাই শ্ৰেণী-সংগ্ৰামৰ
কাৰণে লগা সৰ্বহাৰা চিন্তাধাৰা লোৱা নাই বাবেই প্ৰশ্নবোৰ কৰোঁতে বহুতৰ
ভুল হ'ব পাৰে। কিন্তু আমি সেই সকলোবোৰ প্ৰশ্নকে বিচাৰ কৰি চাইহে জাতীয়-
প্ৰশ্নবোৰ সঠিককৈ তুলিব পাৰিমহঁক। আজি তোলা কিছুমান প্ৰশ্ন থোৰতে উল্লেখ
কৰিব পাৰি। যেনে, অসমীয়া মানুহৰ উন্নতিৰ স্বাৰ্থত বহিৰাগতৰ প্ৰবজন অবিলম্বে
বন্ধ কৰিব লাগে, অসমৰ তেল অসমত শোধিত হ'ব লাগে আৰু বাহিৰলৈ যোৱা
তেলৰ বাবে অসমক অধিক ৰয়েল্‌টি দিব লাগে, চাহৰ কৰ অসমে পাব লাগে, থলুৱা
সম্পদৰ ওপৰত নিৰ্ভৰ কৰি অসমত ক্ষুদ্ৰ-মধ্য উদ্যোগ গঢ়িব লাগে আৰু সম্প্ৰদায়-
নিৰ্বিশেষে সকলোৱে কৃষি আৰু উদ্যোগত সহযোগিতা কৰি অংশ ল'বলৈ পাব
লাগে, ৰেলপথে কেবল চাহ-বাগান চুই গ'লেই নহয়, ৰাষ্টা-পদুলিবোৰ পানীয়ে
পাব নালাগে, বান-নিয়ন্ত্ৰণ কৰিব লাগে, উৎপাদনৰ কাৰণে বজাৰলৈ বাট উলিয়াব
লাগে, আমদানী বস্তু সুলভ মূল্যত পাবলৈ হ'লে মন্ত্ৰী-বিষয়াৰ লগত বণিক-
ব্যৱসায়ীৰ লেতেৰা লেন-দেন বন্ধ হ'ব লাগে, সাম্প্ৰদায়িক হাংগামা হ'ব নালাগে।
চৰকাৰে এইবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি কাম নকৰে। উত্তৰ বিচাৰি কাম কৰিবলৈ



হ'লে ৰাইজেই প্ৰশ্নবোৰ প্ৰথমৰ পৰা শুদ্ধকৈ কৰিব লাগিব। স্মৰণীয় যে অসমীয়া মানুহে দুখ পাইছে বাবেহে প্ৰশ্নবোৰ কৰিছে। দুখ আছে যেতিয়া প্ৰশ্নও আছে।

ৰাইজে সংগঠিত হৈ জাতীয় সংগ্ৰামত ভাগ লওঁতে দাবীবোৰৰ গুৰুত্ব অনুযায়ী কত, কেতিয়া, কেনেকৈ আগ বাঢ়িব সেইটো নিৰ্ণয় কৰিব শ্ৰেণীসংগ্ৰামৰ নীতিয়ে। বৃটিছে চাহপাত, কয়লা, তেল, খাজনা কৰ-কাটল আদিৰে অসমীয়াক সুদীৰ্ঘকাল লুণ্ঠন কৰিছিল। তাৰ পিছতো, আজি, ভাৰতীয় সাউদে বিদেশী সদাগৰৰ লগত সন্ধি কৰি, চৰকাৰী পৰামৰ্শ মতেই অধিক প্ৰাবল্যৰে লুণ্ঠন চলাই আছে। তাৰ বিৰুদ্ধেই অসমীয়া জাতীয়তাবোধে উগ্ৰমূৰ্তি ধৰিছে। এতিয়া শ্ৰেণী-সংগ্ৰামৰ মাৰফৎ জাতীয় সংগ্ৰাম আগ বঢ়াই নিয়াৰ নীতি কোনে নিৰ্দ্ধাৰণ কৰিব? পাৰ্টিয়ে। এয়ে সংগ্ৰামৰ নিয়ম।

অতীতৰ সংগ্ৰামৰ অভিজ্ঞতাৰ ভেঁটিত ঠিয় দি পাৰ্টিয়ে শ্ৰেণী-সংগ্ৰামৰ নেতৃত্ব দিয়ে। এনে পাৰ্টিয়ে জাতীয়-চেতনাৰ দাবী মানি ল'বই লাগিব। কিন্তু তাকে কৰোঁতে সৰ্বভাৰতীয় সংগ্ৰামৰ স্বাৰ্থত আমাৰ দাবীবোৰৰ গুৰুত্বক্ৰম নিৰ্ণয় কৰিব লাগিব। আমাৰ আঞ্চলিক সমস্যাবোৰক সৰ্বভাৰতীয় সমস্যাৰ অবিচ্ছিন্ন অংগ হিচাপে লোৱাৰ কাৰণটো আমাৰ চকুত স্পষ্ট। কেন্দ্ৰীয় আৰু ৰাজ্যিক দুৰ্গবোৰত যি শক্তিয়ে (সৈন্য-বাহিনী, পুলিছ, বিষয়া, নীতি আৰু কৌশল) শোষণ আৰু উৎপীড়নৰ বাঘজৰী ধৰি আছে সেই শক্তি এক। তাৰ বিৰুদ্ধে সংগ্ৰাম এখন। এই সংগ্ৰামৰ বাবে লাগে প্ৰয়োজনীয় ঐক্য, সাংগঠনিক দৃঢ়তা আৰু লক্ষ্যৰ নিভুলতা। তাৰ বাবেই আজি সৰ্বভাৰতীয় পৰিপ্ৰেক্ষিতত কামৰ পৰিকল্পনা লাগে। আঞ্চলিক খণ্ডযুদ্ধবোৰক আজি সৰ্বভাৰতীয় ক্ষেত্ৰত প্ৰকাশ্যে-গোপনে চলা ব্যাপক সংগ্ৰামৰ অংশ ৰূপে চাব লাগিব। অন্যহাতে, বৃহৎ জাতিৰ আধিপত্যৰ পৰা সৰু-সুৰা জাতি-উপজাতিক বা জন-গোষ্ঠীবোৰক প্ৰতিৰক্ষা দিহে খণ্ডযুদ্ধবোৰত সক্ৰিয় হোৱা শক্তিক সামগ্ৰিক সংগ্ৰামৰ স্বাৰ্থত নিয়োগ কৰিব পৰা যাব। এই প্ৰতিৰক্ষাৰ ব্যৱস্থাও শোষকশ্ৰেণীৰ আগ্ৰাসী নীতি আৰু চক্ৰান্তৰ বিপক্ষেই। ইয়ো স্মৰণীয়।

অসমলৈ বহিৰাগতৰ প্ৰব্ৰজনৰ প্ৰশ্নটোকে উদাহৰণ হিচাপে ল'ব পাৰি। ইয়াক বন্ধ কৰাৰ প্ৰয়োজন হৈছে। বিভিন্ন শ্ৰেণীৰ পৰা যুজাৰু আনি, জনসাধাৰণৰ অৰ্থনৈতিক মুক্তি-সংগ্ৰামত ঐক্যবদ্ধ কৰিবলৈ কেবল সদ্ভাব আৰু সদিচ্ছাৰে নহ'ব। আমাক এনে নীতি লাগে যি নীতিয়ে জুৰুলা জীৱনৰ বোজা অধিক গধুৰ হোৱাৰ আশংকা দূৰ কৰিব আৰু পাতলোৱাৰ আশ্বাস দিব। খাব-পিন্ধিবলৈ নোপোৱা মানুহৰ অবাধ প্ৰব্ৰজনে জনসাধাৰণক শংকিত কৰিছে। সংগ্ৰামী শ্ৰেণী চেতনাৰ অবিহনে বিভিন্ন ধৰ্ম আৰু ভাষাৰ লোকে অনৈক্যও বঢ়ায়। এই সময়ত সংগ্ৰামৰ স্বাৰ্থত প্ৰব্ৰজন বন্ধ কৰিবলৈ কৰা আন্দোলনে সমৰ্থন পোৱা স্বাভাবিক। পিছলৈ সংগঠিত জনতাৰ সংগ্ৰামত সচেতন লোকে সহযোদ্ধা ৰূপে সাজি বাহিৰৰ পৰা আহিও যোগ দিবলৈ প্ৰেৰণা পাব পাৰে। ই সুকীয়া কথা। ইয়াৰ কাৰণে চৰকাৰী 'পাৰ্মিটো' নালাগে। কিন্তু আজি ভাগ্যক ধিয়াই, আশ্ৰয় বিচাৰি অহা জাক জাক পমুৱা, ভোকাতুৰ মানুহৰ বাট বন্ধ কৰাটো যুক্তিসংগত আৰু নিতান্তই



OKDISCD

জৰুৰী। ইয়াৰ ফলত যদি আগন্তুক সকলৰ নিজৰ নিজৰ ঠাইত বৈপ্লবিক পৰিস্থিতিৰ বিকাশৰ সূচনা হয়, ই সুন্দৰ কথা। এই সম্ভাবনা নোহোৱা নহয়। কাৰণ, তেতিয়া তাতে শোষণৰ বিৰুদ্ধে সংগ্ৰাম অনিবাৰ্য হৈ পৰিব। কাজেই, আমাৰ নীতিয়েই ভিন্ ভিন্ ঠাইত সংগ্ৰামী চেতনা বিকাশৰ অনুকূল হৈ উঠিব পাৰে। হুঠিলেও নাই। আমাৰ নীতি আমাৰ ইয়াত শ্ৰেণী-সংগ্ৰামৰ সপক্ষে লোৱা নীতি। তদুপৰি, কোনো ঠাইৰ শ্ৰেণীসংগ্ৰাম কেতিয়াও আন ঠাইৰ সৰ্বহাৰাৰ বিপক্ষে নাযায় বুলি আমি জানো। কিন্তু প্ৰশ্ন হ'ল, পাৰ্টিয়ে সামগ্ৰিক নীতি নিৰ্ধাৰণ কৰোতে এই প্ৰব্ৰজনৰ প্ৰশ্নটোক কেনে অগ্ৰাধিকাৰ দিব? ই আমাৰ সংগ্ৰামৰ পূৰ্বচৰ্তনেকি? এনে প্ৰশ্নৰ উত্তৰেই পাৰ্টিয়ে বিচাৰি উলিয়ায়। শুদ্ধ উত্তৰৰ জোৰতে পাৰ্টিয়ে ইয়াৰ গণভিত্তি প্ৰসাৰিত কৰিব পাৰে। সেয়ে আজি শ্ৰেণী-সংগ্ৰামৰ প্ৰসংগত জাতীয়তাবাদৰ প্ৰশ্নই সৰ্বাধিক গুৰুত্ব লাভ কৰিছে।

(৪)

অসমত ক্ষুদ্ৰ কৃষক, মধ্যম কৃষক আৰু সম্পূৰ্ণ পৰজীৱী অনুপস্থিত মাটিগিৰীৰ দাবী সদায় প্ৰবল। এই দাবী লৈ ভূমিহীনৰ বিৰুদ্ধে ঐক্যবদ্ধ হ'ব পৰা মালিক-গোষ্ঠীৰ শক্তিৰ কেন্দ্ৰ হৈছে ৰাজ্য চৰকাৰটো। এই চৰকাৰেই নতুনকৈ ওলোৱা বনিক-ব্যৱসায়ীৰ দালাল সকলেও বিচৰা চৰকাৰ। ৰাজ্য-চৰকাৰৰ সবলতা-দুৰ্বলতা নিৰ্ভৰ কৰিছে এওঁলোকৰ ঐক্যবদ্ধ সহযোগিতাৰ ওপৰত। এওঁলোকৰ দাবী ৰক্ষা কৰিবলৈকে সবল ৰাজ্যচৰকাৰ লাগে। কিন্তু দেখা গৈছে যে পৰিয়ালকেন্দ্ৰিক অৰ্থ-নৈতিক গোটবোৰৰ মাজত প্ৰয়োজনীয় ঐক্য নাই। চৰকাৰী অৰ্থনীতিয়ে এই পৰ্যন্ত এওঁলোকক নামমাত্ৰ অধিকাৰৰ বাহিৰে একো দিব পৰা নাই। ইয়াৰ কাৰণ অনুমেয়। শোষণৰ মাত্ৰা বাঢ়ি যোৱাৰ ফলত এওঁলোকে অৰ্থনৈতিক সমস্যাৰ সন্মুখীন হোৱাটো স্বাভাৱিক। এইটো ৰাজনৈতিক জাগৰণৰ আদি স্তৰ। আজি এওঁলোকে সংসদী গণতন্ত্ৰৰ ওপৰত আস্থা স্থাপন কৰা দেখি তথাকথিত প্ৰগতিশীল আৰু প্ৰতিক্ৰিয়াশীল দলবোৰে সুযোগ লৈছে। সেয়ে আজি সকলোৱেই ৰাজ্য চৰকাৰৰ ঘনিষ্ঠ সহযোগী হৈ পৰিছে। সেই সহযোগিতা সমালোচনাত্মক। ই কেতিয়াবা সমালোচনা মাত্ৰ হৈ নাথাকি ধম্‌কি হুম্‌কিৰ ৰূপো লয়। কিন্তু আমিতো জানো যে সহযোগিতাৰ আন নাম নাই। চৰকাৰে জানো সহযোগীক চিনি নাপায়? পায়। আৰু তেওঁলোকৰ দাবী মানিয়েই নীতিও নিৰ্দ্ধাৰণ কৰে।

এই সময়ত শ্ৰমিক আন্দোলনেহে চৰকাৰক কঁপাব পাৰিব। কাৰণ শ্ৰমিকসকল স্বাভাৱিক কাৰণতে সংগঠিত। এওঁলোকক ৰাজনৈতিক উত্তৰণৰ দিক-দৰ্শনহে লাগে। ভূমিদখলৰ আন্দোলন এতিয়ালৈকে ঘাইকৈ অনাবাদী মাটি দখলতে সীমাবদ্ধ। ই চৰকাৰৰ সহযোগী সকলক পোনে পোনে চোৱাগৈ নাই। আজি কিন্তু কৃষক আন্দোলনে নতুন ৰূপ ল'বলৈ বাধ্য। বৃহৎ মাটিৰ মালিকৰ সংখ্যা অসমত নিচেই কম যদিও ভূমি দখলৰ এটা দিশ সেইপিনেও আছে।

ক্ষুদ্ৰ আৰু ভূমিহীন কৃষকক সংগঠিত কৰিবৰ কাৰণে আৰ্থ-ৰাজনৈতিক আন্দোলন লাগিবই। এই আন্দোলনে শ্ৰমিক—কৃষকক ওচৰ চপাই নানিলে ৰাজ্য চৰকাৰৰ নীতিৰ



বিৰুদ্ধে সংগ্ৰাম চলাব নোৱাৰি। নিসন্দেহে এইটোৱে সংগঠনৰ কৰ্মীৰ জনসাধাৰণৰ মাজত কৰিবলগীয়া প্ৰাৰম্ভিক কাম। পাৰ্টিৰ নিৰ্দেশত সংগঠনে কৰা এনেবোৰ কামেহে পাৰ্টিৰ গণভিত্তি প্ৰসাৰিত কৰিব। সেয়ে পাৰ্টিয়ে স্পষ্টভাৱে কামৰ নিৰ্দেশ দিব লাগিব। ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা শ্ৰমিক আৰু থলুৱা কৃষক-কৃষি-শ্ৰমিক শ্ৰমিকৰ মাজৰ ব্যৱধান লংঘিব নোৱাৰা নহয়। সকলোকে ওচৰ চপাই অনাৰ উদ্দেশ্যে পাৰ্টিয়ে কেনে কৰ্মধাৰা লয় তাৰ ওপৰতে সাফল্য নিৰ্ভৰ কৰিছে। এই ক্ষেত্ৰত থলুৱা শ্ৰমিক আৰু কৃষি-শ্ৰমিকৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা পাৰ্টিয়ে সততে সুঁৱৰিব লাগিব। এই ব্যৱধান মূলতঃ সাংস্কৃতিক যেতিয়া পাৰ্টিৰ সংস্কৃতি কৰ্মীসকলে কঠোৰ শ্ৰম কৰিব লাগিব। সৃষ্টিশীল গণশিল্পীৰ ৰাজনৈতিক দৃষ্টিভংগীয়েই মূলবস্তু।

ঠায়ে ঠায়ে ডাঙৰ ডাঙৰ মাটিমালিকৰ লগত সংঘৰ্ষ বা সংঘাতে কি ৰূপ ল'ব তাক পাৰ্টিয়ে নিৰ্ণয় কৰিব। পাৰ্টিয়ে তাৰ ক্ষণ বাচি ল'ব। আন্দোলনমুখী আৰ্থ-ৰাজনৈতিক কামেও ইয়াত সহায় কৰিব। সকলো কামৰে গুৰুত্ব পাৰ্টিয়ে দেখিব লাগিব।

ৰাজনৈতিক চেতনাৰ নিম্নতম স্তৰ, বৃহৎ মালিকৰ অপেক্ষাকৃত কম সংখ্যা, মধ্যম কৃষকক হাত কৰিবলৈ লোৱা চৰকাৰী কৌশল আৰু পুঁজিৰ দুৰ্দ্ধৰ্ষ অনুপ্ৰৱেশ—এই সকলোবোৰলৈকে লক্ষ ৰাখি, অসমৰ বিশেষ পৰিস্থিতিত, পাৰ্টিয়ে আন্দোলনমুখী কামৰ গুৰুত্ব দেখিবই লাগিব। নেদেখাকৈ থাকিলে ভুল কৰা হ'ব। মুখ্য কামবোৰো বিফল হ'ব। সেয়ে মুখ্য আৰু আনুসংগিক কামৰ মাজৰ পাৰস্পৰিক সম্পৰ্কৰ প্ৰশ্নটো পাৰ্টিৰ কাৰণে জৰুৰী হৈ পৰিছে। এই সম্পৰ্কৰ গুৰুত্ব সঠিককৈ দেখিবলৈকে জাতীয়তাবাদৰ দাবীবোৰ তন্ন-তন্নকৈ চাব লগা হৈছে। সকলো সময়তে আমাৰ স্মৰণীয় হ'ল এই যে জাতীয় সংগ্ৰাম শ্ৰেণীসংগ্ৰামৰে আন এটা নাম।

(৫)

সামৰণি :

ৰাজ্যে ৰাজ্যে ক্ষমতাৰ উপকেন্দ্ৰ আৰু এটা ঘাই কেন্দ্ৰকে লৈ ৰাষ্ট্ৰৰ বিশাল গাঁথনি—এই ৰূপতেই ৰাষ্ট্ৰত শাসক শ্ৰেণীৰ-শক্তিৰ বিন্যাস হৈছে। ৰাষ্ট্ৰ গাঁথনিৰ মাজেদি সক্ৰিয় হৈ আছে এই শক্তি। শ্ৰেণীটোৰ মাজত অন্তৰ্বিৰোধৰ বাবে ইয়াত বিশৃংখলাই ঘোৰ ৰূপ লৈছে। গাঁথনিটো সুবিন্যস্ত কৰি ৰাখিবলৈ ইটো দুৰ্গৰ পৰা সিটোলৈ, কেন্দ্ৰৰ পৰা উপকেন্দ্ৰলৈ শক্তিৰ দিয়া-অনা বা বঢ়োৱা—টুটুৱাৰ গুণা—গঁথা চলিছে। কাৰণ, ইয়াক অক্ষুন্ন ৰাখিলেহে ৰাইজক চেঁপি ৰাখিব পাৰি। গাঁথনিটো এতিয়া ভাগোঁ ভাগোঁ। ৰাইজে গা জোকাঁৰিলেই হ'ল। ঠায়ে-ঠায়ে গা জোকৰাৰ কাৰণেই ই ইমান বেয়াকৈ কঁপিছে।

বুৰঞ্জীয়ে আমাক কি কয়? কয় যে গাঁথনিটো ভাগিলে নতুন ব্যৱস্থা হ'ব। এটা ব্যৱস্থাৰ ঠাইত আন এটা ব্যৱস্থা অহাই বিপ্লৱ। ৰাইজৰ মাজত বিপ্লৱৰ অভিজ্ঞতা জনাজাত কৰে পাৰ্টিয়ে। এনেকৈ শিক্ষা লাভ কৰি ৰাইজে ক্ষমতা দখল কৰে আৰু বিপ্লৱ ঘটায়। ৰাইজৰ ইচ্ছা পূৰণ কৰিবলৈ চিন্তা লাগে আৰু চিন্তাক বাস্তৱত



OKDISCD

ৰূপ দিবলৈ যুদ্ধ লাগে। যুদ্ধই বুৰ্জোৱা গাঁথনি ভাঙি নতুন ৰাষ্ট্ৰ গঢ়ে। এয়ে বৈপ্লবিক যুদ্ধ। বিপ্লব এটা সামাজিক প্ৰক্ৰিয়া। ইচ্ছা অনুক্ৰমে চিন্তা আৰু সেইমতে কাম কৰি ৰাইজে ৰাষ্ট্ৰক্ষমতা দখল কৰে। ৰাইজৰ সৰু-বৰ সংগঠনৰ মাজেদি, ক্ষমতা স্তৰে স্তৰে বিয়পি পৰে। তেতিয়া ই কেন্দ্ৰীভূত হৈ নাথাকে। এনে ৰাষ্ট্ৰই ৰাইজৰ 'নতুন গণতন্ত্ৰ'। এই গণতান্ত্ৰিক সমাজত সক্ৰিয় হোৱা শক্তিয়ে, সমাজবাদৰ বাটেদি সাম্যবাদী ৰূপান্তৰ আনে। সমাজ নিৰ্মাণৰ যুজঁত ভাগ লৈ ৰাইজে জাতিৰ প্ৰকৃত পৰিচয় বিচাৰি পায়। তেতিয়া ধৰ্ম, ভাষা, জাতি আদিৰ ধাৰণাবোৰ বুৰ্জোৱাৰ হাতত ভোটা অস্ত্ৰ মাত্ৰ। এওঁলোকে ৰাইজৰ মাজত বিভেদ সৃষ্টি কৰিবলৈ এইবোৰক ব্যৱহাৰ কৰিব নোৱাৰে। ৰাইজৰ স্থিৰ চিন্তাত বিভ্ৰাট ঘটাবলৈ এওঁলোক অক্ষম। ৰাইজৰ মাজৰ পৰা ওলোৱা অগ্ৰণীদলে গঢ়া পাৰ্টিয়ে সংগ্ৰামৰ নেতৃত্ব দি যায়। ৰাইজৰ ইচ্ছা অনুক্ৰমে চিন্তা জগাই তুলি ৰণলৈ টানি অনাৰ দায়িত্ব এনে লোকৰ হাতত থাকে। ঠায়ে ঠায়ে পাৰ্টি সংগঠনে ৰাইজৰ মনৰ বুঁজ লৈ থাকোতেই অন্য ঠাইত অগ্ৰণীদলৰ কাম আগ বাঢ়ি যাব পাৰে। তেতিয়া ইয়াৰ খবৰ কঢ়িয়াই আনে অগ্ৰণী কৰ্মীয়ে। খবৰ পালে পিছ পৰা অঞ্চলৰ ৰাইজৰ মনত চিন্তাই সজাঁল ধৰে। তাতো চিন্তা অনুসৰি কাম চলে। এনেকৈয়ে সংগ্ৰামী আগবাঢ়ে। ক'ত, কেতিয়া, পাৰ্টিৰ কাম কেনে হয় তাকো পাৰ্টিয়ে অনুশীলনৰ মাজেদি নিৰ্ণয় কৰে। পাৰ্টিৰো বিকাশ হয়। সমূহ ৰাইজৰ সক্ৰিয় সহযোগিতাৰ মাজেদি পাৰ্টিয়ে ৰূপ লয়, বিপ্লৱ আগ বাঢ়ে। বিপ্লব এটা সামাজিক প্ৰক্ৰিয়া আৰু শেষ বিচাৰত, "ৰাইজেই বিপ্লবৰ স্ৰষ্টা আৰু ঘাই যোদ্ধা।" ( মাও চে টুং)

কিন্তু, শ্ৰেণীসমাজত বিভিন্ন শ্ৰেণীৰ প্ৰতিনিধিয়ে শ্ৰেণীস্বাৰ্থ ৰক্ষাৰ কাৰণে আৰু আগ বঢ়াই নিবৰ কাৰণে অহোপুৰুষাৰ্থ কৰি আছে বাবেই আজি বিপ্লব বাধাগ্ৰস্ত। সমাজৰ বিভিন্ন শ্ৰেণীয়ে সময়ে সময়ে যিবোৰ প্ৰশ্ন তুলি আৱাজ কৰে সেইবোৰে জনসাধাৰণৰ মনত শ্ৰেণীবিশেষৰ চিন্তা সুমুৱাই দিয়ে আৰু তেওঁলোকৰ সপক্ষে মত সংগ্ৰহ কৰে। এববোৰ প্ৰশ্নই সক্ৰিয় কৰা লোক কেতিয়াবা কেতিয়াবা পোনে পোনেই শাসকশ্ৰেণীৰ তৎকালীন স্বাৰ্থৰ বিৰোধী হৈ উঠিব পাৰে। তেতিয়াও ক্ষমতা দখলৰ কাম চিন্তা কৰা কৰ্মীয়ে ৰাজনৈতিক চেতনা উন্নত কৰাৰ কথা মনত ৰাখি খোজ চলাব লগা হয়। তেওঁলোকে হয়তো ততোধিক গুৰুত্বপূৰ্ণ প্ৰশ্ন তুলি অৱাজ কৰিব লাগিব। সেইবোৰ প্ৰশ্নৰ লগত গণস্বাৰ্থ পোনপটীয়াকৈ জড়িত বাবেই গনসংগঠন পাব আৰু প্ৰতাৰকৰ আৱাজ ডুবাই দিব। সংগঠনে কাম কৰিলে নতুন আৱাজটো অধিক জোৱাল আৰু ডাঙৰ হ'বই। কেৱল আন আন শ্ৰেণীৰ প্ৰতিবাদ কল্লেই এনে আৱাজ তোলাটো ক্ষুদ্ৰ-বুৰ্জোৱা-সুলভ আচাৰ। তেনে কামে কৰ্মীক লক্ষ্যৰ পৰা বিচ্যুত কৰিব। তাৰ পৰিবৰ্তে, আনে তোলা প্ৰশ্নৰ ভিতৰৰ যিবোৰ কৃষক শ্ৰমিকৰ অনুকূলে যায় তাৰ বিশিষ্ট উপাদান বাচি লৈ গণ-আন্দোলন সংগঠিত কৰাৰ সুযোগহে ল'ব পাৰে। এইদৰেহে দলৰ শক্তি বাঢ়ে। এইবোৰ প্ৰশ্নৰ আপেক্ষিক গুৰুত্ব বিচাৰ কৰিব পাৰ্টি গঢ়াৰ উদ্দেশ্য আগত ৰাখি। থাপতে পোৱা প্ৰশ্ন লৈ

( ৩০ পৃষ্ঠাত চাওক )



প্ৰবন্ধ

# ভাৰতবৰ্ষ আৰু নাগা জনসাধাৰণ

নেভিল মেক্সৱেল

অনুঃ মৃণাল দেউৰী

(জাতিসংঘৰ সাধাৰণ পৰিষদত গৃহীত "মানব অধিকাৰ সম্পৰ্কত সাৰ্বজনীন ঘোষণা" ১০ ডিচেম্বৰ ১৯৪৮।

এক নম্বৰ ধাৰা—সকলো মানুহেই জন্মসূত্ৰত স্বাধীন; অধিকাৰ আৰু সন্মানৰ ফালৰ পৰা সমান। তেওঁলোক বিচাৰ বুদ্ধিমান আৰু বিবেকসম্পন্ন জীৱ। তেওঁলোকে এজনে অন্যৰ প্ৰতি ভ্ৰাতৃত্বসুলভ আচৰণ কৰা উচিত।

দুই নম্বৰ ধাৰা—এই ঘোষণাত প্ৰচাৰিত অধিকাৰ আৰু স্বাধীনতা জাতি-ধৰ্ম-ভাষা-ৰাজনীতি-মতামত—জাতীয় বা সামাজিক উৎপত্তি—সম্পত্তি, জন্ম বা অন্য সকলো ধৰণৰ সামাজিক অবস্থান আৰু স্ত্ৰী-পুৰুষ নিৰ্বিশেষে সকলোৰে বাবে সমান।)

## ভূমিকা ঃ

ভাৰতবৰ্ষ কি? এজন ভাৰতীয় বুলিলে কাক বুজায়? আজিৰ দিনত এই প্ৰশ্নসমূহৰ উত্তৰ যদি স্বতঃসিদ্ধ বুলি ভাবি লোৱা যায় ১৯৪৭ চনত ভাৰতবৰ্ষৰ স্বাধীনতাৰ পূৰ্ববৰ্তী ৫০ বছৰত সেইটো কেতিয়াও নাছিল। সাম্ৰাজ্যবাদৰ আধিপত্যৰ ফলত দক্ষিণ-পূব এছিয়া উপ মহাদেশত এনে এক ঐক্যই জন্ম লাভ কৰিছিল যে খাইবাৰ গিৰিপথৰ পৰ ছালউইন নদী পৰ্যন্ত এক হৈ গৈছিল, আৰু বিংশ শতাব্দীৰ মাজভাগত স্বাধীনতা সংগ্ৰামৰ ভাষা আৰু ধাৰণাই ভাৰতীয় সত্তাৰ এনে এক ৰূপ সৃষ্টি কৰিছিল—যিটো ব্ৰিটিছ শাসনৰ সীমাৰ লগত একেই অৰ্থ বহন কৰিছিল।

পূৰ্বৰ ৰাস্তৱ অবস্থাক Strachey য়ে তেওঁৰ বৰ্তমানৰ পৰিচিত ৰাজব্যক্ত সংক্ষেপতে লিখি গৈছে ঃ 'এক অখণ্ড ভাৰতবৰ্ষৰ কোনো অস্তিত্ব নাই, আৰু



OKDISCD

কোনোকালেই নাছিল, আনকি এখনো ভাৰতীয় ৰাজ্য নাই, যাৰ ভিতৰত ইউৰোপীয় ধাৰণা অনুযায়ী বাহ্যিক, ৰাজনৈতিক, সামাজিক অথবা ধৰ্মীয় একতা আছে। 'ভাৰতীয় জাতি' বা 'ভাৰতৰ জনসাধাৰণ,' কোনোটোৰেই কোনো অস্তিত্ব নাই' এই নতুন জাতীয়তাবাদে বহুতৰে চকুতেই সেই ধাৰণাক মিছা বুলি প্ৰমাণিত কৰিছে। কিন্তু অন্যান্য বহুতেই আৰু কংগ্ৰেছ পাৰ্টিয়ে যি জাতীয়তাবাদ আৰু জাতীয় অস্তিত্বক স্বতঃসিদ্ধ বুলি মানি লৈছিল, সেইটোৱে বিৰোধিতা কৰিলে। ব্ৰিটিছৰ হাতৰ পৰা বিচ্ছিন্ন হোৱাৰ সম্ভাৱনা যিমানেই প্ৰতীয়মান হৈ উঠিবলৈ ধৰে আৰু যিমানেই আগুৱাই আহিবলৈ ধৰে, স্থানীয় সংখ্যাগৰিষ্ঠ চৰকাৰৰ অধীনত ভাৰতীয় হিচাপে কোন থাকিব এই প্ৰশ্নইও সিমানেই তীব্ৰতৰ ৰূপ ধাৰণ কৰিবলৈ ধৰে। জিন্নাৰ নেতৃত্বত উপমহাদেশ খনৰ মুছলিম জনসাধাৰণ ভাৰতৰ বাহিৰলৈ ওলাই আছে আৰু পাকিস্থানৰ নতুন জাতিসত্তা গঠন কৰে। মুছলমানসকলৰ দৰে আৰু বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ সম্প্ৰদায়ে সেই একে দাবী কৰে। ব্ৰিটিছ গুচি যোৱাৰ পিছত যি ঐতিহাসিক দুৰ্ঘটনাৰ ফলত তেওঁলোকক দিল্লীৰ একেটা চৰকাৰৰ অধীনত ৰাখি থৈ যাব, সেই ব্যৱস্থা তেওঁলোকে বৰ্জন কৰিবলৈ বিচাৰে, কিছুমান শিখে স্বাধীন শিখস্থানৰ আহ্বান জনায়। দক্ষিণৰ 'ন্যায় বিচাৰ দলে' বহুতদিনৰ পৰাই এক পৃথক দ্ৰাবিড় ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ কথা কৈছিল, আৰু সংযুক্ত বাংলা গঠনৰ ধাৰণা লৈ কলিকতাত বিতৰ্কও চলিছিল। কোনো এটা ধাৰণাই শেষ পৰ্যন্ত কোনো নিৰ্দিষ্ট চেহেৰা লবলৈ নাপালে; ব্ৰিটিছ গুচি যোৱাৰ পিছত যি ভাৰতবৰ্ষৰ জন্ম হৈছে, সেই দেশৰ মাত্ৰ এটাই বিভাজন হৈছে যাৰ ফলত পাকিস্থানৰ জন্ম।

(২৮ পৃষ্ঠাৰ পৰা)

সপক্ষে-বিপক্ষে চিঞৰি ফুৰিলে পৰৱাই পোৱাৰ সম্ভাৱনা আছে। বিশেষকৈ আজি অসমত জাতীয়তাবোধে তোলা প্ৰশ্নবোৰ সামগ্ৰিক প্ৰসংগত বিচাৰ কৰি নাচালে পাৰ্টিৰ গনভিত্তি গঢ়িব নোৱাৰিব। বিচাৰ কৰিবলৈ যাওঁতে সময়, শক্তি, সাংগঠনিক সীমাবদ্ধতা আদিৰ কথাও মনত ৰাখিব লাগিব। জাতীয়তাবাদীৰ প্ৰশ্নবোৰ এইদৰে জুখি চালে এনে কাম হাতত ল'ব পাৰি যিবোৰ জনসাধাৰণৰ ৰাজনৈতিক চেতনাৰ বিকাশৰ অনুকূল হ'ব। কাৰণ, শ্ৰেণীসংগ্ৰাম আৰু জাতীয় সংগ্ৰামৰ মাজত বিৰোধ নাই। জাতীয় সংগ্ৰাম শ্ৰেণীসংগ্ৰামৰ অংগীভূতহে। এই কথা মনত ৰাখি ৰাইজৰ মুখলৈ চাব লাগিব। তেতিয়া ৰাইজৰ সংগ্ৰামী ঐক্যৰ বাস্তৱ ৰূপেই হ'বগৈ পাৰ্টি। এই পাৰ্টি গঢ়িব লাগিব। ++

* প্ৰবন্ধটো এই বছৰৰ আগষ্টমাহৰ আৰম্ভণিত লিখা। যোৱা প্ৰায় তিনি মাহ ধৰি কাগজে-পত্ৰই ওলোৱা বিভিন্ন আলোচনাৰ ভিত্তিত ইয়াক পুষ্ট কৰিব পৰা গ'লহেঁতেন ; কিন্তু নোৱাৰিলো। আগলৈ, আলোচনাৰ মাজেদি, অস্পষ্ট বা ত্ৰুটিযুক্ত কথা কিবা থাকিলে স্পষ্ট আৰু সংশোধিত কৰাৰ আশা ৰাখিছোঁ। —লেখক



আৰু এক ক্ষুদ্ৰতৰ গোষ্ঠী আছে—যাৰ ৰাজনৈতিক নেতৃত্বই কেৱল ভাৰতবৰ্ষৰ পৰা স্বাধীন হোৱাৰ অধিকাৰেই দাবী কৰা নাই, লগে লগে স্বাধীনতা ঘোষণাই কৰিছে আৰু আজি পৰ্যন্ত ভাৰতবৰ্ষৰ অন্তৰ্ভুক্ত হোৱাৰ কথাটো মানি লোৱা নাই, ফলত যোৱা প্ৰায় বিছ বছৰ ধৰি ভাৰতীয় সৈন্যবাহিনীয়ে নাগা জনসাধাৰণৰ প্ৰতিৰোধ ধ্বংস কৰিবলৈ বাৰে বাৰে এটা এটাকৈ দানবীয় প্ৰচেষ্টা চলাই আছে।

নাগা জনসাধাৰণ :

নাগাসকল এটি পৰ্বতীয়া জাতি, সংখ্যাত প্ৰায় ৫ লাখ। এফালে ব্ৰহ্মদেশ, অন্যফালে অসম আৰু ভাৰত যুক্তৰাষ্ট্ৰৰ অন্যান্য প্ৰশাসনিক বিভাগৰ মাজত এক পাহাৰীয়া আৰু বন্য অঞ্চলত তেওঁলোকে বাস কৰে। তেওঁলোকৰ সামাজিক গঠন উপজাতীয় আৰু কোনো কোনো সময়ত উপমহাদেশৰ তুলনাত তেওঁলোকক এটি আদিম জাতি হিচাপে ভবা হয়, কিন্তু সেইটো তেওঁলোকৰ সম্পৰ্কে ভুল ধাৰণা। স্বাক্ষৰতাৰ মান, গ্ৰাম্যঞ্চলত স্বায়ত্ত শাসন আৰু গণতন্ত্ৰ আৰু আধুনিকীকৰণৰ যাৱতীয় প্ৰতিষ্ঠান আৰু হাতিয়াৰ সম্পৰ্কে দ্ৰুত গ্ৰহণ ক্ষমতা– এই সকলো দিশৰ পৰাই নাগাসকল মুঠেই পিছ পৰা নহয়, তেওঁলোকৰ ৰাজনৈতিক নেতৃত্ব পৰিণত আৰু পৰিমাৰ্জিত, জাতীয় অস্তিত্ব সম্পৰ্কে তেওঁলোকৰ চেতনা উপমহাদেশখনৰ যি কোনো অঞ্চলৰ তুলনাত ঠুনুকা নহয় বৰঞ্চ অধিকাংশতকৈ আৰু দৃঢ়। এই চেতনাই এতিয়া তেওঁলোকৰ মাজৰ ১৪টা বা তাতোকৈও অধিক প্ৰধান উপজাতিৰ নিজৰ মাজৰ তাৰতম্যসমূহ বিলীন হৈ পৰিছে (যাৰ প্ৰত্যেকৰ এটি নিজস্ব বা অনাৰ অবোধ্য ভাষা আছে) নাগাসকলৰ চকুত যিটো হ'ল তেওঁলোকৰ দেশক ভাৰতবৰ্ষৰ লগত সাঙুৰি দিয়াৰ প্ৰচেষ্টা, যোৱা দুই দশক ধৰি ইয়াৰ প্ৰতিৰোধৰ মাজেৰে এই চেতনা আৰু দৃঢ় হৈছে, যদিও এজন বৃটিছ নৃতত্ত্ববিদে এবাৰ কৈছিল যে "এনেকুৱা কোনো পৰীক্ষা উলিওৱা বেছ কঠিন যিটোৰ দ্বাৰা অসম আৰু ব্ৰহ্মদেশৰ অন্যান্য পাৰ্বত্য উপজাতিৰ পৰা নাগাসকলক পৃথক কৰিব পাৰি,"—নাগাসকলে নিজে কিন্তু তেনেদৰে নাভাবে। নাগা আৰু অন্যান্য উত্তৰ পূৰ্ব পাৰ্বত্য উপজাতি সম্পৰ্কে অন্য এজন ইংৰাজৰ ধাৰণা বোধ হয় আৰু সঠিক "তেওঁলোক কোনো অৰ্থতেই ভাৰতীয় নহয়,—উৎপত্তি, ভাষা, চেহেৰা, অভ্যাস, দৃষ্টিভংগী, কোনোফালৰ পৰাই নহয়, সেইটো ঘটিছে কেৱল এটা ঐতিহাসিক দুৰ্ঘটনাৰ ফলত।" [এই উক্তিকাৰী চাৰ ৰবাৰ্ট ৰীড বোধহয় নীৰদ চৌধুৰীৰ লগত একমত হ'লহেঁতেন—"যেতিয়া মোৰ বিদেশী বন্ধুসকলে 'এজন ভাৰতীয়' বা 'ভাৰতীয়সকলৰ' কথা কয়, মই তেওঁলোকক কওঁ—দয়া কৰি সেই শব্দটো ব্যৱহাৰ নকৰিব। যদি আপুনি এই গোটেই দেশখনৰ এজন বিশেষ ধৰণৰ মানুহৰ সম্পৰ্কে কথা ক'ব বিচাৰে, তেনেহলে কওক হিন্দু, নহলে...... কওক 'বাঙালী,' 'পাঞ্জাবী' ইত্যাদি।"]

এই ঐতিহাসিক দুৰ্ঘটনা, নাগাসকলে যাক আজি পৰিবৰ্তন কৰিবলৈ বদ্ধপৰিকৰ—সূত্ৰপাত হৈছিল ১৮২০ চনত, যেতিয়া বৃটিছে অসমক তেওঁলোকৰ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত



OKDISCD

করে, ব্ৰহ্মপুত্ৰ উপত্যকাৰ পূৰ্ববৰ্তী শাসক আহোমসকলে ইয়াৰ বহু আগৰে পৰাই নগাসকলক এটি দুৰ্ধৰ্ষ আৰু বিপদজনক প্ৰতিনিধি হিচাপে জানিছিল আৰু সমতল ভূমিত তেওঁলোকৰ ৰাজ্য ৰক্ষনাবেক্ষণ দিবলৈ পৰ্বতৰ পাদদেশত দুৰ্গ আৰু প্ৰতিৰক্ষাৰ ব্যৱস্থা কৰিবলৈ। তেওঁলোকে অৱশ্যে কেতিয়াও তেওঁলোকক পদানত কৰিব পৰা নাছিল আৰু প্ৰথমতে বৃটিছৰো নগা পাৰ্বত্য অঞ্চল অধিকাৰ কৰাৰ কোনো পৰিকল্পনা নাছিল। ১৮৩২ যেতিয়া বৃটিছসকলে নগাপাহাৰত সোমায়, নগাসকলৰ অহৰহ কঠোৰ আৰু ফলপ্ৰসু আক্ৰমনে তেওঁলোকক ব্যতিব্যস্ত কৰি তুলিছিল। তৎসত্বেও এইটো জ্বল জ্বল পট পট যে বৃটিছে তেওঁলোকক দূৰত ৰাখিবলৈ চেষ্টা কৰিছিল। কিন্তু নগাসকল এটি যুদ্ধ মুখীন জাতি। পাহাৰৰ ওপৰত আৰু চূড়াত সংলগ্ন গাওঁবোৰো যুদ্ধ উপযোগী, আৰু সেই উনবিংশ শতিকাতেই তেওঁলোকৰ যুঁজাৰুসকলে গেৰিলা যুদ্ধৰ কলাকৌশল সম্পৰ্কে এনে এক স্বাভাৱিক প্ৰৱনতা প্ৰদৰ্শন কৰিছিল, পৰবৰ্তীকালত ভাৰতীয় সৈন্যবাহিনীক যিটোৰে শলঠেকত পেলাইছিল। নগা সম্পৰ্কে নিস্পৃহ হৈ থকা সাম্ৰাজ্যবাদীৰ বাবেও সম্ভৱ হৈ উঠা নাছিল, কিয়নো অনতি পলমে দেখা গ'ল যে তেওঁলোকেও বৃটিছক সহজে এৰি দিবলৈ ৰাজী নহয়। ১৮৩৫ আৰু ১৮৫১ চনৰ ভিতৰত নাগাসকলৰ, বিশেষকৈ সংগ্ৰামী উপজাতীৰ আক্ৰমণ ইমান তীব্ৰ হৈ উঠিছিল যে অন্ততঃ দহ-বাৰটা সৰু-বৰ অভিযান তেওঁলোকৰ বিৰুদ্ধে চলাব লগা হৈছিল। আক্ৰমণ অব্যাহত থকা অৱস্থাতে,লগে লগে লুটপাট আৰু মুণ্ডচিকাৰো চলি আছিল। ফল হ'ল অনিবাৰ্য, বৃটিছ শক্তি নগাপাহাৰত সোমাল। ১৮৬৬ চনত আংগামী অঞ্চল গ্ৰাস কৰাৰ প্ৰথম পদক্ষেপ হিচাপে এটা ঘাটি বহুওৱা হ'ল, তাৰ পিছত কহিমাত অন্য এটা। আঞ্চলিক সম্প্ৰসাৰণৰ কাম-কাজ আকৌ পূৰ্ণোদ্যমে আৰম্ভ হ'ল।

নগাসকলৰ প্ৰতিৰোধো আছিল তীব্ৰ। ১৮৭৮ চনত আংগামী উপজাতীয়ে বিদ্ৰোহ আৰম্ভ কৰিলে (আক্ৰমণসমূহ সাধাৰণতে একোখন গাঁৱৰ দ্বাৰা সংগঠিত হৈছিল) আৰু আক্ৰমনাত্মক যুঁজৰ দ্বাৰা তেওঁলোকক দমন কৰা হ'ল। শাস্তি স্বৰূপে তেওঁলোকৰ গাওঁবোৰ জলাই দিয়া হ'ল। পিছত এজন বৃটিছ বিষয়াই কৈছিল—'এবাৰলৈ মূল আংগামী ভূমিখণ্ডক ঠাণ্ডা কৰিব পাৰিলে তাৰ লগে লগে আহিব অধিক সম্প্ৰসাৰণৰ পথ, তাৰ পিছৰপৰাই আংগামীসকলক এটি শাসিত উপজাতি হিচাপে দেখা পোৱা গ'ল। তেওঁলোকে কৰ আৰু প্ৰয়োজন অনুসৰি শ্ৰমো দিব লগা হ'ল। অনতিপলমে তেওঁলোকে তেওঁলোকৰ চিৰতৰ শত্ৰু চেমাসকলকো পৰিচালধীনলৈ আহিব লগা হ'ল। ঘটনাবোৰ এনেদৰেই আগুৱাবলৈ ধৰিলে। 'কেবল এই প্ৰশাসনীয় কাববাৰ,' ছাৰ চাৰ্লস পছে কবলৈ ধৰিলে— 'সাম্ৰাজ্যবাদৰ কোনো প্ৰশ্নই উঠা নাই।' বৃটিছসকলৰ কিন্তু নাগাপাহাৰৰ সকলো অঞ্চলতে তেওঁলোকে পৰিচালনা কৰাৰ বহুত আগতেই দমিব লগা হৈছিল। নামমাত্ৰ প্ৰশাসিত অঞ্চলসমূহতো প্ৰশাসন ব্যৱস্থা বছৰত কেবল এবাৰৰ ভ্ৰমনতেই সীমিত আছিল। কাৰণ আছিল খৰচৰ। উপযোগীতা, সুবিধাৰ ভাৰসাম্যৰ কথা মাত্ৰ। অৱশ্যে ইয়াত কোনো সন্দেহ নাই যে, বৃটিছসকলে ইচ্ছা কৰিলে তেওঁলোকে



সমগ্ৰ নগাপাহাৰেই তেওঁলোকৰ শাসনাধীনলৈ আনিব পাৰিলেহেঁতেন।

যৱনিকাৰ আঁৰালৰ পৰা যিসকল ওলাই আহিছিল কেবল মাত্ৰ যাঠি প্ৰহাৰ কৰিবলৈ, তেওঁলোকক পছন্দ নকৰাটো অতি স্বাভাৱিক কথা। প্ৰথমতে হোৱা বিদ্বেষাত্মক প্ৰতিক্ৰিয়াৰ পিছত বৃটিছসকলে কিন্তু অতি সোনকালে এক নিশ্চিন্ত, আনকি ক'ব পাৰি এক সৌহাৰ্দমূলক সম্পৰ্ক গঢ়ি তুলিলে। যিসকল বৃটিছ বিষয়া তেওঁলোকৰ সংপৰ্কলৈ আহিছিল, তেওঁলোকে নগাসকলৰ গুণবোৰক প্ৰশংসা কৰিবলৈ ধৰিলে, তেওঁলোকৰ সাহস আৰু আনন্দোচ্ছলতা, তেওঁলোকৰ চমৎকাৰ স্বাস্থ্য, সত্যবাদিতা, স্বাধীনতা প্ৰিয়তা, সেও নমনা স্বভাৱ, আৰু জাতিভেদৰ অনুপস্থিতিয়ে অতি সোনকালেই তেওঁলোকক বৃটিছৰ প্ৰিয়পাত্ৰ কৰি তুলিলে। (পদে) অৱশ্যে বৃটিছসকলে ভাবিছিল যে নগাসকলৰ দৰে এই গুণসমূহ তেওঁলোকৰো আছে আৰু তেওঁলোকে 'একেদৰেই চিন্তা কৰে।' এই সমস্ত বৈশিষ্ট্যৰ ভিতৰতে তেওঁলোকে সমতল অঞ্চল সম্পৰ্কে পৰ্বতীয়া মানুহ আৰু তেওঁলোকৰ শাসকসকলৰ এনে ধৰণৰ বিদ্বেষৰ এক যোগসূত্ৰ আবিষ্কাৰ কৰিছিল। (আগলৈ)

# সংবাদ/

## কেম্বোদিয়া-ভিয়েটনাম সম্পৰ্ক

কেম্পুচিয়ান সীমান্তত অনুপ্ৰবেশ কৰাৰ লগে লগে ভিয়েটনামীসকলক দৃঢ় ভাবে কেম্পুচিয়াৰ জনসাধাৰণে প্ৰত্যুত্তৰ দিছে। প্ৰস্তাবিত 'ইন্দো-চীন ফেদাৰেচন' সম্পৰ্কে কোনো মনোভাব দেখুৱাৰ পৰিবৰ্তে তেওঁলোকে অন্য এক আক্ৰমণৰ বাবেহে ছেগ চাই আছে। দেশৰ চৰকাৰ আৰু জনসাধাৰণে দীৰ্ঘদিন ধৰি ভিয়েটনামৰ লগত বন্ধুত্ব আৰু মৈত্ৰীৰ বাবে কাম কৰি আহিছে আৰু আমেৰিকান সাম্ৰাজ্যবাদ বিৰোধী জাতীয় সংগ্ৰামত নৈতিক আৰু আৰ্থিক সাহায্যেৰে সমৰ্থন দিছিল। সাম্ৰাজ্যবাদ-বিৰোধী যুঁজত জিকাৰ পিছতো চীনদেশে সমৰ্থন দি আহিছে। কিন্তু ভিয়েটনাম কমিউনিষ্ট দল আৰু কৰ্তৃপক্ষই সেই সম্পৰ্ক প্ৰত্যাখ্যান কৰিলে। সেয়ে আসি বৰ্তমান অন্তৰ্জাতিক পৰিস্থিতিত বৃহৎ শক্তিসমূহৰ অৱস্থানৰ পৰিপ্ৰেক্ষিতত ইয়াৰ বিচাৰ কৰিব লাগিব। ভিয়েটনাম কৰ্তৃপক্ষৰ এই সমাজবাদ বিৰোধী কাম-কাজৰ পটভূমি এই দৃষ্টিভংগীৰেই নিৰ্ণয় কৰিব লাগিব। বৰ্তমানৰ মুখ্য বৈশিষ্ট্য হ'লঃ ছোভিয়েট সামাজিক সাম্ৰাজ্যবাদে যিহেতু সমগ্ৰ বিশ্ব তেওঁলোকৰ পদানত কৰিব বিচাৰে সেয়ে তেওঁলোকৰ যুদ্ধ আৰু আগ্ৰাসনৰ কৌশলো খৰতকীয়া হৈ পৰিছে। ++

(সূত্ৰ: Third world unity, August 1978)

গল্প/

# দেওনাত এজন প্ৰতিভূ

দেৱব্ৰত দাস

এনেকুৱা ভিক্ষাৰীবোৰে সাধাৰণতে অসমীয়া নকয়— এনেকুৱা ভিক্ষাৰীবোৰে কথা কোৱাই শুনা নাযায় আচলতে। ই কিন্তু কয়। তাৰ মুখত অসমীয়াতে 'ভিক্ষা দিয়ক' বুলি শুনি প্ৰথমতে মই আচৰিতেই হৈছিলো। মানুহটোৰ জৰাজীৰ্ণ অবস্থা; এটা মাত্ৰ হাফপেণ্ট সোলোক ধোলোককৈ পিন্ধা। শৰীৰৰ হাড়ছালখিনিৰ ওপৰতো প্ৰায় প্ৰতিটো অংগতে ঘা। কেঁচা পকা মিহলি চুলিৰে মূৰটো, মূৰটোৰো কেবাটাও অংশত চুলি নাই— তাৰ ঠাইত ওখ ওখ খহু। ভিক্ষাৰীটো কেনেকৈ আমাৰ চুবুৰীৰ এই ঠাইখিনি পালেহি তাকে ভাবি ভাবি মই পকেটৰ পৰা এটা দহ পইছা উলিয়াই দূৰৈৰ পৰা তাৰ পিনে দলিয়াই দিলো।

ভিক্ষাৰীটো ঠিক সেই ঠাইখিনিতে, মানে লেম্প্ প'ষ্টটোৰ তলত থাকি গ'ল। দেখিলেই বুজিব পাৰি তাৰ আয়ুস বৰ বেছি নাই; লৰচৰ কৰিব পৰা শক্তিও লোপ পাই আহিছে লাহে লাহে। দেৱালখনত আউজি ফুটপাথতে বহি সি দিনটো ভিক্ষা খুজি থাকে। ৰাতি হলে লেঙেৰা ৰফিক দোকানীক পইচাখিনি দি তাৰ পৰাই কিবাকিবি ল'ফ বিস্কুট জাতীয় বস্তু কিনি খাই ঠাইতে শুই পৰে। কিছুদিন পিছত সি ভাত-পানীও খাব পোৱা হ'ল। চুবুৰীৰ ওঁচৰ-পাজৰৰ মানুহ খিনিয়ে দিনটো পেলনি যোৱা খোৱা বস্তুবোৰ গোটাই মেলি তাক দি যায়হি, সি হেপাহেৰে খায়। "ভিক্ষাৰীটো ইমান লেতেৰা, দেখিলেই ঘিণ লাগি যায়" তথাপি নীলিমাই ৰাতিৰ খোৱাৰ পিছত আমাৰ ঘৰৰ চুৱাখিনি খবৰকাগজ এখনেৰে বান্ধি লৈ গৈ তাৰ পৰা যথেষ্ট দূৰত ফুটপাথত থৈ আহেগৈ। ভিক্ষাৰীটোৱে চুচৰি চুচুৰি আহি চুৱাখিনি টানি লৈ যায়।

ভিক্ষা দিয়াৰ অনীহাৰ বাবেই নে ভিক্ষাৰীটোৰ গাৰ ভেকেটা ভেকেট গোন্ধৰ বাবেই জানো সি বহি থকা ফুটপাথটোৰে মানুহৰ অহা যোৱা কমি গ'ল। তাকে লৈ ফলত ওচৰৰে লেঙেৰা ৰফিকৰ পাণ দোকানৰ বিক্ৰিও কমি গ'ল। তাকে লৈ ভিক্ষাৰীটো আৰু ৰফিকৰ মাজত খুব কাজিয়া লাগিল। "ঐ ভিক্ষাৰী, তই ইয়াৰ পৰা যাবি নে নাযাৱ"? "কেলেই যাম? এইটো তোৰ বাপেৰৰ ঘৰৰ ৰাস্তা নেকি? এইটো চৰকাৰৰ ৰাস্তা— মই ৰাস্তাতহে বহি আছোঁ"। কাজিয়াৰ অন্তত ঠিক হ'ল ৰফিকে ভিক্ষাৰীটোক থাকিবলৈ দিব আৰু তাৰ বিনিময়ত ভিক্ষাৰীটোৱে তাৰ দিনটোৰ উপাৰ্জনৰ এটা বুজন অংশ লেঙেৰা ৰফিকক দিব। মই গধূলিৰে পৰা ৰাতিলৈ সন্মুখৰ বাৰান্দাত চুপচাপ বহি থাকোঁ। বহিয়েই ভিক্ষাৰীটো আৰু লেঙেৰা ৰফিকৰ মাজৰ বাক-বিতণ্ডা-কাজিয়া-পেচাল, ৰং-ৰহইচৰ কথা চুপচাপ শুনি থাকোঁ। ঘৰৰ ভিতৰত দেউতাক তেওঁৰ ৰুমৰ ভিতৰত তলা মাৰি থোৱা হয়। নীলিমা থাকে পাক ঘৰত। আমাৰ ল'ৰা-ছোৱালী নাই। ঘৰটো নিজম। চুবুৰীটোও নিজম। সন্ধিয়াৰ নিৰ্জনতা ভাঙি এখন দুখন গাড়ী যায় সন্মুখৰ ৰাস্তাৰে। ছিনেমা ভাগিলে মানুহৰ আহ-যাহ অলপ বাঢ়ে। তাৰ পিছত আকৌ নিস্তব্ধতা; এনে সময়ত লেঙেৰা ৰফিক আৰু ভিক্ষাৰীটোৰ বাৰ্তালাপে মোক কিছু আমোদ দিয়ে।

"আজি আবেলি যে ধুনীয়াকৈ গাভৰু এজনী কোচত বাচ্চা এটা লৈ আহিছিল—তই যে বৰ ফিচ ফিচকৈ কথা পাতিছিলি— তাইৰ লগত তোৰ পীৰিত নেকি?"

"ধেৎ— সেইজনী মোৰ বিবি হয়।" ৰফিকৰ লাজুকীয়া উত্তৰ শুনি ভিক্ষাৰীটোৱে খুক খুককৈ হাহে।

"সেইজনী যদি তোৰ ঘৈণীয়েৰ হয়, তাইনো তোৰ লগত নাথাকে কেলেই?"

এইটো ৰহস্যৰ অন্তৰালত ৰফিকৰ এটা ঘটনা আছে। ৰফিকে এসময়ত মিল এটাত কাম কৰিছিল। কাম কৰি থাকোতেই এদিন তাৰ ভৰিখন কাটিল কাৰ্খানাতে। মিলৰ মালিকে হস্পিটেলৰ খৰচখিনি বহন কৰিলে যদিও তাৰ বেচি একো দিবলৈ ৰাজী নহ'ল। কম্পেন্ছেচন্, গ্ৰে'চুইটি এইবোৰৰ নামকে শুনিব নোখোজে। তাকে লৈ শ্ৰমিকবোৰে ধৰ্মঘট কৰি দিলে। আমি তেতিয়া কলেজত ইউনিয়ন টিউনিয়ন কৰোঁ। ৰফিক আমাৰ চুবুৰীৰে, গতিকে ময়েই অলপ আগবাঢ়ি চহৰৰ ছাত্ৰ সংগঠনবোৰক ৰফিকৰ সন্দৰ্ভত হোৱা শ্ৰমিক আন্দোলনটোত সমৰ্থন দিবলৈ আগবঢ়াই আনিলোঁ। এইবাৰ গুজৰাটী মালিকজনে অলপ ভয় খালে। তেৱেঁই আগবাঢ়ি ৰফিকৰ এই পাণ-তামোলৰ দোকানখন বহুৱাই দিলে। ৰফিকৰ ঘৈণীয়েকক নিজৰ ঘৰত আয়া পাতি ললে। ঘৈণীয়েক মালিকৰ ঘৰতে থকা হ'ল, ৰফিক দোকানখনতে। ৰফিকৰ দোকানৰ অবস্থা লাহে লাহে পৰি আহিল, তাৰ ঘৈণীয়েকৰ স্বাস্থ্য লাহে লাহে ঠন ধৰি উঠিল। তাকে লৈ সিহঁত দুটাৰ মাজত এদিন তুমুল কাজিয়া লাগিল। ৰফিকে তাইক তালাক দিওঁ বুলি ধমকিও দিলে। ঘৈণীয়েকে মোহৰানাৰ কথা তুলিলতহে ৰফিক ঠাণ্ডা হ'ল। সিমান টকা একেলগে দি তালাক দিয়াৰ ক্ষমতা এতিয়া লেঙেৰা ৰফিকৰ নাই।

তাৰ পিছতে কিন্তু বহুদিনলৈ তাই সদায় মালিকৰ ঘৰৰ পৰা ভাত লৈ আহি ৰফিকক খুৱাই আছিল। মাজতে কিন্তু চকু চৰহা কিছুমানে আকৌ ৰফিকৰ সন্মুখত গুজৰাটী ব্যৱসায়ীজন আৰু ৰফিকৰ ঘৈণীয়েকৰ মাজত সঁচাই মিছাই কিছুমান কেলেংকাৰীৰ হিচাব দিবলৈ আৰম্ভ কৰিলে। ফলত আকৌ এবাৰ সিহঁত দুটাৰ মাজত তয়াময়া কাজিয়া লাগিল। বহুদিনলৈ সিহঁতৰ কথাবতৰা, মাতবোল, অহা-যোৱা চব বন্ধ হৈ আছিল। এতিয়া আকৌ তাই কুমলিব ধৰিছে। এইপিনে আহিলে তাই দুই চাৰি মিনিট ৰফিকৰ লগত কথা পাতি যায়। ৰফিক ধন্য হৈ যায়।





OKDISCD

"ঠগ! ঠগ! চব চালা ঠগ!!" দেউতাৰ কমৰ পৰা শব্দ শুনা গল। দেউতাৰ আকৌ মূৰত গৰম উঠিছে। তেওঁ থকা কমৰ মজিয়াত ভুপ দাপ অসহজ খোজৰ শব্দ শুনা গল। মই উঠি নগলো। দেউতাই কিবা ক'লেহি। দেউতাই ভোৰভোৰাব ধৰিলে। দেউতাৰ আজিকালি পাগলামি বাঢ়িছে। কেতিয়াবা ধৰি ৰখাও টান হৈ পৰে। পগলা মানুহৰ গাত জোৰ বেছি হয়। সেয়ে আজিকালি দেউতাক কোঠাটোত বন্ধ কৰি ৰাখোঁ।

'ঠগ! ঠগ! চব চালা ঠগ!!' দেউতাই আকৌ চিঞৰিলে। দেউতাই প্ৰায়ে এনেকৈ চিঞৰে। দেউতাৰ মতে তেওঁক চবে ঠগালে। দ'দাক দেউতাই অত্যধিক মৰম কৰিছিল। দাদা পঢ়াশুনাতো বেছ চোকা আছিল। স্পেচ ছাইঞ্চ আৰু ৰকেট্ৰিত ৰিছাৰ্চ কৰিবলৈ গৈ তেওঁ আমেৰিকাৰ পৰা উভতি নাহিল যি নাহিলেই। দেউতাই বৰ আঘাত পালে। পিছত খবৰ পালো তেওঁ আমাক নজনোৱাকৈয়ে প'ৰ্টুৰিকান ছোৱালী এজনী বিয়া কৰালে। এতিয়া আমাৰ মাজত সম্পৰ্ক নাই বুলিলেও হয়। দাদাৰ কাণ্ড-কাৰখানা দেখি আৰু ভাইটি ঘৰৰ পৰা ওলাই যোৱাৰ পিছত দেউতাৰ মূৰৰ বিকৃতিয়ে দেখা দিয়ে। মই আৰু ভাইটি দুয়োটাই পঢ়া শুনা বাদ দি দেশৰ ৰাজনীতিত বেছিকৈ মূৰ ঘমাব আৰম্ভ কৰিছিলোঁ। ভাইটিয়ে চৰম বাওঁপন্থী দল এটাত যোগ দি আণ্ডাৰ গ্ৰাউণ্ড হৈ গ'ল। মোৰো যোৱাৰ ইচ্ছা আছিল। কাৰণ আমাৰ মৰমৰ দেশখনৰ এনেকুৱা জহি-খহি গেলি-পচি যোৱা অৱস্থাত গৰীব-দুখীয়াৰ মুক্তিৰ হকে সৎ আন্দোলন এটা গঢ় তুলিবলৈ হ'লে ভাইটো ওলাই যোৱা পথৰ অন্যথা ঠিক সেই সময়ত দেশৰ তৰুণখিনিৰ আগত নাছিল। এতিয়াও নাই নেকি! মই যাব নোৱাৰিলোঁ, কাৰণ হাজাৰ হলেও মই সুবিধাবাদী মধ্যবিত্ত ঘৰৰ লৰা, আৰু ভাইটিৰ দৰে সৎ আৰু সবল আৰু ছিন্-ছিয়াৰ মই কেতিয়াও নাছিলোঁ। সেয়ে ভাইটি ওলাই গ'ল ঘৰৰ পৰা। মই নগ'লো।

ভাইটি হেনো জলপাইগুৰিৰ ওচৰৰ ঠাই এখনৰ পুলিছৰ হাতত পৰিল। কেন্দ্ৰত জনতা চৰকাৰ হোৱাৰ পিছত এনেকুৱা বন্দীবোৰক মুক্তি দিয়াৰ কথা আমি হওঁতে শুনিছোঁ। কিন্তু ভাইটিকচোন এতিয়াও এৰি দিয়া নাই। কিছুমানক হেনো জেলৰ পৰা এৰি দিয়াৰ অলপ পিছতে আকৌ মনে সজা কিছু অপৰাধত তৎক্ষণাত গ্ৰেপ্তাৰ কৰা হৈছে। আৰ তাৰ মুখে শুনিছোঁ অৱশ্যে, যে ভাইটি কলিকতাৰ জেল এখনত আছে। জীয়াই আছে। মুক্তি দিয়াৰ নামত মহামান্য চৰকাৰেও ঠগে। দেউতাই কোৱা কথাই ঠিক— চব ঠগ, চৌদিশে কেবল ঠগেই ঠগ।

"চাৰিআলিৰ দোকানৰ পৰা যে আজি কণী চ'কিটা আনিছা— তাৰ তিনিটাই গেলা ওলাইছে।" হঠাতে নীলিমাই আহি কোৱা এই কথাখিনিয়ে মোৰ চিন্তাত ব্যাঘাট নজন্মালে। কাৰণ ইয়াতো সেই ঠগৰ গন্ধ। চাৰিআলিৰ দোকানৰ সেই বিহাৰীটো। মস্ত এটা ঠগ। চাৰে চাৰি লিটাৰ কেৰাচিন দি হাঁহি মুখে পাঁচ লিটাৰ বুলি চলাই দিব পাৰে। এনে ঠগ এটাকো সেইদিনা পশ্চিমৰ পিনৰ ল'ৰা এটাই ঠগাই থৈ গ'ল। দহ টকীয়া ন'ট এশ টকীয়া কৰিব পাৰে বুলি বিহাৰীটোৰ প্ৰায় ছশমান টকা লৈ পলাল ঠগটো। বিহাৰীটোৱে পিছতহে তৰ্কিব পাৰিলে যে ল'ৰাটোৱে



তাক বাকৈয়ে ভুৱা দি গ'ল।

আনকি মই; এই যে ভীষণ সৎ হিচাবে নিজকে সজাই আন আন ভণ্ডবোৰৰ কথাহে মনত পেলাই আছোঁ— ময়ো জানো কম ঠগ? ময়ো জানো দেউতাক ঠগোৱা নাই? দেউতাই বিচৰা মতে পঢ়াশুনাও নকৰিলোঁ, ভাল চাকৰি এটাও লব নোৱাৰিলোঁ। দেউতাৰ মূৰৰ বিকৃতি আৰম্ভ হোৱাত তেওঁৰ অফিছতে ছিম্পেথেটিক্ গ্ৰাউণ্ডত কেৰাণী হৈ সোমালো। আনপিনে বিয়াল্লিছত জেললৈ যোৱাৰ বাবে সামান্য যি কেইটকা চৰকাৰে পলিটিকেল পেঞ্চনাৰ হিচাবে দেউতাক দি আছে সেই টকা কেইটাও মই এৰি নিদিওঁ। অথচ এনে চৰকাৰৰ ঘৃণনীয় চৰিত্ৰৰ কথা কৈয়েই মই মোৰ ভাইটিক ঘৰ এৰি জেল পোৱালোগৈ। এনেবোৰ মোৰ ৰাজনৈতিক অনুভূতি, বিশ্বাস আৰু মোৰ আজিৰ জীৱনযাত্ৰাৰ মাজৰ বিশাল বিসংগতিয়ে মোকো জানো ঠগৰ পৰ্যায়ত নেপেলায়? অৱশ্যে সান্তনা হিচাবে আজিৰ এই ভণ্ড পৃথিৱীখনত সৎ বুলিবলৈনো কেইটা আছে— এই ৰাস্তাৰ ভিক্ষাৰীটো আৰু অসম সাহসী মোৰ ভাইটিহঁতৰ দৰে প্ৰাণীবোৰৰ কথা বাদ দিলে?

ৰাতিপুৱা চাহকাপ খাই বিছনাত আৰাম কৰিছোঁ বাতৰি কাকতখন হাতত লৈ। বাহিৰত এটা হাই উৰুমিৰ শব্দ। ওলাই গৈ দেখিলো ৰাস্তাত জাম; মটৰ গাড়ীৰে ঠেক ৰাস্তাটো ঠাহ খাই পৰিছে। অসংখ্য মটৰ গাড়ীৰ ব্ৰেক লগোৱা হৰ্ণ, আগুৱাই যাব নোৱৰাত ড্ৰাইভাৰৰ মুখৰ গালি শপনিৰ শব্দৰে ৰাতিপুৱাটো ভৰি পৰিছে। ওচৰতে এটা ইংৰাজী মাধ্যমৰ প্ৰাইমাৰী স্কুল আছে; ধনী ধনী মানুহবোৰৰ ল'ৰা-ছোৱালীবোৰে পঢ়ে। এই ৰাতিপুৱাতে আমাৰ সমুখৰ বাটটোৰে এই চিকমিক গাড়ীবোৰে ধুনীয়া ধুনীয়া নোদোকা শিশুবোৰক স্কুলত এৰি যায়হি। একে সময়তে বহুত গাড়ী একেলগে আহে বাবে প্ৰায়েই বিশৃংখলাৰ সৃষ্টি হয়। ট্ৰেফিক জাম। যেনে আজি। গাড়ীৰ ভিতৰৰ মানুহবোৰ অধৈৰ্য হৈ পৰে— ধনী ধনী মানুহবোৰ। সিহঁতৰ খঙাল মুখবোৰ, সিহঁতৰ নিস্ফল ক্ৰোধখিনি উপভোগ কৰিবলৈ মই ৰফিকিৰ পাণ দোকান পাওঁগৈ। পৰম তৃপ্তিৰে চাৰমিনাৰ এটা জ্বলাই ধনী ধনী মানুহবোৰৰ অসহায় অৱস্থাটো টুকি টুকি উপভোগ কৰোঁ।

ওচৰৰে কেখনমান গাড়ীৰ মানুহে ৰুমালেৰে নাক সোপা দিছে। দেখিলো কেজনমানে গাড়ীৰ ভিতৰৰ পৰাই কিবা বস্তু এটালৈ আঙুলিয়াইছে। সেই ভিক্ষাৰীটোলৈ। সি ফুটপাথতে দীঘল দি পৰি আছে। সি মৰিল নেকি? এনেতে ঘৰৰ বাৰান্দাৰ পৰা নীলিমাই মোক হাত বাউল দি মাতিলে। অৰ্থাৎ অফিছৰ বাবে সাজু হবৰ সময় হ'ল। ৰৈ থকা গাড়ীবোৰৰ মাজেৰে মই আকৌ ৰাস্তাটো পাৰ হৈ ঘৰ সোমালোঁ।

কিছুপৰ পিছত অফিছলৈ বুলি ছাইকেলত উঠোতে দেখিলোঁ ৰাস্তাৰ ট্ৰেফিক জামটো নাই। কিন্তু বাটৰ বাটৰুৱাবোৰে ফুটপাথত পৰি থকা ভিক্ষাৰীটোৰ পিনে চাই চাই মুখত সোপা দি বেগাই পাৰ হৈ যাব ধৰিছে। অফিছৰ পৰা উভতি জোতা মোজা খোলাৰ সময়তে নীলিমাই আহি কলেহি, "আজি দেউতাই বৰ দিগদাৰী দিছে। গোটেই দুপৰীয়াটো চিঞৰি আছে— তেওঁৰ হেনো আমি



OKDISCD

খবৰেই নলওঁ। তেওঁক হেনো আমি তিল তিলকৈ মাৰি আছো - গোটেই চ'বুৰীয়ে শুনকৈ ডাঙৰ ডাঙৰকৈ চিঞৰি আছে।" মই দেউতাৰ কোঠাৰ ওচৰলৈ গৈ গম ল'লোঁ। তেওঁ তেতিয়াও বিৰবিৰাই আমাক, আমাৰ উদাসীনতাক শাওপাত যাচি আছে। এনেতে আমাৰ বাৰান্দাত লেঙেৰা ৰফিকৰ পেঙৰ শব্দ শুনা গ'ল।

"বাবু! অ' বাবু! বাবু আহিল নেকি?" ভীষণ দৰ্কাৰ নপৰিলে ৰফিকে আমাৰ ঘৰলৈ কেতিয়াও এনেকৈ নাহে। মই ওলাই গলোঁ, "কি অ'—কি হ'ল?"

"বাবু দোকানৰ ওচৰৰ ভিক্ষাৰীটো যে— ভিক্ষাৰীটো ৰাস্তাতে পৰি মৰি আছে। তাৰ গাৰ পৰা ভেকেটা ভেকেট গোন্ধ ওলাব ধৰিছে। মই দিনটো কেইজনক ক'লো— কিবা এটা কৰ। কিবা এটা কৰ। কাৰো কাণষাৰ নাই। এতিয়া আপোনাকেই বিচাৰি আহিছোঁ। কিবা এটা কৰক আৰু।"

কথাটো শুনি মোৰ গা বেজ বেজাই গ'ল। আজি গোটেই দিনটো গেন্ধেলা ভিক্ষাৰীটো ৰাস্তাতে মৰি পৰি আছে এই গেলা গৰমত। অথচ কোনেও একো কৰা নাই। দিনটোত ৰাস্তাৰে কিমান মানুহ আহিছে, গৈছে অথচ কোনেও কিবা এটা কৰাৰ দৰ্কাৰ বোধ কৰা নাইনে? কাৰো বিবেকত অকনো ৰেখাপাত হোৱা নাইনে?

আজিৰ এই সময়খিনিত আমাৰ দেশখন, দেশৰ সক্ষম জনসাধাৰণ—উৰ্চ্চবিত্ত, মধ্যবিত্তখিনি, এই আমিবোৰ, আমি চবেই নিৰ্মমভাবে স্বাৰ্থপৰ হৈছোঁ গৈছোঁ। "ছাৰভাইভেল অফ দ্য ফিটেষ্ট" হৈ পৰিছে আজিৰ মূলমন্ত্ৰ। দুৰ্বলৰ ওপৰত ক'ত কোন পিনে কিমান অন্যায় অনাচাৰ চলি আছে তাৰ পিনে কাৰো কাণষাৰ নাই। সকলোৱে নিজ নিজ নৰক নিৰ্মাণত ব্যস্ত। এক ঘৃণীয়া ব্যৱস্থাৰ আমি সকলোৱে অংশ স্বৰূপ হৈ পৰিছো। ফলত গুজৰাটী ব্যবসায়ীটোৱে ৰফিকহঁতক ঠগাব পাৰিছে, আলি মূৰৰ দোকানীটোৱে চ'বুৰীৰ মানুহখিনিক ঠগাব পাৰিছে, উপযুক্ত চাকৰি নাই বাবে দাদাহঁতৰ দৰে উচ্চশিক্ষিতবোৰে বিদেশত থিতাপি ল'ব লগাত পৰিছে। দেশৰ দহৰ সমাজৰ চিন্তা কৰা ভাইটিহঁতৰ দৰে হাজাৰ বিজাৰ জন জেলত পচিব লগাত পৰিছে; সমুখৰ এই ভিক্ষাৰীটোৰ দৰে লাখ লাখ অক্ষম অশিক্ষিত জনে সৰ্বস্বান্ত হৈ দাৰিদ্ৰ্যৰ ফুটপাথত বহিব লগাত পৰিছে। অথচ মোৰ দৰে চালাক মধ্যবিত্তবোৰে এনে কুটিল সময়তো বেছ ভালকৈ ছাৰভাইভ কৰি আছোঁ। কাৰণ আমিবোৰে, মধ্যবিত্তবোৰে চকুৰ সমুখতে ঘটি থকা এনেবোৰ অন্যায় বিসংগতিলৈ কোনোক্ৰমেই চকু নিদিওঁ। আমি মাথো নিজা নিজা প্ৰাণ বচোৱাৰ তাগিদাত মছগুল। তাৰ বাবে, এই যে কুটিল সময়, এই দেশখনৰ ততোধিক কুটিল ব্যৱস্থাৰ সতে দ্বিধাহীন ভাবে আমি আপোচ কৰি যাম। আমাৰ ঘৰৰ সমুখতে কাৰোবাৰ মৃতদেহ গেলি পচি নাইকিয়া হৈ যাব। গোন্ধাব। কিন্তু আমি তাৰ প্ৰতি কটাক্ষ পৰ্যন্ত নকৰিম।

মই প্ৰথমতে গলো চ'বুৰীৰে ইনকাম টেক্স অফিছাৰজনৰ ঘৰলৈ, তাৰ পৰা মিউনিছিপেলিটিলৈ ফোন কৰিলো— দাৰোৱান এটাই ধৰিলে-'বৰাচাহেব" নাই, কোনো চাহাবেই নাই। ৰাস্তাৰ মৃতদেহৰ বাবে দৰোৱানে একো কৰিব নোৱাৰে। হস্পিটেললৈ ফোন কৰিলো— কোনে ধৰিলে জানো, সুধিলে, বডিটো কিমান দেৰী পৰি আছে?



মই কলো "গোটেই দিনটো। "সুধিলে জীয়াই আছে নে মৰিল?" ক'লো "মৰিল!" "তেনেহলে আমাৰ কৰিব লগা একো নাই" এই বুলি ফোনৰ কানেকচন কাটি দিলে। ভাৰতীয় সংখ্যা গৰিষ্ঠ গৰীবজনৰ প্ৰতিভূৰ শেষ ব্যৱস্থাৰ বাবে আমাৰ দেশৰ কোনো সংস্থাই একো নকৰিব নেকি?

ফোন কৰি উভতি আহোঁতে বাটতে ঝগৰুক পালো। সি মিউনিছিপেলটিৰ জামাদাৰ। ছেনিটাৰীটো নবনোৱালৈকে সিয়েই আমাৰ ঘৰৰ পিছপিনলৈ দৈনিক অহা যোৱা কৰিছিল। মই তাক পায়েই হাতে ভৰিয়ে ধৰি অনাদি ধৰি আনি ৰফিকৰ দোকানৰ কাষ পোৱালোহি,— "ঝগৰু, চাচোন চা— সৌটো পৰি আছে। কি কৰা যায় কচোন এতিয়া।" ঝগৰু নাকত কাপোৰ বান্ধি ভিক্ষাৰীটোৰ ওচৰলৈ গ'ল— ভাৰতবৰ্ষৰ এক নাগৰিকে আন এক নাগৰিকৰ শৰীৰটো ইফাল সিফাল কৰি চালে— আৰু অলপ পিছতে মোৰ পিনে মূৰ তুলি চাই কলে,— "বাবু, মৰা নাই। বাচি আছে।" + +

# সংবাদ/

## প্ৰজেক্ট ব্ৰহ্মপুত্ৰ

### পূব ভাৰতত আমেৰিকান আঁচনি

কেইমাহমান আগতে নতুন দিল্লীৰ আমেৰিকান ইনফৰমেচন অফিছৰ পৰা তেওঁলোকৰ কলিকতা অফিছলৈ এখন ছাৰ্কুলাৰ পঠোৱা হয়। বিষয়: প্ৰজেক্ট ব্ৰহ্মপুত্ৰ, পূব ভাৰতত কৰ্মৰত চৰ (SORO: SPECIAL OPERATION RESEARCH OFFICE) পক্ষৰ পৰা।' ছাৰ্কুলাৰখনত "ইউ এছ চৰকাৰ ছপাশাল: ১৯৫৯-৫১৯৯৭৮" এই সংকেত উল্লেখ কৰা হৈছে।

#### জনমত

ছাৰ্কুলাৰৰ বয়ানত কোৱা হৈছে "পৰৰাষ্ট্ৰ বিভাগৰ সন্মতিক্ৰমে ওৱাশ্বিংটন বিশ্ববিদ্যালয়ৰ স্পেছিয়েল অপাৰেচনছ ৰিচ'ছ অফিছ (Soro) এ চিকিম-ভূটানেৰে সৈতে পূব ভাৰতৰ ৰাজ্যবিলাকত সমাজতান্ত্ৰিক গবেষণা চলোৱাৰ কামত সহায় দিবলৈ ভাৰতত কৰ্মৰত আমেৰিকান সন্থাবোৰক অনুৰোধ কৰিছে। এই ৰাজ্যসমূহৰ জনসাধাৰণে বৰ্তমান (সংবিধানগত) অবস্থা মানি লৈছে নে এখন নতুন ৰাজ্য গঠনৰ প্ৰচেষ্টা চলাব ধৰিছে, এই সম্পৰ্কে জনমত অবগত হোৱাটো এই গবেষণাৰ লক্ষ্য।

#### স্থানীয় সন্থা

"এই কামৰ বাবে পঃ বংগ, অসম আৰু ত্ৰিপুৰা এই ৰাজ্যসমূহত কৰ্মৰত



OKD

সকলো কৰ্মীক, সংগঠিতভাৱে নিয়োজিত কৰা প্ৰয়োজন। এই অঞ্চলত ঘ্ৰাপকা কৰাৰ সুযোগ থকা স্থানীয় সন্থাবোৰৰ কৰ্মীকো কামত লগোৱা যাব পাৰে...... এইবোৰ সম্থাই আমাৰ উদ্দেশ্য পূৰণৰ কাম আগবঢ়াই নিয়াৰ বাবে শিক্ষক, আনকি ছাত্ৰসকলকো ব্যৱহাৰ কৰিব বিচাৰিলে আমি আপত্তি নকৰো।


"আমাৰ সংগঠনে ইতিমধ্যে কেইখন দেশত এনেধৰণৰ কাম কৰি সন্তোষজনক ফল পাইছে, বিশেষকৈ তাত আমাৰ প্ৰভাৱ বিস্তাৰৰ আটাইতকৈ ভাল উপায় আৰু পদ্ধতি নিৰ্দ্ধাৰণ আৰু ৰাজনৈতিক অৱস্থাৰ মূল্যায়ন কৰাৰ বাবে আমি সহায়তা পাইছোঁ। ...... অতীতৰ অভিজ্ঞতাই দেখুৱাই দিয়ে যে ভাৰতত আমাৰ সমাজতান্ত্ৰিক গৱেষণাৰ কাম এনে সতৰ্কতাৰে চলোৱা উচিত, যাতে নিৰ্বাচনৰ সময়ছোৱাত দেশৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰাৰ বাবে আমাক দোষাৰোপ কৰাৰ সুযোগ নাথাকে।"

"কিছুমান দেশত এনে ধৰণৰ ঘটনা ঘটিছে যে আমি স্থানীয় ৰাইজৰ মাজত হাতে-লোতে ধৰা পৰিছো বুলি ধাৰণা সৃষ্টি হৈছে। এইটো সঁচা যে আমি এনে বিধৰ কামৰ সূক্ষ্মতা প্ৰায়েই উপলব্ধি নকৰো আৰু উচ্চমানৰ কামৰ আঁচনি সংগঠন কৰাৰ বাবে আমাৰ বিত্ত আৰু ৰাজনীতিগত সমল নাথাকে।"

"ভাৰতত আগন্তুক ৰাজনৈতিক ঘটনাৱলীৰ গুৰুত্বলৈ মন কৰি,এই গৱেষণাৰ কাম সোনকালে শেষ কৰিব। প্ৰজেক্ট ব্ৰহ্মপুত্ৰৰ বিস্তৃত বিবৰণ এখন স্বকীয়া দলিলত পঠোৱা হ'ব।"

"এই বিষয়ত কামৰ অগ্ৰগতিৰ ৰিপ'ৰ্ট নিয়মীয়াকৈ পঠাব। প্ৰয়োজনীয় প্ৰশ্নাৱলী ওৱাশ্বিংটনৰ USIAৰ পৰা কলিকতালৈ পঠোৱা হব।"

চাৰ্কুলাৰ খনত (A) Wdmiller B/F আৰু ( b ) Form DS-682/9-61 এই দুটা সংকেতো আছে। ++ (উৎস ; গণশক্তি, ২৫ অক্টোবৰ '৭৮)





# প্ৰশ্নোত্তৰ কলম

ড, হীৰেন গোহাঁই

দীপা ভৰালী, খগেশ্বৰ গোহাঁই ৰোড, তিনিচুকীয়া

( ১ ) ১৯৬২ চনত তথাকথিত সীমাবিবাদ লৈ যি সংঘৰ্ষ হৈছিল, সেইটো চীনে লগাইছিল নে ভাৰতে?

( ২ ) বান্দৰৰ পৰা মানুহৰ উৎপত্তি হোৱা কথাষাৰ যদি সঁচা হয় তেন্তে আজিকালিৰ বান্দৰবোৰ মানুহ নহয় কিয়?

( ৩ ) অসম চৰকাৰে অসমত ৰাজনৈতিক বন্দী নাই বুলি ঘোষণা কৰিছে— আনফালে অসমৰ এখন বামপন্থী কাকতে ৰাজনৈতিক বন্দী মুক্তিৰ দাবি কৰি আছে। কথাটো কি?

* ( ১ ) ১৯৪৭ চনত ব্ৰিটিছ শাসকবৰ্গই ভাৰত এৰি গ'লত ব্ৰিটিছ অধিকৃত ভাৰতৰ সীমান্তমতেই স্বাধীন ভাৰতৰ সীমান্ত নিৰ্দ্ধাৰিত হয়। সেইসময়ত প্ৰতিবেশী চীন গৃহযুদ্ধত ব্যস্ত আছিল। তাৰ আগতেও ব্ৰিটিছৰ সমৰশক্তিৰ প্ৰতিবাদ নিস্ফল বুজি ব্ৰিটিছে একপক্ষীয় ভাবে ভাৰত-চীন সীমান্ত নিৰ্দ্ধাৰণ কৰোঁতে তৎকালীন চীনা চৰকাৰ নীৰব আছিল। ব্ৰিটিছে জোৰ কৰা সত্বেও লিখিতভাবে চীনৰ তৎকালীন চৰকাৰে ব্ৰিটিছৰ নিৰ্দ্ধাৰিত সীমান্তৰেখাক সমৰ্থন কৰা নাছিল।

১৯৪৯ চনত সেয়ে যেতিয়া জনগণতান্ত্ৰিক বিপ্লৱ সফল হ'ল তেতিয়া নতুন বিপ্লৱী চৰকাৰে সীমান্তৰ প্ৰশ্নটো সমাধান হোৱা বুলি ধৰি লোৱা নাছিল। তেওঁলোকৰ যুক্তি আছিল এয়ে যে সাম্ৰাজ্যবাদী শক্তিয়ে একপক্ষীয়ভাবে যি সীমান্ত নিৰ্দ্ধাৰণ কৰিলে তাক দুখন ওচৰচুবুৰীয়া দেশে বিনাবিচাৰে মানি লোৱা অনুচিত। সেয়ে তেওঁলোকৰ পিনৰ পৰা সীমান্তৰ প্ৰশ্নটো পুনৰ মুকলি কৰিবলৈ ভাৰত চৰকাৰলৈ অনুৰোধ আহিল। ভাৰত চৰকাৰে এই প্ৰস্তাব মানি নললে। নেহৰু এই বিষয়ত ব্যক্তিগতভাবে কিছু যুক্তিনিষ্ঠ আৰু বাস্তববাদী হলেও তৎকালীন ভাৰতৰ শাসকশ্ৰেণী সামগ্ৰিকভাবে সীমা নিৰ্দ্ধাৰণ নতুনকৈ কৰাৰ বিৰোধী আছিল। এই সামগ্ৰিক হেঁচাত নেহৰুৱেও এটা কঠোৰ মনোভাব ল'লে আৰু তেতিয়ালৈ ভাৰতৰ প্ৰশাসন তথা সেনাবাহিনী প্ৰবেশ নকৰা ঠাইবোৰতো ব্ৰিটিছে নিৰ্দ্ধাৰণ কৰা সীমা অনুযায়ী সেনাবাহিনী আৰু প্ৰশাসন বিস্তাৰিত কৰিবলৈ সিদ্ধান্ত কৰিলে। ১৯৬০ চনত চৌ এন লাই নিজে দিল্লীলৈ আহি মীমাংসাৰ চেষ্টা কৰিছিল। কিন্তু তৎকালীন মাৰ্কিনপন্থী মহল আৰু শাসকশ্ৰেণীৰ অন্যান্য শাখাৰ প্ৰতিৰোধৰ বাবে সেই চেষ্টা ব্যৰ্থ হয়। এই পৰিস্থিতিৰ পৰাই সীমাবিবাদে সংঘৰ্ষৰ ৰূপ ল'লে। বহু হেজাৰ বছৰৰ সম্পৰ্কই মৈত্ৰীবন্ধনেৰে জড়িত কৰা দুখন ওচৰচুবুৰীয়া দেশ এইদৰে পৰস্পৰৰ বিৰুদ্ধে যুদ্ধত লিপ্ত হৈছিল। দুয়োখন দেশৰ জনগণেই এই

পৰিস্থিতিৰ পৰা ক্ষতিগ্ৰস্ত হৈছে— অথচ কিছুমান বিদেশী বৃহৎ শক্তি এই পৰিস্থিতৰ পৰা লাভবান হৈছে।

এই কথাও মই ক'ব লাগিব যে তৎকালীন চীনা চৰকাৰে ভাৰতৰ জনগণক পৰিস্থিতিৰ সম্যক জ্ঞান দিবলৈ চেষ্টা কৰিছিল নে নাই নাজানোঁ। হয়তো ভাৰতৰ বামপন্থীমহলে সেই দায়িত্ব পালন কৰিব বুলি তেওঁলোকে ভাবিছিল। কিন্তু সেই বামপন্থী মহলৰে এচামে শাসক শ্ৰেণীৰ সংসৰ্গৰ পৰা অন্ধ জাতীয়তাবাদৰ বেমাৰত ভুগিছিল। বাকীবোৰে আচল কথা জানিলেও তাক প্ৰচাৰ কৰাৰ সুযোগ হয়তো পোৱা নাছিল। আজি দেশৰ ৰাজনৈতিক হাৱা বহুত বদলি হৈছে। কিন্তু ৰুছ মাৰ্কিন প্ৰভুসকলৰ অনুগৃহীত ভাৰতীয় পুঁজিপতি আৰু জমিদাৰ মহলৰ হাতত বহু প্ৰচাৰিত কাকতবোৰ এতিয়াও আছে। সেয়ে এই সম্পৰ্কে সত্য কথা প্ৰকাশ তথা প্ৰচাৰ হবলৈ এতিয়াও বহুত অসুবিধা আছে।

(২) মোৰ থিয়ৰি মতে বান্দৰৰ পৰা মানুহ এতিয়াও হ'ব পাৰে। তাৰে ডুটামনে অসমৰ এটা অনাতাঁৰ কেন্দ্ৰত আৰু ডুটামানে এটা বিপ্লবী অনুষ্ঠানত আত্মগোপন কৰি পৃথিবীখন পুনৰ মানুহৰ হাতৰ পৰা বান্দৰৰ হাতলৈ নিয়াৰ চক্ৰান্ত কৰি আছে।

ইন্দিৰাজীয়ে হয়তো বহুদিন আগতে এই কথা গম পাই "বানৰসেনাৰ"ৰ জৰিয়তে সিহঁতক স্বাগতম জনোৱাৰ ব্যৱস্থা লৈছিল !!

(৩) কিছুমান ৰাজনৈতিক বন্দী বিভিন্ন অপৰাধত অভিযুক্ত হৈ কাৰাবাস কৰি আছে। তেওঁলোকে ৰাজনৈতিক কৰ্মসূচীৰ অংগ হিচপে সেইবোৰ "অপৰাধ"ত লিপ্ত হৈছিল। কোনো কোনো ক্ষেত্ৰত পুলিচে মিছা সাক্ষীপ্ৰমাণেৰে সেইবোৰ অপৰাধ সজোৱা বুলিও আপত্তি উঠিছে। অন্ধ্ৰপ্ৰদেশত পুলিচৰ এনে কাৰচাজী প্ৰমাণিতও হৈছে।

অসম চৰকাৰে ভাবে যে আইনৰ দৃষ্টিত অপৰাধীক "ৰাজনৈতিক বন্দী" বুলিব নোৱাৰি। বামপন্থীমহলে তেনেকৈ নেভাবিবও পাৰে।

ধ্ৰুব বৰা, হেপী ভিল্লা, গুৱাহাটী

(১) ৰুছদেশৰ এখন "যৌথ পাম" আৰু চীনদেশৰ এখন "কমিউন"ৰ মাজত পাৰ্থক্য কি ? ষ্টেলিনোত্তৰ ৰুছিয়াৰ নেতৃবৃন্দই কমিউনক যথেষ্ট গালিশপনি পাৰে আৰু তাক লে'নিনবাদবিৰোধী বুলিও কয়।...... প্ৰকৃততে কমিউনৰ গঠন লে'নিনবাদ— বিৰোধী নেকি ?

(২) বৰ্তমান সময়ত চীন-ভাৰত সম্পৰ্ক ক্ৰমশঃ উন্নতিৰ ফালে গতি কৰাৰ সময়ত চীনে কাৰাকোৰম পথ বনোৱা ঘটনাটোৱে দুই দেশৰ মৈত্ৰীত ব্যাঘাত নজন্মাবনে ? এই বিষয়ে আপোনাৰ মতামত (ভাৰত চীন মৈত্ৰী সমিতিৰ এজন সদস্য হিচাবে) কি ?

(৩) সমাজবাদ আৰু সাম্যবাদৰ পাৰ্থক্য কি? দুয়োৰে সহাবস্থান সম্ভৱনে ? "ইউৰো কমিউনিজম" কি ?

* (১) এখন যৌথ পাম কেৱল বহু খেতিয়কৰ মাটি আৰু সা-সৰঞ্জাম একেলগে কৰি আৰু চৰকাৰৰ সাহায্য লৈ খেতিবাতি চলোৱা পাম। তাৰ প্ৰধান উদ্দেশ্য কৃষিজাত উৎপাদন। যৌথপামৰ অংশীদাৰসকলৰ জীৱনৰ আৰু সমাজৰ অন্য দিশৰ লগত তাৰ বিশেষ সম্পৰ্ক নাই।

কিন্তু কমিউন কেৱল উৎপাদনৰ উদ্দেশ্যে সংগঠন কৰা সমবায় নহয়— ই সমগ্ৰ সমাজতান্ত্ৰিক সমাজ-ব্যৱস্থাৰ এটা গোট (cell)। কমিউনে কৃষি, শিল্প, ব্যৱসায়, শিক্ষা, প্ৰশাসন অৰ্থাৎ কমিউনৰ কৃষকসকলৰ জীৱনৰ প্ৰতি দিশতে চকু দিয়ে। অৰ্থাৎ তেওঁলোকৰ জীৱনৰ সৰ্বাংগীণ সমৃদ্ধি আৰু উন্নতিৰ বাবে কমিউন সংগঠিত।

আটাইতকৈ ডাঙৰ কথা এয়ে যে কমিউনত সকলো কৃষকেই প্ৰশাসনত অংশ লয়। উদাহৰণ স্বৰূপে কেতিয়া ক'ত কি খেতি কৰিব, কেতিয়া ক'ত জলসিঞ্চনৰ ব্যৱস্থা কৰিব, উৎপন্ন শস্যৰ কিমান বিক্ৰীৰ আয় কেনেকৈ কামত লগাব, প্ৰতি কৃষকৰ ভাগত পৰা শস্যৰ পৰিমাণ বৃদ্ধি কৰিব নে সমূহীয়া কামত খৰছ কৰিব — এনেবোৰ সিদ্ধান্ত সাধাৰণ কৃষকসকলে আলাপ-আলোচনাৰ জৰিয়তে গ্ৰহণ কৰে। ঠিক তেনেকৈ শিল্প, শিক্ষা, চিকিৎসা প্ৰভৃতি বিষয়তো ওপৰৰ পৰা সিদ্ধান্ত জাপি নিদি কমিউনৰ সাধাৰণ সদস্য সকলৰ মতামতৰ ওপৰত মূল্য দিয়া হয়।

যদিও চীনৰ জনগণৰ অৱস্থা অনুযায়ী কমিউনবিলাক কৃষিপ্ৰধান, তথাপি সৰুসুৰা শিল্পৰ জৰিয়তে সদস্যসকলৰ প্ৰয়োজনীয় দৈনন্দিন শিল্পজাত দ্ৰব্যও কমিউনতে তৈয়াৰ কৰা হয়। অন্যান্য সামগ্ৰীৰ বাণিজ্যও সমূহীয়াভাৱে কমিউনৰ জৰিয়তে কৰা হয়। এই কাৰ্যক্ৰমৰ প্ৰাথমিক সোপানতে জনগণৰ লগত মিলি কমিউনিষ্ট পাৰ্টিয়ে নেতৃত্ব দিয়ে। চৰকাৰৰ পিনৰ পৰাও প্ৰয়োজনীয় দ্ৰব্যৰ যোগান (যেনে, যন্ত্ৰপাতি আদি), আদি দিয়া হয়। কিন্তু কমিউনত জনগণ আৰু তেওঁলোকৰ নিৰ্বাচিত বিষয়ববীয়াৰ ভূমিকাই প্ৰধান।

কোৱা বাহুল্য যে ৰুছ যৌথপামৰ চৰিত্ৰ সম্পূৰ্ণ অৰ্থনৈতিক। তদুপৰি ই স্বনিয়ন্ত্ৰিত আৰু স্বয়ংনিৰ্ভৰ নহয়। জনগণৰ উৎসাহ উদ্দীপনা আৰু সৃষ্টিশক্তিক উজ্জীবিত কৰি সমাজতান্ত্ৰিক সমাজগঠনত এটা মুখ্য ভূমিকা দিয়াৰ চিন্তা ৰুছ নেতাসকলৰ নাই। ৰুছ নেতাসকলৰ ধাৰণা যে বৰ্দ্ধিত উৎপাদনেই সমাজতন্ত্ৰৰ মূলভিত্তি। সেয়ে ব্যক্তিগত সম্পত্তিৰ অৱসান ঘটালেও সমাজতন্ত্ৰৰ উপযোগী সামাজিক সম্পৰ্ক ৰচনাৰ ক্ষেত্ৰত তেওঁলোক সজাগ আৰু সক্ৰিয় নহয়। ফলত পিছদুৱাৰেদি ব্যক্তিগত সম্পত্তি ঘূৰি অহাৰ সুৰুঙা বৈ গল। শুনা যায় যে বহু যৌথপামৰ মেনেজাৰে প্ৰায় ব্যক্তিগত পামৰ দৰে পামখন ব্যৱহাৰ কৰে আৰু লাভৰ সৰহভাগ আত্মসাৎ কৰে। স্থানীয় পাৰ্টিৰ আমোলায়ো দুৰ্নীতিগ্ৰস্ত হৈ এই কামত সহায় কৰে।

লে'নিনে কৈছিল যে উৎপাদন বৃদ্ধি নকৰাকৈ সমাজতন্ত্ৰ ৰচনা কৰিবলৈ ওলোৱাটো আকাশ কুসুম মাত্ৰ। কিন্তু কমিউনবোৰে উৎপাদন বৃদ্ধিত সহায় কৰা নাই বুলি ভবাটো ভুল। আকৌ যেনতেনপ্ৰকাৰেণ উৎপাদন বৃদ্ধিয়েও নিশ্চয় সমাজতন্ত্ৰ আপোনাআপুনি সৃষ্টি নকৰিব। শ্ৰেণীসংগ্ৰামৰ বিভিন্ন বিভেদ আৰু বৈষম্য দূৰ কৰিবলৈ লগেলগে পৰিকল্পিত আৰু সংগঠিত প্ৰচেষ্টা কৰিব লাগিব। এইপিনৰ পৰা কমিউনবোৰ সমাজতন্ত্ৰ গঠনৰ প্ৰতি এক গুৰুত্বপূৰ্ণ অৱদান।

(২) ভাৰত-চীন মৈত্ৰীৰ বাবে ভাৰতৰ জনগণ আগ্ৰহশীল হলেও ভাৰতৰ শাসক শ্ৰেণী এই ক্ষেত্ৰত অতি সতৰ্ক। চীনৰ উদাহৰণ আৰু শিক্ষাই ভাৰতৰ শোষিত জনগণক





OKDSCD

বিপ্লবৰ পথলৈ লৈ যায় বুলি সিহঁতৰ বৰ ভয়। ৰুছ আৰু মাৰ্কিন মহলেও নিজ নিজ স্বাৰ্থত চীন-ভাৰত সম্পৰ্ক ঘনিষ্ঠ হোৱাটো নিবিচাৰে। ভাৰতৰ মধু লিমায়ে'ৰ দৰে ৰাজনীতিজ্ঞয়ো এই বিষয়ে চেঁচাপানী ঢালিবলৈ উঠিপৰি লাগিছে। বাজপেয়ীৰ চীনযাত্ৰা ইমান পিছুৱাই আছে, তাৰ পিছতো কিবা ৰহস্য জকৰ আছে।

গতিকে চীন-ভাৰত মৈত্ৰী সম্পৰ্কে চীন আগ্ৰহশীল হলেও বিশেষ আশাবাদী হোৱাৰ থল নাই। ভাৰতক এতিয়াও কোনো বৃহৎ শক্তিয়ে চীনৰ বিৰুদ্ধে ব্যৱহাৰ কৰাৰ সম্ভাৱনা ৰৈ গৈছে। সেয়ে প্ৰতিৰক্ষাৰ পিনৰ পৰা সকলো ব্যৱস্থা লবলৈ চীনৰ চৰকাৰ বাধ্য হৈছে। মই ভাবোঁ যে সম্পৰ্ক চৰকাৰী মহলত সঁচাকৈ উন্নত হলে কাৰা-কোৰম পথ সম্পৰ্কেও আলোচনা হব পাৰে।

(৩) সাম্যবাদ হ'ল সমাজবাদতকৈ উন্নত আৰু পৰিপূৰ্ণ বিকাশৰ পৰ্যায়। এই পৰ্যায়ত শোষণ আৰু দমন সম্পূৰ্ণ লুপ্ত হব, ৰাষ্ট্ৰশক্তিৰ প্ৰয়োজন নাথাকিব। প্ৰতিজন ব্যক্তিয়ে সমূহীয়া ভাণ্ডাৰৰ পৰা প্ৰয়োজনীয় যি কোনো সামগ্ৰী বা সেৱা পাব আৰু সমাজলৈকো তেওঁ ব্যক্তিগত ক্ষমতা আৰু যোগ্যতা অনুযায়ী উৎপাদন আৰু সেৱা আগবঢ়াব—"from each according to his ability, to each according to his need."

সমাজবাদ হ'ল পুঁজিবাদী সমাজৰ পৰৱৰ্তী পৰ্যায়। বিপ্লবৰ জৰীয়তে ৰাষ্ট্ৰক্ষমতা দখল কৰি শ্ৰমিকশ্ৰেণীয়ে উৎপাদনৰ আহিলাপাতি ব্যক্তিগত সম্পত্তি হৈ থকা নিয়মৰ অবসান ঘটায়। উৎপাদনৰ সকলো আহিলাপাতি সমাজৰ সম্পত্তিত পৰিণত হয়। শ্ৰেণীসমূহৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক ভিত্তি বিনাশ কৰিবলৈ দীৰ্ঘস্থায়ী সংগ্ৰাম চলে। তাৰ পিছতহে সাম্যবাদ আহিব পাৰে।

খালেকুজ্জামান, ৰাতাবাৰী, কামৰূপ

(১) বিয়াবাৰুৰ ক্ষেত্ৰত মাৰ্ক্সবাদীসকলে ধৰ্মীয় অনুষ্ঠান কৰা উচিত নে?

(২) এটা প্ৰবন্ধত পঢ়িছোঁ যে মাৰ্ক্সবাদত ভাববাদৰ বৰঙণি আছে। কেনেকৈ, বুজাই দিবনে?

(৩) মাৰ্ক্সবাদ ইছলামৰ বিৰোধী নেকি?

* (১) নীতিগতভাৱে কৰা উচিত নহয়। নাৰীমুক্তি আৰু সংস্কাৰ-বিৰোধিতাত বিশ্বাস কৰাসকলে অগ্নিসাক্ষী কৰি ভ'লে—বেয়াই চিৰদিনলৈ বান্ধখোৱা কথাটো মানি লোৱাটো স্ববিৰোধী কথা হব। civil contract হিচাপে ঘটনাটো লোৱাই উচিত হব। অৱশ্যে বিয়াৰ অনুষ্ঠানত সামাজিক ৰীতি নীতিৰ লগত আপোচ কৰিলেই যে সমগ্ৰ বিচাৰত মানুহজন বেয়া হব তেনে নহয়। বহুক্ষেত্ৰত নিষ্ঠাবান মাৰ্ক্স-বাদীৰ ক্ষেত্ৰতো এনে সাময়িক বিচ্যুতি বা দুৰ্বলতা ঘটিব পাৰে।

(২) মাৰ্ক্সে Theses on Feuerbach নামৰ টোকাত কৈছে যে যান্ত্ৰিক বস্তুবাদে মানুহৰ সক্ৰিয় ভূমিকা স্বীকাৰ আৰু চৰিত্ৰ আওকাণ কৰে——যেন মানুহৰ সকলো আচাৰ আচৰণেই জড় প্ৰকৃতিৰ প্ৰভাৱত উদ্ভূত। আনহাতে ভাববাদত মানুহৰ সক্ৰিয় ভূমিকা স্বীকাৰ কৰা হৈছে।

পাহৰিলে নচলিব যে ভাববাদত মানুহৰ সক্ৰিয় ভূমিকা ভাববাদী ৰূপতহে স্বীকৃত হৈছে। অৰ্থাৎ মানুহ নিজেও যে বস্তুজগতৰ অংগ, মানুহৰ মনো যে বস্তুজগতৰে বিকাশ, সেই সত্য ভাববাদে স্বীকাৰ নকৰে। সেয়ে মাৰ্ক্সবাদত ভাববাদৰ উৎপাদান থকা বুলি ভাবিলে ভুল হব। বস্তু জগতৰ স্বতন্ত্ৰ অস্তিত্বত বিশ্বাস নকৰা বাবে নমস্য ভাববাদী দাৰ্শনিক কাণ্টকো লে'নিনে Marxism and Empirio-Criticism গ্ৰন্থত আক্ৰমণ কৰিছে। মাৰ্ক্সবাদীসকলে হে'গে'লক শ্ৰদ্ধা কৰাৰ কাৰণ এয়ে যে বহুক্ষেত্ৰত হে'গে'লৰ ভাববাদ ছদ্মবেশী বস্তুবাদ মাত্ৰ। যিবোৰ ক্ষেত্ৰত হে'গেল বিশুদ্ধ ভাববাদী, সেইবোৰ ক্ষেত্ৰত হে'গেলৰ মত মাৰ্ক্সবাদী সকলে মানি নলয়। যিবোৰ ক্ষেত্ৰত তেওঁৰ মত বস্তুবাদৰ বিৰোধী নহয়, সেইবোৰ ক্ষেত্ৰতো ভাববাদী ভেজাল শোধন কৰি লৈহে তেওঁৰ মত গ্ৰহণ কৰা হয়।

যান্ত্ৰিক বস্তুবাদৰ একপক্ষীয় মত মাৰ্ক্সবাদে গ্ৰহণ নকৰে অৰ্থাৎ মানুহৰ অভিজ্ঞতাত মনৰ এক বিশেষ ভূমিকা আছে বুলি মাৰ্ক্সবাদে বিশ্বাস কৰে। কিন্তু ভাববাদীসকলে যেনেকৈ মানুহৰ ইতিহাস আৰু বিশ্বজগৎ মনৰ সৃষ্টি বুলি ভাবে, তেনেদৰে মাৰ্ক্সবাদে নাভাবে। বিশ্বজগতৰ স্বতন্ত্ৰ অস্তিত্ব আছে—কিন্তু তাৰ জ্ঞান মানুহৰ শ্ৰম আৰু জিজ্ঞাসাৰ ফল।

(৩) বিশ্বজগৎ আৰু মানুহৰ জীৱন সম্পৰ্কে ধৰ্মৰ মূল ধাৰণা মাৰ্ক্সবাদে বৰ্জন কৰিছে— সি ইছলামেই হওক, হিন্দু ধৰ্মই হওক বা খ্ৰীষ্ট ধৰ্মই হওক। কিন্তু বিভিন্ন ধৰ্মৰ প্ৰভাৱত যিবোৰ সংস্কৃতি গঢ় লৈ উঠিছে তাক বিনাবিচাৰে মাৰ্ক্সবাদে নেওচা নিদিয়ে। শংকৰদেৱৰ ধৰ্মমত নামানিলেও তেওঁৰ সামাজিক মতবাদ আৰু সাংস্কৃতিক অবদান চালিজাৰি গ্ৰহণ কৰিবলৈ মাৰ্ক্সবাদৰ আপত্তি নাই। তেনেকৈ ইছলামিক ঐতিহ্যকো বিনা বিচাৰে মাৰ্ক্সবাদে নাকচ কৰিব নোখোজে— তাৰ ভিতৰত থকা সৎ আৰু প্ৰগতিশীল উপাদান নিশ্চয় গ্ৰহণ কৰিব।

ইয়াৰ উপৰিও কাৰো ব্যক্তিগত ধৰ্ম বিশ্বাসৰ আচৰণত মাৰ্ক্সবাদে বাধা নিদিয়ে। সমাজত মাৰ্ক্সবাদ ব্যাপকভাৱে গৃহীত নোহোৱা পৰ্যন্ত সকলো ধৰ্মৰ আচাৰ-অনুষ্ঠান সমাজবাদী ৰাষ্ট্ৰত চলি থাকিবলৈ দিয়া হয়। কেৱল এনে আচাৰ অনুষ্ঠান ব্যৱহাৰ কৰি যাতে কুসংস্কাৰাচ্ছন্ন আৰু প্ৰতিক্ৰিয়াশীল যাজকশ্ৰেণী এটা পুনৰ ক্ষমতালৈ আহিব নোৱাৰে তালৈ চোকা নজৰ ৰখা হয়।

সদানন্দ ডেকা, বনিয়াকুছি কামৰূপ

(১) বহিৰাগত বুলিলে আপুনি কাক বুজায়? অকল বঙালীক নে? মাৰোৱাৰী, বিহাৰী সকল কি? যিসকলে নেকি ব্যৱসায় বাণিজ্যৰ দ্বাৰা লুণ্ঠন কৰি আছে! জাতীয়তাবাদে অকল বঙালীকহে খেদে। মাৰোৱাৰীবিলাকক নেখেদে কিয়? ইয়াৰ ৰহস্য কি?

(২) সশস্ত্ৰ সংগ্ৰামেই অসমীয়াৰ মুক্তিৰ পথ। সশস্ত্ৰ সংগ্ৰাম অকল বঙালীৰ বিৰুদ্ধে, অসমীয়া জমিদাৰ-পুঁজিপতিকলৈ কৰিলে অসমীয়াৰ মুক্তি হ'ব বুলি আপুনি ভাবে নেকি?

(১) মাৰোৱাৰী ধনপতিসকলে হয়তো জনসাধাৰণৰ ক্ৰোধ এৰাবলৈকে জাতীয়তাবাদৰ হতুৱাই এই বিভ্ৰান্তিকাৰী অভিযান চলাইছে!!



OKDISCD

অবশ্যে বিহাৰী বা মাৰোৱাৰী মাত্রেই শোষক বা লুণ্ঠনকাৰী নহয়। ঠেলুৱা মুটিয়াবিলাকে নো কাক শোষণ কৰিছে? মাৰোৱাৰীসকলৰো প্রত্যেকেই ধনকুবেৰ নহয়। কেনোৰকমে চলিথকা মাৰোৱাৰীও আছে। এই দুখীয়া মাৰোৱাৰী বিলাকেও মোহগ্রস্ত হৈ দুখীয়া অসমীয়াৰ লগত নিজৰ স্বাৰ্থৰ ঐক্য বুজিব পৰা নাই। ধনকুবেৰ মাৰোৱাৰীয়ে তাৰ পূৰা সুযোগ লৈছে।

বজাৰৰ মজুৰে ঘৰলৈ টকা ত্রিশটা মানিঅৰ্ডাৰ কৰিলেই হাহাকাৰ লাগে। কিন্তু ৰাষ্ট্ৰায়ত্ত বেংকবিলাকে অসমত যিমান টকা জমা কৰিছে তাৰ কিমানাখনি অসমৰ শিল্পবাণিজ্যৰ বাবে ঋণ দিছে, হিচাব কৰিলে আৰু এটা ৰহস্য ওলাব।

(২) এইটো মোৰ মত নহয়। গতিকে এই সম্পর্কে মন্তব্য নিষ্প্রয়োজন। জাতি হিচাবে বঙালী জাতিয়ে অসমীয়াক শোষণ কৰা নাই।

কিন্তু কেতিয়াবা কেতিয়াবা বামুণে বা মুছলমানে বা আহোমে নিজৰ নিজৰ সম্প্রদায়লৈ পক্ষপাতিত্ব কৰাৰ দৰে বঙালী বিষয়াকো নিজৰ জাতিৰ প্রতি পক্ষপাতিত্ব কৰিব পাৰে। তেনে কাম অসমীয়াকো নকৰাকৈ থকা নাই। এনেবোৰক শোষণ বা অত্যাচাৰ নোবোলাই ভাল। অবশ্যে এনেবোৰ অনাচাৰ দেখিলে প্রতিবাদ কৰাৰ সৎসাহস যি কোনো সম্প্রদায় বা জাতিৰে মাৰ্ক্সবাদীৰ থকা উচিত।

প্রফুল্ল কলিতা, বকো, কামৰূপ

(১) বিপ্লবী সংস্কৃতি আৰু বিপ্লবী ৰাজনীতিৰ মাজত পাৰ্থক্য কেনেকুৱা?

(২) ভাৰতীয় সংস্কৃতিৰ প্রসংগত মাৰ্ক্সীয় ধাৰণা কেনেকুৱা?

(৩) মাৰ্ক্সীয় তত্ত্ব আৰু প্রয়োগৰ সমন্বয় ৰক্ষা কৰাত বামপন্থী বুদ্ধিজীৱীসকল ব্যৰ্থ হৈছে বুলি আমি ভাবোঁ। আপুনি কি ভাবে?

(১) গান এটা বা নাটক এখনৰ গুণাগুণ বিচাৰ আৰু এটা ধৰ্মঘট নাইবা এটা বিক্ষোভৰ সাফল্যৰ বিচাৰ একে ধৰণৰ হব পাৰে জানো? ৰাজনৈতিক দৃষ্টিকোণ একে হলেও বিচাৰৰ পদ্ধতি বেলেগ হব।

(২) D, D. Kosambi ৰ Culture and Civilisation of Ancient India, দেবী প্রসাদ চট্টোপাধ্যায়ৰ লোকায়ত আৰু ৰাহুল সংকৃত্যায়নৰ কিতাপবোৰ (বঙালী অনুবাদ ওলাইছে) পঢ়ক।

(৩) অসমত নে গোটেই বিশ্বতে? এটা প্রকৃত বিপ্লবী দলৰ সঠিক নেতৃত্ব অবিহনে বামপন্থী বুদ্ধিজীৱীসকল পেটিবুৰ্জোৱা ভ্রান্তি বা বিচ্যুতিত পৰিব পাৰে। সেই নেতৃত্ব দিবলৈকো বিপ্লবীদলৰ নেতৃত্ব পুৰঠ, বৌদ্ধিক কামকাজৰ প্রতি শ্রদ্ধাশীল আৰু সহিষ্ণু হব লাগিব। কোনো কোনো নেতাই শ্রমিকশ্রেণীৰ শৃংখলাৰ নামত ডিক্টেটৰৰ দৰে আচৰণ কৰে, বৌদ্ধিক কামকাজত অজ্ঞৰ দৰে হস্তক্ষেপ কৰে, আৰু স্বাৰ্থপৰ বুৰ্জোৱাৰ দৰেই বুদ্ধিজীৱীসকলৰ সুনাম নষ্ট কৰিব খোজে। তেনে নেতাই সঠিক নেতৃত্ব দিব কেনেকৈ? সঠিক নেতৃত্ব অবিহনে বুদ্ধিজীৱীৰ অবদানৰ সদ্ব্যবহাৰেই বা হ'ব কেনেকৈ?

গিৰিশ কলিতা, বকো, কামৰূপ

১। ভাৰতীয় সমাজক অৰ্দ্ধউপনিবেশ আৰু অৰ্দ্ধসামন্ততন্ত্র বুলি কব পাৰি নেকি?



২। ধৰ্ম ভাৰতীয় মানুহৰ আবেগৰ লগত জড়িত হৈ আছে। অথচ কোনো ক্ষেত্ৰত মাৰ্ক্সীয় ব্যাখ্যাই সমাজক বিশেষ প্রভাবিত কৰিব পৰা নাই বুলি আমি ভাবোঁ। আপোনাৰ ধাৰণা কেনে?

১। ভাৰতৰ পুঁজিপতি শ্রেণীৰ সম্পদ আৰু ক্ষমতা প্রবল। সেয়ে ধাৰণা হয় যে এই শ্রেণীটো সম্পূৰ্ণ স্বাধীন। কিন্তু ভালকৈ চালে দেখা যায় যে শিল্পবাণিজ্যৰ ক্ষেত্ৰত এই শ্রেণীটো বিভিন্ন সাম্রাজ্যবাদী শক্তিৰ অনুগত। সেয়ে এই শ্রেণীটো স্বাধীন বুলি ভবাৰ থল নাথাকে। কিন্তু প্রাক্‌বিপ্লৱ চীনৰ বুৰ্জোৱাৰ তুলনাত ইহঁতৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক সংগঠন তথা ক্ষমতা বহুত বেছি। বিভিন্ন সাম্রাজ্যবাদী শক্তিৰ লগত দৰভাও খেলাৰ বুদ্ধি আৰু সুযোগো ইহঁতৰ আছে। কিন্তু সামান্য অথন্তৰতে বিদেশীৰ ভৰিত লুটি খাই পৰা ইহঁতৰ অভ্যাস।

(২) ধৰ্মৰ প্রভাব খণ্ডন কৰিবলৈ হলে বামপন্থী সংগঠন যিমান ব্যাপক হব লাগিছিল সিমান ব্যাপক আজিও হব পৰা নাই। সেয়ে আচাৰ, নীতি, বিশ্বাসৰ মাৰ্ক্সীয় ব্যাখ্যা এমুঠি বুদ্ধিজীৱী আৰু অগ্রণী কৰ্মীৰ মাজতে সীমাবদ্ধ। সংগঠন বিস্তৃত হলে এনে ব্যাখ্যাৰ বহল প্রচাৰো সম্ভৱ হব।

দীপেন গগৈ, মেজেঙা

(১) প্রকৃততে লেখকৰ সামাজিক দায়বদ্ধতা বুলিলে কি বুজায়? আমাৰ নতুন লেখক-সকলে এই দায়িত্ব পালন কৰিব পাৰিছে বুলি আপুনি ভাবেনে?

(২) আমাৰ দেশত এতিয়াও কামক মৰ্যাদা দিয়া নহয় কিয়? পশ্চিমৰ পুঁজিবাদী দেশ-বিলাকতো দেখোন মানুহে যি কোনো কাম কৰিবলৈ লাজ নকৰে?

(১) কেবল ৰসপিপাসুৰ বাবে কলাৰ ৰসগোল্লা নবনাই লেখকে যদি তেওঁৰ কলম সমাজক সচেতন কৰিবলৈ ব্যৱহাৰ কৰে, তেতিয়া হলে তেওঁ সামাজিকভাবে দায়বদ্ধ লেখক। অবশ্যে বিভিন্ন দায়বদ্ধ লেখকৰ ৰাজনৈতিক দৃষ্টিকোণ একে নহবও পাৰে। অবস্থা বিশেষে বুৰ্জোৱা লেখককো দায়বদ্ধ বুলিব পাৰি— যেনে জাঁ-পল ছাৰ্ত্ৰ প্রভৃতি। আমাৰ ডেকা লেখক সৰহভাগেই সামাজিকভাবে দায়বদ্ধ। তেওঁলোকে যদি কেতিয়াবা ভুল কৰিছে তাৰ মূলতে আছে কলাৰ নিজস্ব নিয়মৰ প্রতি সম্পূৰ্ণ অবহেলা। দায়বদ্ধ লেখকে নিজৰ ৰচনাৰ কলাগুণ আওকাণ কৰাৰ সকাম নাই।

গোবিন্দ দাস, মিকিৰভেটা, নগাওঁ

(১) ভাৰতবৰ্ষত বুদ্ধদেৱৰ নিৰ্বানৰ পিছত তেওঁৰ বাণী প্রচাৰ কৰিছিল অনুগামী অশোক আৰু আন প্রচাৰকে, কাৰ্ল মাৰ্ক্সৰ পিছত তেওঁৰ বাণী প্রচাৰ কৰিছিল লেনিন আদি সাম্যবাদীসকলে, শ্রীমন্ত শংকৰৰ মুক্তিৰ পিছত তেৰাৰ বাণী প্রচাৰ কৰিছিল মথুৰাদাস বুঢ়া আতা, গোপাল আতা, শ্রীৰাম আতা আদি সকলে; কিন্তু মানবতাবাদী মহামানব মহাত্মা গান্ধীৰ মৃত্যুৰ পিছত তেওঁৰ প্রকৃত উত্তৰাধিকাৰী এজন ভাৰতবৰ্ষত নোলাল কিয়?

(২) বুৰ্জোৱা, সৰ্বহাৰা, শোষণ, পেটিবুৰ্জোৱা, সংগ্রাম, বিপ্লব, জাতীয় চেতনা, উগ্রজাতীয়তাবাদ, বামপন্থী, নৰমপন্থী, আদি শব্দৰ হাৰৈ ফুটাই আৰু মহাত্মা গান্ধীৰ মূৰ্ত্তিত আলকাতৰা সানি, মাৰ্ক্স, লেনিন, মাও-ছে-টুঙৰ গুণ গান গাই ভাৰতীয় জন-গামী কী



OKDISCD

সাধাৰণৰ কিবা উন্নতি আশা কৰিব পাৰিনে ?

(১) গান্ধীৰ মৃত্যুৰ পিছত নেহৰু, বিনোৱা ভাবে, লোহিয়া, জয়প্ৰকাশ নাৰায়ণ প্ৰমুখ্যে বিভিন্নজনে বিভিন্ন আসনৰ পৰা বিভিন্ন দৃষ্টিকোণেৰে গান্ধীৰ পথৰ বিভিন্ন ব্যাখ্যা আগবঢ়ালে। কিবাকিবি কৰিলেও। কিন্তু তাৰ পৰা জনগণৰ তিলমানো উপকাৰ নহ'ল।

অৰ্থাৎ গান্ধীৰ পথ শাসকশ্ৰেণীৰেই পথ। তাৰ নানা ঠালঠেঙ্ লিয়েও জনগণৰ জীৱনলৈ পৰিবৰ্তন আনিব নোৱাৰিলে। সেয়ে গান্ধীৰ চিন্তাধাৰাৰ ঐতিহাসিক ভূমিকা শেষ হৈছে। তেওঁৰ চিন্তাধাৰাই আৰু কোনো উত্তৰাধিকাৰীকে কাৰ্য্যকৰীভাবে অনুপ্ৰাণিত কৰিব নোৱাৰিব।

উদাহৰণ স্বৰূপে হৰিজনৰ সমস্যাৰ বাবে গান্ধীৰ যি সমাধান, তাক হৰিজন সকলেও এতিয়া মানি লব নোখোজে— যদিও এসময়ত তেওঁৰ আন্দোলনে হৰিজন সকলৰ মাজত আলোড়ন আনিছিল।

(২) গান্ধীৰ প্ৰতি অশালীন উক্তি বা আচৰণ বামপন্থীৰ নিজৰ অসংস্কৃত স্বভাবৰে লক্ষণ। কোনো বিবেচক বামপন্থীয়ে গান্ধীৰ প্ৰতি কুৎসিত মন্তব্য আদি নকৰে। কিন্তু গান্ধীৰ ভাবধাৰা আমাৰ বৰ্তমান সমাজ পৰিবৰ্তনৰ আন্দোলনত কোনো কামত নাহে। এই বিষয়ে মোহাবিষ্ট হৈ লাভ নাই।

শ্ৰীযুত দাস! আপুনি যিবোৰ শব্দৰ "হাৰৈ"ৰ লগত তুলনা কৰিছে সেইবোৰ সিমান অন্তঃসাৰশূন্য নহয়। তাৰ যোগেদি বহু মানুহে দেশৰ সমাজখন বুজিবলৈ আৰু তাক পৰিবৰ্তন কৰাৰ পথ উলিয়াবলৈ চেষ্টা কৰিছে। গান্ধী প্ৰভৃতিৰ চিন্তাধাৰা নিষ্ফল হোৱা বাবেই এই চিন্তাধাৰা প্ৰবল হৈ উঠিছে। হয়তো কোনো কোনোৱে বিশ্লেষণ আৰু চিন্তা নকৰাকৈ আলাসতে এইবোৰ শব্দ উৰুৱাই ফুৰিছে। কিন্তু সেই দোষ শব্দবোৰৰ নহয়, ব্যৱহাৰকাৰীৰহে!

ধৰণীধৰ দাস, গুৱাহাটী মেডিকেল কলেজ

(১) বৈপ্লবিক সাহিত্য নিৰ্ভৰ কৰে সমাজৰ দ্বন্দ্বৰ তীব্ৰতাৰ ওপৰত। তেনেস্থলত বৰ্তমান সমাজ ব্যৱস্থাৰ পৰিবৰ্তন বিচৰা প্ৰগতিশীল লেখক তথা বুদ্ধিজীৱীসকলৰ লেখনিত সৰ্বসাধাৰণ পাঠকৰ বদহজম হোৱা শব্দৰ প্ৰাচুৰ্য দেখিলে, ভাব হয়— এনে লেখনিৰে জনগণক শ্ৰেণীসচেতন কৰিবলৈ ব্যৰ্থ হব। আপোনাৰ কি মত ?

* এই কথাটো ময়ো মানো। কিন্তু এই মতৰ এটা বিপদো নথকা নহয়। জনগণে বুজা ভাষাকে কেবল ব্যৱহাৰ কৰিলে শ্ৰেণীসংগ্ৰাম, বিপ্লব, বিপ্লৱী আদি শব্দ তথা ধাৰণাও ৰাইজক শিকাব লাগিব নহয়।

সেয়ে কেবল শব্দচয়নৰ দ্বাৰা সাহিত্যক জনগণৰ ওচৰলৈ নিব নোৱাৰি। সি এটা উপায় মাত্ৰ। প্ৰধান কথা হ'ল জনগণৰ জীৱনৰ অভিজ্ঞতাৰ ৰূপায়নৰ জৰীয়তে এইবোৰ শিক্ষা দিয়া। তেনে পৰিস্থিতিত দুই চাৰিটা অচিনাকী শব্দৰ পৰা ক্ষতি নহয়, লাভেই হব। ++



# প্ৰবন্ধ/ ব্যক্তিসত্তাৰ বিলুপ্তি/ মেক্সিম গৰ্কী

অনু : ভাস্কৰ চক্ৰবৰ্তী

জনগণ সকলো উৎপাদন শক্তিৰ উৎস মাত্ৰই নহয়, তেওঁলোকেই হ'ল সেই একমাত্ৰ আৰু অফুৰন্ত উৎস যাৰ পৰা পৃথিবীত সকলোধৰণৰ আত্মিক মূল্যবোধৰ সৃষ্টি। সমজুৱাভাবে জনগণেই হ'ল সৌন্দৰ্য আৰু প্ৰতিভা, প্ৰথম আৰু আদি দাৰ্শনিক, কবি। এই বিশ্বৰ সকলো মহাকাব্যৰ, সকলো বিয়োগান্ত কাহিনীৰ (tragedies) জন্মদাতা আৰু এই সকলো সৃষ্টিৰ মহত্তম হৈছে পৃথিবীৰ সাংস্কৃতিক ইতিহাস।

প্ৰাথমিক পৰ্যায়ত প্ৰায় শৈশব অবস্থাত মানুহে আত্মৰক্ষাৰ সহজাত প্ৰবৃত্তিৰ পৰা ভীতি, উদ্বেগ আৰু বিস্ময় সৃষ্টিকাৰী প্ৰকৃতিৰ বিৰুদ্ধে সংগ্ৰামৰত অবস্থাত 'ধৰ্ম'ৰ (Religion) সৃষ্টি কৰিছিল। এই ধৰ্মই আছিল মানুহৰ কাব্য, প্ৰাকৃতিক শক্তি সমূহৰ বিষয়ে আৱদ্ধ তেওঁলোকৰ জ্ঞানভাণ্ডাৰৰ ফলশ্ৰুতি, বিৰুদ্ধ শক্তিসমূহৰ লগত অবিচ্ছিন্ন সংগ্ৰামৰ মাজেদি অৰ্জিত তেওঁলোকৰ বিভিন্ন অভিজ্ঞতাৰ প্ৰকাশ। প্ৰকৃতিৰ বিৰুদ্ধে প্ৰথম বিজয় সমূহে মানুহক দিছিল স্থায়িত্ব, আত্মগৌৰব আৰু অধিক বিজয়ৰ বাবে তীব্ৰ আকাংক্ষা। এই বিজয়ে মানুহক অলেখ বীৰ-গাঁথা (Epos) সৃষ্টি কৰিবলৈ উদ্বুদ্ধ কৰিছিল, যি তেওঁলোকৰ সকলোৰকমৰ আত্মোপলব্ধি আৰু আশা-আকাংক্ষাৰ এটা মহান ভাণ্ডাৰ হৈ থাকিল। তাৰপাছত এই উপকথা (Myth) আৰু গাঁথাকাব্য সমূহৰ (Epos) প্ৰেৰণাত মানুহে তেওঁৰ যৌথ মননৰ সকলো সৃজনশীলতাৰে মহাকাব্যৰ বীৰসকলক (Heroes of Epic poems) সমৃদ্ধ কৰিছিল—কেতিয়াবা বীৰনায়কক ঈশ্বৰৰ অজেয় প্ৰতিদ্বন্দ্বীৰূপে আৰু কেতিয়াবা বীৰক স্বয়ং ঈশ্বৰৰ আসনত বহুৱা হৈছিল।

কোনো ব্যক্তিৰ ব্যক্তিচিন্তা নহয়—জনগণৰ যৌথ সৃজনশীলতাৰেই প্ৰকাশ হৈছিল উপকথা-গাঁথাকাব্যৰ মাজেদি আৰু ঠিক সমভাবে ভাষাৰ মাজেদিও তাৰেই প্ৰকাশ হৈছিল। ভাষাই হৈছে কালৰ প্ৰধান চালিকাশক্তি। সেয়ে এজন প্ৰখ্যাত ৰুছ ভাষাতত্ত্ববিদে কৈছিল—"ভাষা সেই সামগ্ৰিক কৰ্মকাণ্ডৰেই অবিচ্ছেদ্য অংশ, য'ত ব্যক্তিয়ে সকলো ব্যক্তিগত উদ্যম থকা সত্ত্বেও জনগণৰ পৰা বেলেগ কোনো বিশেষ সত্তাৰে ভূষিত হ'ব নোৱাৰে।"



OKDSCD

ভাষাতত্ত্ব আৰু সংস্কৃতিৰ ইতিহাসে আজি এইকথা অবিসম্বাদিত ভাবে প্ৰতিষ্ঠা কৰিছে যে ভাষাৰ সৃষ্টি আৰু ক্ৰমোন্নতি এটা সমষ্টিগত প্ৰচেষ্টাৰ ফলশ্ৰুতি। যৌথ-সৃজনশীলতাৰ অসামান্য শক্তিয়ে সৃষ্টি কৰিব পাৰিছিল সেইবিলাক অনতিক্ৰমনীয় গভীৰ সৌন্দৰ্যময় উপকথা-গাঁথাকাব্য ; চিন্তা আৰু আংগিকৰ সুশৃংখল বিন্যাসেৰে যি সৌন্দৰ্য প্ৰস্ফুটিত হৈছিল, কালজয়ী হৈছিল। ভাব আৰু আংগিকৰ এই ঐক্য সম্ভৱ হৈছিল যৌথ মননশীলতাৰ সামগ্ৰিকতাৰ মাজেদি, আৰু এই চিন্তাধাৰাত বহিৰাংগিক হৈ পৰিছিল মহাকাব্যিক ভাবনাৰ অবিচ্ছেদ্য অংগ—কোৱা কথাবিলাকেই প্ৰতীকত ব্যৱহৃত হৈছিল। অন্যভাবে কবলৈ গ'লে সাধাৰণ ভাব বিনিময়ৰ উচ্চাৰিত শব্দবিলাকে মানুহৰ কল্পনাত জগাই তুলিছিল অসংখ্য জীৱন্ত প্ৰতীক আৰু ধাৰণা, যাৰ মাজেদি ৰূপ পাইছিল তেওঁলোকৰ সকলো ভাবনাই। আদিম চিত্ৰকল্পৰ উদাহৰণ দিব পৰা যায় য'ত বতাহক চৰাইৰ ডেউকাৰ আন্দোলনৰ লগত তুলনা কৰা হৈছে—বতাহৰ অদৃশ্য সঞ্চালন আৰোপিত হৈছে দৃশ্য চৰাইৰ উড়ন্ত গতিত। আৰু তাৰ পৰৱৰ্তী পৰ্যায়তেই ক'ব পৰা গৈছিল—"তীৰবিলাক চৰাইৰ নিচিনাকৈ উৰি যায়।" সমগ্ৰ জনসত্তাৰ চিন্তা যেতিয়া একীভূত হয় কেৱলমাত্ৰ তেতিয়াই প্ৰমিথিউছ, চয়তান (Satan), হাৰকিউলিছ আৰু জনগণৰ জীৱন সংগ্ৰামেৰে সমৃদ্ধ আন শ' শ' বিৰাট চৰিত্ৰায়নৰ ব্যাপক ধাৰণা আৰু অনন্য প্ৰতীকৰ সৃষ্টি হ'ব পাৰে। যৌথ সৃজনশীলতাৰ শক্তি ভালকৈ অনুধাবন কৰিব পাৰি এই সত্যৰ পৰাও যে শতাব্দীৰ পাছত শতাব্দী বিভিন্ন কালছোৱাত ব্যক্তি সৃজনশীলতাই ব্যৰ্থ হৈছে ইলিয়াড বা কালভালাৰ নিচিনা মহাকাব্যৰ জন্ম দিবলৈ আৰু কোনো ব্যক্তিপ্ৰতিভাই জন্ম দিয়া নাই এনে এটা প্ৰতীক চৰিত্ৰ যাৰ মূল লোকায়তিক সৃষ্টিশীলতাৰ পৰা ওপজা নাই। এটাও এনে চিত্ৰকল্পৰ সৃষ্টি হোৱা নাই যি লোকায়তিক গল্প-গাঁথাত বিচাৰি পোৱা নাযাব।

যৌথসত্তাৰ সৃজনশীল প্ৰচেষ্টাৰ (যিয়ে জন্ম দিছিল Epic Hero সকলক) ওপৰত কোনো সুনিৰ্দিষ্ট সিদ্ধান্তত উপনীত হ'বলৈ যথেষ্ট উপাদান যদিও আমাৰ হাতত এতিয়া নাই,—কিন্তু মই ভাবোঁ এই বিষয়ে আমাৰ আৰব্ধ জ্ঞান আৰু অনুমানবিলাকক একত্ৰিত কৰি সামগ্ৰিকভাবে বিশ্লেষণৰ এটা প্ৰাৰম্ভিক সূচনা কৰিব পৰা যাব।

অবিচ্ছিন্ন জীৱন সংগ্ৰামৰত অবস্থাৰ কোনো আদিম গোষ্ঠীৰ (Clan) কথাই ধৰা যাওক। অসংহত আৰু বিৰুদ্ধ প্ৰাকৃতিক পৰিবেশেৰে চাৰিওফালে পৰিবেষ্টিত একোটা ক্ষুদ্ৰ মানবগোষ্ঠী পৰস্পৰৰ অতি ওচৰৰ সম্পৰ্কত আবদ্ধ হৈ থাকিব লগা হৈছিল। গোষ্ঠীৰ প্ৰতিজন লোকৰ অন্তৰংগ জীৱন সকলোৰে চকুৰ আগত উন্মুক্ত হৈ আছিল, তেওঁলোকৰ সকলোধৰণৰ অনুভূতি, চিন্তা আৰু সিদ্ধান্তই পৰস্পৰক সমৃদ্ধ কৰিছিল। নিজৰ যি কোনো চিন্তাকেই আনৰ আগত উন্মুক্ত কৰি দিয়াৰ বাবে গোষ্ঠীৰ প্ৰতিজনৰে এটা সহজাত প্ৰবণতা আছিল। এই মানসিক প্ৰবণতাৰ সৃষ্টি হৈছিল পশু-পক্ষী, জংগল, বিশাল সাগৰ, উন্মুক্ত আকাশ আৰু দিন-ৰাতিৰ অলেখ বিভিষীকাময় শক্তিবিলাকৰ ওচৰত তেওঁলোকৰ অসহায়তাৰ পৰা; দিনৰাতিৰ ছায়া-উপচ্ছায়াৰ আশ্চৰ্য জীৱন আৰু সপোনেৰে আলোড়িত তেওঁলোকৰ চেতনাৰ পৰা। এনেকৈয়েই ব্যক্তিৰ অভিজ্ঞতা সমষ্টিত বিলীন হৈছিল। সমষ্টি-অৰ্জিত এই অভিজ্ঞতাসমূহত গোষ্ঠীৰ প্ৰতিজন লোকৰ অধিকাৰ আছিল।



বস্তুতঃ ব্যক্তি আছিল গোষ্ঠীৰ শাৰীৰিক শক্তি সমূহৰ একোটা অংশ আৰু সামগ্ৰিক মানসিক শক্তিৰ ধাৰক। হিংস্ৰ জন্তুৰ আক্ৰমণত বা বজ্ৰপাতত যদি গোষ্ঠীৰ কোনোবা মানুহ মৰিছিল, পাহাৰ বা গছৰ পৰা যদি কাৰোবাৰ মৃত্যু হৈছিল, নদী বা পিটনিত পৰি যদি কোনোবা হঠাৎ ডুবি গৈছিল, গোষ্ঠীৰ মানুহে তেতিয়া এই সকলো দুৰ্ঘটনাক দেখিছিল সেই ভয়ংকৰ শক্তিবিলাকৰ অভিব্যক্তি হিচাপে— যি শক্তি মানুহক সদায় দমন কৰি ৰাখিবলৈহে আছিল। দুৰ্ঘটনাত শক্তিক্ষয় হৈ ওপজা দুখবোধ আৰু অধিক ক্ষতিহোৱাৰ আশংকাজনিত ভীতি ইত্যাদিয়ে মানুহক সচেষ্ট কৰি তুলিছিল এই সকলো ক্ষয়ক্ষতিৰ পৰা আত্মৰক্ষা কৰিবলৈ, সমষ্টিগত সকলো শক্তি দি মৃত্যুৰ বিভিষীকাৰ বিৰুদ্ধে যুঁজিবলৈ আৰু প্ৰতিহিংসাৰে জ্বলি উঠিবলৈ। এই ধৰণৰ শক্তিক্ষয়ে তেওঁলোকৰ অসচেতন মনত জন্ম দিছিল এটা সাৰ্বজনীন গভীৰ আকাংক্ষাৰ। মৃত্যুৰ সন্মানত আয়োজিত সমাধি অনুষ্ঠানৰ ভোজসভাতেই বোধহয় তেওঁলোকে এই পোন প্ৰথম জন্ম দিছিল বৌধিক ধাৰণাৰ ব্যক্তিসত্তাৰ। এই নবলব্ধ বৌধিক ধাৰণাৰে অনুপ্ৰাণিত হৈ নিশ্চয় তেওঁলোকে অদৃশ্য শক্তিবিলাকৰ বিৰুদ্ধে একধৰণৰ যুদ্ধ ঘোষণা কৰি সেই অনুভূতি ব্যক্তিসত্তাৰ ওপৰত আৰোপ কৰিছিল। তেওঁলোকৰ দক্ষতা, শক্তি আৰু বুদ্ধিৰে সৈতে সকলো গুণ আয়ত্ত কৰিছিল, যাৰ সহায়েৰে ব্যক্তি আৰু গোষ্ঠী উভয়েই দৃঢ় আৰু বলিষ্ঠ হ'ব পাৰে। সেই মুহূৰ্ততে নিশ্চয় গোষ্ঠীৰ প্ৰতিজন লোকে নিজৰ কোনো কীৰ্তিৰ কথা, কোনো সুখানুভূতি বা হঠাৎ ভুমুকি মৰা মনোজগতৰ কোনো চিন্তাৰ কথা স্মৰণ কৰিছিল।

এই চিন্তা কৰা মানুহজনে সমষ্টিগত অস্তিত্বৰ বাহিৰে তেওঁৰ 'মই' (I) ৰ অস্তিত্ব সম্পৰ্কে তেতিয়া অবগত নাছিল। সেই 'মই'ৰ অন্তৰ্গত সকলো চিন্তা সৰ্বশক্তিৰে যোগ কৰিছিল সেই মৃত মানুহজনৰ ৰূপকল্পনাত। এইধৰণেই গোষ্ঠীৰ সমষ্টিগত সত্তাৰ ওপৰত বীৰৰ ধাৰণাৰ (concept of the Epic Hero) জন্ম হৈছিল, যি বীৰ আছিল গোষ্ঠীৰ সমগ্ৰ শক্তিৰ ধাৰক আৰু বাহক—তাৰ মাধ্যমেদিয়েই হৈছিল গোষ্ঠীৰ আত্মিক শক্তিৰ প্ৰতিফলন। এই সময়ছোৱাতেই সম্ভৱতঃ মানুহৰ মাজত এটা অপূৰ্ব মানসিক অবস্থাৰ উদ্ভৱ হৈছিল যাৰ ফলত মানুহৰ সৃষ্টিশীল আকাংক্ষাই মৃত্যুক জীৱনত পৰিণত কৰিব খুজিছিল। মৃত ব্যক্তিক স্মৰণ কৰাৰ মাজেদি সকলো ব্যক্তিগত কামনাবিলাকে মৃত ব্যক্তিজনাৰ কল্পনাত কেন্দ্ৰীভূত হোৱাৰ ফলত নিশ্চয় গোষ্ঠীয়ে তেওঁলোকৰ সৃষ্ট সেই মানস নায়কৰ উপস্থিতিও নিজৰ মাজত উপলব্ধি কৰিছিল। মই ভাবোঁ ক্ৰমোন্নতিৰ এই পৰ্যায়তেই মানুহৰ মাজত 'সি'—এই ধাৰণাৰ জন্ম ; কিন্তু 'মই' (I)ৰ ধাৰণাৰ তেতিয়াও জন্ম হোৱা নাছিল, কাৰণ গোষ্ঠীৰ বাবে তেতিয়াও তাৰ দৰকাৰ নাছিল।

গোষ্ঠীবিলাক (Clans) একত্ৰিত হৈ ক্ৰমে বহুতো উপজাতিৰ (Tribes) ৰূপ ল'লে আৰু গোষ্ঠীনায়কৰ ধাৰণা উপজাতিনায়কৰ (Tribal Hero) কল্পনাত যোগ হ'ল। হাৰকিউলিছৰ (Hercules) পৰিশ্ৰম সম্ভৱতঃ বাৰটা গোষ্ঠীৰ ঐক্যৰ পৰিচায়ক।

এনেকুৱা নায়কৰ শৌৰ্য-বীৰ্য যেতিয়া গৰ্ব আৰু শ্ৰদ্ধাৰ বস্তু হৈ পৰিল, জনগণে তেতিয়া তেওঁক ঈশ্বৰৰ আসনত অধিষ্ঠিত কৰা প্ৰয়োজন অনুভব কৰিছিল, যাতে সমগ্ৰ মানব জাতিৰ বিৰুদ্ধশক্তি হিচাপে বিবেচিত অসংখ্য প্ৰাকৃতিক শক্তি আৰু সমপৰ্যায়ৰ



OKDISCD

সংগঠিত শক্তিৰ বিৰোধিতা কৰা যায়। নায়ক ঈশ্বৰৰ শক্তিৰে আন অজ্ঞাত শক্তিৰূপী ঈশ্বৰৰ বিৰোধিতা কৰা যায়। মানুহ আৰু অজ্ঞাত ঈশ্বৰৰ এই দ্বন্দ্বই সৃষ্টি কৰিছিল সমগ্ৰ মানব জাতিৰ প্ৰতিভা স্বৰূপ সেই অসাধাৰণ কল্পনায়ক প্ৰমিথিউছক ( Prometheus )। ইয়াতে জনগণৰ সৃষ্টিশীল প্ৰতিভা বিশ্বাস আৰু প্ৰত্যয়ৰ উচ্চতম শিখৰত উপনীত হৈছিল, কাৰণ, এই প্ৰতীকৰ মাজেদি জনগণৰ আশা আকাংক্ষাৰ উচ্চতম পৰ্যায় ব্যক্ত হৈছিল আৰু ঈশ্বৰৰ লগত এটা সমত্ববোধৰ চেতনা প্ৰকাশ পাইছিল।

মানুহৰ সংখ্যা বৃদ্ধিৰ লগে লগে ক্ৰমে গোষ্ঠীবিলাকৰ পৰস্পৰৰ মাজত সংগ্ৰাম আৰম্ভ হ'ল আৰু সমষ্টিগত 'আমি' ( We ) এই ধাৰণাৰ লগতে দেখা দিলে 'সিঁহতে' (Them) সমষ্টিৰ ধাৰণা; 'মই'ৰ ( I ) ধাৰণা আহিছিল এইবিলাকৰ মাজত সংগ্ৰামৰ ফলত। 'মই'ৰ ( I ) উৎপত্তিৰ ধাৰাৰ লগত মহাকাব্যৰ নায়কবিলাকৰ সৃষ্টিৰ ধাৰাৰ সাদৃশ্য বিচাৰি পোৱা যাব। কাৰণ, ব্যক্তিত্বৰ সৃষ্টি কৰাটো যৌথসত্তাৰ কাৰণে আৱশ্যক হৈ পৰিছিল প্ৰকৃতি আৰু সিঁহতৰ (Them) বিৰুদ্ধে যুজিবলৈ। সেই সময়ত এক বিশেষ দক্ষতা অৰ্জন (Specialization) কৰাৰ প্ৰয়োজনেও দেখা দিলে আৰু সমষ্টিৰ অভিজ্ঞতা সকলো লোকৰ মাজত বিতৰণ কৰি সকলোকে সমৃদ্ধ কৰি তোলাও দৰ্কাৰ হ'ল। এই সময়ছোৱাক গোষ্ঠীৰ সামগ্ৰিক ভাঙনৰ আৰম্ভণি বুলি ধৰিব পাৰি। যিয়েই নহওক, যেতিয়া গোষ্ঠীয়ে তেওঁলোকৰ মাজৰ পৰা কোনো ব্যক্তিক দলপতি বা পুৰোহিত হিচাপে ডাঙি ধৰিছিল, তেওঁক সকলো অভিজ্ঞতাৰে ঠিক তেনেদৰেই সমৃদ্ধ কৰা হৈছিল যেনেদৰে কোনো কল্পনায়কক সৃষ্টি কৰা হৈছিল সমষ্টিৰ মননেৰে। দলপতি বা পুৰোহিতৰ ওপৰত দায়িত্ব আৰোপ কৰা হৈছিল সাধাৰণতঃ আদেশ, পৰামৰ্শ আৰু কেতিয়াবা বশীকৰণৰ (Hypnotic influence) মাধ্যমেৰে। কিন্তু এইদৰে গোষ্ঠীয়ে যেতিয়া কোনো ব্যক্তিৰ সৃষ্টি কৰিছিল তেতিয়াও সমষ্টিগত শক্তিৰ ঐক্যৰ ভিতৰুৱা সচেতনতাৰ বিৰোধিতা কৰা নাছিল; এই সচেনতা ধ্বংস হৈছিল ব্যক্তি মানসিকতাৰ স্ফুৰণৰ মাজেদি। এনেকুৱা যৌথসত্তাই যেতিয়া ব্যক্তিসত্বাক তেওঁলোকৰ নিজৰ মাজৰ পৰাই টানি আনিলে, যিয়ে প্ৰথম গোষ্ঠীৰ ওচৰা-ওচৰি আৰু পিছত গোষ্ঠীৰ ওপৰত নিজৰ স্থান কৰি লৈছিল, সেই ব্যক্তিসত্তাই কিন্তু আৰম্ভণিতে গোষ্ঠীৰ মুখপাত্ৰ হিচাপেই তাৰ কৰ্তব্য সম্পাদন কৰিছিল। কিন্তু পৰৱৰ্তী কালছোৱাত এই ব্যক্তিসত্তাই যেতিয়া একধৰণৰ স্বকীয় দক্ষতা অৰ্জন কৰিছিল আৰু যৌথ অভিজ্ঞতা প্ৰসূত বিভিন্ন জ্ঞানৰ মিশ্ৰণ ঘটাব পাৰিছিল তেতিয়া ই গোষ্ঠীৰ আত্মিক শক্তি নিৰপেক্ষ নিজস্ব সৃজন শক্তি সম্বন্ধে সচেতন হৈ উঠিল।

এই সময়ছোৱাকেই অমি ব্যক্তিসত্তাৰ প্ৰস্ফুটিত হোৱাৰ সূচনাকাল বুলি ধৰি লব পাৰোঁ। ব্যক্তিসত্তাৰ এই নতুন আত্মোপলব্ধিয়ে সূচিত কৰিলে ব্যক্তিবাদৰ (Individualism) নতুন জীৱন নাট্য। (ক্ৰমশঃ) ++



আন্তৰ্জাতিক ৰাজনীতি

# দুই বৃহৎ শক্তিৰ ৰণভূমি আফ্ৰিকা (৩)

ভাৰ্গৱ গোস্বামী

এংগোলাত ছোভিয়েট ৰুছিয়াই যি 'নীতি-কৌশল' প্ৰয়োগ কৰি সামাজিক সাম্ৰাজ্যবাদী ঘাটি তৈয়াৰ কৰাত সাময়িক বিজয় লাভ কৰিলে সি মাৰ্কিন যুক্তৰাজ্য আৰু ইউৰোপীয় সাম্ৰাজ্যবাদী দেশসমূহক আফ্ৰিকা পৰিক্ৰমাত অধিক সতৰ্ক আৰু সজাগ হবলৈ বাধ্য কৰি তুলিলে। এংগোলাত হোৱা ব্যৰ্থতাই সিহঁতক শিকালে মুক্তি-সংগ্ৰাম চলি থকা দক্ষিণাঞ্চলৰ বাকী দেশকেইখনতো যদি অনুৰূপ পৰিস্থিতিৰ সৃষ্টি হয় তেনেহলে তাৰ প্ৰতিক্ৰিয়া হ'ব সুদূৰপ্ৰসাৰী আৰু সামগ্ৰিকভাবে আফ্ৰিকাত আৰু বিশ্বৰ অন্যান্য গুৰুত্বপূৰ্ণ অবস্থানত সাম্ৰাজ্যবাদৰ স্থিতাবস্থা ৰক্ষা কৰা জটিল হৈ পৰিব। আনহাতে মাৰ্কিন যুক্তৰাজ্যকে মুখ্য কৰি সাম্ৰাজ্যবাদী দেশসমূহৰ বিস্তৃত পুঁজি আৰু সম্পদ-লুণ্ঠনৰ থল হেৰাই যাব; তাৰ পৰিণাম যে অতি মাৰাত্মক সেই বিষয়ে মাৰ্কিন যুক্তৰাজ্যই আফ্ৰিকাৰ খনি সম্পদৰ ওপৰত কিমান নিৰ্ভৰ কৰিব লগা হৈ আহিছে সিয়ে প্ৰমাণ কৰে।

এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মাৰ্কিন যুক্তৰাজ্য, বৃটেইন, ফ্ৰান্স, পশ্চিম জাৰ্মানী আদি দেশে দক্ষিণ আফ্ৰিকা আৰু ৰোডেছিয়াৰ ক্ষেত্ৰত সংখ্যালঘু শ্বেতাংগ শাসকবৰ্গৰ পক্ষে থাকি প্ৰত্যক্ষ আৰু পৰোক্ষভাবে গ্ৰহণ কৰি অহা 'উগ্ৰনীতি' পৰিহাৰ কৰাৰ মতলব থকা বুলি দোহাৰি কিছু 'সহনীয় নীতি' লবলৈ আগবাঢ়ি অহাৰ ভাব প্ৰদৰ্শন কৰে আৰু নামিবিয়া আৰু ৰোডেছিয়াৰ ক্ষেত্ৰত দীৰ্ঘদিনীয়া 'সমস্যা সমাধানৰ' পক্ষে নীতি-কথা ব্যক্ত কৰিবলৈ লয়। এফালে জোৰদাৰ মুক্তিসংগ্ৰাম আৰু আনফালে সেই মুক্তি সংগ্ৰামৰ স্বাৰ্থৰ অচিলা লৈয়ে ছোভিয়েটে নিজৰ আধিপত্যৰ থল বহলাবলৈ লোৱা ভূমিকা—এই দুয়োটা দিশৰ ওপৰত সতৰ্ক দৃষ্টি ৰাখিয়ে 'আইৰো বাৰ্তা, গংগাৰো যাত্ৰা' নীতি প্ৰয়োগ কৰিবলৈ উদ্যোগ লয়।

১৯৭৬ চনত মাৰ্কিন যুক্তৰাজ্যৰ তেতিয়াৰ বৈদেশিক সচিব কিছিঞ্জাৰে আফ্ৰিকাত বিস্তৃত চফৰ কৰে আৰু প্ৰথমবাৰৰ বাবে নামিবিয়া আৰু ৰোডেছিয়াত 'শান্তিপূৰ্ণ আলাপ আলোচনা'ৰ মাধ্যমেৰে সংখ্যাগৰিষ্ঠ কৃষ্ণাংগৰ হাতলৈ পৰ্যায়ক্ৰমে ক্ষমতা হস্তান্তৰ কৰাৰ পক্ষে ওকালতি কৰে। তাৰ পিছতে ইংগ মাৰ্কিন আচনিখন মানি নললে



OKDISCD

তেল যোগানৰ ক্ষেত্ৰত অৱৰোধ আৰোপ কৰা হ'ব বুলিও দক্ষিণ আফ্ৰিকাৰ শ্বেতাংগ শাসকক লোকক দেখুৱাই হলেও হুমকি দিয়ে। কিছিঞ্জাৰ আৰু তাৰ পিছত মাৰ্কিন যুক্তৰাজ্য আৰু বৃটেন আদিয়ে লোৱা উদ্যোগৰ মৰ্ম হ'ল সাম্ৰাজ্যবাদৰ ঘাটি অব্যাহত ৰখাকৈ কিছুমান অনুগত লোকৰ হাতত প্ৰশাসনৰ নিয়ম মাফিক দায়িত্ব অৰ্পণ কৰি চলিত ব্যৱস্থাটোকে খতি খুন নোহোৱাকৈ বৰ্তাই ৰখা। বৰ্ণবৈষম্যবাদী, বিশ্বজনমতৰ তীব্ৰ নিন্দাৰ পাত্ৰ আৰু সশস্ত্ৰ মুক্তি সংগ্ৰামৰ ক্ৰমবৰ্দ্ধিত আঘাতত অধৈৰ্য সংখ্যালঘুৰ হাতৰ পৰা অনুকুল শক্তিৰ হাতত ক্ষমতা দি বিৰল সম্পদ আৰু পুঁজিৰ শোষণৰ থল অব্যাহত ৰখাৰ লগতে সমগ্ৰ আফ্ৰিকাৰ ক্ষেত্ৰত শক্তিৰ ভাৰসাম্য প্ৰতিদ্বন্দ্বী শক্তিৰ বিৰুদ্ধে নিৰ্দিষ্ট কৰা অৰ্থাৎ সামগ্ৰিকভাবে আফ্ৰিকাৰ দক্ষিণাঞ্চলটো সাম্ৰাজ্যবাদৰ কক্ষত ধৰি ৰখা। সশস্ত্ৰ মুক্তি সংগ্ৰামত বিভ্ৰান্তি আৰু অনৈক্য সৃষ্টি কৰিবৰ বাবে ছোভিয়েটে প্ৰচেষ্টা চলাই থকাৰ দৰেই মাৰ্কিন যুক্তৰাজ্যইও কিছুমান তাবেদাৰ কৃষ্ণাংগক হাত কৰি আনুষ্ঠানিকভাবে ক্ষমতা অৰ্পণ কৰাৰ ভেকো-ভাওনা পতাৰ আখৰা চলায়। দক্ষিণ আফ্ৰিকা আৰু ৰোডেছিয়াই এই পৰ্যন্ত লোৱা ব্যৱস্থাবোৰে এই মাৰ্কিন নীতিৰে সাক্ষ্য দিয়ে। ১৯৬৯-৭০ চনত মাৰ্কিন যুক্তৰাজ্যৰ নেচনেল ছিকিউৰিটী কাউন্সিলে প্ৰণয়ন কৰা আৰু 'টাৰ বেবী' বুলি চমুতে জনাজাত আঁচনিখনত যি নীতি-কথা ব্যক্ত কৰা হৈছিল এতিয়া তাকে আফ্ৰিকাৰ দক্ষিণাঞ্চলত প্ৰয়োগ কৰা হৈছে। এই আচনি মতে মাৰ্কিন যুক্তৰাজ্যই শ্বেতাংগ শাসিত ৰাষ্ট্ৰত নৰম পন্থা গ্ৰহণৰ বাবে কৃষ্ণাংগ আৰু শ্বেতাংগ শাসিত উভয় ৰাষ্ট্ৰৰ লগতে বিস্তৃত সহযোগিতা কৰিব লাগে, উত্তেজনা হ্ৰাস কৰাত কৃষ্ণাংগ শাসিত ৰাষ্ট্ৰবোৰৰ সহযোগিতা আদায় কৰিব লাগে আৰু অঞ্চলটোৰ ৰাষ্ট্ৰবোৰৰ মাজত উন্নত সম্পৰ্কৰ বাবে উৎসাহ দিব লাগে। আফ্ৰিকাৰ দক্ষিণাঞ্চলত সমস্যা সমাধনৰ বাবে মাৰ্কিন যুক্তৰাজ্য, বৃটেইন আদি দেশে যি ব্যৱস্থা লৈছে সেই ব্যৱস্থা এই আচনিৰ লগত খাপ খাই পৰে।

কিন্তু 'আপোচ আলোচনা'ৰ সাম্ৰাজ্যবাদী কৌশলে ঠাই লৈছে যদিও আক্ৰমণ আৰু হিংসাৰ নীতিও যে 'প্ৰয়োজন থলত' পৰিহাৰ কৰা নহয়—তাৰ প্ৰমাণ জায়েৰৰ ঘটনাই দিছে। ছোভিয়েট-কিউবাৰ আধিপত্য সম্প্ৰসাৰণকামী নীতিৰ বিৰুদ্ধে মাৰ্কিন সাম্ৰাজ্যবাদৰ নেতৃত্বত বাকী সাম্ৰাজ্যবাদী দেশবোৰে সামৰিক হস্তক্ষেপ কৰিবলৈও যে পিচ নোহোহঁকে সেই কথা মাৰ্কিন যুক্তৰাজ্যৰ আশীষ ধন্য হৈ ফ্ৰান্স আৰু বেলজিয়ামে জায়েৰত হস্তক্ষেপ কৰা কাৰ্যই প্ৰমাণ কৰে। সেয়ে হলেও এটা বিষয়ত এই দুয়োটা শিবিৰৰ লক্ষ্য একে—সশস্ত্ৰ মুক্তি সংগ্ৰামক বিভ্ৰান্ত আৰু পথচ্যুত কৰা, দুই ধৰণৰ সাম্ৰাজ্যবাদক ওফৰাই প্ৰকৃত স্বাধীনতা অৰ্জন কৰাৰ পথ বন্ধ কৰা। অবশ্যে এই ক্ষেত্ৰত ছোভিয়েটে নিজৰ স্বাৰ্থৰ 'কল্যাণৰ হকে' সশস্ত্ৰ সংগ্ৰাম চলোৱাৰ বিৰোধিতা নকৰে—মাত্ৰ সামাজিক সাম্ৰাজ্যবাদৰ হাত ধৰি—সীমা ৰক্ষা কৰি সেই সংগ্ৰাম চলাব লাগিব।

এংগোলাৰ সমীপবৰ্তী দেশকেইখন প্ৰাকৃতিক সম্পদত ঐশ্বৰ্যশালী। সেই দেশকেইখনত এনে কিছুমান সম্পদ আছে যিবোৰৰ ওপৰত নিয়ন্ত্ৰণ হেৰাই গলে ঔদ্যোগিক আৰু সমৰ লিপ্সু দেশকেইখনৰ মূৰত মাধমাৰ পৰিব। এই প্ৰসংগতে এংগোলাৰ ঘটনাৰ পিছত ক্ৰমিয়ামৰ সম্পৰ্কত চলা ৰাজনীতিৰ কথা উল্লেখ কৰিব পাৰি। এই ক্ৰমিয়াম প্ৰধানকৈ উৎপাদন হয় (ছোভিয়েটক বাদ দি) দক্ষিণ আফ্ৰিকা (ছোভিয়েটক বাদ দি বিশ্বৰ ৩১ শতাংশ), তুৰস্ক (১৯ শতাংশ), দক্ষিণ ৰোডেছিয়া (১৯ শতাংশ), ফিলিপাইনছ (১৮ শতাংশ) আৰু ইৰাণত (৫ শতাংশ)। এইবিধ গুৰুত্বপূৰ্ণ সম্পদৰ বাবে মাৰ্কিন যুক্তৰাজ্যই ছোভিয়েটৰ ওপৰতো নিৰ্ভৰ কৰিব লাগে—৪৯ শতাংশৰ পৰা ৫৮ শতাংশ ক্ৰমিয়াম (ছোভিয়েটৰ মতে) ছোভিয়েটৰ পৰা ক্ৰয় কৰে। মাৰ্কিন যুক্তৰাজ্যই ৰোডেছিয়াৰ আটাইখিনি ক্ৰমিয়াম ক্ৰয় কৰে। কিন্তু ৰোডেছিয়াৰ বিৰুদ্ধে ৰাষ্ট্ৰসংঘই আৰোপ কৰা অৰ্থনৈতিক অৱৰোধৰ পৰিপ্ৰেক্ষিতত এইবিধ সম্পদৰ গুৰুত্বলৈ চাই আৰু লগতে ৰাজনৈতিক কাৰণত ১৯৭১ চনত এক সংশোধনী যোগে—যাক ছিনেটৰ ৰবাৰ্ট ব্ৰাইড সংশোধনী বুলি জনা যায়—ৰাষ্ট্ৰসংঘৰ অৱৰোধ উলংঘা কৰি ক্ৰমিয়াম আমদানি কৰাৰ পথ প্ৰশস্ত কৰে। কিন্তু এংগোলাত ঘটা ঘটনাৰ পিছত, ছোভিয়েটৰ আগ্ৰাসী নীতিৰ পটভূমিত কিছু 'সহনীয়' হোৱাৰ ইংগিত দিব খুজি সেই সংশোধনী বাতিল কৰি ৰোডেছিয়াৰ সমস্যাটো শান্তিপূৰ্ণভাবে সমাধান কৰিবলৈ 'আগ্ৰহ' থকাৰ ভাব প্ৰদৰ্শন কৰিবলৈ লয়।

ক্ৰমিয়ামৰ এই ৰাজনীতিৰ ক্ষেত্ৰত আন কেইটামান কথাও উল্লেখ কৰা দৰকাৰ। মাৰ্কিন যুক্তৰাজ্যই বৰ্ণ বৈষম্যবাদী সংখ্যালঘু শ্বেতাংগ শাসক বৰ্গৰ অনুকুলে যি নীতি গ্ৰহণ কৰি আহিছে সি আফ্ৰিকাৰ বিভিন্ন দেশত ভীষণ প্ৰতিক্ৰিয়া সৃষ্টি কৰে আৰু সশস্ত্ৰ সংগ্ৰামৰ যোগেদিহে যে সেই শাসক-শোষকক ওফৰাব পৰা যাব, সেই কথা অন্ততঃ নীতিগতভাবে নৰমপন্থী বুলি বিবেচিত সকলেও স্বীকাৰ কৰিবলৈ বাধ্য হয়। আনহাতে ৰণচালিৰ নীতি গ্ৰহণ কৰি থাকিলে শেহান্তত দুটা ঘটনা ঘটিব পাৰে—সশস্ত্ৰ মুক্তি-সংগ্ৰামৰ আঘাতত স্থিতাবস্থা ব্যাহত হ'ব আৰু সাম্ৰাজ্যবাদৰ ঘাটি নিৰ্মূল হব, কিম্বা সশস্ত্ৰ মুক্তি সংগ্ৰামৰ মাৰফতে এংগোলাৰ অনুৰূপ পৰিস্থিতি সৃষ্টি কৰি ছোভিয়েটে নিজৰ আধিপত্য কায়েম কৰিব। এই দুয়োটা ক্ষেত্ৰতে মাৰ্কিন যুক্তৰাজ্যৰ নেতৃত্বাধীন বিশ্ব সংকুচিত হ'ব। এই প্ৰসংগতে উল্লেখ কৰিব পাৰি যে এংগোলাত কিউবাৰ সৈন্য নমাই 'মুক্তি সংগ্ৰাম' চলোৱা ছোভিয়েটে সামৰিক শক্তিত নিশকটীয়া বহু কেইখন আফ্ৰিকীয় দেশত সাম্ৰাজ্যবাদ-বিৰোধী আৰু মুক্তি সংগ্ৰামৰ পক্ষে বুলি যি এক ভ্ৰান্তি সৃষ্টি কৰিবলৈ সমৰ্থ হৈছে সিও প্ৰতিদ্বন্দ্বী বৃহৎ শক্তিটোৰ বাবে উদ্বেগৰ কাৰণ। গতিকে এই সকলোবোৰ বিষয় চালিজাৰি চালে দেখা যায় 'শান্তিপূৰ্ণ সমাধান'ৰ পক্ষে উদ্যোগ লৈ বিশ্বাসযোগ্যতাৰ ভাবমূৰ্তি এটাও সৃষ্টি কৰা একান্ত দৰ্কাৰ। আনকি বৃটিছ প্ৰধানমন্ত্ৰী কালাঘানেও সকিয়াই দিয়ে যে ব্ৰাইড সংশোধনী বাতিল কৰাৰ মাজেদিহে কৃষ্ণাংগ আফ্ৰিকাই মাৰ্কিন যুক্তৰাজ্যক জুখি চাব। কিছিঞ্জাৰে আফ্ৰিকীয় দেশক আৰু বিশ্বজনমতক আশ্বাস দিছিল সংশোধনীটো বাতিল কৰা হ'ব—কাৰণ আফ্ৰিকা চফৰৰ কালত সেই প্ৰশ্ন হৈ পৰিছিল বিশ্বাসযোগ্যতাৰ প্ৰশ্ন। ৰাষ্ট্ৰসংঘত থকা মাৰ্কিন ৰাষ্ট্ৰদূত এন্দ্ৰিউ ইয়াঙেও মাৰ্কিন কংগ্ৰেছক সতৰ্ক কৰি দিছিল—ক্ৰ'ম আমদানি নিষিদ্ধ নকৰিলে 'আমি জিম্বাবুই, মুজাম্বিক, বচ্ছোৱানা, জাম্বিয়া আৰু আনকি দক্ষিণ আফ্ৰিকাতো অশান্তিৰ সন্মুখীন হ'ম। ফলত ক্ৰ'মেই নহয় আফ্ৰিকাৰ—দক্ষিণাঞ্চলৰ আন ৮ বিধ গুৰুত্বপূৰ্ণ খনিজ সম্পদৰ পৰাও আমি বঞ্চিত হ'ম।'

অবশ্যে মন কৰিবলগীয়া যে ক্ৰ'ম সম্পৰ্কীয় কাৰিকৰী বিদ্যাৰ অগ্ৰগতিৰ ফলত

OKDISCD

এতিয়া মাৰ্কিন কোম্পানীয়ে ফিলিপাইনছ আৰু তুৰস্কৰ নিম্ন মানৰ ( low grade
ore ) আঁহ ব্যৱহাৰ কৰিব পৰা হ'ল । কিন্তু কেৱল সেইবাবেই যে সংশোধনীটো
বাতিল কৰা হ'ল—তেনে চিন্তা অমূলক । ক্ৰ'ম আমদানিৰ লগত আফ্ৰিকাৰ
দক্ষিণাঞ্চলত মাৰ্কিন যুক্তৰাজ্যৰ ৰাজনীতি জড়িত হৈ আছে—দক্ষিণ আফ্ৰিকা আৰু
ৰোডেছিয়াক শ'লঠেকত পেলোৱাটো কাম্য নহয়—কাৰণ তেতিয়া সন্ধিৰ বাঁহ বুদ্ধিৰে
কাটিব পৰাটো সম্ভৱ হৈ নুঠিব । প্ৰতিষ্ঠিত প্ৰশাসনক নিজৰ সামগ্ৰিক স্বাৰ্থৰ
বাবেই, বিশ্বজনমত উপেক্ষা কৰিও সহায়-সমৰ্থন আগবঢ়াই থাকি সিহঁতৰ ছত্ৰছায়াতে
অনুগত প্ৰশাসনৰ বাবে চেষ্টা চলাব লাগিব । মুক্তি সংগ্ৰাম আৰু ছোভিয়েট
আগ্ৰাসনৰ বিৰুদ্ধে যুজা শক্তিতো সিহঁতেই ।

একোবিধ সম্পদৰ লগতো কি ধৰণৰ ৰাজনৈতিক প্ৰক্ৰিয়া জড়িত হৈ থাকিব
পাৰে সেই কথা ইয়াৰ পৰাই বুজিব পাৰি । কাৰ্টাৰে এনেয়ে কোৱা নাই : কিছু-
মান সম্পদ আছে যিবোৰ কেৱল আফ্ৰিকাৰ দক্ষিণাঞ্চলেহে আমাক যোগান ধৰিব
পাৰে । ( ৰোডেছিয়াত অস্ত্ৰ নিৰ্মাণৰ বাবে অতি প্ৰয়োজনীয় টাংষ্টেনৰ ভাণ্ডাৰো
আছে । ) মুঠ কথাত বহু গুৰুত্বপূৰ্ণ খনি সম্পদ, ব্যাপক পুঁজি আৰু ৰণকৌশলৰ
দিশৰ পৰা গুৰুত্বপূৰ্ণ অৱস্থান—এই সকলোবোৰৰে স্বাৰ্থ সংৰক্ষণৰ বাবে, যেনেতেনে
স্থিতাৱস্থা বৰ্তাই ৰাখিবৰ বাবে আৰু সৰ্বোপৰি প্ৰতিদ্বন্দ্বী শক্তিৰ অগ্ৰসৰমান ভূমি-
কাৰ সন্মুখত নিজৰ পুৰণি আধিপত্যৰ ভূমি ৰক্ষা কৰিবৰ বাবে কেনে ধৰণৰ
ৰাজনীতি কৌশলৰ প্ৰয়োজন সেই কথা পতন-উন্মুখ সাম্ৰাজ্যবাদৰ চৰিত্ৰই প্ৰকাশ
কৰিবলৈ বাকী ৰখা নাই ।

মাৰ্কিন যুক্তৰাজ্যকে ধৰি ইউৰোপীয় সাম্ৰাজ্যবাদী দেশসমূহে আফ্ৰিকাত লুণ্ঠন
চলাই আছে । বিশেষকৈ মাৰ্কিন যুক্তৰাজ্যই আফ্ৰিকাৰ খনি সম্পদৰ ওপৰত বহু
নিৰ্ভৰ কৰিব লাগে । ১৯৭৬ চনৰ এটা হিচাপ মতে, মাৰ্কিন যুক্তৰাজ্যই আফ্ৰিকাৰ
পৰা প্ৰয়োজনীয় কোবাল্টৰ ৭২ শতাংশ, মেংগানিজৰ ৫১ শতাংশ, এন্টিমনিৰ ৪৩
শতাংশ, তামৰ ১৪ শতাংশ, ১০০ শতাংশ হীৰা, কলাম্বাইট আৰু পাম অইল, ৫০
শতাংশৰো অধিক কোকো, মেহগনি আৰু কপাহ আমদানি কৰে । তদুপৰি ইউৰে-
নিয়াম, সোণ, ৰবৰ, আৰু তেল আছেই । প্ৰতুল সম্পদ থকা এই মৃগয়াক্ষেত্ৰখন
প্ৰতিদ্বন্দ্বী শক্তিক এৰি দিয়া যায় কেনেকৈ ?

এতিয়া আফ্ৰিকাৰ দক্ষিণাঞ্চলত দুই প্ৰতিদ্বন্দ্বী শক্তিৰ উদ্যোগ নিৰ্দিষ্ট হৈ
পৰিছে । আফ্ৰিকাৰ দক্ষিণ অঞ্চলতে নহয়—সমগ্ৰ আফ্ৰিকাৰ ক্ষেত্ৰতে দক্ষিণ
আফ্ৰিকাক সাম্ৰাজ্যবাদী স্বাৰ্থৰ ধ্বজাধাৰী হিচাপে গঢ়ি তোলা হয় আৰু দক্ষিণ
আফ্ৰিকা ৰাষ্ট্ৰই এক উপ-সাম্ৰাজ্যবাদী চৰিত্ৰ লাভ কৰেগৈ—যাৰ যোগেদি মাৰ্কিন
যুক্তৰাজ্যকে ধৰি ইউৰোপীয় পুঁজি আৰু শোষণৰ পতাকা ৰক্ষা কৰা হয় । এংগোলাত
কিউবাৰ সৈন্যৰ বিৰুদ্ধেও যুজ দিয়ে দক্ষিণ আফ্ৰিকাই—জায়েৰে । আনপিনে এই
পৰ্যন্ত মুজাম্বিক আৰু এংগোলা দক্ষিণ আফ্ৰিকাৰ আক্ৰমণৰ লক্ষ্য হৈ আছে—বেলেগ
বেলেগ কাৰণত । মুঠতে অৰ্থনীতি, ৰাজনীতি আৰু সামৰিক সকলো দিশৰ পৰাই বৰ্ণ
বৈষম্যবাদী দক্ষিণ আফ্ৰিকা আৰু ৰোডেছিয়া সাম্ৰাজ্যবাদী শক্তিৰ ঘাটি স্বৰূপ হৈ
আহিছে আৰু মাৰ্কিন যুক্তৰাজ্য, বৃটেইন আদি দেশে বিশ্বজনমত, ৰাষ্ট্ৰসংঘৰ বিভিন্ন



প্ৰস্তাব উপেক্ষা কৰি সিহঁতক নিজৰ ঘাটি ৰক্ষাৰ পহৰাদাৰ হিচাপে ব্যৱহাৰ কৰিছে ।

দক্ষিণ আফ্ৰিকাৰ সোণ, ইউৰেনিয়াম, ভানাদিয়াম, ক্ৰমিয়াম, এছবেষ্টছ, নিকেল, তাম, হীৰা আৰু এন্টিমণি আদিত মাৰ্কিন যুক্তৰাজ্যকে ধৰি সাম্ৰাজ্যবাদী দেশসমূহৰ বিস্তৃত স্বাৰ্থ জড়িত হৈ আছে । ৰাষ্ট্ৰসংঘৰ যোগেদি প্ৰচাৰ কৰা আৰু ইন্টাৰনেচনেল কনফেদাৰেচন অব ফ্ৰি ট্ৰেড ইউনিয়নৰ দ্বাৰা প্ৰণীত এক ৰিপৰ্টত প্ৰকাশ কৰা হৈছে যে ১৯৭৪ চনৰ পৰা ১৯৭৮ চনৰ আৰম্ভণিলৈকে দক্ষিণ আফ্ৰিকাত পুঁজি বিনিয়োগ কৰা পশ্চিমীয়া দেশৰ বে-চৰকাৰী কোম্পানীৰ সংখ্যা ১৬৩২ টাৰ পৰা ১৮৮৩ টালৈ বৃদ্ধি পায় । সেই কোম্পানীবোৰক নিজৰ নিজৰ চৰকাৰে পুঁজি বিনিয়োগৰ ক্ষেত্ৰত বিস্তৃত সা-সুবিধা দিয়াটো স্বাভাবিক নীতি । ইয়াৰ ভিতৰত বৃটেইনৰ বেচৰকাৰী কোম্পানীৰ সংখ্যাই বেছি, তাৰ পিছতে মাৰ্কিন যুক্তৰাজ্য, পশ্চিম জাৰ্মানী আৰু ফ্ৰান্স । সেই হিচাপ তালিকাখন এনে ধৰণৰ হ'ব : বৃটেইন ৬৯৯, মাৰ্কিন যুক্তৰাজ্য ৫৩৯, পশ্চিম জাৰ্মানী ১৩৫, ফ্ৰান্স ১১৬, অষ্ট্ৰেলিয়া ১০০, নেদাৰলেণ্ডছ ৯২, ছুইডেন ৬৪, বেলজিয়াম ৪৬, ইটালি ২১, ছুইজাৰলেণ্ড ১৮, নিউজিলেণ্ড - জাপান ২ ।

দক্ষিণ আফ্ৰিকাত বিনিয়োগ কৰা বিদেশী পুঁজিৰ ৬০ শতাংশ বৃটেইনৰ । এই বিনি-য়োগৰ বৰ্তমান মূল্য হ'ল প্ৰায় ৪ হেজাৰ নিযুত পাউণ্ড ষ্টাৰ্লিং । দ্বিতীয় বৃহৎ পুঁজি বিনিয়োগকাৰী দেশ হ'ল মাৰ্কিন যুক্তৰাজ্য— মুঠ বিনিয়োগ ১৭০০ নিযুত ডলাৰ অৰ্থাৎ দক্ষিণ আফ্ৰিকাত বিনিয়োগ কৰা বিদেশী পুঁজিৰ ১৭ শতাংশ । মাৰ্কিন যুক্তৰাজ্যৰ বিনি-য়োগৰ এটা বিশেষত্ব হ'ল এয়ে যে প্ৰধানকৈ গুৰুত্বপূৰ্ণ উদ্যোগ খণ্ডত ইয়াক লগ্নী কৰা হৈছে । উদাহৰণ হিচাপে দক্ষিণ আফ্ৰিকাত মাৰ্কিন কোম্পানীয়ে পেট্ৰ'লিয়াম বজাৰৰ ৪৩ শতাংশ, যান-বাহন বিক্ৰয়ৰ ২৩ শতাংশ আৰু কম্পিউটাৰ ব্যৱসায়ৰ ৭০ শতাংশ নিয়ন্ত্ৰণ কৰে । আনহাতে বৰ্ণবৈষম্যবাদী চৰকাৰৰ চৰকাৰী সংস্থা আৰু নিগমবোৰে যিমান পৰিমাণৰ বিদেশী ঋণ লয় তাৰ এক তৃতীয়াংশ যোগান ধৰে মাৰ্কিন বেংকে—হয় পোনপটীয়াকৈ, নহয় আও-পকীয়াকৈ । মাৰ্কিন বেংকে দক্ষিণ আফ্ৰিকাক ২ দশমিক ২ বিলিয়ন ডলাৰৰো অধিক ঋণ দিছে । ফৰ্ড জেনেৰেল মটৰছ, গুড ইয়েৰ টায়াৰ, ৰাবাৰ কোম্পানী আদি বহুজাতিক কোম্পানীবোৰে দক্ষিণ আফ্ৰিকাৰ লগত লেনদেন বৃদ্ধি কৰিছে । কেলটেক্সে শোধন ক্ষমতা সম্প্ৰসাৰণৰ বাবে ১৩৪ নিযুত ডলাৰৰ প্ৰকল্প লৈছে । চেজ মানহাটন বেংকেও ব্যৱসায় বৃদ্ধিৰ ব্যৱস্থা গ্ৰহণ কৰিছে । ৰকফেলাৰৰ ব্যৱসায়ী স্বাৰ্থও অব্যাহত আছে ।

পশ্চিম জাৰ্মানীৰ ব্যক্তিগত লগ্নী পুঁজিৰ পৰিমাণো বৃদ্ধি হৈ গৈছে । ১৯৭৬ চনৰ শেষত ইয়াৰ পৰিমাণ আছিল ৫৭৬ দশমিক ২ নিযুত মাৰ্ক ( প্ৰায় ২১০ দশমিক ৫০ কোটি টকা ) । কিন্তু যোৱা বছৰৰ প্ৰথম তিনিটা মাহতে পশ্চিম জাৰ্মানীৰ কোম্পানীয়ে অতিৰিক্ত ২৬ দশমিক ৮ নিযুত মাৰ্ক ( প্ৰায় ১০ দশমিক ২ কোটি টকা ) বিনিয়োগ কৰে । আনহাতে পশ্চিম জাৰ্মান চৰকাৰে দক্ষিণ আফ্ৰিকালৈ ৰপ্তানিৰ ক্ষেত্ৰত ঋণ মঞ্জুৰী বৃদ্ধি কৰি আছে । ১৯৬৬-৭৭ চনৰ কালছোৱাত এনে ঋণ মঞ্জুৰী চাৰিগুণ বৃদ্ধি পায়— ৬৫৬·৫ নিযুত মাৰ্কৰ পৰা ২৮৭৭৫ নিযুত মাৰ্ক হয়গৈ । আন এটা উল্লেখযোগ্য বিষয় হ'ল— দেখাত দক্ষিণ আফ্ৰিকাত ব্যক্তিগত পুঁজি বিনিয়োগ কৰা কোম্পানীৰ সংখ্যা কম হলেও প্ৰত্যক্ষ বা পৰোক্ষভাবে



OKDISCD

ব্যবসায়িক লেনদেন থকা পশ্চিম জাৰ্মানীৰ কোম্পানীৰ সংখ্যাই প্ৰায় ছয় হেজাৰ।
দক্ষিণ আফ্ৰিকাৰ সংখ্যালঘু শ্বেতাংগ শাসকক শক্তিশালী কৰি ৰাখি লুণ্ঠন চলাই থকাৰ,
সংখ্যাগৰিষ্ঠ কৃষ্ণাংগক শোষণৰ মাজত, চৰম নিপীড়নৰ মাজত ৰাখি মুনাফা লুট কৰাৰ পদ্ধতি
এয়া। বৰ্ণবৈষম্যবাদী নীতিৰ বাবেই দক্ষিণ আফ্ৰিকাৰ লগত অৰ্থনৈতিক আৰু সামৰিক
সম্পৰ্ক ৰক্ষাৰ দিশত বিভিন্ন নিয়ন্ত্ৰণ আছে যদিও সেইবোৰ এই সাম্ৰাজ্যবাদী লুণ্ঠনকাৰী দেশে
মনা নাই। মৌখিকভাৱে বৰ্ণবৈষম্যবাদক নিন্দা কৰিলেও কাৰ্যতঃ তেনে এটা বীভৎস
প্ৰশাসনক ক্ৰমে অধিক শক্তি সংহত কৰি লবলৈ সুবিধা দি অহা হৈছে। আনকি মাৰ্কিন
যুক্তৰাজ্যৰ যহতে ১৯৭৬-৭৭ চনৰ কালছোৱাত ইণ্টাৰনেচনেল মণিটেৰী ফাণ্ডৰ পৰাও
দক্ষিণ আফ্ৰিকাই ৪৬৩ নিযুত ডলাৰৰ ঋণ লাভ কৰে। এক্সপৰ্ট-ইমপৰ্ট বেংকে মাৰ্কিন
যুক্তৰাজ্যত সামগ্ৰী ক্ৰয় কৰিবলৈ দক্ষিণ আফ্ৰিকাক সহায় কৰাৰ মানসেৰে এই বছৰৰে আগ-
ভাগত ২০৪ নিযুত ডলাৰ বিভিন্ন আঁচনিত বিনিয়োগ কৰে।

এইবোৰৰ উপৰিও দক্ষিণ আফ্ৰিকাৰ সমৰ-সজ্জাক এক বিপুল আয়তন দান কৰাত
সাম্ৰাজ্যবাদী দেশবোৰে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ব্যৱস্থা লৈ আহিছে আৰু পৰিণতিত
দক্ষিণ আফ্ৰিকাৰ সামৰিক শক্তিয়ে সম্প্ৰসাৰণৰ চৰিত্ৰ লৈছে। ৰাষ্ট্ৰসংঘৰ অৱৰোধ অমান্য
কৰি পশ্চিমীয়া সাম্ৰাজ্যবাদী দেশবোৰে আধুনিক অস্ত্ৰ শস্ত্ৰৰ, ৩ বিলিয়ণ ডলাৰ মূল্যৰ এক
গোপন ভাণ্ডাৰ গঢ়ি তোলাত সহায় কৰে। নিউইয়ৰ্ক ষ্টেট য়ুনিভাৰছিটিৰ এজন গৱেষকৰ
মতে দক্ষিণ আফ্ৰিকাত অস্ত্ৰ-শস্ত্ৰৰ যোগান দিয়া ঘাই দেশ কেইখন হ'ল বৃটেইন, মাৰ্কিন যুক্ত-
ৰাজ্য আৰু ইটালি।* ফ্ৰান্সেও দক্ষিণ আফ্ৰিকাক অস্ত্ৰ শস্ত্ৰ বিক্ৰি কৰি আহিছে। অতি
গোপনীয় ভাবে কৰা এই লেনদেনবোৰৰ বাবে এই দেশৰ চৰকাৰেই দায়ী আৰু সিহঁতে
এনে লেনদেনত সহায় আগবঢ়াই আহিছে। আনহাতে বৃটেনৰ দুটা ডাঙৰ কোম্পানী—
ইমপেৰিয়েল কেমিকেল ইণ্ডাষ্ট্ৰি আৰু প্লেছি ইলেকট্ৰনিকছে দক্ষিণ আফ্ৰিকাৰ অস্ত্ৰ শস্ত্ৰ
নিৰ্মাণৰ উদ্যোগত লাখ লাখ পাউণ্ড বিনিয়োগ কৰিছে কৰিছে। দক্ষিণ আফ্ৰিকাৰ—
এক্সপ্ৰটিভছ এণ্ড কেমিকেল ইণ্ডাষ্ট্ৰিজ নামৰ কোম্পানীত বৃটেইনৰ প্ৰথমটো কোম্পানীৰ
অংশ ৪০ শতাংশ। আনটো কোম্পানীয়ে ইলেকট্ৰনিক অস্ত্ৰ শস্ত্ৰ নিৰ্মাণ কৰা এটা কাৰ-
খানাত অৰ্থ বিনিয়োগ কৰে।

পশ্চিম এছিয়াত মাৰ্কিন যুক্তৰাজ্যৰ ঘাটি, জায়নিজমৰ ওপৰত প্ৰতিষ্ঠিত ইজৰাইলে
দক্ষিণ আফ্ৰিকাৰ লগত ব্যৱসায়-বাণিজ্যৰ লেনদেন বৃদ্ধি কৰাৰ উপৰি সামৰিক অস্ত্ৰ শস্ত্ৰও
বিক্ৰি কৰে। লণ্ডনৰ 'ইণ্টাৰনেচনেল ইনষ্টিটিউট ফৰ ষ্ট্ৰেটেজিক ষ্টাডিজ'ৰ মতে ফ্ৰান্স আৰু
ইজৰাইল— বৰ্ণবৈষম্যবাদী ৰাষ্ট্ৰখনলৈ অস্ত্ৰ শস্ত্ৰ সৰবৰাহ কৰা প্ৰধান দুখন দেশ। ইজৰাইলে
প্ৰয়োজনীয় কেঁচামালৰ বিনিময়তে প্ৰায়খিনি সমৰাস্ত্ৰ বিক্ৰি কৰে। তদুপৰি এই দুয়োদেশৰ
মাজত তীখা উদ্যোগৰ ক্ষেত্ৰত থকা যুটীয়া লেনদেনৰ মাৰফৎ দক্ষিণ আফ্ৰিকালৈ অস্ত্ৰ শস্ত্ৰ
যোগান দিয়া হয়। গেৰিলা আক্ৰমণ প্ৰতিহত কৰিবলৈ দক্ষিণ আফ্ৰিকাৰ সীমান্তত
ইলেকট্ৰনিক ছাৰ্ভিলেন্সৰ ব্যৱস্থা গঢ়ি তোলাত ইজৰাইলে সহায় কৰে। মাৰ্কিন যুক্তৰাজ্যৰ
অনুগত দেশ হিচাপে ইজৰাইলে যে সাম্ৰাজ্যবাদৰ স্বাৰ্থৰ হকেই এইবোৰ কাম কৰিছে সেই
কথা নকলেও চলে। আনহাতে পশ্চিমীয়া দেশবোৰৰ গোপন সাহায্যতে দক্ষিণ আফ্ৰিকাই
আনবিক কাৰ্যসূচীতো অগ্ৰগতি লাভ কৰে আৰু আনবিক অস্ত্ৰ নিৰ্মাণৰ দক্ষতা লাভ

॥ সাময়িকী ॥



কৰেগৈ বুলিও জনা যায়। ষ্টকহম ইণ্টাৰনেচনেল পীছ ৰিছাৰ্চ ইনষ্টিটিউটৰ ডাইৰেক্টৰ এক অধ্যয়নত কোৱা হৈছে যে আনবিক অস্ত্ৰ শস্ত্ৰ সম্প্ৰসাৰণৰ বিৰুদ্ধে মাত মতা পশ্চিমীয় দেশসমূহেই দক্ষিণ আফ্ৰিকাৰ আনবিক কাৰ্যসূচীত গোপনে সহায় কৰে। ১৯৬৪ চনৰ পৰা হাতত লোৱা এই কাৰ্যসূচী যোগে মাৰ্কিন কোম্পানীয়ে নিৰ্মাণ কৰা প্ৰথম ৰিয়েক্টৰ আৰু মাৰ্কিন যুক্তৰাজ্যই যোগান ধৰা এনৰিছড ইউৰেনিয়ামেৰে কামত আগবঢ়া হয়। ইয়াৰ পিছত আনবিক অস্ত্ৰ শস্ত্ৰৰ বাবে প্লুটোনিয়াম উৎপাদন কৰিবলৈ তৃতীয় এটা ৰিয়েক্টৰো ইতিমধ্যে গঢ়ি তোলা হয়। ১৯৭৩-৭৫ কালছোৱাতে পশ্চিম জাৰ্মানীৰ সহযোগিতাত দক্ষিণ আফ্ৰিকাই ইউৰোনিয়াম এনৰিছমেণ্টৰ প্ৰযুক্তিবিদ্যাত পাৰ্গতালি লাভ কৰে। আন-বিক কাৰ্যসূচীত মাৰ্কিন যুক্তৰাজ্য, ফ্ৰান্স, পশ্চিম জাৰ্মানী আৰু ছুইজাৰলেণ্ডৰ কিছুমান কোম্পানীয়ে যন্ত্ৰপাতি আদি দি সহায় কৰে।

এই অধ্যয়নটোত প্ৰকাশ কৰা হৈছে যে ১৯৭৭ চনৰ মাজভাগলৈকে মাৰ্কিন যুক্তৰাজ্যৰ ১৫৫ জনৰো অধিক আনবিক বিজ্ঞান বিশেষজ্ঞই দক্ষিণ আফ্ৰিকাত কাম কৰে আৰু দক্ষিণ আফ্ৰিকাৰ ৯০ জন আনবিক বিজ্ঞানীক মাৰ্কিন যুক্তৰাজ্যত প্ৰশিক্ষণ দিয়া হয়। এই সমস্ত কাম কৰা হৈছে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ প্ৰস্তাৱ উলংঘা কৰি— আনবিক অস্ত্ৰ শস্ত্ৰ বিকাশৰ কাৰ্যসূচীত দক্ষিণ আফ্ৰিকাৰ লগত সহযোগিতা কৰাৰ পৰা বিৰত থাকিবলৈ সকলোবোৰ ৰাষ্ট্ৰকে সেই প্ৰস্তাৱত আহ্বান জনোৱা হৈছিল। ৰাষ্ট্ৰসংঘৰ অন্যান্য বহু প্ৰস্তাৱৰ দৰেই এই প্ৰস্তাৱো হেলাৰঙে উলংঘা কৰা হৈছে।

উল্লেখযোগ্য যে ইউৰেনিয়াম উৎপাদনত চহকী দক্ষিণ আফ্ৰিকাৰ (অবৈধভাৱে দখল কৰি থকা নামিবিয়াকে ধৰি) পৰা ফ্ৰান্স, পশ্চিম জাৰ্মানী, জাপান, ছুইজাৰলেণ্ড, বৃটেইন আদি দেশে ইউৰেনিয়াম ক্ৰয় কৰে।

দক্ষিণ আফ্ৰিকাত মাৰ্কিন যুক্তৰাজ্যকে মুখ্য কৰি সাম্ৰাজ্যবাদী দেশবোৰৰ বিস্তৃত অৰ্থ-নৈতিক, ৰাজনৈতিক আৰু সামৰিক স্বাৰ্থ নিহিত আছে। বৰ্ণবৈষম্যবাদী ৰাষ্ট্ৰব্যৱস্থাটোক সামৰিক দিশত শক্তিশালী কৰি বিশেষভাৱে আফ্ৰিকাৰ দক্ষিণাঞ্চলটোত সাম্ৰাজ্যবাদী ঘাটি ৰক্ষা কৰিব লাগিব। দক্ষিণ আফ্ৰিকাৰ অৱস্থান যে ৰণকৌশলৰ দিশৰ পৰা কিমান গুৰুত্বপূৰ্ণ সেই বিষয়ে সাম্ৰাজ্যবাদ সজাগ। কেৱল পুঁজি লগ্নী কিম্বা মুনাফা লুট কৰাই নহয়— সামৰিক গুৰুত্বৰ পিনৰ পৰাও দক্ষিণ আফ্ৰিকা সাম্ৰাজ্যবাদৰ বিশ্বজোৰা কৌশলৰ অংশ স্বৰূপ। নাটো গোষ্ঠীৰ বাবে দক্ষিণ আফ্ৰিকাৰ অৱস্থানৰ গুৰুত্ব পশ্চিম ইউৰোপ আৰু উত্তৰ আমেৰিকাৰ পিছতে। ভাৰত মহাসাগৰ আৰু দক্ষিণ আটলাণ্টিক মহাসাগৰৰ সন্ধিস্থলত এই দেশে অতি গুৰুত্বপূৰ্ণ কেন্দ্ৰীয় অৱস্থান অধিকাৰ কৰি আছে। দক্ষিণ আফ্ৰিকাৰ গুৰুত্বপূৰ্ণ অৱস্থানৰ প্ৰতি লক্ষ্য ৰাখিয়ে ১৯৫৫ চনত বৃটেইন আৰু দক্ষিণ আফ্ৰিকাৰ মাজত ছাইমনছ টাউন চুক্তি নামে জনাজাত সামৰিক চুক্তি সম্পাদিত কৰা হৈছিল। সেই চুক্তিৰ মূল লক্ষ্য কেইটা আছিল— দক্ষিণ আটলাণ্টিক আৰু আফ্ৰিকাৰ ভূমিখণ্ডৰ প্ৰতিৰক্ষা, বহিঃ আক্ৰমণৰ বিৰুদ্ধে আঞ্চলিক প্ৰতিৰক্ষা আৰু দক্ষিণ আফ্ৰিকাক ঘেৰি থকা সাগৰীয় পথবোৰ ৰক্ষা কৰা। পৰিস্থিতি সলনি হলেও দক্ষিণ আফ্ৰিকাৰ ক্ষেত্ৰত সাম্ৰাজ্যবাদী শিবিৰে জোৰদাৰ মুক্তি সংগ্ৰাম আৰু ছোভিয়েট সামাজিক সাম্ৰাজ্য-বাদৰ প্ৰভাৱৰ পৰিধি সম্প্ৰসাৰণৰ প্ৰচেষ্টাৰ সন্মুখত অনুৰূপ গুৰুত্বকে দি আছে আৰু সেই বাবেই দক্ষিণ আফ্ৰিকাক কেন্দ্ৰ কৰি সিহঁতৰ 'উদ্বেগৰ' অন্ত নাই। + +

**প্ৰবন্ধ/**

# ॥ স্তেলিন আৰু জাতি-সত্তাৰ স্বনিয়ন্ত্ৰণ ॥

—প্ৰাঞ্জল কাকতি

জা-সিত্তাৰ বিকাশ আৰু স্বনিয়ন্ত্ৰণ সম্পৰ্কে স্তেলিনৰ ব্যক্তব্য 'এনে আছিল' বুলি আমাৰ সমাজত সদাশয় ব্যক্তি আৰু ভদ্ৰবেশী বিপ্লবীসকলে কিছুমান কথা কয়, যিবোৰ কথা স্তেলিনৰ ব্যক্তব্যৰ লগত সংগতি থকা হয়নে নহয়, সেই বিষয়ে আমাৰ সন্দেহ আছে। উদাহৰণস্বৰূপে আমাৰ কোনো কোনোৱে ভাবে, অসমৰ জাতীয় প্ৰশ্নটো 'স্বজন প্ৰীতি'ৰ দৰে, অসমীয়া আচলতে জাতিয়েই নহয়, প্ৰতিক্ৰিয়াশীল শ্ৰেণীয়েহে এই সমস্যা সৃষ্টি কৰিছে। প্ৰতিক্ৰিয়াশীল শ্ৰেণীয়েহে যে সাম্প্ৰদায়িক সংঘাত সৃষ্টি কৰিবলৈ সুযোগ বিচাৰি ফুৰে আৰু ফুৰিব— সেই কথা আমি জানো। কিন্তু তাৰ অৰ্থ এইটো নহয় যে অসমীয়া এটা জাতি নহয়। অসমীয়া জাতি হিচাবে ঐতিহাসিকভাবেই গঢ় লৈছে। সি বিতৰ্কৰ বিষয়েই নহয়। এই জাতিৰ অন্যতম উপাদান অসমীয়া ভাষাও ঐতিহাসিকভাবেই সৃষ্টি হৈছে, কোনো প্ৰতিক্ৰিয়াশীলৰ সৃষ্টি নহয়। আমাৰ যি সকল 'সাম্যবাদী'য়ে অসমৰ 'অসমীয়া জাতি' আৰু 'অসমীয়া ভাষা' প্ৰতিক্ৰিয়াশীল সকলৰ সৃষ্টি বুলি ভাবে, তেওঁ-লোকৰ মূঢ়তাৰ দ্বিতীয় প্ৰমাণ লাগে বুলি আমি নাভাবো। দুখৰ কথা, আমাৰ ভদ্ৰ বন্ধুসকলে স্তেলিনৰ নাম আওৰাই আওৰাই অভদ্ৰভাবেই এইখিনি কৰিছে।

'জাতিগত নিষ্পেষণ কি? জাতিগত নিষ্পেষণে বুজায় নিষ্পেষিত জাতিৰ শোষণ আৰু লুণ্ঠনৰ কথা, নিষ্পেষিত জাতিসত্তাৰ অধিকাৰ জোৰপূৰ্বক খৰ্বকৰাৰ কথা, সাম্ৰাজ্যবাদী চক্ৰই যি কাম কৰে।' (স্তেলিন, ১৯১৭) স্তেলিনৰ মতে ৰাছিয়াত জাতিগত নিষ্পেষণ বৰ্তি আছিল ভূমি মালিক অভিজাত সমাজৰ জৰীয়তে। 'কিন্তু অকল ভূমি মালিক অভিজাত শ্ৰেণীয়েই জাতিগত নিষ্পেষণ চলায় সেইটো নহয়,— আৰু এটা শক্তিয়ে চলায়— সি হ'ল সাম্ৰাজ্যবাদী শক্তি। এই শক্তিয়ে উপনিবেশত জাতিসত্তাসমূহক দাসত পৰিণত কৰাৰ পদ্ধতি নিজ দেশতো প্ৰয়োগ কৰে আৰু ভূমিমালিক অভিজাত শ্ৰেণীৰ মিত্ৰ হয়। এওঁলোকৰ লগত যোগ দিয়ে পেটিবুৰ্জোৱা, বুদ্ধিজীৱীৰ একাংশ আৰু ওপৰ স্তৰৰ



শ্ৰমিকশ্ৰেণী—যিসকলে লুণ্ঠণৰ এৰেহা অংশ পায়। এইদৰে এটা সম্পূৰ্ণ সামাজিক চক্ৰ আছে, ভূমি আৰু বিত্তীয় অভিজাতশ্ৰেণীৰ নেতৃত্বত, যি জাতিগত শোষণ সমৰ্থন কৰে।' সাম্ৰাজ্য-বাদৰ সহযোগত অৰ্থনৈতিকভাবে জাতিগত শোষণ চলিথকা অৱস্থাত জাতিগত স্বনিয়ন্ত্ৰণ আৰু স্বায়ত্তশাসনৰ দাবী সেয়ে উৰাই দিব নোৱাৰি।

স্তেলিনৰ নীতি এই নিষ্পেষিত জাতিসমূহৰ ক্ষেত্ৰত কেনে আছিল? জাতিসমূহৰ সমস্যাৰ বৈপ্লবিক পথেৰে সমাধানৰ উদ্দেশ্য ৰাখি স্তেলিনে কইবা ঠাইতো প্ৰায় একে সমাধানৰ পথ দাঙি ধৰিছে।

(১) 'Thus, our views on the national question can be reduced to the following proposition :

(a) Recognition of the right of nations to secession ;

(b) Regional autonomy for nations remaining within the state ;

(c) Special legislation guaranting freedom of development for natlonal minorities ;

(d) A single, indivisible proletarian collective, a single party, for the prolatarians of all nationalities of the given state.

[ The seventh (Aprii) coference of the RSDLP (B) ] ১৯১৭

(জাতীয় প্ৰশ্নত আমাৰ দৃষ্টিভংগী তলৰ সিদ্ধান্তসমূহত থোৰতে ক'ব পাৰি :

(ক) প্ৰত্যেক জাতিৰে মুক্ত হৈ যোৱাৰ অধিকাৰৰ স্বীকৃতি ;

(খ) একে ৰাষ্ট্ৰৰ ভিতৰতে থকা জাতিসমূহৰ বাবে আঞ্চলিক স্বায়ত্ত শাসন প্ৰদান ;

(গ) ক্ষুদ্ৰ জাতিসত্তাসমূহৰ বিকাশৰ স্বাধীনতাক স্বীকৃতি দি বিশেষ আইন প্ৰনয়ণ ;

(ঘ) এখন ৰাষ্ট্ৰৰ সকলো জাতিৰ সৰ্বহাৰা সকলকলৈ এটাসাম্যবাদী দল আৰু অবিভক্ত এটা যৌথ-ব্যৱস্থা গঢ়ি তোলা।)

(২) ১৯১৭ চনৰে মাৰ্চ মাহত আন এখন ৰচনাত স্তেলিনে একে ধৰণৰ আন এটা বক্তব্য ৰাখিছিল ;

"It is therefore necessarry to proclaim

(1) Political autonmy ( not federation ! ) for regions representing integral econumic terretories possessing a specific way to life and populations of a specific national composition, with the right to conduct 'affairs' and 'tution' in their own languages ;

(2) the right of self-determination for such nations as cannot, for some reason or another, remain within the frame-work of the integral state."

( PRAVADA, No, 17, March 25, 1917, )

( গতিকে এইকথা ঘোষণা কৰা প্ৰয়োজন : (১) এটা জাতিৰে গঠিত জীৱন আৰু লোক সমষ্টি' যি অবিচ্ছিন্ন অৰ্থনৈতিক অঞ্চলত বাসকৰে— তেওঁলোকৰ বাবে 'কামকাজ' চলোৱা আৰু 'শিক্ষা গ্ৰহণৰ' ভাষিক অধিকাৰসহ ৰাজনৈতিক স্বায়ত্তশাসন। ফেদাৰেচন নহয়!) ;



OKDISCD

(২) যি বিলাক জাতি কোনো এটা কাৰণত অবিছিন্ন দেশখনৰ ভিতৰত থাকিব নোৱাৰে, তেওঁলোকৰ বাবে স্বায়ত্ত শাসন। )

স্তেলিনৰ মতে জাতিসমূহৰ এই স্বাধীনতাসমূহ অৰ্জনৰ পথ পুঁজিবাদত পাব পৰা স্বাধীনতাৰ ভিতৰতে— "This is the way towards the real abolition of national oppression and towards guaranteeing the nationalities the the maximum liberty possible under capitalism." ( উক্ত ৰচনা ) এই বুৰ্জোৱা অধিকাৰ প্ৰতিষ্ঠা পুঁজিবাদৰ ভিতৰত পাব পৰা সৰ্ব্বোচ স্বাধীনতা।

'Against Federalism' নামৰ প্ৰবন্ধত একেধৰণৰ কথাকে স্তেলিনে কৈছে—

"The solution of national problem must be as procticable as it is redical and final, viz .

(1) The right of secession for the nations inhabiting certain regions of Russia who cannot remain, or who do not desire to remain, within the integral framework ;

(2) Poltical autonomy within the framework of the single ( integral ) state ; with uniform constitutional provisions, for the regions which have a specific national composition and which remain within the integral framework."

( PRAVADA No 19, March, 28, 1917 )

( জাতিসমস্যাৰ সমাধান বৈপ্লবিক, শেষ আৰু কাৰ্যকৰী সমাধান হ'ব লাগিব :

(১) যিবোৰ জাতিয়ে অখণ্ড ৰাছিয়াৰ ভিতৰত থাকিবলৈ ইচ্ছা নকৰে আৰু থাকিব নোৱাৰে, সেইবোৰৰ বাবে বেলেগ হৈ যোৱাৰ অধিকাৰ প্ৰদান ;

(২) যিবোৰ জাতিৰ বিশেষ চৰিত্ৰ আছে, আৰু অখণ্ড দেশৰ ভিতৰতে থাকিব খোজে তেওঁলোকৰ বাবে ৰাজনৈতিক স্বনিয়ন্ত্ৰণ। ) -

দলৰ সেইসময়ত প্ৰচলিত ধ্যানধাৰণাৰ স্তেলিন আছিল সমালোচক। স্তেলিনৰ নীতি শেষত প্ৰচলিত হৈছিল। স্তেলিনৰ সকলো নিবন্ধতে এই কথা পৰিষ্কাৰ হৈছিল যে জাতিগত নিষ্পেষণ শোষকশ্ৰেণীৰ ৰাষ্ট্ৰত শোষণৰ এটা ৰূপ। সেয়ে জাতিগত স্বনিয়ন্ত্ৰণৰ ক্ষেত্ৰত জাতিসমূহ স্বাধীন হৈ যোৱাৰ কাৰ্যকৰী অধিকাৰ বিনে স্বনিয়ন্ত্ৰণৰ বুলি (Phrase) অৰ্থহীন। লেনিনৰ জাতিসমূহৰ স্বনিয়ন্ত্ৰণ সম্পৰ্কীয় বক্তব্যৰ সাৰ সংকলনো হয়েই।

আইৰিছ জাতিৰ মুক্তি সংগ্ৰামৰ প্ৰতি— মাৰ্ক্সৰ মুকলি সমৰ্থন সৰ্বজনবিদিত। কমিউনিষ্ট হোৱাৰ পিছতহে কোনো জাতিৰ মুক্তিসংগ্ৰামক সমৰ্থন কৰা হ'ব তেনে ধাৰণা অগণতান্ত্ৰিক আৰু যান্ত্ৰিক। পায়েতাকভ (Pyatakov) আৰু ঝেৰঝিন্স্কি (Dzerzhinsky) আদিৰ যান্ত্ৰিক ধাৰণাক সমালোচনা কৰি স্তেলিনে লিখিছিল : "We must support every movement directed against imperialism. Otherwise what will the Finish Workers say of us ? Pyatakov and Dzerzhinsky tell us that every national movement is a reactionary movements. That is not true comrades. Is not the Irish movement against British imperialism a democratic movement which is striking a blow at imperialism ?' (বলছেভিক দলৰ সপ্তম এপ্ৰিল কংগ্ৰেছ, ১৯১৭ ) ( আমি সাম্ৰাজ্যবাদৰ বিৰুদ্ধে হোৱা সকলো আন্দোলন সমৰ্থন কৰা প্ৰয়োজন। নহলে ফিনিছ শ্ৰমিকসকলে আমাৰ বিষয়ে কি ভাবিব ? পয়োতাকভ আৰু ঝেৰ ঝিন্স্কিয়ে কৈছে যে প্ৰতিটো আন্দোলনেই প্ৰতিক্ৰিয়াশীল। কিন্তু কমৰেডসকল, সেই কথা সঁচা নহয়। বৃটিছ সাম্ৰাজ্যৰ দৰ বিৰুদ্ধে আইৰিচ জাতিৰ আন্দোলন গণতান্ত্ৰিক নহয়নে ? আৰু ই সাম্ৰাজ্যবাদক আঘাত হনা নাইনে ? )

ফিনলেণ্ডৰ ক্ষেত্ৰত বলছেভিক সকলে কি সিদ্ধান্ত লৈছিল। কেৰেনেস্কি চৰকাৰৰ বিৰুদ্ধে ফিনল্যাণ্ডে মুক্তি আন্দোলন চলাইছিল। এই ক্ষেত্ৰত ৰাছিয়ান বলছেভিকসকলৰ ভূমিকা আছিল **জটিল আৰু গুৰুত্বপূৰ্ণ। ৰাছিয়াৰ শোষকশ্ৰেণীৰ সমৰ্থন কৰিবলৈ** গৈ ফিনিছ শ্ৰমিকসকলক বিৰোধিতা কৰিব, নে ফিনল্যাণ্ডৰ মুক্তি দাবী কৰিব ? স্তেলিনৰ বক্তব্য আছিল : 'আমি অধিকাৰৰ কথা কলেই নহব, আমি যি কোনো এপক্ষে থিয় দিব লাগিব।' অগণতান্ত্ৰিক শোষণকাৰীৰ পক্ষে নে মুক্তিকামী জণগণৰ পক্ষে ? বহু দ্বন্দ্বৰ মাজেদি হলেও বলছেভিকসকলে দ্বিতীয় পথেই বাছি লৈছিল। জাৰৰ অধীনত ফিনল্যাণ্ড আছিল বাবেই সাম্ৰাজ্যবাদী চৰকাৰেও জোৰপূৰ্বক সেই দমননীতি চলোৱা নাছিল। স্তেলিনৰ ভাষাত : 'The representatives of the Finish people, the representatives of Social— Democracy, are demanding that the Provisional Government should restore to the people the right they enjoyed before they were aunexxed to Russia. The provisional Government refuses, because it will not recognize the soverignty of the Finish people. On whose side must we range ourselves ? Obviously, on the side of the Finish people, for it is incoceivable for us to aceept the forciblə retention of any people whatsoever within the bounds of a unitary state. ( বলছেভিক দলৰ সপ্তম এপ্ৰিল কংগ্ৰেছ, ১৯১৭ )

( ফিনিছ জনগণৰ প্ৰতিনিধিসকলে, সামাজিক-গণতন্ত্ৰৰ প্ৰতিনিধিসকলে দাবী কৰিছে যে ৰাছিয়াই দখল কৰাৰ আগতে থকা তেওঁলোকৰ অধিকাৰ ঘূৰাই দিব লাগে। আৰু মধ্যবৰ্তীকালীন চৰকাৰে বিৰোধিতা কৰিছে, কাৰণ ই ফিনিছ জনগণৰ স্বাধীনতাক স্বীকৃতি নিদিয়ে। আমি কাৰ পক্ষে থিয় হ'ম ? নিঃসন্দেহে ফিনিছজাতিৰ পক্ষে, কাৰণ এককেন্দ্ৰিক এখন ৰাষ্ট্ৰৰ ভিতৰত কোনো জতিক জোৰপূৰ্বক ৰখাৰ কথা আমি বুজি নাপাওঁ।' ...... 'আমি যদি ফিনিছজাতিৰ নিজৰ বেলেগহৈ যোৱাৰ সম্পৰ্কে ঘোষণা কৰাৰ অধিকাৰ অস্বীকাৰ কৰোঁ, তেন্তে আমি জাৰতন্ত্ৰৰ নীতিকেই অনুসৰণ কৰা হ'ব। )

স্তেলিনে একান্ত ব্যক্তিগত দৃষ্টি-ভংগীৰ কথা উল্লেখ কৰি কৈছিল 'I personally would be opposed to the secession of Transcaucaria, bearing in mind the common development in Transcancsia and Russia, certain conditions of the struggle of the proletarial and so forth. But if, nevertheless, the people of Transcancasia were to demand s cession, they would ofcourse, secede wtthout encountering opposition from us."





OKDISCD

( মই ব্যক্তিগত ভাবে ট্ৰান্স-ককেছিয়া বেলেগ হৈ যোৱাৰ বিৰোধিতা কৰোঁ— ট্ৰান্স
ককেছিয়া আৰু ৰাছিয়াৰ উন্নয়নৰ ঐক্য, শ্ৰমিক আন্দোলনৰ বিশেষ স্তৰ আদিৰ কথা মনত
ৰাখি। কিন্তু যদি ট্ৰান্সককেছিয়াৰ মানুহে বেলেগহৈ যোৱাৰ অধিকাৰ দাবী কৰে, তেন্তে
আমাৰ পৰা কোনো বিৰোধিতা নোপোৱাকৈ বেলেগহৈ যাব পাৰিব। উক্ত কংগ্ৰেছ )
কিন্তু যিবোৰ দেশ ৰাছিয়াৰ লগত একেখন ৰাষ্ট্ৰতে একেলগে থাকিব— তেওঁলোকৰ
ক্ষেত্ৰত নীতি কি আছিল ? 'The party therefore proposes to institute
regional autonomy for regions which do not desire to secede and
which are distingushed by peculiarities of customs and languages, as,
for instance, Transcancasia, Turkestan and the Ukraine. ( উক্ত
কংগ্ৰেছ )। ( দলে সেয়ে প্ৰস্তাব কৰিছে যে যিবোৰ অঞ্চল বেলেগহৈ যাব নোখোজে,
কিন্তু ভাষা আৰু ৰীতি-নীতিৰ বিশেষত্ব আছে, তেওঁলোকৰ বাবে আঞ্চলিক স্বায়ত্তশাসন
প্ৰবৰ্তন হওক। উদাহৰণস্বৰূপে ট্ৰান্সককেছিয়া, তুৰ্কিস্তান আৰু উক্ৰেইনৰ ক্ষেত্ৰত )।
ভৌগলিক সীমা এই স্বায়ত্তশাসিত অঞ্চলসমূহত জনগণে নিজে ঠিক কৰিব, অৰ্থনৈতিক
অৱস্থা, ৰীতি-নীতি আদিৰ ওপৰত ভিত্তি কৰি। ষ্টেলিনে সেই একে বক্তব্যতে কেৱল
'সাংস্কৃতিক জাতীয় স্বয়ংশাসন' ( Cultural national autonomy ) ৰ কথা অৰ্থহীন
বুলি উল্লেখ কৰিছে ; অৰ্থনৈতিক আৰু ৰাজনৈতিক স্বায়ত্ত-শাসন বাদ দি 'সাংস্কৃতিক,
জাতীয় স্বনিয়ন্ত্ৰণ'ৰ অৰ্থ নাই।
আমাৰ মাজত যিসকলে নিজকে মাৰ্ক্সবাদ— লেনিনবাদৰ প্ৰবক্তা বুলি উল্লেখ কৰোঁ,
অথবা নিজৰ অকৰ্মণ্যতা আৰু সুবিধাবাদী ভূমিকাক মাৰ্ক্সবাদী বুলি ( Phrase ) ৰে
লুকুৱাই ৰাখিব খোজোঁ, সেইসকলৰ বাবে প্ৰকৃততে জাতিসত্তাৰ বিকাশ আৰু স্বনিয়ন্ত্ৰণৰ
প্ৰশ্নটো প্ৰতিক্ৰিয়াশীল। কাৰণ, সুবিধাবাদী, সুবিধাভোগী, বৰ্তমান ৰাষ্ট্ৰৰ পোষ্যপুত্ৰসকলৰ
বাবে বৰ্তমান ভাৰত ( মোৰ বাবে ই টাটা, বিৰলা আৰু গাঁৱৰ আধাসামন্তসকলৰ ভাৰত )
ৰক্ষা কৰা— সাম্ৰাজ্যবাদ, সামাজিক-সাম্ৰাজ্যবাদৰ স্বাৰ্থৰক্ষা কৰা মহান দায়িত্ব।
'ভাৰতীয়ত্ব' ৰক্ষাৰ নামত এওঁলোকে সকলোজাতিৰে স্বনিয়ন্ত্ৰণৰ কথা অস্বীকাৰ কৰে।
নিজৰ কুৎসিৎ বীভৎস ছালৰ তলত সৰু সৰু নিষ্পেষিত জাতিসমূহক দমন কৰাৰ, নিপীড়ন
কৰাৰ অভিলাস লুকুৱাই ৰাখি, গাৰ ওপৰত পিন্ধা হয় 'ৰঙা-চোলা'। এওঁলোকে পাহৰি
যায় যে বৰ্তমান ভাৰতীয় উপমহাদেশীয় জাতি-উপজাতিৰ অনৈক্য আৰু অৰ্থনৈতিক-সামাজিক
দুৰ্গতিৰ কাৰণ। এই ৰাষ্ট্ৰৰ লগত কাকো সাঙুৰি দিবৰ অধিকাৰ সাম্যবাদীৰ নাই।
বিছিন্ন, অতিবাম শ্লোগানেৰে নিজৰ সুবিধাবাদীৰূপ লুকুৱাই ৰখা ভণ্ডদলৰ সেই অধিকাৰ
নাই। বুৰ্জোৱা স্বাধীনতাপ্ৰেমীসকলেও যদি নিজকে মুক্ত কৰিব খোজে, তেন্তে 'ভাৰতৰক্ষাৰ'
নামত তেওঁলোকৰ বিৰুদ্ধে কেন্দ্ৰীয় (?) ভাৰত চৰকাৰৰ লগত মিত্ৰতা কৰাৰ বাহিৰে এনে
সুবিধাবাদীৰ গত্যন্তৰ নাই।
সামৰণিত আমি ক'ব খোজোঁ 'স্বনিয়ন্ত্ৰণৰ বুৰ্জোৱা অধিকাৰ বুলি যিসকলে নাক
কোঁচাই, তেওঁলোকে ষ্টেলিনকো বুৰ্জোৱা বুলি কওক। তেহে নিজৰ মতৰ লগত মাৰ্ক্সবাদ
খাপখাই পৰিব আৰু তেহে মাৰ্ক্সবাদ নিজৰ সুবিধা অনুসৰি বিকৃত কৰাৰ, ব্যবহাৰ কৰাৰ
তথা নাকচ কৰাৰ কামফেৰা সম্পূৰ্ণ হ'ব। লগতে আন এফেৰা বুৰ্জোৱা অধিকাৰ
ব্যবহাৰ কৰি ভোটসংগ্ৰহৰ বাট মুকলি হ'ব। + +

॥ সাময়িকী ॥



# মতামত

এই শিতান লেখক আৰু পাঠকৰ মতামত প্ৰকাশৰ কাৰণে মুকলি থাকিব। সাহিত্য-সংস্কৃতি-ৰাজনীতি বিষয়ৰ যি কোনো চিন্তাই পত্ৰ লেখকে ব্যক্ত কৰিব পাৰে। ব্যক্তিগত কথাৰ টনা আঁজোৰাক কোনো ক্ষেত্ৰতে প্ৰশ্ৰয় দিয়া নহ'ব। যি কোনো চিঠি প্ৰকাশ কৰা নকৰাৰ অধিকাৰ সম্পাদকৰ। মতামতৰ বাবে সম্পাদক দায়ী নহ'ব।

সঃ সাঃ সাঃ

## জাতীয়তাবাদ-কাৰ স্বাৰ্থত ?

( ১ )

শাৰদীয় সংখ্যা (অক্টোবৰ '৭৮) 'সাম্প্ৰতিক সাময়িকী'ৰ সম্পাদকীয়ৰ ওপৰত হোৱা বিতৰ্কত উদয়াদিত্য ভৰালীৰ জাতীয় সমস্যাৰ ওপৰত বস্তুনিষ্ঠ মূল্যায়ন দেখা নগ'ল। ভাব হয় তেখেতে মাৰ্ক্সবাদ অধ্যয়ন কৰি বদ-হজম হোৱাত তাক উকুলিয়াই দিছে।

লেনিনে তাহানিয়েই কৈ থৈ গৈছিল— It is therefore the duty of the class conscious Communist Proletariat of all countries to regard with particular caution and attention the survivals of national sentiments in the countries and among nationalities which have been oppressed the largest ; it is equally necessary to make certain concessions with a view to more rapidly overcoming this distrust and this prejudices ( Draft Theses on National and Colonial Question ) ( গতিকে বেছি সময় নিষ্পেষিত জাতি আৰু জাতি-সত্তাৰ মাজত ৰৈ যোৱা 'জাতীয় ভাব'ক বিশেষ সতৰ্কতাৰে আৰু মনোযোগেৰে বিচাৰ কৰা সকলো দেশৰে শ্ৰেণী-সচেতন কমিউনিষ্ট সৰ্বহাৰাৰ কৰ্তব্য। তেওঁলোকৰ সন্দেহ আৰু অবিশ্বাস আঁতৰাবলৈ কিছুমান ৰেহাই দিয়াই প্ৰয়োজন)।

অসমৰ সামাজিক বিকাশৰ এই ঐতিহাসিক স্তৰত এটা স্বতস্ফুৰ্ত জাতীয়তাবাদী উদ্যম ( spirit ) জাগি উঠা পৰিলক্ষিত হৈছে। ই কোনো সাম্ৰাজ্যবাদী বা সামাজিক সাম্ৰাজ্যবাদী চক্ৰান্তৰে জাপি দিয়া নহয়। কিয়নো যদিও সাম্ৰাজ্যবাদী বা সামাজিক সাম্ৰাজ্যবাদীয়ে সিহঁতৰ বহতীয়া সকলৰ দ্বাৰা বিভিন্ন অঞ্চলত



OKDISCD

যোগনি পুতি শোষণৰ বাট মোকলাবলৈ অহৰহ চেষ্টা কৰিছে আৰু তাৰ বাবে সমাজৰ এটা অংশক উগ্ৰ জাতীয়তাবাদী sloganৰে শ্ৰমিক শ্ৰেণীৰ মাজত বিভেদৰ বীজ সিঁচিছে; কিন্তু ইয়েই নিশ্চয় অসমীয়াৰ মাজত এটা উদ্যম জগাব নোৱাৰে।

অসমীয়া দুৰ্বল মধ্যবিত্ত শ্ৰেণীৰ জাতিগঠন প্ৰক্ৰিয়াত লোৱা দুৰ্বল ভূমিকাৰ বাবে অসমৰ চাৰিসীমাত অসমীয়া জাতিৰ লগত জীণ নোযোৱা উপাদানৰ অৱস্থিতি, অসমৰ সম্পদৰাজিৰ অবাধ লুণ্ঠন, বহিৰাগতৰ অবাধ প্ৰব্ৰজন ( কিছুমানৰ মতে ই বিপ্লৱ খৰতকীয়া কৰিব ) আৰু থলুৱা শ্ৰমিক-কৃষকৰ ওপৰত তাৰ কুফল, অসমত অসমীয়াই সংখ্যালঘু হোৱাৰ ভয় ( এতিয়াৰ ৬০/' অসমীয়া ২০০০ চনত ৫০-৪০./' নহ'বনে ? ) আৰু যুগ যুগ ধৰি ৰাজনৈতিক ভাবে ভাৰতৰ মূল ভূখণ্ডৰ পৰা বিচ্ছিন্ন হৈ থকা আদি কাৰণত অসমীয়া জাতিৰ মাজত এটা জাতীয়তাবাদী মনোভাৱ গঢ় লৈ উঠাটো অতি স্বাভাৱিক। প্ৰশ্ন হ'ল এই ক্ষেত্ৰত মাৰ্ক্সবাদীসকলৰ কৰ্তব্য কি ? যদি আমি লেনিনৰ ভাষাত 'survival of national sentiment' ক অস্বীকাৰ কৰি 'উগ্ৰ জাতীয়তাবাদী' বুলি ( অৱশ্যে ,উগ্ৰজাতীয়তাবাদী' একেবাৰে নাই বুলিলে ভুল হ'ব ) গালি গালাজ আৰম্ভ কৰি দিওঁ আমি অসমীয়া সমাজৰ পৰা বিচ্ছিন্ন (alienate) নহয়নে ? লেনিনৰ ভাষাতে ক'ব পাৰি :— The principle of nationalities historically inevitable in bourgeois society and taking this society into due account, the Marxist fully recognises the historical legitimacy of national movements. But to prevent this recognition from becoming an apologia of nationalism, it must be strtictly limited to what is progressive in such movement, in order that this recognition may not lead to bourgeois ideology obscuring proletarian conciousness. (Lenin—Collected Works Vol. 20. P. 34 ) ( জাতি সত্তাৰ প্ৰশ্নটো বুৰ্জোৱা সমাজত ঐতিহাসিক ভাবে অনিবাৰ্য। ইয়াকে লৈ মাৰ্ক্সবাদীসকলে সম্পূৰ্ণভাবে জাতীয় আন্দোলনৰ ঐতিহাসিক যথাৰ্থতা স্বীকাৰ কৰে। কিন্তু এই স্বীকাৰে যাতে সৰ্বহাৰাৰ চেতনা ৰোধ নকৰে তাৰ বাবে এই আন্দোলনৰ প্ৰগতিশীল দিশকেহে মাত্ৰ স্বীকাৰ কৰিব লাগিব।) এই ক্ষেত্ৰত ডঃ হীৰেণ গোহাঁইৰ মত উল্লেখযোগ্য— "বৰ্তমান কালছোৱাত মাৰ্ক্সবাদে জাতীয়তাবাদক সিমান দূৰলৈ সমৰ্থন কৰিব যিমান দূৰ শোষকৰ বিৰুদ্ধে ব্যাপক জনগণক সি ঐক্যবদ্ধ কৰাত সহায় কৰিব " ( 'সাম্প্ৰতিক সাময়িকী' শাৰদীয় সংখ্যা ১৯৭৮ )।

ভৱানীদেৱে কৈছে জাতি সত্তাৰ প্ৰশ্নটো বুৰ্জোৱা অধিকাৰৰ প্ৰশ্ন—ই অনস্বীকাৰ্য। কিন্তু প্ৰশ্ন হ'ল সমাজ বিকাশৰ এটা স্তৰত বুৰ্জোৱা অধিকাৰৰ ঐতিহাসিক যথাৰ্থতা ( historical legitimacy ) নাই নেকি ? যেনে—বিপ্লৱৰ প্ৰথম স্তৰত 'নাঙল যাৰ মাটি তাৰ' এই শ্লোগান নিদি 'সকলো ভূমিৰ জাতীয়কৰণ' এই শ্লোগান দিলে কৃষকসকলৰ পৰা মাৰ্ক্সবাদীসকল বিচ্ছিন্ন নহবনে ? তেখেতৰ মতে অসমৰ



বৰ্তমানৰ আৰ্থ-সামাজিক ব্যৱস্থাত আশু সমৰ্থন অসমীয়া জাতিৰ আত্মনিয়ন্ত্ৰণ বা জাতি সত্তাৰ আন্দোলন নহয়, সামন্তবাদ তথা সাম্ৰাজ্যবাদ-বিৰোধী সংগ্ৰামহে। কিন্তু তেখেতে সাম্ৰাজ্যবাদ তথা সামন্তবাদ বিৰোধী সংগ্ৰামৰ লগত অসমীয়া জাতিৰ আত্মনিয়ন্ত্ৰণৰ বিৰোধ ক'ত দেখা পালে ? সামন্ত প্ৰভুসকলে এই সাম্ৰাজ্যবাদৰ যুগত সাম্ৰাজ্যবাদী উদ্যোগৰ বাবে লগা কেঁচা সামগ্ৰী যোগান ধৰি সেই সাম্ৰাজ্যবাদীৰ বহতীয়া হোৱাটো তেখেতে নাজানে নেকি ? আকৌ বৰ্তমান পুঁজিবাদৰ উচ্চতম অৱস্থাত সাম্ৰাজ্যবাদৰ লগত জাতীয় মুক্তি সংগ্ৰামৰ দেখ দেখ বিৰোধ আছে। সাম্ৰাজ্যবাদে আজি বিচাৰে বিশ্বৰ বজাৰ। সাম্ৰাজ্যবাদীসকলে নিজ দেশৰ পৰা পুঁজি ৰপ্তানী কৰি বেলেগ দেশত উদ্যোগ স্থাপন কৰি জাতীয় বেৰ ( Natinal barrier ) বোৰ ভাঙি গোটেই পৃথিৱীতে সিহঁতৰ শোষণৰ জাল তৰিবলৈ চেষ্টা কৰে। সিহঁত হৈ পৰে আন্তঃৰাষ্ট্ৰীয় পুঁজিপতি শ্ৰেণী। গতিকে সিহঁতৰ স্বাৰ্থৰ লগত জাতীয় সত্তাৰ আন্দোলনৰ বিৰোধ থকা অতি স্বাভাৱিক। অসমীয়া জাতিৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ এটা মৌলিক অধিকাৰ। লেনিনে কৈ গৈছে :— "The Proletariat must struggle against the enforced retention of oppressed nations within the bounds of the given State, which means that they must fight for the right to self determination" (Col. Works Vol. 22 P. 147) অৰ্থাৎ সৰ্বহাৰা শ্ৰেণীয়ে জোৰপূৰ্বক কোনো দেশৰ নিৰ্দিষ্ট সীমাৰ ভিতৰত নিপীড়িত জাতিক ৰখাটো বিবিচাৰে আৰু জাতিসমূহৰ স্বনিয়ন্ত্ৰণৰ বাবে যুঁজ কৰা প্ৰয়োজন।

ষ্টেলিনে ৰাছিয়াৰ নিষ্পেষিত জাতিৰ বিষয়ে কৈছিল — The oppressed peoples forming part of Russia must be allowed the right to decide for thamselves whether they wish to remain part of Russian State or to secede and form independent states. ( Stalin. Col. Works Vol. 3 P. 32 ). সেয়ে তেওঁ জাতীয় সমস্যাৰ ওপৰত চাৰিটা সিদ্ধান্তলৈ আহিছিল :—

(১) জাতি সমূহৰ বেলেগ হোৱাৰ অধিকাৰক স্বীকৃতি দিয়া প্ৰয়োজন।

(২) ৰাষ্ট্ৰৰ ভিতৰত থাকিব খোজা সকলক আঞ্চলিক স্বায়ত্ত শাসনৰ অধিকাৰ প্ৰদান কৰা প্ৰয়োজন।

(৩) জাতীয় সংখ্যালঘুক বিকাশৰ স্বাধীনতা দিয়া প্ৰয়োজন।

(৪) এখন ৰাষ্ট্ৰৰ ভিতৰত থকা জাতি সমূহৰ সৰ্বহাৰা সকলৰ বাবে এটা দল, এটা মাত্ৰ অবিভাজিত যৌথ ব্যৱস্থা হোৱা প্ৰয়োজন।

আজি যদি অসমীয়া জাতিয়ে তোলা আত্মনিয়ন্ত্ৰণৰ অধিকাৰক অস্বীকাৰ কৰি কোনোবাই সৰ্বভাৰতীয় দেখুৱাবলৈ যায় ( অৱশ্যে ভাৰতৰ শোষিত জনগণৰ স্বাৰ্থক আওকাণ কৰিবলৈ কোৱা নাই ) তেওঁ হব লাগিব পুঁজিপতি, সামন্ত প্ৰভু আৰু সাম্ৰাজ্যবাদীসকলৰ দালাল। আজি ভাৰতক নিয়ন্ত্ৰণ কৰি আছে এই সকলেই। আজিৰ ভাৰতীয়ত্ব বোধ শ্ৰমিক শ্ৰেণীৰ সংগ্ৰামী ঐক্যৰ পৰা অহা



OKD ISCD

নাই, আহিছে বুর্জোৱা শ্ৰেণীয়ে বলপূৰ্বকভাবে জাপি দিয়া ঐক্যৰ পৰাহে। ভৰালীইঁতৰ দৰে লোকসকলে বৃহৎ জাতিসমূহৰ সংকীৰ্ণ জাতীয়তাবাদক সমালোচনা নকৰি ( যিটো মাওৱে কৈছে:— criticize Han Chaunvinism, Selected works 5th Vol. P. 295 ) ক্ষুদ্ৰ জাতিসমূহৰ স্বাধিকাৰ, স্বনিয়ন্ত্ৰণৰ প্ৰশ্নটোতে উগ্ৰজাতীয়তাবাদৰ ভূত দেখিছে। ৮০/৯০ লাখ অসমীয়া নে, ১২/১৩ কোটি বঙালী নে, ২৫/৩০ কোটি হিন্দীভাষী ক্ষুদ্ৰজাতি?

অসমৰ জাতীয় জাগৰণৰ প্ৰশ্নটো এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন। কিন্তু ভৰালীদেৱে কোন জাতিৰ বুলি কৰা প্ৰশ্নৰ উত্তৰত কওঁ যে অসমীয়া জাতিৰ। অসমৰ ৬০./. অসমীয়াৰ মাজত জাতীয় জাগৰণ হব নোৱাৰিব নেকি? প্ৰাক বিপ্লবৰ ৰাছিয়াত অকল ৰুছ জাতিয়েই আছিল নেকি? তেখেতে বড়ো, কাৰ্বি, ডিমাছা আদিৰ লগত অসমীয়াৰ বিভেদ আনিবলৈ চেষ্টা কৰাৰ কাৰণ কি? অসমীয়াৰ লগতে বড়ো, ডিমাছা আদিৰ জাতীয় জাগৰণ হ'লে তেখেতৰ আদৰ্শত ঘূণে ধৰিব নেকি? তেখেতে কেম্বোডিয়াৰ জাতিসত্তাৰ প্ৰশ্ন তুলি ভিয়েটনামৰ জাতিসত্তাৰ কথা কিয় কৈছে? তেখেতে জনা উচিত, কেম্বোডিয়াত ৮০./. খামেৰ লোক, বাকীবোৰ চীনা, ভিয়েটনামী আৰু হুটামান পাহাৰীয়া সৰু সৰু উপজাতি। কেম্বোডিয়াত খামেৰসকলৰ, নাগাভূমিত নাগাৰ, মিজোৰামত মিজোৰ দৰে অসমত অসমীয়াৰ জাতীয় জাগৰণ হ'ব নোৱাৰে নেকি?

মুঠতে তেখেতৰ বিশ্লেষণত বিন্দুমাত্ৰও ইতিহাসবোধ আৰু বস্তুনিষ্ঠা নাই। মাৰ্ক্সবাদৰ এনে ভুল ব্যাখ্যা তেখেতৰ লিখনিত আমি আশা কৰা নাছিলো।

অনুজু গোস্বামী
তপন শৰ্মা
যোৰহাট

( ২ )

শাৰদীয় সংখ্যা 'সাম্প্ৰতিক সাময়িকী''ত প্ৰকাশ হোৱা 'জাতীয়তাবাদ-কাৰ স্বাৰ্থত' নামৰ সম্পাদকীয় নিবন্ধৰ বিতৰ্কত নবেম্বৰ সংখ্যা সাময়িকীত ওলোৱা গুৱাহাটীৰ উদয়াদিত্য ভৰালীৰ 'মাৰ্ক্সবাদ নে সংকীৰ্ণ জাতীয়তাবাদ' নামৰ নিবন্ধটোৰ বহু কথাৰ লগত আমি একমত হলেও বামপন্থী দলসমূহে সংসদীয় ৰাজনীতিত অংশগ্ৰহণ সম্পৰ্কে তেখেতে লিখা কথাৰ লগত আমি একমত হ'ব নোৱাৰিলো।

বামপন্থী দলসমূহক সংসদীয় ৰাজনীতিত বন্দী বোলোতে উদয়াদিত্য ভৰালীয়ে গালি-গালাজ আৰম্ভ কৰাতকৈ ভাৰতৰ কমিনিউষ্ট আন্দোলনৰ ইতিহাসত আকৌ এবাৰ চকু ফুৰোৱাহে উচিত আছিল। মাৰ্ক্সবাদী-লেনিনবাদী শিক্ষাই প্ৰমাণ কৰি দেখুৱাইছে যে কোনো এখন ৰাষ্ট্ৰ টিকি থাকে সৈন্যবলৰ ওপৰত নিৰ্ভৰ কৰিহে। দেশৰ মুষ্টিমেয় বুৰ্জোৱা শ্ৰেণীয়ে যেতিয়া শোষণৰ ৰাজত্ব চলায় তেতিয়া সিহঁতৰ এই ব্যবস্থা বৰ্তি থাকে একমাত্ৰ পুলিছ মিলিটেৰীৰ ওপৰত নিৰ্ভৰ কৰি। ইতিহাসে বাৰে বাৰে এই সত্যটোকে প্ৰমাণিত কৰি দেখুৱাই আহিছে। আজি ইৰাণত কোটি কোটি জনতাৰ প্ৰচণ্ড বিক্ষোভক বুঢ়া আঙুলি দেখুৱাই শ্বাহৰ ৰাজত্বও টিকি আছে আৰ্মিৰ আনুগত্যৰ কাৰণেহে। সেইদৰে আফগানিস্তানত ৰুছদেশৰ সামাজিক সাম্ৰাজ্যবাদী নতুন জাৰ (Czar) ব্ৰেজনেভে পুতলা চৰকাৰ এখন বচাই ৰাখিছে আৰ্মিৰ বন্দুকেৰে। ওচৰৰ পাকিস্থান, বাংলাদেশৰ পৰা আৰম্ভ কৰি পৃথিবীৰ বহুতো দেশত এই সত্যটো বাৰে বাৰে প্ৰমাণিত হৈ গৈছে। নহলে সংসদীয় প্ৰথাৰে ৰাষ্ট্ৰক্ষমতা দখল কৰি চিলিত কমিউনিষ্ট সকলৰ চৰকাৰ টিকিব নোৱৰাৰ প্ৰধান কাৰণ হ'ল তাত কমিউনিষ্ট সকলৰ নিজা লালফৌজ নাছিল। ভাৰতৰ দৰে তথাকথিত স্বাধীন গণতান্ত্ৰিক দেশবোৰতো সাম্ৰাজ্যবাদ, সামাজিক সাম্ৰাজ্যবাদ আৰু সিহঁতৰ দালাল চৰকাৰে দেশৰ কোটি কোটি মানুহক শোষণ কৰাৰ যন্ত্ৰটো চলাই ৰাখিছে পুলিছ, মিলিটাৰী, চি. আৰ. পি আদি ভেৰোণীয়া গুণ্ডাৰ বন্দুক লাঠিৰেহে। গতিকে ভৰালীৰ ভাষাতেই এই 'আধা সামন্ততান্ত্ৰিক, আধা ঔপনিবেশিক' ৰাষ্ট্ৰব্যবস্থাক উৎখাত কৰি সৰ্বহাৰা শ্ৰমিক-কৃষকে তেওঁলোকৰ নেতৃত্বত চৰকাৰ প্ৰতিষ্ঠা কৰিবলৈ হলে সেই চৰকাৰক স্থায়িত্ব দিবলৈও জনগণৰ সৈন্যবাহিনী লাগিব। ভাৰতৰ তথাকথিত কমিউনিষ্ট নেতাসকলে কিন্তু বাৰে বাৰে ঐতিহাসিক ক্ষণবোৰত এই মৌলিক সত্যটোক পাহৰি আহিছে আৰু সেয়ে ১৯৪৮-৪৯ চনৰ তেলেংগানাৰ সশস্ত্ৰ বিপ্লবৰ পৰা আৰম্ভ কৰি সত্তৰ দশকৰ ভোজপুৰৰ সশস্ত্ৰ কৃষি বিপ্লবলৈকে—এই আটাইবোৰতে কমিউনিষ্ট বুলি জনাজাত একশ্ৰেণী নেতাই জনগণক প্ৰতাৰণা কৰি আহিছে। এই সময়ছোৱাৰ ভিতৰতে নক্সালবাৰী, শ্ৰীকাকুলাম, মাগুৰজান, বীৰভূম, বাংকুৰা ইত্যাদ ভাৰতৰ বিভিন্ন ঠাইত কৃষকে আধা সামন্ততান্ত্ৰিক, আধা ঔপনিবেশিক ৰাষ্ট্ৰব্যবস্থাত সঠিকভাবে আঘাত হানিবলৈ চেষ্টা কৰিছে—ৰাষ্ট্ৰক্ষমতা দখলৰ সংগ্ৰামৰ মাজেৰে। প্ৰতিটো বিপ্লবতে নানান ঘাত-প্ৰতিঘাতৰ মাজেৰে বিভিন্ন স্তৰত গঢ়ি উঠিছে সৰ্বহাৰা শ্ৰেণীৰ নিজা সৈন্যবাহিনী। লগে লগে শাসকশ্ৰেণীৰ বুকু কঁপি উঠিছে, কাৰণ তেওঁলোকে জানে—সৰ্বহাৰাই ৰাষ্ট্ৰক্ষমতা দখল কৰিবলৈ নিজা ফৌজ গঢ়ি তুলিছে যেতিয়া ই আৰু সংস্কাৰবাদী আন্দোলন হ'ব নোৱাৰে। ইয়াৰ পৰা ৰক্ষা নাই। সেয়ে চৰম দমন-পীড়ণৰ মাজেৰে তেওঁলোকে দমন কৰিবৰ চেষ্টা কৰিছে এই সংগ্ৰামসমূহ। ফলত সাময়িকভাবে উত্থান-পতনৰ সৃষ্টি হৈছে বিপ্লবত। এই সুযোগতে বিপ্লবীৰ ভাওজুৰি থকা, পলায়নবাদী, শাসকশ্ৰেণীৰ স্বাৰ্থৰক্ষাকাৰী এচামে চিঞৰি উঠিছে 'এই পথ ভুল', 'এনেকৈ নহব', 'ভাৰতত এইধৰণে নোৱাৰি' ইত্যাদি ইত্যাদি। (বহুতো সৃজনশীল মাৰ্ক্সীয় যুক্তি!) এনেধৰণৰ প্ৰতিটো সাময়িক বিপৰ্যয়তে যেনেকৈ একাংশ দুৰ্দ্ধৰ্ষ বিপ্লবীৰ সৃষ্টি হৈছে আনফালে তেনেকৈয়েই সৃষ্টি হৈছে ডাংগে, ৰণডিভ, জ্যোতি বসু, সত্যনাৰায়ণ সিংহ আদি বহুতো কমিউনিষ্ট (?) নেতা আৰু তেওঁলোকৰ পাৰ্টি তথা গ্ৰুপ। তেওঁলোকে পাহৰি গৈছে বিপ্লবৰ পথ একাবেঁকা, কিন্তু ই সদায় সন্মুখলৈ গতি কৰে। আটাইতকৈ উল্লেখনীয় দিশ এইটোৱেই যে ভাৰতৰ বিপ্লবৰ পৰা বিভিন্ন সময়ত বিভিন্ন যুক্তিত ফাটি অহা প্ৰতিটো দল আৰু গ্ৰুপেই



OKDISCD

কিন্তু ভাৰতবৰ্ষত বিপ্লবক আগুৱাই নিয়াৰ পথ দেখুৱাব পৰা নাই। বিভিন্ন যুক্তিত আতৰি গৈ আটাইবোৰেই কিন্তু ইলেকচন অফিছত ইজনে সিজনক লগ ধৰিছে অগা-পিছাকৈ। এইক্ষেত্ৰত কিছুমানে যুক্তি দিছে ভাৰতবৰ্ষ শান্তিপূৰ্ণ উপায়েৰে সমাজতন্ত্ৰলৈ উত্তৰণ হব পাৰে, কিছুমানে কৈছে এতিয়া সময় হোৱা নাই, গতিকে কিছুদিন পাৰ্লিয়ামেণ্টত সোমাই শক্তি গোটাই লওঁ, পিছত সশস্ত্ৰ সংগ্ৰাম কৰিম। কিছুমানে যেনে উদয়াদিত্য ভৰালীৰ নিচিনা বুদ্ধিজীৱীয়ে কৈছে সংসদক প্ৰচাৰ মাধ্যম হিচাপে লব পাৰি ইত্যাদি ইত্যাদি। সংসদক প্ৰচাৰ মাধ্যম হিচাবে লব খোজা CPM এ ক্ষমতা দখল কৰাৰ পাছত সংসদৰ নপুংশতাক ৰাইজৰ ওচৰত উদঙাই প্ৰচাৰ অভিযান চলোৱাতকৈ ইয়াৰ যোগেদিয়েই যে সমাজবাদঁ আনিব পাৰি তাক প্ৰতিপন্ন কৰাতহে উঠি পৰি লাগিছে। তেওঁলোকৰ শেহতীয়া বক্তব্য হল কেবল ৰাজ্যত ক্ষমতা পাইছে কাৰণেহে পৰা নাই—কেন্দ্ৰত পালে কিন্তু পাৰিব। চি পি আই তথা অন্যান্য বাম দলসমূহ তথা ইলেকচনক সমৰ্থন কৰা গ্ৰুপ সমূহৰ কথা নকলোৱেই বা! আন হাতে ভাৰতৰ নিচিনা দেশত যত ইলেকচনত গড়ে ৫০-৬০./' মানুহেহে ভোট দিয়ে আৰু তাতোকৈ বেছি সংখ্যক মানুহেই সংসদত কি ঘটিছে কি নঘটিছে সেই বিষয়ে অজ্ঞাত বা জানিবলৈ নিৰুৎসাহ, সেই ক্ষেত্ৰত ইয়াৰ প্ৰচাৰ কাৰ্যকাৰিতাক পশ্চিমীয়া দেশৰ লগত তুলনা কৰাতো হাস্যপদ। সংসদৰ নাগপাশত আবদ্ধ হোৱাৰ যুক্তিক ভৰালীয়ে প্ৰতিপন্ন কৰিব বিচাৰিছে লেনিনৰ বলছেভিক পাৰ্টিয়ে ডুমাত অংশ লোৱাৰ কথা দোহাৰি। কিন্তু ভৰালীয়ে বোধকৰো ৰাছিয়াৰ তেতিয়াৰ পৰিস্থিতিৰ লগত যে ভাৰতৰ পৰিস্থিতি একে নহয় এই সত্যটোক আওঁকাণ কৰিব খুজিছে। লেনিনে বুৰ্জোৱা পাৰ্লিয়ামেণ্টত অংশগ্ৰহণ কৰাৰ কথা কৈছিল যেতিয়া সমাজত শ্ৰেণী সংগ্ৰামৰ অনুকুল পৰিবেশ নাথাকে। কিন্তু ভাৰতৰ সমাজ ব্যৱস্থাক আধা সামন্ততান্ত্ৰিক আধা উপনিবেশিক বুলি সঠিকভাবে বিশ্লেষণ কৰা সকলে ভাৰতৰ সংসদক বুৰ্জোৱা সংসদ বুলি ব্যাখ্যা কৰি নিজকে প্ৰতাৰণা কৰিব নোৱাৰে। ভাৰতৰ ৰাষ্ট্ৰ চৰিত্ৰ ইমান বহু বৈশিষ্ট্য সত্বেও কিন্তু নয়া উপনিবেশিক চৰিত্ৰৰহে। অৰ্থাৎ ভাৰতীয় সংসদে প্ৰকৃতাৰ্থত সাম্ৰাজ্যবাদী দেশবোৰৰ স্বাৰ্থহে ৰক্ষা কৰে। নহলেনো ভাৰতীয় সংসদী গণতন্ত্ৰৰ তথাকথিত উদ্ধাৰকাৰী জনতা চৰকাৰৰ বৈদেশিক মন্ত্ৰীয়ে চীনলৈ যাবনে নাযাব স্থিৰবলৈকো মস্কো পায়গৈনে আৰু মস্কোৰ ৰঙা চকুৰ ভয়ত চল চাতুৰিৰে সেই ভ্ৰমণ স্থগিত ৰাখেনে? বলছেভিক পাৰ্টিয়ে অংশ লোৱা ৰাছিয়াৰ সংসদখন কিন্তু বুৰ্জোৱাৰ সংসদ আছিল। তথাপি কাউট্স্কি সম্পৰ্কত লেনিনে লিখিছিল "...... তেওঁলোকে এইটো নুবুজে যে বুৰ্জোৱা সংসদৰ বন্ধন, সংগঠন আৰু নিয়মকানুনৰ মাজত ভোটৰ ব্যৱস্থাটো বুৰ্জোৱা ৰাষ্ট্ৰযন্ত্ৰৰেই এটা অংশ। আৰু বুৰ্জোৱা গণতন্ত্ৰৰ পৰা সৰ্বহাৰা গণতন্ত্ৰলৈ উত্তৰণৰ কাৰণে এই ৰাষ্ট্ৰযন্ত্ৰক ভাঙি চূৰমাৰ কৰিব লাগিব ... ..." (লেনিন: সংকলিত ৰচনাৱলী ২৯ পৃঃ ৫১০)। ইয়াৰ পিছতো নিজৰ কাপুৰুষালি ঢাকি লেনিনৰ দৃষ্টান্তক ভাৰতীয় সংসদত সুমোৱাৰ অস্ত্ৰ হিচাপে গ্ৰহণ কৰা সকলে মূলতঃ শাসক গোষ্ঠীৰ স্বাৰ্থৰ হকে কাম কৰি বিপ্লবক ক্ষতিগ্ৰস্ত



কৰে। উদয়াদিত্য ভৰালীৰ উক্ত আলোচনাৰ দৰে তেওঁলোকে চালেবেৰে কোৱাই যুক্তি দিলেও কিন্তু ইতিহাসে তেওঁলোকক সংসদীয় নাগপাশত বন্দী বুলিয়েই বিচাৰ কৰিব। সেয়ে ভাৰতীয় জনগণে আজি দাবী কৰিছে—এই সত্যসমূহ সঠিকভাবে অনুধাবন কৰি পৃথিবী তথা ভাৰতীয় কমিউনিষ্ট আন্দোলনৰ ইতিহাসৰ পৰা সঠিক শিক্ষা গ্ৰহণ কৰি ভাৰতৰ সমস্ত বিপ্লবী শক্তিসমূহে সংসদীয় মায়াজালত বন্দী এই দল তথা গ্ৰুপসমূহৰ স্বৰূপ উদ্‌ঘাটন কৰি প্ৰকৃত বিপ্লবী লাইনৰ বিপ্লবী পতাকাৰ তলত ঐক্যবদ্ধ হওক।

জীৱন বৰা
ডিব্ৰুগড়

# বহুল দৃষ্টিৰ সাংবাদিকতা

".........An amusing case of one of these most favoured missions falling from grace could be seen in the treatment received by Albania. Long hailed as the unshakable outpost of Maoist Marxism fearlessly holding out against the Counter-revolutionary Europe, Albania has now earned the wrath of the present powers-that-be in Peking. The huge mansion that has been built by the Albanians for their Embassy in Peking is still vacant as the Chinese authorities have not yet handed over the keys to the naughty Albanians. Meanwhile, the so-called Liasion office of the U. S.—already known in popular parlance as the American Embassy—with its fast expanding activity, is in search of more accomodation and one would not be surprised if the sprawling building meant for tha Albanians ultimately falls to the lot of the Americans.Unexpected hypertension, they say, occurs in peking's fluctuating air-Pressures. (China Revisited,—Nikhil Chakravarty, Mainstream 16th Annual Number 1978)

Mainstream পত্ৰিকাৰ সম্পাদকৰ উক্ত তথ্য পৰিবেশন যেনেদৰে কিন্তুত-কিমাকাৰ তেনেদৰে তথ্য বিশ্লেষণৰ ৰীতি-নীতিও যে ঘোৰতৰ মতলবী আৰু পক্ষপাতিত্বমূলক, বিন্দুমাত্ৰও সন্দেহ নাই।

যোৱা নবেম্বৰ, ১৯৭৮ সংখ্যাত উদয়াদিত্য ভৰালীয়ে সম্পাদক মহোদয়ৰ লগতে 'সাম্প্ৰতিক সাময়িকী'ৰ চাকৰিজীৱী সহযোগী সম্পাদকৰ যোৱা বিধান সভাৰ নিৰ্বাচনত তেওঁৰ ভূমিকাৰ প্ৰসংগ দক্ষতাৰে টানি অনাত আমি হতভম্ব। আমাৰ



OKDISCD

চাকৰীৰ সংকীৰ্ণ অৱস্থা এটা সৃষ্টি হোৱাৰ বাবেই ৰাইজক আমি যোৱা বিধান সভাৰ নিৰ্বাচনৰ সময়ত কি কৰিছিলোঁ তাৰে আভাস, সেই সময়ত আমাৰ সমষ্টিত প্ৰচাৰিত এখন প্ৰচাৰ বুলেটিনে সম্যকভাবে দিব পাৰিব বুলি ভাবোঁ।

## গহপুৰ সমষ্টিৰ ভোটদাতা সকলৰ প্ৰতি ঃ

শ্ৰদ্ধেয় ৰাইজ,

নিৰ্বাচনৰ বতৰ আকৌ আহিল। স্বাভাৱিকতে আসন্ন বিধান সভাৰ নিৰ্বাচনে আমাৰ সন্মুখত বহুতো প্ৰশ্ন জগাই তুলিছে। গহপুৰ সমষ্টিতো বিভিন্ন দল উপদলীয় ৰাজনীতিৰ ব্যাপক প্ৰচাৰত জনসাধাৰণ নিশ্চয় বিমোৰ।

অথচ যোৱা ৩০ বছৰে জনসাধাৰণে অশেষ আশা আৰু স্বপ্ন লৈ ভোট দি আহিছে যদিও গৰীব জনসাধাৰণৰ অন্ন-বস্ত্ৰৰ সমস্যা আজিও সমাধান হোৱা নাই। ভাৰতবৰ্ষৰ সংকটজনক অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিস্থিতিত শাসকদল বিভিন্ন শিবিৰত বহুধা বিভক্ত।

এনে অৱস্থাত কংগ্ৰেছ দলে গণতন্ত্ৰৰ নামত জনসাধাৰণৰ ওপৰত চলাইছিল পুলিচ, চি, আৰ, পিৰ অত্যাচাৰ। 'গৰীবি হটাও'ৰ নামত বৃদ্ধি পাইছিল টাটা-বিৰলা, জমিদাৰ-মহাজনৰ শতকৰা ২০০ ভাগ সম্পত্তি, স্বাধীন অৰ্থনীতিৰ নামত দেশৰ অৰ্থনীতি বিপন্ন হৈছিল দুই বৃহৎ সাম্ৰাজ্যবাদী শক্তি ৰাছিয়া আৰু আমেৰিকাৰ কবলত। কংগ্ৰেছৰ এই স্বৈৰাচাৰী শাসনৰ বিৰুদ্ধে গণতন্ত্ৰপ্ৰেমী ৰাইজে যোৱা মাৰ্চমাহৰ লোকসভাৰ নিৰ্ব্বাচনত সঠিক প্ৰত্যুত্তৰ দি জনতা পাৰ্টিক শাসনত অধিস্থিত কৰিলে।

অথচ জনতা পাৰ্টিয়ে দলৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি উলংঘা কৰি আজিও হাজাৰ হাজাৰ ৰাজনৈতিক বন্দীক বিনা বিচাৰে জেলত আটক কৰি ৰাখিছে। অন্যহাতে নিত্য ব্যৱহাৰ্য্য বস্ত্ৰ-বস্তুৰ দাম এই চৰকাৰে নিয়ন্ত্ৰণ কৰিব পৰা নাই। লোকসভা নিৰ্ব্বাচনোত্তৰ কালচোৱাত অসমৰ ৰাজ্যিক কৰ্ম্মচাৰী সন্থাৰ ধৰ্ম্মঘটকে আদি কৰি বিভিন্ন গণতান্ত্ৰিক আন্দোলনত অসমৰ জনতা পাৰ্টিয়ে লোৱা হতাশজনক ভূমিকা আৰু বিশেষকৈ অসমত জনতা পাৰ্টিৰ প্ৰাৰ্থী মনোনয়নৰ ক্ষেত্ৰত ৰেডডী কংগ্ৰেছৰ লগত যি নিৰ্বাচনী বুজপৰা হোৱাৰ অভিযোগ প্ৰকাশ পাইছে (দ্ৰষ্টব্য ঃ আসাম ট্ৰিবিউন, ৮ ফেব্ৰুৱাৰী) এই ঘটনাই জনতা পাৰ্টিৰ প্ৰকৃত স্বৰূপ জনসাধাৰণৰ ওচৰত স্পষ্ট কৰি দিছে। আৰু ৰুছ কমিউনিষ্ট পাৰ্টিৰ দালাল, একালৰ কংগ্ৰেছৰ লেঘেটো ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ ( চি পি আই ) জঘন্যতম ঘৃণ্য চৰিত্ৰ জনসাধাৰণৰ ওচৰত দিনৰ পোহৰৰ দৰেই স্পষ্ট।

তদুপৰি আমাৰ সন্মুখত কোনো দলে বা প্ৰাৰ্থীয়ে তেওঁলোকৰ নিৰ্বাচনী ইস্তাহাৰত অসমৰ ভূমিসমস্যা, বানপানী সমস্যা, নিবনুৱা সমস্যা, আৰু তেল উদ্যোগ চাহ উদ্যোগ, আদিৰ ওপৰত চলা বিদেশী মূলধনী পুঁজিৰ শোষণৰ সমাধান সম্পৰ্কে কোনো নিৰ্দ্দিষ্ট আঁচনি ডাঙি ধৰিব পৰা নাই।



এতিয়া কথা হ'ল, আসন্ন বিধান সভাৰ নিৰ্বাচনত আমাৰ কৰ্তব্য কি ? ৰাইজৰ চিৰকলীয়া ভাত কাপোৰৰ সমস্যা, ভূমি সমস্যা, নিবনুৱা সমস্যা ইত্যাদি সমস্যা সমূহক ৰাইজে সন্মুখত ৰাখি ভোট দিবলৈ সাজু হওক। *

* কলাবাৰী যুৱ-ছাত্ৰ সন্থাৰ হৈ মোহিনী বৰাৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত।

উল্লেখযোগ্য যে 'সাম্প্ৰতিক সাময়িকী'ৰ সহযোগী সম্পাদক উক্ত যুৱ-ছাত্ৰ সন্থাৰ সভাপতি হৈ থকা অৱস্থাতে এইখন প্ৰকাশ হৈছিল।

জ্ঞান পূজাৰী
সহযোগী সম্পাদক, সাঃ সাঃ

## “পাগ ঘৰত কোন ?” “মুই কল খোৱা নাই ?”

যোৱা সংখ্যাৰ (তৃতীয় বছৰ, তৃতীয় সংখ্যা, নবেম্বৰ ১৯৭৮) “সাম্প্ৰতিক সাময়িকী”ৰ “প্ৰশ্নোত্তৰ কলম”ত ডঃ হীৰেণ গোহাঁয়ে ভজন চক্ৰবৰ্তীলৈ দিয়া প্ৰশ্নোত্তৰত হতবাক হ'লো। ডঃ গোহাঁইৰ দৰে এজন বুদ্ধিজীৱীৰ পৰা এনে কিছুমান মন্তব্য আশাকৰা নাযায়। প্ৰশ্ন দুটা আছিল—[১] আপুনি অসমত সাম্প্ৰতিক অসমীয়া ৰাজ্য ভাষা হ'ব লাগে বুলি মত দিয়াত এটা বিপ্লবী দলৰ মুখপত্ৰত আপোনাক “সুবিধাবাদী” আৰু” “নৰম পন্থী” বোলা হৈছে। আপোনাৰ মন্তব্য কি ? (২) আপোনাৰ প্ৰতি উক্ত বিপ্লবী দলৰ মনোভাব কি ?

প্ৰশ্ন কেইটা পঢ়ি, কোনখন মুখপত্ৰৰ কথা কোৱা হৈছে ধৰিব পৰা নাছিলো। বন্ধু, বান্ধৱ সকলৰ লগত আলোচনা বিলোচনা কৰি গম পালো যে, ইয়াৰ দ্বাৰা চি,পি, আই (এম-এল) ৰ অসম ৰাজ্যিক কমিটিৰ মুখপত্ৰ “শ্ৰেণী সংগ্ৰাম”ৰ (১ম বছৰ, ১৬-১৭ সংখ্যা, ৭ অক্টোবৰ, ১৯৭৮) কথা কোৱা হৈছে। 'গুৱাহাটী ডায়েৰী'তে বহি কথাখিনি আলোচনা কৰি আছিলো কাৰণে লগৰ এজন ততাতৈয়াকৈ উঠি গৈ সন্মুখৰ 'জনতা মেগাজিন কৰ্ণাৰ'ত বিচাৰ কোচাৰ কৰি 'শ্ৰেণী সংগ্ৰাম'ৰ সেই সংখ্যাৰ কপি এটা আঠ অনা দি কিনি আনিলেগৈ। গোহাঁইক নো ক'ত 'সুবিধাবাদী' আৰু 'নৰমপন্থী' বুলি কোৱা হৈছে তাক জানিবলৈ কাকতখন আটাইকেইজনে মনযোগেৰে পঢ়িলো। কিন্তু তেনে কোনো মন্তব্যতো তাত বিচাৰি নাপালো ! ৩ নং পৃষ্ঠাত লেনিনৰ Liberals and Democrats on language question বোলো প্ৰবন্ধ এটাৰ অসমীয়া অনুবাদ চকুত পৰিল। Liberalsৰ অসমীয়া অনুবাদ “নৰমপন্থী” বুলি কৰিছে।

গোহাঁই, আপুনি নিজকে, লেনিনে “Liberals” বুলি আখ্যা দিয়া লোক সকলৰ এজন বুলি ভাবে নেকি ? যদি নাভাবে তেন্তে ইমান ক্ষুণ্ণ হৈছে কিয় ?



OKDISCD

আৰু যদি ক্ষুণ্ণ হৈছে তেন্তে সি সচাঁকৈয়ে দুৰ্ভাগ্যজনক আৰু তাৰ বাবে আপোনাৰ ক্ষং লেনিনৰ ওপৰত উঠাই উচিত। লেনিনৰ প্ৰবন্ধ এটা অসমীয়াত অনুবাদ কৰি ছপোৱাটো নিশ্চয় চুৰা যোৱা কাম নহয়! আমাৰ মতে, আপুনি নিজকে ইমান নিকৃষ্ট ব্যক্তি বুলি ভবাটো অনুচিত। সেই সংখ্যাটোতেই উক্ত পাৰ্টিৰ অসম ৰাজ্যিক কমিটিয়ে জাতিসত্তাৰ প্ৰশ্ন সম্পৰ্কে লোৱা এটা দীঘলীয়া প্ৰস্তাৱ প্ৰকাশ কৰিছে। তাত অৱশ্যে "সুবিধাবাদী" শব্দটো আছে। বাক্যটো এনে ধৰণৰ "কিছুমান সুবিধাবাদীয়ে ক'ব খোজে যে, ভাৰতৰ আন প্ৰদেশসমূহত সংখ্যাগৰিষ্ঠ জাতিসত্তাই সংখ্যালঘু জাতিসত্তাসমূহৰ ওপৰত যেতিয়া উৎপীড়ন চলাইছে, অসমত নচলাব কিয়?"

গোহাঁই ডাঙৰীয়া, আপুনি কেতিয়াবা এনেধৰণৰ মন্তব্য দিছিল নেকি? আমি ভবাত, আপোনাৰ দৰে ব্যক্তিয়ে এনে ধৰণৰ অগণতান্ত্ৰিক মন্তব্য দিয়া নাই। তেন্তে ইয়াৰ দ্বাৰা আপোনাক উদ্দেশ্য কৰাৰ অৰ্থ হ'ল কেনেকৈ? আপুনি বঙ্কিং দেব গোস্বামীয়ে কোৱাৰ দৰে কোনো "কল্পিত দৈত্যৰ লগত থৈয়া নথৈয়া ৰণ"ত সচাঁকৈয়ে ব্যস্ত নেকি? কোনোবাই কিবা এষাৰ ক'লেই আপুনি গা পাতি লয় কিয়?

আমি ভবাতে প্ৰশ্নটোৱেই অবান্তৰ। জাঙুৰ খাই উঠা কাৰ্যই আপোনাৰ অপ্ৰয়োজনীয় গংগাটোপীয়া ভাবকহে প্ৰতিফলিত কৰিছে। এই কাৰ্যই, আপুনি সচাঁকৈয়ে উপৰোক্ত মন্তব্য দিয়া বিধৰ ব্যক্তি বুলিহে প্ৰতিপন্ন কৰিব দেখোন। আচোঁৰ নপৰাকৈয়েই জাঙুৰ খাই উঠিল কিয়? সকলো ছাঁতেই বাঘ নিশ্চয় নাথাকে!

দ্বিতীয় প্ৰশ্নৰ উত্তৰত আপুনি কৈছে— "সেই দলে নেতৃত্বৰ মোৰ প্ৰতি মনোভাব uinty আৰু struggle ৰ ... ... "। সম্পূৰ্ণ বাক্যটোত অলপ ভেঙুচালিৰ ৰহন আছে। দলটো যদি সচাঁকৈয়ে বিপ্লৱী তেন্তে যাৰ "... ... জীৱনৰ স্ববিৰোধে লিখা আৰু কামৰ মাজত স্ববিৰোধ আনি দিয়ে" (সেই একেটা শিতানতে দুৰ্গেশ্বৰ হাজৰিকাৰ প্ৰশ্নোত্তৰত আপুনিয়েই লিখিছে!), তেখেতসকলৰ প্ৰতি মনোভাব আন কেনে ধৰণৰ হোৱা উচিত বুলি আপুনি ভাবে? তাত ভেঙুচালিৰ স্থল ক'ত ধৰিব নোৱাৰিলো। নেই বেলেগ নমুনাৰ In mockery of myself?

গোহাঁই ডাঙৰীয়া, জাতিসত্তাৰ প্ৰশ্নত সকলো মাৰ্ক্সবাদীয়েই সকলো জাতিৰ সম অধিকাৰ সদায় স্বীকাৰ কৰি নলয় জানো? কিয় লয়? কাৰণ জাতিসত্তাৰ সমস্যাৰ মূল গুৰিয়েই হ'ল নিপীড়িত জাতিসত্তাৰ মাজত পুঁজিবাদী উৎপাদনৰ বিকাশ আৰু জাতীয় নিপীড়ণ। নিপীড়িত জাতিৰ নতুনকৈ উঠি অহা বুৰ্জোৱা শ্ৰেণীয়ে জাতীয়তাবাদৰ শ্লোগানেৰে সিহঁতৰ জাতিৰ শোষিত জনগণক নেতৃত্ব দিয়াৰ যি সুবিধা পায় আৰু যিটোক সিহঁতে নিজ শ্ৰেণীস্বাৰ্থত ব্যৱহাৰ কৰিব খোজে, সেই অস্ত্ৰপাত যাতে সিহঁতে শ্ৰেণীসংগ্ৰামক ব্যাহত ক'ৰাত ব্যৱহাৰ কৰিব নোৱাৰে তাৰ বাবে সম অধিকাৰৰ ধ্বনি তোলা হয় বুলিয়েই মাৰ্ক্সবাদৰ পৰা শিকিছিলো। সকলো জাতিৰ সম অধিকাৰ মানি লোৱা মানেই জাতীয় নিপীড়ণৰ বিৰোধিতা কৰা। কাৰণ উৎপীড়ক জাতিৰ বুৰ্জোৱা শ্ৰেণীয়ে জাতীয় আন্দোলন গঢ়ি তোলাৰ



উদাহৰণ আমি অন্ততঃ পোৱা নাই। জাতীয়তাবাদ আৰু উগ্ৰজাতীয়তাবাদৰ পাৰ্থক্যও সেই থিনিতেই। প্ৰথমটোৱে জাতীয় নিপীড়ণৰ বিৰোধিতা কৰে আৰু দ্বিতীয়টোৱে জাতীয় নিপীড়ণক আৰু জোৰেৰে জাপি দিয়ে। "স্বাস্থ্যৰ গণতন্ত্ৰ" হীন শ্ৰেণী বিভক্ত সমাজত সকলো জাতি অথবা ভাষাৰ সম অধিকাৰ প্ৰতিষ্ঠা কৰিবলৈ কোনো মাৰ্ক্সবাদীয়েই অলীক কল্পনা নকৰে। মাথোন জাতীয়তাবাদ যাতে শ্ৰেণী-সংগ্ৰামৰ হেঙাৰ হ'ব নোৱাৰে, এই শ্লোগানৰ জৰিয়তে সেই ব্যৱস্থাহে হাতত লয়। স্বনিয়ন্ত্ৰণ সম্পৰ্কীয় মাৰ্ক্সবাদী দৃষ্টিভংগীৰো মূল ভেটি এইটোৱেই। মাৰ্ক্সবাদে জাতীয়তাবাদী বিচ্ছিন্নতাৰ সপক্ষে ওকালতি কেতিয়াও কৰা নাই। বৰঞ্চ শোষিত মেহনতী জনগণৰ আন্তৰ্জাতিক ঐক্যৰ কথাহে কয়। কিন্তু নিপীড়িত জাতিৰ বুৰ্জোৱা শ্ৰেণীৰ নেতৃত্বত যদিহে ক'ৰবাত জাতীয়তাবাদে ইতিমধ্যে গঢ় লৈ উঠে, তেন্তে তেনে ক্ষেত্ৰত শ্ৰেণীসংগ্ৰামৰ স্বাৰ্থলৈ চাই সম অধিকাৰৰ শ্লোগান আগ-বঢ়ায়। মাৰ্ক্সবাদীয়ে ক'ৰবাত জাতীয়তাবাদী আন্দোলন আৰম্ভ কৰা আমি ইতিহাসত ক'তো পোৱা নাই। তেওঁলোকৰ বাবে সৰ্বহাৰাৰ একনায়কত্ব প্ৰতিষ্ঠাৰ বাবে কৰা সংগ্ৰামৰ কাৰ্যসূচী আছেই। ক'ৰবাত যদি প্ৰকৃত জাতীয় আন্দোলনে ইতিমধ্যে দেখা দিছে তেন্তে তেওঁলোকে কাৰ্যসূচীত ইয়াঁকো সাঙুৰি লয়। কিন্তু য'ত নাই তাতো গৈ সেই আন্দোলন সৃষ্টি কৰি ল'ব লাগিব, সেই কথা সম্পূৰ্ণ অবান্তৰ। অৱশ্যে মাৰ্ক্সবাদৰ নামাৱলী পিন্ধা বাওঁিষ্ট, স্পিংগাৰ, বোৱাৰ, বা দ্বিতীয় আন্ত-ৰ্জাতিকৰ কাউটস্কী প্ৰমুখ্যে ছো'চিয়েল চৌভিনিষ্টৰ দৰে বুৰ্জোৱা মতালম্বী দলত্যাগীবোৰৰ কথা সুকীয়া।

আপুনি যেনেকৈ জাঙুৰ খাই উঠিল, আমি আচৰিতেই হ'লো। আপুনি ক'ব খোজে যে, একমাত্ৰ অসমীয়া ভাষাক ৰাজ্যভাষাৰ সন্মান দিলেই বিভিন্ন জাতি আৰু সম্প্ৰদায়ৰ মাজত অসমৰ সাম্প্ৰতিক পৰিস্থিতিত চলি থকা "হিংসা হিংসি বা বিদ্বেষ ভাব" কমিব। মন্তব্যটোৰ যুক্তি যুক্ততা কি? ইয়াৰ দ্বাৰা অসমত বসবাস কৰা আন সংখ্যালঘু ভাষা গোষ্ঠীৰ শোষক চক্ৰৰ হাতত নিজ নিজ গোষ্ঠীৰ জনগণক ভাষাৰ নামত উত্তেজিত কৰি তোলাৰ অস্ত্ৰপাত তুলি দিয়া নহ'বনে? ইতিমধ্যে বঙালী, নেপালী, বড়োৰ দৰে মিচিং, কাৰ্বি, ডিমাচাসকলৰ শাসক শ্ৰেণীয়ে ভাষালৈ গণ্ডগোল আৰম্ভ কৰিছেই। তেনেস্থলত আপোনাৰ মতামতে পৰিস্থিতি কেনেকৈ সাম কটোৱাব জানিব পাৰোনে? নে তাৰ ওলোটাটোহে হ'ব! আমি গৈ আন ভাষা গোষ্ঠীৰ মানুহবোৰক কমগৈ নেকি— "অই বেটাহ'ত তহঁত একমাত্ৰ অসমীয়া ভাষীৰ বসবাসৰ বাবে ভগবানে সৃষ্টি কৰি দিয়া অসমত আছ, এতেকে অসমীয়া কবি, নহ'লে অসমীয়াই মাৰি ডক্তা বনাব!"

আপুনি কৈছে, "ভাষাৰ প্ৰতি অসমীয়া ৰাইজৰ মৰম দুখুনী বিধবাৰ একেটি মাথোন সন্তানৰ প্ৰতি মৰমৰ দৰে"— সেই কাৰণেই বহু ভাষিক ৰাজ্য অসমৰ ৰাজ্যভাষা অসমীয়া হ'ব লাগে—ই কেনে ধৰণৰ মাৰ্ক্সবাদী মতামত? এই মন্তব্যত নিজ ভাষাপ্ৰেমী উগ্ৰতা থাকিব পাৰে কিন্তু কোনো বস্তুবাদী যুক্তি আছেনে? তদুপৰি কথাষাৰ যদি সচাঁই হয় তেন্তে নতুনকৈ গজি অহা অসমীয়া



OKDISCD

অভিজাত শ্ৰেণীৰ (হয়তো জ্যতীয়তাবাদক লৈ তেওঁলোকেই সকলোতকৈ অধিক হৈ চৈ কৰিছে!) উৎসাহত অসমতে প্ৰতিমাহে একো ডজন কৈ মণ্টেছৰীৰ পৰা আৰম্ভ কৰি কনভেণ্টলৈকে গজিছে কিয়? অ' নিজৰ বেলিকা হ'লে ধান আৰু পৰলৈ বুলি পতান! সিহঁতে ইংৰাজীত পঢ়ি I.A.S ল'ব আৰু বাকী জাকে অসমীয়াত পঢ়ি মাখি মাৰিব!

আনহাতে অসমত বসবাস কৰা আন ভাষা গোষ্ঠীৰ লোকসকলৰ নিজ নিজ ভাষাৰ প্ৰতি থকা "মৰম" সতিনীৰ পুতেকৰ দৰে নেকি? কাজিয়া মাথোন অসমীয়া ভাষা প্ৰেমী সকলেহে নলগায়, আন ভাষা গোষ্ঠীৰ ভাষা প্ৰেমিকবোৰেও লগায়। আপুনি এচকুৰা হৈ সমস্যাটো চাব খোজা যেন লাগে। অসমত থকা অনা অসমীয়া ভাষী মানুহখিনিক আপুনি অনুসূচীত অস্পৃশ্য কৰিব খুজিছে কিয়? নে পেটে পেটে ভাবিছে—"তহঁতক অসমলৈ মৰিবলৈ আহিবলৈ দিছিল কোনে?"

সেয়েহে আমি ভাবো কোনোবাই সম অধিকাৰৰ নীতিৰ সপক্ষে কোৱা মানে "বক্তৃতাৰ ফুলজাৰী মৰা" বা "ফোপোলা বিদ্যা জাহিৰ কৰা নহয়" বৰঞ্চ তাৰ বিৰোধিতা কৰিবলৈ গৈ, পৰিস্থিতিৰ সঠিক বিশ্লেষণ দিয়াৰ নামত ভাষিক কাজিয়া পেচাল বঢ়োৱাৰ সপক্ষে "গলাবাজীত ওস্তাদী" কৰাহে হ'ব।

অসমীয়া যেনেকৈ অসমৰ বাহিৰত নচলে, ঠিক তেনেকৈ বড়ো, কাৰ্বি বা মিচিং আদিও নচলে। নে এইবোৰ দোৱান? পিছে সকলোৰে বাবেই আনৰ ভাষাটো দোৱান।

অসমত আন ভাষাকো স্বীকৃতি দিলে, "দুখুনী বিধবাৰ একেটি মাথোন সন্তান" ক বেইজ্জতি কৰা বুজাই নেকি? আন ভাষা ক'ব লাগিব বুলি অসমীয়াকতো কোনেও জোৰ কৰিব খোজা নাই। ইয়াৰ অৰ্থ এনে হ'ব "মই ঘৰৰ তলত থাকো, এতেকে আন কোনো ঘৰৰ তলত থাকিব নোৱাৰ, গছৰ তলত থাক।"

তাতকৈ অসমীয়া জনগণক গোটেই সমস্যাটো আমি ভালকৈ নুবুজাও কিয়? তেওঁলোকক বুজাই দিলেই হ'ল যে, আন ভাষাই স্বীকৃতি পোৱা মানেই অসমীয়া ভাষাটো ৰসাতলে নাযায়। বৰঞ্চ ই লাভবানহে হ'ব। কাৰণ "অ'ই কছাৰী, অ'ই মিকিৰ, অ'ই বঙাল, অ'ই নেপালী, অ'ই মিৰি" আদি হীনাৰ্থক সম্বোধনবোৰ যিমান সোনকালে পৰা যায় আতৰ কৰিব লাগে, যাতে তেওঁলোকে নিজকে 2nd class citizen বুলি নাভাবে আৰু একে সমানৰ বুলি ভাবি অসমীয়াৰ লগত মিলামিচা বঢ়াই আৰু অসমীয়া মানুহৰ সংখ্যা যিহেতু বেছি এতেকে আমাৰ লগত বন্ধুত্ব পতাৰ খাতিৰতেই তেওঁলোকে আমাৰ ভাষা শিকি আমাৰ লগলৈ সোনকালে আহিব। অৰ্থনৈতিক আদান প্ৰদানে এই সংযোগ নিশ্চয় দ্ৰুততৰ কৰিব। কিন্তু 'মোৰটোহে হ'ব; তোৰটো নহয়, বোলা ভাব ল'লে তেওঁলোক আৰু আতৰিহে যাব। "চালা, অসমীয়া" বুলি কোনোবাই ক'লে, আমাৰ কেনে লাগে? নে sentiment, emotion ইত্যাদি মাথোন অসমীয়াৰহে "বাপতি সাহোন"?

অসমত কেইবাটাও ভাষা চৰকাৰী ভাষা হ'লে ই "ব্যয়বহুল" হ'ব আৰু "প্ৰশাসনৰ পিনৰ পৰা গোলমলীয়া হোৱাৰ আশংকা প্ৰবল"— এতেকেই হ'ব নালাগে। আপোনাৰ এই মন্তব্যৰ পৰা কি বুজিম? ইয়াৰ অৰ্থ এয়েই নেকি যে বৰ্তমানৰ প্ৰশাসন যন্ত্ৰ অসুবিধাত পৰিব বাবেই ই হোৱা অনুচিত। বাঃ, শ্ৰেণীশোষণত জৰ্জ্জৰিত এখন সমাজৰ প্ৰশাসন যন্ত্ৰ যাতে বেকায়দাত নপৰে তাৰ বাবে দিয়া কি সুন্দৰ "ভকতীয়া শুচিতা" হীন মাৰ্ক্সবাদী মতামত! তেন্তে সম অধিকাৰ জহন্নামে যাওঁক! জাতীয়বাদে শ্ৰেণীসংগ্ৰামক গিলি থক! কি, কয়?

উগ্ৰজাতীয়তাবাদীবোৰে পৰিস্থিতিৰ সুবিধা লব বা প্ৰশাসনীয় যন্ত্ৰ অসুবিধাত পৰিব—ইত্যাদি অজুহাতবোৰ বাদ দিয়াই ভাল নেকি? কাৰণ মাৰ্ক্সবাদৰ শিক্ষাৰ পৰা আপুনিও জানে যে উগ্ৰজাতীয়তাবাদে মূৰ আফলিয়াই মৰিলেও অসমীয়াৰ এটা জাতীয় আন্দোলন গঢ়ি তুলিব নোৱাৰে। কাৰণ তাৰ আৰ্থ-সামাজিক ভিত্তিয়েই নাই। অসমৰ গ্ৰামাঞ্চলত (য'ত প্ৰায় শতকৰা ৮৫ জন মানুহ থাকে) তাত কি শ্লোগান সিহঁতে ৰাখিব? অসমৰ গাঁৱত বিস্তৰ মাটি থকা মানুহখিনি অনা অসমীয়া আৰু গ্ৰামীণ বুৰ্জোৱা আৰু প্ৰকৃত খেতিয়কসকল অসমীয়া নেকি? বা অসমৰ চহৰাঞ্চলত জাতীয় বুৰ্জোৱা আৰু শ্ৰমিকসকল অসমীয়া আৰু চৰকাৰী আমোলা আৰু বৃহৎ বুৰ্জোৱাবোৰ অনা অসমীয়া নেকি? এতেকে পুলিচ মিলিটাৰীৰ বুলেট বুকু পাতিলে জাতীয়তাবাদৰ ধ্বনিত আগুৱাই আহিব কোন? শাসক শ্ৰেণীৰ অন্তৰ্দ্বন্দ্বৰ পৰা জন্মলাভ কৰা ফুটুকাৰ ফেনক ভয় কৰাৰ কি অৰ্থ থাকিব পাৰে? সেয়েহে সকলো জাতিসত্তা তথা ভাষা গোষ্ঠীৰ সমতাৰ নীতিক উৰ্ধত তুলি ধৰি শাসক শ্ৰেণীৰ সুবিধাবাদী চক্ৰৰ চক্ৰান্তক উদঙাই দিয়াত বাদে মাৰ্ক্সবাদীসকলৰ আন কিবা কৰিবলগীয়া আছেনে?

আপোনাৰ প্ৰথম প্ৰশ্নোত্তৰৰ শেষৰ কথাখিনিৰ অৰ্থ কি? কোনোবাই আগেয়ে কিবা এটাৰ বিষয়ে চৰ্চা কৰা নাছিল কাৰণেই পিছত চৰ্চা কৰিব নোৱাৰিব বুলি কিবা কথা আছে নেকি? তাৰ অৰ্থ হৈ চৈ কৰি দৃষ্টি আকৰ্ষণ' কৰা বা 'বান্দৰালি' কেতিয়াৰ পৰা হ'ল? আনে ইতিমধ্যে চিন্তাচৰ্চা কৰি থকা কিবা এটা বিষয়বস্তুৰ বিষয়ে আপুনিও চিন্তা চৰ্চা আৰম্ভ কৰিলে তাৰ অৰ্থ এইটোৱেই হ'ব নেকি? এনে আশালীন আৰু তৰল মন্তব্যই মন্তব্যদাতাৰেই অশালীনতা আৰু তৰলতাকেই সূচায় যেনহে লাগে দেখোন! তদুপৰি আমি যিমান দূৰ জানো এই মুখপত্ৰখনে ৬নং সংখ্যাৰ পৰাই "জাতীয় প্ৰশ্ন আৰু শ্ৰেণীসংগ্ৰাম" বোলা এলানি প্ৰবন্ধৰ ভাঙনি ৰাখিছে। তাৰ আগেয়ে মুক্তভাবে বক্তব্য ৰখাৰ সুবিধা তেওঁলোকৰ আছিল জানো? আপুনি পাহৰিছেই নিশ্চয় যে, তেওঁলোকে মুক্ত প্ৰচাৰৰ সুবিধা পাইছে ১৯৭৭ চনৰ লোক সভা নিৰ্বাচনৰ সময়ৰ পৰাহে। এতেকে তাৰ আগেয়ে মুক্ত আলোচনা ৰাখিব নোৱাৰাটো তেওঁলোকৰ দোষ নে কি? তথাপিও তেওঁলোকক এই বিষয়ে প্ৰশ্ন কৰাত উত্তৰ দিছিল যে, ১৯৭৩ চনতেই এই দলৰ অসম ৰাজ্যিক কমিটিৰ বৰ্তমানৰ সম্পাদক ভাস্কৰ নন্দীয়ে শিবদাস মিত্ৰ নামেৰে 'ভাৰতত জাতীয়তাৰ বিকাশ আৰু অনৈক্যৰ চক্ৰান্ত" বোলা দীঘল





OKDISCD

প্ৰবন্ধ লিখিছিল, যিটো প্ৰকাশো হৈছিল। তাতো সাধাৰণ ভাবে এই একে কথাই লিখিছিল। তাৰ বিৰুদ্ধে আপুনি তেতিয়া মুখৰ হৈ নুঠিল কিয়? চৰ্চাৰ Seniorityৰ 'গলাবাজী' কৰিলে মানুহে পিছে 'বান্দৰালি' বুলিয়েই ক'ব!

আপোনাৰ প্ৰশ্নোত্তৰ পঢ়ি The Utopian Karl Marx and the practical Rosa Luxemburg বোলা প্ৰবন্ধটোত লেনিনে লিখা কথা কেইষাৰ মানলৈ মনত পৰি গ'ল:

"Marx questions a socialist belonging to an oppressor nation about his attitude to the oppressed nation and at once reveals a defect common to all the Socialists of dominant nations …………; failure to understand their socialist duties towards the downtrodden nations, then echoing of prejudices acquired from the baurgeoisie of the "dominant nation."

অবশ্যে সেই শিতানটোতেই 'জমিদাৰ' আৰু 'মৌজাদাৰ'ৰ যি 'ভকতীয়া' ব্যাখ্যা আপুনি দাঙি ধৰিছে, তাৰ পিছত এনে হোৱাই স্বাভাবিক।

উদয়াদিত্য ভৰালী

## ডঃ গোহাঁইৰ বক্তব্য:

# কলখোৱা চোৰ বনাম জবৰ জং বীৰ

উদয়াদিত্য ভৰালীৰ চিঠিখনত যিবোৰ সাধাৰণ সূত্ৰ উল্লেখ কৰিছে, সেইবোৰৰ সম্পৰ্কে আমাৰ দ্বিমত থকাৰ প্ৰশ্ন নুঠে। ১৯৭২ চনত Assam Express কাকতত প্ৰকাশিত দুটামান প্ৰবন্ধৰ পৰা অলপতে 'সাম্প্ৰতিক সাময়িকী'ত প্ৰকাশিত প্ৰবন্ধ লানিলৈকে আমিও সেইবোৰ সাধাৰণ মাৰ্ক্সীয় সূত্ৰকে দোহাৰি আছোঁ। কিন্তু কম্ৰেড ভৰালী ডাঙৰীয়াই নিশ্চয় স্বীকাৰ কৰিব যে সাধাৰণ সূত্ৰবোৰ পৰিস্থিতি নাচাই য'তে ত'তে জধে মধে জাপি দিয়াটোও ৰাজনৈতিক বিচক্ষণতা তথা পূৰঠ মাৰ্ক্সবাদী চিন্তাৰ লক্ষণ নহয়।

কম্ৰেড ভৰালী ডাঙৰীয়াই পাহৰিছে যে অসমৰ ৰাজ্যভাষা আইনখন আমি সাময়িকভাবেহে গ্ৰহণ কৰাৰ কথা কৈছিলোঁ। অৰ্থাৎ গণতান্ত্ৰিক আন্দোলনৰ জৰীয়তে বিভিন্ন ভাষাভাষী গোষ্ঠীৰ মাজত সুস্থ পাৰস্পৰিক শ্ৰদ্ধা আৰু আস্থা গঢ়ি নুঠা পৰ্যন্ত এই সমাধান মানি লোৱাটোৱেই অসমৰ উত্তপ্ত পৰিস্থিতিত বাস্তৱসন্মত ব্যৱস্থা হব। জনগণৰ মূল শত্ৰুবোৰ বিনষ্ট হোৱাৰ পিছত নিশ্চয় জাতিগত নিষ্পেষণৰো কণকঠিয়া মৰিব। তেতিয়া অধিক গণতান্ত্ৰিক আৰু বিজ্ঞানসন্মত ব্যৱস্থা লব লাগিব বুলি এতিয়াই ঘোষণা কৰাত কাৰো নীতিগত আপত্তি থাকিব নোৱাৰে। কিন্তু প্ৰশ্ন হ'ল, অসমৰ বিশেষ পৰিস্থিতিত কেৱল তেনে ঘোষণাৰ পৰা বিশেষ লাভ হ'ব জানো? তেনেনীতি যদি এতিয়াই প্ৰয়োগ কৰিব খোজা যায় তেনেহলে বৰ্তমান পৰিস্থিতিত সি উগ্ৰজাতীয়তাবাদী অভিযানক পৰোক্ষভাবে



সহায় কৰিব। কমৰেড ভৰালী ডাঙৰীয়াই মন কৰিলে ভাল যে কাৰ্বি, মিছিং প্ৰভৃতি গোষ্ঠীৰ বিৰুদ্ধে অসমীয়া উগ্ৰজাতীয়তাবাদীৰ আক্ৰমণৰ উদাহৰণ বেছি নাই। ভাষামূলক নিৰ্যাতন আৰু নিপীড়ণৰ বলি প্ৰতি বাৰেই হৈছে বঙালীসকল।

এই পৰিস্থিতিৰ বাবে সাম্ৰাজ্যবাদী কূটনীতি আৰু তাৰ অনুচৰ অসমীয়া উগ্ৰপ্ৰাদেশিকতা আৰু বঙালী উগ্ৰপ্ৰাদেশিকতা প্ৰধানকৈ দায়ী। কিন্তু জাতি হিচাবে অসমীয়া জনগণৰ স্মৃতিত কিছুমান ঘটনা আছে— যাক সহজে মুছি পেলোৱা টান। জাতীয় বিকাশৰ প্ৰথম পৰ্যায়তে বঙালী ভাষাৰ আধিপত্যৰ বিৰুদ্ধে যুদ্ধ কৰিহে অসমীয়া নেতাসকলে অসমীয়া ভাষাক পুনঃপ্ৰতিষ্ঠা কৰিব পাৰিছিল। "স্বাধীনতা"ৰ আগে আগে সৰ্বভাৰতীয় নেতাসকলে অসমক পাকিস্থানৰ গৰাহত সুমুৱাব খুজিছিল। গোপীনাথ বৰদলৈ প্ৰভৃতি নেতাৰ প্ৰাণপণ চেষ্টাত যেনিবা সেই ব্যৱস্থা বিফল হ'ল। ইয়াৰ উপৰিও অসমলৈ বহিৰাগতৰ ব্যাপক প্ৰব্ৰজন সম্পৰ্কে চন্দ্ৰনাথ শৰ্মা আৰু কৃষ্ণ শৰ্মাৰ দৰে জাতীয়তাবাদী নেতায়ো তাহানিখনতে উদ্বেগ প্ৰকাশ কৰি গৈছিল—যেতিয়া প্ৰব্ৰজনে সংকটৰ ৰূপ লোৱা নাছিল। অৰ্থাৎ প্ৰথমৰে পৰা বহু যুগ ধৰি অসমৰ জনগণৰ নৈতৃত্ব দিয়া শ্ৰেণীটোৰ চেতনাত জাতীয় নিৰাপত্তাহীনতাৰ আশংকা এটা দকৈ শিপাইছে। এই আশংকা সম্পূৰ্ণ উলাই কৰি অসমত কোনো ছাঁৱিয়াছ ৰাজনৈতিক কৰ্মসূচী লবলৈ যোৱাটো হয়তো বান্দৰালি নহব— কিন্তু সি যে হনুমন্তালি হব মোৰ মনত তিলমানো সন্দেহ নাই। তাহানিৰ হনুমন্ত বীৰ আছিল— এডাল ঔষধিলতা আনিবলৈ পাচোঁত গোটেই পৰ্বতটোকে দাঙি লৈ আহিছিল। আমাৰ জবৰজং মাৰ্ক্সবাদী সকলেও এটা বিশেষ প্ৰশ্নৰ উত্তৰ বিচাৰিলে মোৰ মূৰৰ ওপৰতে মাৰ্ক্স-লেনিনৰ ৰচনাৱলীৰ পৰ্বত আনি পেলাই দিয়াৰ সম্ভাৱনা প্ৰবল দেখিছোঁ।

অসমৰ মধ্যশ্ৰেণীৰ অৰ্থনৈতিক সংকটক কেৱল পে'টিবুৰ্জোৱা শ্ৰেণীৰ বিপত্তি বুলি ধৰি লৈ সেই ধৰণে তাৰ মোকাবিলা কৰিবলৈ বিচৰাটো এক জংগী জবৰ জংবাদৰ অন্যতম লক্ষণ। ঐতিহাসিক কাৰণত এই শ্ৰেণীৰ ৰাজনৈতিক প্ৰকাশত মিহলি হৈ আছে এক দুৰ্বল আৰু পংগু জাতীয় বুৰ্জোৱাৰ আশা-আশাংক্ষা। প্ৰবল হেঁচাত পঞ্জালগা এই জাতীয় বুৰ্জোৱাই আজিও অসমৰ জনগণৰ জাতীয় চেতনাৰ নেতৃত্ব দিছে। সেয়ে তাৰ মতাদৰ্শৰ ওপৰত জধে-মধে আক্ৰমণ চলোৱাটো বিশেষ সুবুদ্ধিৰ লক্ষণ নহয়। বামপন্থী দল সকলে সেয়ে এই শ্ৰেণীটোৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক লক্ষ্যক নিজৰ নিজৰ দৃষ্টিকোণৰ পৰা যত দূৰ সম্ভৱ স্বীকৃতি দিয়া উচিত। অবশ্যে এই শ্ৰেণীটোৰ যিবোৰ আচৰণ আৰু আদৰ্শই জাতিগত নিপীড়ন-নিষ্পেষণৰ জন্ম দিব পাৰে তাৰ বিৰুদ্ধে আপোচহীন সংগ্ৰাম চলোৱাৰো প্ৰয়োজন আছে। এনে ধৰণৰ স্বীকৃতি নিদিয়াৰ বাবেই গণতান্ত্ৰিক সংগ্ৰামৰ সহযাত্ৰী হিচাপে বামপন্থী দলবোৰে এই শ্ৰেণীটোক সম্প্ৰতি লগ পোৱা নাই। বৰং সৰ্বভাৰতীয় শাসকশ্ৰেণীৰ কূট ভেদনীতি আৰু প্ৰতিক্ৰিয়াশীলতাৰ অস্ত্ৰ হিচাবেই এই শ্ৰেণীটোৰ ৰাজনীতি ব্যৱহৃত হৈ আছে। উগ্ৰজাতীয়তাবাদৰ বিৰুদ্ধে "মহান সংগ্ৰাম" চলাবলৈ যাওঁতে এই শ্ৰেণীটোৰ প্ৰকৃত শ্ৰেণী চৰিত্ৰৰ



OKDISCD

সঠিক বিচাৰ নকৰাটো জবৰজং মাৰ্ক্সবাদীৰ উপযুক্ত কামেই হব।

আমাৰ এই মন্তব্যৰ অৰ্থ এনে নেকি যে আমি অসমত অন্যান্য ভাষা-ভাষী গোষ্ঠীৰ অধিকাৰ লুপ্ত কৰিবলৈ বিচাৰিছোঁ? ১৯৭২ চনত আমি বঙালী বা অন্যান্য ভাষাভাষী গোষ্ঠীৰ অধিকাৰ ৰক্ষাৰ বাবে ওলাই আহি নানাধৰণৰ অপবাদ আৰু নিৰ্যাতন ভোগ কৰিব লগা হৈছিলোঁ। তেতিয়াও কিন্তু জাতি সমস্যাৰ মীমাংসাৰ আগুসূত্ৰ হিচাপে ৰাজ্যভাষা আইনকেই দাঙি ধৰিছিলোঁ। এইখন আলোচনীত প্ৰকাশিত আমাৰ শেষ প্ৰবন্ধটোত অলপতে স্পষ্টভাষাত কৈছিলোঁ যে অসমৰ বিভিন্ন ভাষিক সংখ্যালঘু গোষ্ঠীয়ে ৰাজ্যভাষা আইনৰ পৰা ষিবোৰ আহুকাল পাব পাৰে তাৰ বিৰুদ্ধে তেওঁলোকে বিচৰা ধৰণৰ safeguards দিব লাগে। তদুপৰি য'তেই তেওঁলোকৰ বৃজন সংখ্যক লোক একেলগে বাস কৰি আছে তাতেই তেওঁলোকৰ সাংস্কৃতিক অধিকাৰক (যেনে শিক্ষাৰ মাধ্যম হিচাবে আপোন ভাষাৰ প্ৰয়োগ) ৰক্ষণাবেক্ষণ দিব লাগিব। আপাততঃ এয়ে যথেষ্ট। তাক বাদ দি বিমূৰ্ত "সমান অধিকাৰ"ৰ চাপৰি বাই থকা আৰু এই মুহূৰ্ততে বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ শিক্ষাত মিছিং ভাষাৰ প্ৰয়োগ কৰিবলৈ বিচৰা একে ধৰণৰ কথা হব। মাৰ্ক্স-লেনিন আদিয়ে যেতিয়া স্বজাতীয় উগ্ৰ-জাতীয়তা শাসন কৰিবলৈ তেওঁৰ অনুগামীসকলক উপদেশ দিয়ে তেতিয়া তেওঁলোকে এইটোও কব খোজে যে উগ্ৰজাতীয়তাবাদী দুৰ্ণামৰ ভয়ত বাস্তৱ পৰিস্থিতিৰ সাহসী বিশ্লেষণ আৰু সমাধানত বিমুখ হোৱাটোও বাঞ্ছনীয় নহয় !!

কমৰেড ভবালী ডাঙৰীয়াই কমৰেড শিৱদাস মিত্ৰ ডাঙৰীয়াৰ এটা প্ৰবন্ধৰ উল্লেখ কৰিছে। তাত আন মূল্যবান কথা থাকক বা নাথাকক অসমৰ বিশেষ ঐতিহাসিক পৰিস্থিতিৰ সজাগ অধ্যয়নৰ প্ৰমাণ নাছিল। আমি নিজে seniority দাবী কৰা নাই—বান্দৰালিৰ ক্ষেত্ৰত seniority দাবী কৰাৰ সংসাহস আমাৰ নাই। কিন্তু এই দাবী কৰিম যে অসমৰ ভাষাসমস্যা, জাতিসমস্যা, গণতান্ত্ৰিক আন্দোলনৰ সমস্যাৰ লগত আমি কিছুদিন ধৰি জড়িত আৰু অসমত গণতান্ত্ৰিক আন্দোলনৰ সুস্থ বিকাশৰ বাবে জাতিসমস্যাৰ গভীৰ বিশ্লেষণ আৰু সংগত সমাধান উদ্ভাৱন যে কিমান জৰুৰী সেই কথা আমাৰ দৰে তীব্ৰভাৱে কোনেও ৰাইজৰ সমুখত দাঙি ধৰা নাই।

লে'নিন—স্তালিনে সাধাৰণ সূত্ৰ হিচাবে যেনেকৈ সকলো জাতিৰ সমান অধিকাৰক স্বীকৃতি দিছে ঠিক তেনেকৈ আন এটা সাধাৰণ সূত্ৰ হিচাবে বিভিন্ন জাতিৰ বিচ্ছিন্নতাকামী মনোভাৱকো গৰিহণা দিছে। আজিৰ অসমত বিভিন্ন ক্ষুদ্ৰ ভাষাৰ দাবী মুখৰ হৈ উঠাটো অস্বাভাৱিক নহয়। কিন্তু তাৰ লগতে নেপথ্যত এটা অসমীয়া বিদ্বেষী আৰু সংকীৰ্ণতাবাদী মনোভাবো লক্ষ্য কৰা যায়। এই মনোভাবক স্পষ্টভাষাত গৰিহণা দিয়াৰ সাহসো থাটি মাৰ্ক্সবাদীৰ থাকিব লাগিব। আজি বহুদিন ধৰি অসমৰ বিভিন্ন ভাষাগোষ্ঠীৰ মাজত অসমীয়া যোগাযোগৰ মাধ্যম হিচাবে ব্যৱহৃত হৈ আহিছে। এতিয়াও এই মাধ্যম এই উদ্দেশ্যে ব্যৱহাৰ কৰিব পাৰি। কিন্তু কোনোবাই "উগ্ৰ-জাতীয়তাবাদী" বোলাৰ ভয়ত অসমীয়া ভাষাৰ এই ঐতিহাসিক ভূমিকা অস্বীকাৰ আৰু



বিনাশ কৰিলে মাৰ্ক্সবাদীও সংকীৰ্ণ জাতীয় ষড়যন্ত্ৰৰ অংশীদাৰ হৈ পৰিব। প্ৰসংগক্ৰমে মোৰ মনত পৰিছে যে এটা বিপ্লৱী মাৰ্ক্সবাদী দলে আয়োজন কৰা এখন সভাত উগ্ৰজাতীয়তাবাদী বোলাৰ ভয়ত সভাৰ কামকাজ ইংৰাজী ভাষাত চলোৱা হ'ল—যদিও উপস্থিত শ্ৰোতাৰ সৰহভাগেই ইংৰাজীতকৈ বঙলা আৰু অসমীয়া ভাষাহে ভালকৈ বুজিছিল !!

কমৰেড ভৰালী ডাঙৰীয়াই তেখেতৰ চিঠিত দোকানত চাহখোৱা আদি তেখেতৰ বিপ্লৱী দলৰ যাৱতীয় কামকাজৰ দীঘল বিৱৰণ দিছে। সেইবোৰত মোৰ আগ্ৰহ নাই। তেখেতৰ দলতো আন্তৰিকতা থকা কৰ্মী আছে বুলি মোৰ বিশ্বাস। তেওঁলোকে মোহমুক্তভাবে মোৰ মতামত বিচাৰ কৰি চাওক। মোৰ ভুল হ'লে কেৱল ময়েই জহন্নামে যাম। এটা পাৰ্টিৰ ভুল হ'লে?... ... .. ইতি

ভৱদীয়

হীৰেন গোহাঁই

গুৱাহাটী বিশ্ববিদ্যালয়

## অন্য এক ঐতিহ্য

নবেম্বৰ সংখ্যা "সাম্প্ৰতিক সাময়িকীত" "ঐতিহ্যৰ ষড়যন্ত্ৰ" শীৰ্ষক প্ৰবন্ধৰ সামৰণিত সন্ধ্যা দেৱীয়ে লিখিছে, "দমন শোষণৰ অতীত নাজানিলে দমন-শোষণৰ পৰা মুক্ত সমাজ প্ৰতিষ্ঠা কৰাৰ কথা চিন্তা কৰিব নোৱাৰি।" ঠিক কথা, এই বিষয়ে কাৰো সন্দেহ থাকিব নোৱাৰে। কিন্তু সেই সমাজ প্ৰতিষ্ঠা কৰিবৰ কাৰণে জানিব লগা অন্য এটা দিশৰ কথাও আমি পাহৰি থাকিব নোৱাৰো। সেইটো হ'ল দমন-শোষণৰ বিৰুদ্ধে চলা প্ৰত্যাহ্বানৰ দিশ। ভাৰতত এই ঐতিহ্যও আছিল।

আদৰ্শবাদী দাৰ্শনিকৰ ন্যস্ত স্বাৰ্থ, বিধায়কৰ বিধান আৰু কাব্য-মহাকাব্যৰ শ্ৰৱণ-কীৰ্তনৰ মাধ্যমেৰে চলোৱা বহুল প্ৰচাৰ—এই আটাইবোৰ কথাই পৰাপৰ নিৰ্ভৰ। এইবোৰে শোষণ-দমনৰ ঐতিহ্য বাহাল ৰাখোতে, তাৰ বিৰুদ্ধে সংগ্ৰামো চলিছিল। আমি নাৰী-নিৰ্যাতনৰ ঐতিহ্যৰ কথা কওঁতে কোনেও তাৰ বিৰুদ্ধে চলা প্ৰতিবাদ আৰু যুঁজৰ কথা পাহৰি থাকিব নোৱাৰো।

"দমন-শোষণৰ অতীত" আৰু "প্ৰত্যাহ্বানৰ অতীত" দুয়োটাই সমানে গুৰুত্বপূৰ্ণ। আজিৰ ভাৰতীয় চেতনাও দুই ঐতিহ্যৰ দ্বন্দ্বৰ ফলশ্ৰুতিহে। এই ক্ষেত্ৰত উক্ত প্ৰবন্ধৰ এই কথাষাৰ এবাৰ পঢ়ি চোৱা দৰ্কাৰ— "উচ্চ-শ্ৰেণীৰ মাজতেই এই অমানবিক প্ৰথাৰ জনপ্ৰিয়তা সীমিত আছিল, নিম্ন-শ্ৰেণী সমূহৰ মাজত ইয়াৰ প্ৰভাৱ আছিল খুব দুৰ্বল।" এই সীমিত জনপ্ৰিয়তা আৰু দুৰ্বলতাৰ কাৰণ কি? আমি জানো যে আইন শৃংখলাৰ ব্যৱস্থা লৈ আৰু কাব্য-মহাকাব্যৰ শ্ৰৱণ-কীৰ্তনৰ মাজেদি শাসকৰ সহযোগীসকলে দমন-শোষণৰ বিধান জনসাধাৰণৰ মাজত অহৰহ প্ৰচাৰ কৰিছিল আৰু এইবোৰ মূৰৰ ওপৰত জাপি দিছিল। তথাপিতে কিয় "এই অমানবিক প্ৰথাৰ জনপ্ৰিয়তা সীমিত আছিল" আৰু প্ৰভাৱ "দুৰ্বল"



OKDISCD

আছিল ? ইয়াৰ কাৰণ মূলতে অৰ্থনৈতিক। সঁচা, কিন্তু মনত ৰাখিব লাগিব যে এই একে কাৰণেই বিদ্ৰোহীৰো জন্ম দিয়ে। এনে বিদ্ৰোহীৰ চিন্তা আৰু কৰ্মধাৰা চলি আছিল বাবেই ভাৰতত এক বস্তুবাদী দৰ্শনৰ ঐতিহ্যও প্ৰবাহমান হৈ আছিল। এই চিন্তা-প্ৰবাহ আৰু দাৰ্শনিক ঐতিহ্যক জন্ম দিব পৰা সংগ্ৰামী ঐতিহ্যটো আমি আজি কেবল প্ৰেৰণাসঞ্চাৰকাৰী বুলিয়েই সুঁৱৰিব খোজা নাই। খুজিছোঁ এই কাৰণেহে যে ই আমাক বৰ্ণহিন্দুৰ শাস্ত্ৰীয় অনুশাসন আৰু দমন-শোষণৰ নীতিৰ বিপক্ষে থকা স্বাধীনতা পিয়াসী জনগণৰ চিন্তাৰ ওচৰ চপাই নিব পাৰিব।

সন্ধ্যাদেৱীয়ে "ঐতিহ্যৰ ষড়যন্ত্ৰ"ৰ সম্পৰ্কে কোৱা কথাখিনি আধুনিক শিক্ষিত লোকৰ এটা ৰেচ বুজন অংশই নজনা নহয়। জানিও একো কৰিব নোৱৰাৰ কাৰণ কি ? শ্ৰেণী-স্বাৰ্থই পাতি দিয়া হেঙাৰ নহয় জানো ? এই হেঙাৰ আছে বাবেই জনা কথাও গভীৰভাবে উপলব্ধি কৰিব পৰা নাযায়। লেখিকাৰ আনুভূতিক তীব্ৰতাই শিক্ষিত লোকৰ বহুতকে আঘাত কৰিব। তাত সন্দেহ নাই। কিন্তু এয়ে যথেষ্ট নহয়। ইয়াৰ পিছত, তেখেতে যদি আমি উল্লেখ কৰা দিশটোত বা ঐতিহ্যটোত আলোকপাত নকৰে তেনেহ'লে "মুক্ত সমাজ প্ৰতিষ্ঠা কৰাৰ কথা চিন্তা" কৰোতে উচ্ছ্বাস বা প্ৰেৰণাৰ লগতে লগা জ্ঞান পোৱা নাযাব।

নিসন্দেহে, আজি দেশ জুৰি চলা গণ-আন্দোলনৰ ধাৰাটো এই ঐতিহ্যৰ পৰা অবিচ্ছিন্ন। ই 'নিম্নশ্ৰেণীসমূহৰ" সংগ্ৰামৰ ঐতিহ্য। ইয়াৰ জ্ঞান অপৰিহাৰ্য। লেখিকাৰ আনুভূতিক তীব্ৰতা দেখি ভাব হৈছে যে ই স্বাভাবিকতে বৰ্দ্ধিষ্ণু। তেখেতে নিজেই নিশ্চয় "ষড়যন্ত্ৰ"ৰ সমান্তৰালভাবে চলা "বিদ্ৰোহ"ৰ গম লোৱাতো অনিবাৰ্য বুলি ভাবিব। আমি কেবল সোঁৱৰাই দিছোঁ।

কুশল চমুৱা
ফুৰৈনৈ

## তৰুণ শইকীয়াৰ 'কুকুৰ' মৌলিক ৰচনা নে ?

শাৰদীয় সংখ্যা "সাম্প্ৰতিক সাময়িকী"ত প্ৰকাশিত তৰুণ শইকীয়াৰ "কুকুৰ" নামৰ একাংকিকাখনৰ সন্দৰ্ভত এখাৰ লিখাৰ প্ৰয়োজন অনুভৱ কৰি এই পত্ৰ দিলো। উক্ত নাটিকাখনিৰ লগত ইতিপূৰ্বে "নতুন সাহিত্য" ১মবছৰ, ১ম সংখ্যা-১৯৭৪ত প্ৰকাশিত চৈয়দ আব্দুল মালিকৰ "মিনিষ্টাৰৰ গৰু" নামৰ গল্পটিৰ অদ্ভুত ধৰণৰ সাদৃশ্য পৰিলক্ষিত হোৱা দেখা যায়। আনহাতেদি এই দুয়োখনি ৰচনাৰ লগত বিখ্যাত ৰুছ লিখক চেকভৰ এটা গল্পৰ ( গল্পটোৰ নাম পাহৰিলো ) সাদৃশ্যও মন কৰিবলগীয়া। উক্ত তিনিওখনি ৰচনাৰ মাজত যি সাদৃশ্য আছে সি ঘটনাবশতঃ নে ইয়াৰ মাজত কিবা ৰহস্য আছে ? সন্দেহৰ নিৰসন কৰিব বুলি আপোনাৰ আলোচনীৰ জৰীয়তেই উক্ত লিখক দুজনলৈ গোহাৰি জনালো। আমি আশা কৰো তেখেতসকলে ইয়াৰ যুক্তিসন্মত সমাধান আগ বঢ়াব।

অতুল তামুলী
তিনিচুকীয়া



# প্ৰবন্ধ

## মাও ছে-তুঙৰ শিকনি সম্পৰ্কে চৌ এন লাই

চীনৰ প্ৰয়াত প্ৰধানমন্ত্ৰী চৌ. এন. লাইয়ে ১৯৪৯ চনৰ ৭ মে' তাৰিখে চীনৰ প্ৰথম জাতীয় যুৱ কংগ্ৰেছত ভাষণ দিওঁতে কৈছিল—"মাও ছে-তুঙৰ পৰা শিক্ষা লওঁতে আমি তেওঁক ঐশ্বৰিক শক্তি-সম্পন্ন নেতা বা অৱতাৰী পুৰুষ বুলি ধৰি লব নালাগে বা আমি কেতিয়াও তেওঁৰ ওপৰত দেৱত্ব আৰোপ কৰিব নালাগিব। এনে ধাৰণা ললে আমি তেওঁৰ পৰা প্ৰকৃতপক্ষে একো শিকিব নোৱাৰিম।" তলত তেওঁৰ ভাষণৰ সংক্ষিপ্ত তুলি দিয়া হ'ল ঃ

চৌ. এন. লাইয়ে কৈছিল—চীনত জন্ম গ্ৰহণ কৰা মাও ছে-তুং এজন মহান পুৰুষ। চীনা সমাজত এনে এজন ব্যক্তিৰ আবিৰ্ভাব হঠাতে হোৱা ঘটনা নহয়। তেওঁ হ'ল যোৱা এক শতিকাৰ বিপ্লবী গণ-আন্দোলনসমূহৰ ফলশ্ৰুতি আৰু জনগণৰ নেতা, যিয়ে সুদীৰ্ঘ অতীতৰ শিক্ষা আৰু অভিজ্ঞতাৰে পুষ্ট হৈ আগ-বাঢ়িছিল। গতিকে আমি মাও ছে-তুঙৰ পৰা শিক্ষা লওঁতে তেওঁৰ অনুকৰণীয় সমস্ত পদ্ধতিটোকে আয়ত্ত কৰিব লাগিব।

চেয়াৰমেন মাওৱে আমাক প্ৰায়ে সোঁৱৰাই দিছিল যে তেৰো সকতে গাঁৱত থাকিয়েই ডাঙৰ দীঘল হৈছিল। শৈশৱ কালত তেওঁৰ মনতো অন্ধ বিশ্বাস আৰু তুচ্ছ ধাৰণা কিছুমান আছিল। ছান-সি চহৰ হোপেই অঞ্চলত প্ৰকাশ পোৱা পাঠ্যপুথি এখন মাও ছে-তুঙে নিন্দা কৰিছিল যি খনত উল্লেখ কৰা হৈছে যে ১০ বছৰ বয়সতে তেওঁ অন্ধবিশ্বাস বিৰোধী আছিল আৰু আনকি নিচেই সৰুতেই ঈশ্বৰ বিশ্বাস নকৰিছিল। আনহাতে মাওৱে কৈছিল যে সৰুতে তেওঁ ঈশ্বৰ মানিছিল। এবাৰ যেতিয়া তেওঁৰ মাক বেমাৰত পৰিছিল তেতিয়া মাকৰ আৰোগ্যৰ বাবে ঈশ্বৰক প্ৰাৰ্থনা জনাইছিল। অন্ধবিশ্বাসৰ সিয়েই এটা প্ৰকৃষ্ট উদাহৰণ নহয়নে ? কিন্তু ইয়াৰ সম্পূৰ্ণ বিপৰীতে উপৰোক্ত পাঠ্যপুথিখনত উল্লেখ কৰা হৈছিল যে চেয়াৰমেন মাও সৰুৰে পৰা অন্ধবিশ্বাসী নাছিল, যেন তেওঁ জন্মতেই সৰ্বজ্ঞ আছিল। চেয়াৰমেন মাওৱে কৈছিল যে এইটো প্ৰকৃততে গোকাট মিছা।

চেয়াৰমেন মাও সামন্ত সমাজৰ এক কৃষক পৰিয়ালত জন্ম হৈছিল। তেওঁৰ অন্ধ বিশ্বাস আছিল আৰু পৌৰাণিক শাস্ত্ৰ আদিও অধ্যয়ন কৰিছিল। যেতিয়া তেওঁ সমাজৰ বিভিন্ন সমস্যাসমূহ অধ্যয়ন কৰিবলৈ ধৰিলে তেতিয়া তেওঁ এই এটা বিষয়তে মনোযোগ দি আনবোৰ আওহেলা কৰিবলৈ ধৰিলে। তেওঁৰ শ্ৰেষ্ঠত্ব ইয়াতেই যে কুসংস্কাৰৰ বেহু ভাঙি তেওঁ ওলাই আহিছিল আৰু



OKDISCD

অতীতৰ ভুল স্বীকাৰ কৰি লোৱাৰ সাহস তেওঁৰ আছিল। এনে কিছুলোক আছে যিসকলে কব খোজে যে মাও ছে তুং আগৰে পৰা গুণী (বিশুদ্ধ) আছিল বাবেহে এতিয়া উন্নতি সাধিব পাৰিছে। তেওঁলোকে ভাবে যে তেওঁ "জন্মতে সিদ্ধ পুৰুষ" বা এক "বিৰল প্ৰতিভা"। তেওঁলোকে কয়, তেওঁ কেতিয়াও ভুল নকৰে আৰু তেওঁ ত্ৰুটিহীন। এনে ধৰণৰ চিন্তা সমাজৰ বাবে অতি ভয়ানক।

আমি মাও ছে তুঙৰ পৰা শিকোঁ, কাৰণ, তেওঁ এনে নীতিৰ পৃষ্ঠপোষকতা কৰা এজন নেতা, যিয়ে নীতিসমূহৰ সহজ বা সালসলনি কৰি প্ৰয়োগ কৰাৰ পক্ষপাতি।

মাও ছে-তুঙে চীনা বিপ্লৱত অংশ গ্ৰহণ কৰা সময়ৰে পৰা চীনা বিপ্লৱে ক্ৰমান্বয়ে সঠিক পথেদি গতি কৰিছে। চীনা বিপ্লৱৰ চাৰিওটা পৰ্যায়তে চেয়াৰমেন মাওৱে সঠিক নীতি অৱলম্বন কৰি চলিছিল। যেতিয়া পাৰ্টিৰ কেন্দ্ৰীয় কমিটি বা বিপ্লৱী জনগণৰ একাংশ বিপক্ষে পৰিচালিত হৈছিল তেনে সময়তো চেয়াৰমেন মাও সঠিক নীতিত অচল অটল আছিল। মাওৰ নিৰ্দেশিত পথ চীনা জনগণৰ কাৰণে আছিল এক নিৰ্ভুল পথ।

নীতিত আস্থা ৰাখি চলা সম্পৰ্কে আমি মাও ছে-তুঙৰ পৰা নিম্নোক্ত দুটা কথা অনুধাৱন কৰা উচিত: প্ৰথম—লক্ষ্যত নজৰ ৰখা; দ্বিতীয়—লক্ষ্যত অৱতীৰ্ণ হোৱা।

মাও ছে-তুং অকল সত্যৰ স্তাৱক বা পথ নিৰ্দেশকেই নাছিল, তেওঁ সত্য ও নীতিৰ ওপৰত প্ৰতিষ্ঠিত বহুতো বিশিষ্ট কূটনীতি আৰু সমৰনীতি নিৰ্দ্ধাৰণ কৰি গৈছে। তেওঁ সত্যৰ অপলাপক প্ৰশ্ৰয় নিদিছিল, কিন্তু সত্যক হাতে কামে ব্যৱহাৰত লগাই বাস্তৱ ৰূপ দিছিল।

নতুন পুৰুষসকলে কথাৰ ফুলজাৰিক প্ৰশ্ৰয় দিয়াতকৈ হাতে-কামে লগা উচিত। মাও ছে-তুঙৰ চিন্তাধাৰাৰ মূল বিশেষত্ব এই যে ই সাৰ্বজনীন সত্যৰূপে প্ৰতিষ্ঠিত আৰু চীন দেশৰ পৰিস্থিতিৰ লগত ইয়াৰ যথাৰ্থ প্ৰয়োগ ঘটিছে। আমাৰ যুৱকসকলে এনে ধৰণৰ চিন্তা কৰিবলৈ শিকিব লাগে।

চীন দেশৰ জনগণে যাতে এই সাৰ্বজনীন সত্য গ্ৰহণ কৰি উপকৃত হয় আৰু ইয়াক যাতে চীনদেশত শক্তি-সামৰ্থলৈ ৰূপান্তৰিত কৰিব পৰা যায় তাৰ বাবে যুৱকসকলে সহযোগিতা আগবঢ়োৱা প্ৰয়োজন। এই সহযোগিতা—বিস্তাৰ ঘটাবৰ বাবে, জনগণৰ মনত আগ্ৰহ জন্মোৱা আৰু মাজে সময়ে উচিত ফলাফললৈ ধৈৰ্যেৰে বাট চোৱাৰ বাবে।

দহবছৰীয়া গৃহযুদ্ধৰ কালত আমি ডাঙৰ ডাঙৰ চহৰবিলাক দখল কৰাৰ সপক্ষে যুক্তি দৰ্শাইছিলো। কিন্তু চেয়াৰমেন মাওৱে এই মতহে পোষণ কৰিছিল যে যিহেতু আমাৰ শক্তি এতিয়াও নিচেই চালুকীয়া অৱস্থাত আছে সেইহেতু চহৰ অভিযানৰ আকাংক্ষা কৰা অনুচিত, বৰং আমি শিল্পাঞ্চল সমূহত আমাৰ শক্তি কেন্দ্ৰীভূত কৰিব লাগে। সেই সময়ত আমাৰ গৰিষ্ঠ সংখ্যকেই তেওঁৰ মত উপেক্ষা কৰি ডাঙৰ চহৰবিলাকলৈ অভিযান চলাবলৈ উচটনি দিছিল। এনে অৱস্থাত চেয়াৰমেন মাওৱে এই পথকে অনুসৰণ কৰাৰ বাহিৰে বিকল্প নাছিল, কিন্তু ইয়াৰ শেষ (নিশ্চিত) ফলাফল আছিল পৰাজয় বৰণ। ইয়াৰ ঠিক পিছতেই তেওঁ



এখন জনসভাত কৈছিল—"এই বিফলতাৰ বাবে আমি বুজা উচিত এই কৌশল কামত অহা নাই, গতিকে আমি নতুন ব্যৱস্থা গ্ৰহণ কৰিব লাগে। জনগণে" তথাপি তেওঁৰ প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ ৰাজি নহ'ল আৰু চেয়াৰমেন মাওৱে পুনৰ আনসকলৰ পথকে অনুসৰণ কৰি ফলাফললৈ বাট চাই ৰব লগা হৈছিল। ফল স্বৰূপে—কিয়াংছি প্ৰদেশত লালফৌজ পৰাজিত হৈছিল আৰু সৈন্যবাহিনী তাৰ পৰা অপসাৰণ কৰিব লগা হোৱা হেতুকেই লংমাৰ্চৰ কাৰ্যসূচী হাতত লবলৈ বাধ্য হ'ব লগা হৈছিল। সেই কালছোৱাত চেয়াৰমেন মাও পিছুৱাই অহা সৈন্য-বাহিনীটোৰ লগতে আছিল। লংমাৰ্চৰ কালত মাওৱে পুনৰ তেওঁৰ শুদ্ধনীতি উত্থাপন কৰিলে। পিছত Tsunyi ৰ (কেন্দ্ৰীয় কমিটিৰ) সভাত পূৰ্বৰ ভ্ৰান্ত নীতিৰ সলনি কৰা হ'ল আৰু মাওৰ নেতৃত্বত লালফৌজে মাৰ্চলেওৰ চেজুয়ান প্ৰৱেশ কৰি উত্তৰ ছেন্‌ছি দখল কৰিবলৈ সমৰ্থ হৈছিল।

মাওৰ নেতৃত্বত সকলোৰে সম্পূৰ্ণ আস্থা থকাৰ বাবেই বিপ্লৱত বিজয় লাভ কৰিবলৈ তেওঁলোক সমৰ্থ হৈছিল। আমি মাথো কোনো এটা শ্লোগান দিয়েই স্থবিৰ হৈ গলে নহ'ব বা সেয়াই যথেষ্ট হৈছে বুলি আত্মপ্ৰসাদ লভিলে নহ'ব। এইটো ফলপ্ৰসূ নহ'ব বুলি নিৰাশ হলে অথবা এইটো বেছ ফলপ্ৰসূ বুলি উল্লসিত হৈ আমি স্বাভাৱিক অগ্ৰগতিক বাধা দিয়াও নচলিব। যদি আমি তেনেধৰণেই কাম কৰোঁ তেনে হলে আমি কেতিয়াও মাওৰ যোগ্য ছাত্ৰ হ'ব নোৱাৰিম।

মাও ছে-তুঙৰ সত্যনিষ্ঠাৰ অন্য এটা অভিজ্ঞতাৰ চানেকি হৈছে তেওঁৰ উদ্ভাৱিত সকলোবোৰ নীতিয়েই বৃহত্তৰ জনগণৰ স্বাৰ্থৰ সপক্ষে পৰিচালিত।

চেয়াৰমেন মাওৱে সমস্ত বিষয়কে এটা কেন্দ্ৰবিন্দুত কেন্দ্ৰীভূত কৰিছিল, —'বিপ্লৱৰ ফাকা আবাজ দি আমি নিজকে একোটা সৰু সৰু চক্ৰত আবদ্ধ ৰখাৰ পৰিবৰ্তে চীনদেশৰ বাস্তৱ অৱস্থাৰ লগত ৰজিতা খুৱাই সৰ্বহাৰাৰ মতবাদ প্ৰয়োগ কৰি বৃহত্তৰ জনগণক আমাৰ পক্ষলৈ লৈ আঁহা আৰু বিপ্লৱত বিজয় লাভৰ বাবে তেওঁলোকক সৰ্বহাৰা জনগণৰ চাৰিওফালে সমাবেশ ঘটোৱা।'

চেয়াৰমেন মাওৰ যুক্তফ্ৰণ্টৰ ধাৰণা হ'ল বৃহৎ মিত্ৰশক্তি সমূহক একে লগ লগাই এটাৰ পাছত এটাকৈ শত্ৰু পক্ষক পৰাজিত কৰা।

বৃহত্তৰ জনগণৰ স্বাৰ্থত প্ৰতিক্ৰিয়াশীল শাসক চক্ৰক ধ্বংস কৰাৰ উদ্দেশ্যেৰে চেয়াৰমেন মাওৰ 'বৃহত্তৰ জনগণক সেৱাত লগোৱা' নীতিৰ প্ৰয়োগেই হৈছে আমাৰ মহান কৃতকাৰ্যতা।

প্ৰকৃত পৰিস্থিতি অনুধাৱন কৰি প্ৰকৃত অৱস্থাৰ মূল্যায়ন কৰাৰ প্ৰতি চেয়াৰমেন মাওৰ যি উদ্যম, সেই উদ্যমক যুৱকসকলে অনুসৰণ কৰা উচিত। যুৱকসকল ন্যায়পৰায়ণ হোৱা উচিত,—। শুদ্ধ হলে শুদ্ধ আৰু ভুল হলে ভুল-স্বীকাৰ কৰি লব লাগে। অন্যায়ৰ বশবৰ্তী, মইমতীয়া আৰু অবিবেচক হ'ব নালাগে।

সমগ্ৰ দেশৰ যুৱশক্তি একতাৰ ৰান্ধোনত বান্ধ খাই. চেয়াৰমেন মাওৰ নেতৃত্বত আগবঢ়া উচিত। + +

অনুবাদ: শোভা থনিকৰ



OKDISCD

# নাটক আৰু অভিনয় প্ৰসংগ

## ব্ৰেখ্টৰ এপিক থিয়েটাৰ

"মোৰ সকলো কাম সকলো ক্ষেত্ৰতেই চিৰদিনেই গতিপন্থী। যিসকল ৰৈ থকা নাই, চিৰদিন মই তেওঁলোকৰ বাবেই লিখিছোঁ। মই নিজে কোনোদিন নিশ্চল হৈ থকা নাই, আশাকৰোঁ জীয়াই থকা দিনকেইটাত কোনো দিনে ৰৈ নাথাকিম। জীৱন যদি সন্মুখৰ পিনে চলমান নহয়, তেতিয়া মোৰ বাবে জীৱন অৰ্থহীন। গতিকে যিবোৰ জাতিয়ে আৰু শ্ৰেণীয়ে বাট মোকলাই আগবাঢ়িছে মহামানৱৰ সমুদ্ৰৰ পিনে, মই আছোঁ তেওঁলোকৰ লগতে। সংঘবদ্ধ শ্ৰমজীৱী জনগণ আৰু সমাজতান্ত্ৰিক ছোভিয়েট ৰিপাব্লিক ইউনিয়নৰ সহযাত্ৰী মই। ঐতিহাসিক বিৱৰ্তনৰ অপ্ৰতিৰোধ্য উত্তাল তৰংগই তেওঁলোকক বহন কৰি লৈ গৈছে। তেওঁলোকৰ ভবিতব্যই মোৰ ভবিতব্য।

'কাৰ বাবে লিখোঁ' ? অভিযাত্ৰী সেনাবাহিনীৰ যি অগ্ৰগামী দল, এনে এক বিপুল আন্তৰ্জাতিক সংগ্ৰাম যিসকলে আৰম্ভ কৰিছে, যি সফল হ'লে শ্ৰেণী আৰু সীমান্তৰ বেষ্টনি ভাঙি গৈ এক সমাজৰ সৃষ্টি হ'ব, মই লিখোঁ তেওঁলোকৰ বাবেই। আজি বৈজ্ঞানিক সমাজবাদ সমাজ-সংগ্ৰামৰ এনে এক বিশ্বব্যাপী প্ৰতিষ্ঠান যি আপোচ নেজানে, গোপনতা নেজানে, যি এক সুচিন্তিত নিৰ্ভীক যুক্তিবাদক সম্বল কৰি সুউচ্চ পৰ্বতভূমি অধিকাৰ কৰিবলৈ উপক্ৰম কৰিছে। সেনাবাহিনীৰ অৱশিষ্ট অংশই তেওঁলোকক অনুসৰণ কৰিব—পাচত পৰি ৰ'ব হয়তো বহুতেই, হয়তো বহুতেই কৰিব দলত্যাগ, হয়তো পশ্চাদপসৰণ হ'ব বহুবাৰ। যি সকল পাচত পৰি আছে তেওঁলোকক শীঘ্ৰে আগবাঢ়ি আহিবলৈ আমি লেখকসকলে আহ্বান জনাইছোঁ। অভিযাত্ৰী বাহিনীৰ যাত্ৰা বিৰামহীন। ++

বাৰ্টোল্ট ব্ৰেখ্ট

দৰ্শকক বাদ দি ব্ৰেখ্টে কেতিয়াও নাটকৰ কথা চিন্তা কৰা নাই। মঞ্চৰ সন্মুখত বহি থকা মানুহখিনি সম্পৰ্কে সম্পূৰ্ণ বিস্মৃত হৈ আপোনমনে নাটক কৰি যোৱাটো যে দায়িত্বহীনতাৰ চৰম নিদৰ্শন সেই কথা নিশ্চয় বহলাই কোৱাৰ দৰ্কাৰ নাই। এফালৰ পৰা চাবলৈ গ'লে ব্ৰেখটৰ নাট্য চিন্তা মূলতঃ দৰ্শকৰ প্ৰতিক্ৰিয়াক বৈজ্ঞানিক কৰাৰ এক অভিনৱ প্ৰচেষ্টা। ক্ৰিটিকেল দৃষ্টিভংগীৰ সহায়ত সামাজিক ঘটনাসমূহৰ প্ৰকৃত কাৰণ সম্পৰ্কে দৰ্শক অৱগত হওক আৰু এই সমাজ বাস্তৱত যে অপৰিৱৰ্তনীয় নহয় সেই কথা দৰ্শকে যুক্তি-বুদ্ধিৰে উপলব্ধি কৰক—এয়ে আছিল ব্ৰেখ্টৰ মূল উদ্দেশ্য। ব্ৰেখ্ট প্ৰৱৰ্তিত এপিক থিয়েটাৰৰ মূলভিত্তি এই উদ্দেশ্যৰ মাজতেই নিহিত আছে। কিছুক্ষেত্ৰত দেখা যায় ব্ৰেখ্টৰ এপিক থিয়েটাৰৰ এই ভাবাদৰ্শগত দিশটোৰ ওপৰত উপযুক্ত গুৰুত্ব দিয়া নহয়। ফলত এপিক থিয়েটাৰৰ আংগিক ভাবাদৰ্শগত ভিত্তিৰ পৰা বিচ্ছিন্ন হৈ পৰে। অৰ্থাৎ, পোষ্টাৰ প্ৰজেকচন, সূত্ৰধাৰ, নিৰ্লিপ্ত অভিনয় ইত্যাদিয়েই এপিক থিয়েটাৰৰ মূল বস্তু হৈ পৰে, জীৱন আৰু জগতক বস্তুবাদী দৃষ্টিভংগীৰে বিশ্লেষণ কৰাৰ কোনো নাম-গোন্ধ তাত নাথাকে। এপিক থিয়েটাৰৰ আবেদন মূলতঃ মস্তিষ্কমুখী। মানুহৰ দুখ-দুৰ্দশা কিম্বা সেই ধৰণৰ কিবা সমস্যা দেখুৱাই দৰ্শকক আবেগাপ্লুত কৰি প্ৰেক্ষাগৃহৰ পৰা বিদায় দিয়াৰ যি পৰম্পৰাগত প্ৰথা তাৰ তীব্ৰ বিৰোধিতা কৰি এপিক থিয়েটাৰত আবেগাপ্লুত দৰ্শকক চিন্তিত কৰিব লাগিব, সমাজ-বাস্তৱক স্বাভাৱিক বুলি গ্ৰহণ নকৰি বিচাৰ বিশ্লেষণ কৰাৰ অভ্যাস তেওঁলোকে গঢ়ি তুলিব লাগিব। কিন্তু কেৱল আবেগৰ ওপৰত ভিত্তি কৰি যি নাট্য পৰম্পৰা হাজাৰ বছৰ ধৰি চলি আহিছে তাৰ দ্বাৰা ব্ৰেখ্টৰ এই উদ্দেশ্য জানো সফল হ'ব? ব্ৰেখ্টে বুজিছিল, আবেগাধিক্যই দৰ্শকৰ মনত বিশ্লেষণী চিন্তা জগাই তোলাত কোনো সহায় নকৰে। সেয়ে ব্ৰেখটৰ এপিক থিয়েটাৰৰ মূল লক্ষ্য আবেগ নহয়, দৰ্শকৰ যুক্তি-বুদ্ধিহে। চিৰায়ত ট্ৰেজেডিৰ দৰে এপিক থিয়েটাৰত সৰ্বশক্তিমান 'নিয়তি'য়ে মানৱ জীৱন নিয়ন্ত্ৰণ নকৰে। এই থিয়েটাৰত 'বিতাড়িত' 'নিয়তি'ৰ ঠাই লয় সমাজ ব্যৱস্থাই। এপিক নাটকৰ ৰচনাশৈলীতো অভিনৱত্ব আছে। ক্ষুদ্ৰ ঘটনা কিম্বা ধাৰাবাহিক কোনো উত্তেজনাপূৰ্ণ কাহিনীৰ মাজত ই আবদ্ধ নাথাকে। ইয়াৰ ৰচনাশৈলী খণ্ডচিত্ৰধৰ্মী আৰু বৰ্ণনাত্মক হোৱাৰ বাবে বৃহৎ পটভূমিত ঘটনাবোৰ ৰূপায়িত কৰাটো সহজ হৈ পৰে। সাধাৰণ ঘটনাক অগতানুগতিক ভাবে দেখুৱাই এপিক থিয়েটাৰে দৰ্শকৰে কৌতূহল বঢ়াই তোলে।

ব্ৰেখ্টৰ এপিক থিয়েটাৰৰ আলোচনা তেওঁৰ বিচ্ছিন্নতা তত্ত্বক বাদ দি হ'ব নোৱাৰে। ব্ৰেখ্টে বুজিছিল, বুদ্ধিনিৰ্ভৰ নাটকৰ কাৰণে এটা নতুন পদ্ধতিৰ দৰকাৰ। বিচ্ছিন্নতা তত্ত্বৰ দ্বাৰা ব্ৰেখ্টে এই নতুন পদ্ধতিৰ গঢ় দিছিল। এই তত্ত্বই অভিনেতাক অভিনয় কৰি থকা চৰিত্ৰৰ লগত একাত্ম হৈ যাবলৈ নকয়। অভিনেতাই নাটকৰ চৰিত্ৰটো দৰ্শকৰ সন্মুখত ব্যাখ্যা কৰি দিয়া উচিত, বিচ্ছিন্ন হৈ অভিনয় নকৰিলে অভিনেতাই নাটকৰ চৰিত্ৰটো ব্যাখ্যা কৰিব কেনেকৈ? যিজন অভিনেতাই হিটলাৰৰ অভিনয় কৰিব তেওঁ চৰিত্ৰটোৰ সতে সম্পূৰ্ণ একাত্ম হৈ পৰিলে হিটলাৰৰ নৃশংস দিশটোৰ ওপৰত অধিক গুৰুত্ব দি অভিনয় কৰিবলৈ সক্ষম নহ'ব। তাৰ মানে? অভিনেতাজনে চৰিত্ৰটোৰ ওপৰত কোনো মন্তব্য দিব নোৱাৰিব। দৰ্শকৰ লগত প্ৰত্যক্ষ কথোপকথনেও নাট্যকাৰক বিশ্লেষণ কৰাৰ সুযোগ দিয়াৰ উপৰিও অভিনয়ত এই বিচ্ছিন্নতা অনাত সহায় কৰে। এপিক থিয়েটাৰত দৰ্শকৰ বিচ্ছিন্নতাৰো দৰকাৰ আছে। কাৰণ দৰ্শকে যদি মঞ্চৰ চৰিত্ৰৰ আবেগানুভূতি আৰু কাৰ্যৰ লগত একাত্ম হৈ পৰে তেন্তে মঞ্চায়িত বাস্তৱক





OKDISCD

[illegible] দৃষ্টিভংগীৰ চোৱাতো দৰ্শকৰ পক্ষে অসম্ভৱ হৈ পৰিব। দৰ্শকক নিৰ্লিপ্ত পৰ্যবেক্ষকলৈ পৰিণত কৰিব হলে এপিক প্ৰযোজনায়ো কিছু অগতানুগতিক উপায়ৰ সহায় লব লাগিব। এই প্ৰসঙ্গত পোষ্টাৰ ব্যৱহাৰৰ তাৎপৰ্যৰ কথা কিছু উল্লেখ কৰিব পাৰি। পোষ্টাৰে ঘটনাৰ সাৰাংশ আগতিয়াকৈ জনাই দিয়াত উৎকণ্ঠাহীন আৰু সুস্থিৰ মস্তিষ্কৰে দৰ্শকে মঞ্চত ঘটি থকা ঘটনাবোৰ নিৰ্লিপ্তভাৱে লক্ষ্য কৰি যাব পাৰে। কোৰাছ, প্ৰোজেক্চন ইত্যাদিয়েও এই বিচ্ছিন্নতা সৃষ্টি কৰাত সহায় কৰে। সাধাৰণতে ব্ৰেখ্‌টৰ বিচ্ছিন্নতা তত্ত্বৰ আলোচনাত এইখিনি কথা কৈয়েই আলোচনা বন্ধ কৰা হয়। অৰ্থাৎ, বিচ্ছিন্নতাৰ প্ৰয়োজন কিয়—এই প্ৰশ্নতকৈ বিচ্ছিন্নতা কেনেকৈ অনা যায়, সেই কথা লৈ বেছি ব্যস্ত হৈ পৰা দেখা যায়। ফলত বিচ্ছিন্নতা তত্ত্বৰ আটাইতকৈ যি গুৰুত্বপূৰ্ণ দিশ যাক এই তত্ত্বৰ ভাবাদৰ্শ দিশ বোলা যায়—সেই সম্পৰ্কে আমি অজ্ঞ থাকি যাওঁ। বিচ্ছিন্নতা তত্ত্বৰ এপিক প্ৰসংগত আংগিকৰ কথা বিশদভাৱে আলোচনা কৰিলেও ব্ৰেখটে স্পষ্টভাৱে কৈ গৈছে যে বিচ্ছিন্নতাৰ অৰ্থ হল মানুহ আৰু ঘটনাসমূহক ইতিহাস নিৰ্দ্ধাৰিত আৰু পৰিবৰ্তনশীল হিচাবে দেখুওৱা। সহজ কথাত, এপিক থিয়েটাৰৰ বিচ্ছিন্নতা তত্ত্বৰ উদ্দেশ্য দৰ্শকৰ মনত জগত আৰু জীৱন সম্পৰ্কে এনে এক প্ৰতিক্ৰিয়া সৃষ্টি কৰা যাৰ দ্বাৰা তেওঁলোকে সমাজ বাস্তৱৰ প্ৰকৃত স্বৰূপ বুজি তাক পৰিবৰ্তন কৰাৰ কথা চিন্তা কৰিব পাৰে।

এই প্ৰসংগত এপিক থিয়েটাৰ সম্পৰ্কে বহুতৰে মনত থকা এটা ভুল ধাৰণাৰ কথা উল্লেখ কৰা উচিত হ'ব। এপিক থিয়েটাৰৰ তত্ত্বই মানুহৰ আবেগ-অনুভূতিক কোনো গুৰুত্ব নিদিয়ে বুলি ব্ৰেখ্‌টৰ নামৰ বদনাম আছে। প্ৰকৃততে এই বদনামৰ কোনো দৃঢ় ভিত্তি নাই। দৰ্শক কিম্বা অভিনেতাক আবেগিক অংশগ্ৰহণৰ পৰা সম্পূৰ্ণ বিৰত কৰাৰ কোনো দৰকাৰ নাই—যুক্তিৰ ওপৰত সাংঘাতিক গুৰুত্ব দিয়া সত্বেও আবেগৰ সপক্ষে এই ধৰণৰ স্পষ্ট উক্তি ব্ৰেখ্‌টৰ নাট্য চিন্তাত পোৱা যায়। অৱশ্যে আবেগাপ্লুত হৈ দৰ্শক কিম্বা অভিনেতাই চৰিত্ৰ আৰু ঘটনাৰ লগত একাত্ম হৈ নিজৰ চিন্তা ক্ষমতা তথা ক্ৰিটিকেল দৃষ্টিভংগী বিসৰ্জন দিয়াৰ যি পৰম্পৰাগত প্ৰথা তাৰ তীব্ৰ বিৰোধিতা তেওঁ কৰিছিল। এপিক থিয়েটাৰৰ মূল লক্ষ্যৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰি এই কথা সহজেই অনুমান কৰিব পাৰি যে ইতিবাচক আৰু সক্ৰিয় আবেগানুভূতিৰ সংযত প্ৰকাশৰ লগত এই থিয়েটাৰৰ বিৰোধ নাই। + +

চেতনা গোষ্ঠী
ডিব্ৰুগড়


## অসম সাহিত্য সভাৰ শুৱালকুছি অধিৱেশনৰ আগে আগে প্ৰকাশ হ'ব :

১। নলিনীধৰ ভট্টাচাৰ্যৰ কাব্য সংকলন 'এই কুঁৱলীতে'
২। দেশে দেশে কবিতা ( দেশ-বিদেশৰ অনুবাদ কবিতা)
৩। অসম বুৰঞ্জী : অধ্যয়ন আৰু ৰচনা (পাঠচক্ৰ)

**চিন্তা চেতনা ॥ চক্ৰাকাৰ ॥ গুৱাহাটী-১**


OKDISCD